## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Jogendra Narayan Bhuyan. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhaitya Sabhaā Patraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1978 | Edition: |
| Size: 23½ cms. 4+95+4+101+4+92+13+4+130 pages | Genre: Magazine |
| Volumes: 34 - 4 issues | Condition of the original: Not bad. |
| Remarks: Qtly. 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |



# অসম সাহিত্য সভা পত্ৰিকা

…ৰকৰ। সোঁৱৰণী সংখ্যা | চতুৰ্ত্ৰিংশ বছৰ | দ্বিতীয় সং…

…নং শ সতিসন্থৰ খ্ৰী… | সম্পাদক : যোগেন্দ্ৰনাৰায়ণ ভূ…

অসম সাহিত্য সভা

# অসম সাহিত্য সভা পত্ৰিকা

চতুস্ত্ৰিংশ বছৰ :: দ্বিতীয় সংখ্যা

( হেম বৰুৱা সোঁৱৰণী )

সম্পাদক

যোগেন্দ্ৰনাৰায়ণ ভুঞা

অসম সাহিত্য সভা পত্ৰিকা
চতুস্ত্ৰিংশ বছৰ
দ্বিতীয় সংখ্যা
(হেম বৰুৱা সোঁৱৰণী)
জুন—জুলাই—আগষ্ট, ১৯৭৭

সম্পাদক
যোগেন্দ্ৰনাৰায়ণ ভূঞা
ৰঙপুৰ
নগাঁও

প্ৰকাশক
আব্দুছ ছাত্তাৰ
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—১

মূল্য
তিনি টকা

ছপাশাল
সুছন্দা প্ৰেছ
আমোলাপট্টি
নগাঁও

সূচী-পত্ৰ

| | | |
|---|---|---|
| সম্পাদকীয় | | |
| হেম বৰুৱাৰ ব্যক্তিত্বৰ বিভিন্ন দিশ | ১ | শ্ৰীযোগেশ দাস |
| ৰুৱা জীৱনত হেম বৰুৱা | ৫ | শ্ৰীপ্ৰফুল্লকুমাৰ বৰুৱা |
| সহকৰ্মীৰ দৃষ্টিত হেম বৰুৱা | ১১ | শ্ৰীপৰমেশ্বৰ শৰ্মা |
| শিক্ষাবিদ হেম বৰুৱা | ১৩ | শ্ৰীনন্দ তালুকদাৰ |
| অসম সাহিত্য সভাৰ সভাপতি হেম বৰুৱা | ২০ | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| হেম বৰুৱাৰ প্ৰবন্ধ সাহিত্য আৰু অভিব্যক্তি | ২২ | শ্ৰীঅমল ৰাজখোৱা |
| ফৰাচী সাহিত্যত বিশ্লেষণৰ যুগ | ২৯ | শ্ৰীসত্যেন বৰকটকী |
| গৌড়ীয় আৰু মহাপুৰুষীয়া বৈষ্ণৱ সাহিত্যত ৰসৰ স্বৰূপ | ৩৩ | ড° আনন্দমোহন মুখোপাধ্যায় |
| মাধৱ কন্দলীৰ ৰামায়ণত জাতি, বৰ্ণ আৰু বৃত্তি-প্ৰসঙ্গ | ৩৭ | শ্ৰীমলয় ৰায় |
| উড়িয়া সাহিত্যত ভক্তি-ধৰ্ম আৰু ভক্তি-গীতি | ৫৩ | শ্ৰীজীৱনকৃষ্ণ পাত্ৰ |
| টেনিচি উইলিয়ামছৰ নাটক | ৫৯ | শ্ৰীকুতুবুদ্দিন আহমেদ |
| নাগামিজ : নগাবাজাৰ জনতাৰ ভাষা | ৬৩ | শ্ৰীভীমকান্ত বৰুৱা |
| উপনিষদৰ ব্ৰহ্ম-জিজ্ঞাসা | ৬৯ | শ্ৰীৰমণী কান্ত শৰ্মা |
| আহাৰ্য্যাভিনয় আৰু অঙ্কীয়া ভাওনা | ৭৩ | ড° নবেন কলিতা |
| গ্ৰন্থ-পৰিচয় | ৭৯ | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, ধ্যানেন্দ্ৰ ভৌমিক |
| অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা | ৮৪ | |

পৰৱৰ্তী সংখ্যাত প্ৰকাশ পাব ড° হেমন্তকুমাৰ শৰ্মা, ড° লক্ষ্মী দেৱী, (সৰ্বশ্ৰী) বেণুধৰ শৰ্মা, আব্দুছ ছাত্তাৰ, লীলা গগৈ, নাৰায়ণ দাস, ৰাপ চন্দ্ৰ মহন্ত আৰু কেইবাজনৰো প্ৰবন্ধ।

## অসম সাহিত্য সভা পত্ৰিকা ঃ চতুস্ত্ৰিংশ বছৰ

# —ঃ নিয়মাৱলী ঃ—

১। 'অসম সাহিত্য সভা পত্ৰিকা' অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সাহিত্য-সংস্কৃতি-বিষয়ক মৌলিক চিন্তামূলক আৰু গৱেষণামূলক প্ৰবন্ধা[illegible] যাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনি মাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। অসম সাহিত্য সভা পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি 'যোগেন্দ্ৰনাৰায়ণ ভূঞা, বজ্ৰপুৰ, ডাকঘৰ—[illegible] এই ঠিকনালৈ পঠাব লাগিব। প্ৰবন্ধ-পাতি কাগজৰ এপিঠিত পৰিষ্কাৰকৈ লেখা হ'ব লাগিব। অম[illegible] নীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয়।

৫। পত্ৰিকাৰ বৰঙনি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত স[illegible] ভৱন, যোৰহাট ১'— এই ঠিকনালৈ পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙনি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰ পৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখা সভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিছ টকা কমিছন পাব।

১০। ডাক-যোগে এজেন্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মনি-অৰ্ডাৰ কৰি আগতে পঠাব লাগি[illegible]

### পত্ৰিকা সম্পাদনা সমিতি

১। চৈয়দ আব্দুল মালিক
২। আব্দুছ ছাত্তাৰ
৩। শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
৪। শ্ৰীমহেশ চন্দ্ৰ দেৱগোস্বামী
৫। শ্ৰীমহিম বৰা
৬। ডঃ নৱেন কলিতা
৭। যোগেন্দ্ৰনাৰায়ণ ভূঞা

# সম্পাদকীয়

### হেম বৰুৱা প্ৰসঙ্গত

জাতীয় জীৱনত যুগন্ধৰ প্ৰতিভা একোটাৰ সৃষ্টি নিশ্চয় আকস্মিক ঘটনা নহয়। একোটা জাতিৰ একান্ত সাধনা বা তপস্যাৰ ফলশ্ৰুতি স্বৰূপেহে এনে একোটা প্ৰতিভাই যুগ-বিশেষত ধৰা দিয়ে। কোৱা বাহুল্য যে এই প্ৰতিভাৰ বিশালতাৰ লগত সংশিষ্ট জাতিটোৰ সাধনা বা তপস্যাৰ গভীৰতা জড়িত হৈ থাকে।

হেম বৰুৱা আমাৰ জাতীয় জীৱনৰ সাধনাৰ ফল। অসমৰ জাতীয় জীৱনৰ বিভিন্ন সময়ত কেইজন দৈৱীসম্পদযুক্ত ব্যক্তিৰ জন্ম হৈছে, আৰু অকিঞ্চিৎকৰ হ'লেও, ৰাজনৈতিক তথা সাংস্কৃতিক ক্ষেত্ৰত ভৱিষ্যত ভাৰতবৰ্ষই অসমৰ যিকেইজন ব্যক্তিৰ নাম শ্ৰদ্ধাৰ সৈতে সুঁৱৰিব, সেইসকলৰ ভিতৰত হেম বৰুৱা অন্যতম। হেম বৰুৱা ৰাজনীতিক আছিল, হেম বৰুৱা সাহিত্যিক আছিল। কিন্তু ৰাজনীতিক হেম বৰুৱাৰ ছবিখন ভাৰতীয় লোকৰ মানস-পটত কিমান দিনলৈ জিলিকি থাকিব, নাইবা অনাগত দিনৰ ৰাজনৈতিক ইতিহাসত হেম বৰুৱা নামটোৰ অৱস্থান কেনে ধৰণৰ হ'ব, সেই কথা নিশ্চিতভাৱে এতিয়াই কৈ দিব নোৱাৰি। ভাৰতীয়সকলে নিৰবধি কাললৈ মনত ৰাখিবলগীয়াকৈ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰতো হেম বৰুৱাই বিশেষ কিবা দি থৈ গৈছে বুলি একে আষাৰতে কোৱাটো কঠিন। কিন্তু হেম বৰুৱা ভাৰতীয় জন-মানসত নিশ্চয় অবিস্মৰণীয় হৈ ৰ'ব জীৱনৰ মূল্যবোধ আৰু আদৰ্শৰ বাবে অহৰহ সংগ্ৰাম কৰা এজন ব্যক্তি হিচাপে। কাৰণ সৰ্বভাৰতীয় পৃষ্ঠভূমিত ৰাজনীতিক আৰু সাহিত্যিক হেম বৰুৱাতকৈ সংগ্ৰামী হেম বৰুৱাজনহে উজ্জ্বলতৰ। হেম বৰুৱাৰ সৰ্বভাৰতীয় পৰিচয় সুবিধাবাদীৰ সাময়িক উচ্ছ্বাসৰ সস্তীয়া বুলিবে অৰ্জা নহয়; ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ জনসমষ্টিক নিজৰ

জীৱনৰ আদৰ্শৰে উদ্বুদ্ধ কৰিব পৰা শক্তিতহে তেওঁৰ এই পৰিচয়ৰ ৰহস্য নিহিত হৈ আছে।

অসমে অৱশ্যে অনাগত দিনত হেম বৰুৱাক স্মৰণ কৰিব দুয়োটা দিশতে। বৰ্তমানৰ পৰিৱৰ্তিত ৰাজনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত ৰাজনীতিক হেম বৰুৱাৰ ভূমিকা কি হ'লহেঁতেন, সেই কথা কল্পনা কৰা নিৰৰ্থক। কিন্তু শাসনৰ ৰাঘজৰী হাতত লবলৈ নাপালেও, আধুনিক অসমৰ নিৰ্মান-কাৰ্যত হেম বৰুৱাৰ নেপথ্য-ভূমিকাৰ কথা অস্বীকাৰ কৰাৰ উপায় নাই। উত্তৰ-স্বাধীনতা যুগৰ ভাৰতৰ ৰাজনীতিত হেম বৰুৱাৰ অৱস্থান আৰু অনুপস্থিতিৰ মাজৰ ব্যৱধান অসমৰ ক্ষেত্ৰত বহুত বেছি। বিৰোধী দলৰ হ'লেও, সংসদী সদস্য হিচাপে এটা দশকৰো অধিক কাল সজাগ আৰু সদা-সতৰ্ক দৃষ্টিৰে ৰাজ্যখনৰ মঙ্গল আৰু উন্নয়নৰ ক্ষেত্ৰত হেম বৰুৱা সচেষ্ট হৈ নথকাহেঁতেন কিজানি সাম্প্ৰতিক অসমৰ মানচিত্ৰৰ আৰু বহুতো পৰিৱৰ্তন ঘটিলহেঁতেন। তেল শোধনাগাৰ, ব্ৰহ্মপুত্ৰৰ দলং, ৰাজ্যভাষা আদি অসমৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলনত হেম বৰুৱাৰ সবল ভূমিকাই আধুনিক অসম নিৰ্মাণত নিশ্চয় কম অৰিহণা যোগোৱা নাই।

অসমত 'হেম' এটা ঐতিহ্যপূৰ্ণ নাম আৰু অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীৰ বহুতো পৃষ্ঠাত 'হেম' নামটো ব্যাপ্ত হৈ আছে। এই ব্যাপ্তিৰ ইতিহাস দুখ বহুবীয়া। চতুৰ্দশ শতিকাৰ কমতাধিপতি দুৰ্লভনাৰায়ণৰ নিৰন্ পৃষ্ঠপোষকতাত 'প্ৰহ্লাদ চৰিত্ৰ' কাব্য ৰচনা কৰি অসমীয়া কাব্য-সাহিত্যৰ শুভাৰম্ভ সূচনা কৰোঁতা হেম সৰস্বতী আৰু স্বাধীনতাৰ উত্তৰ যুগৰ অসম তথা ভাৰত চৰকাৰৰ প্ৰতিকূলতাত থাকি অসমীয়া সাহিত্যৰ বিভিন্ন দিশত নতুনত্বৰ অৱতাৰণা কৰোঁতা হেম বৰুৱাৰ মাজত অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা, অসমীয়া সাহিত্যত ৰমন্যাসৰ জোনাক নমাওঁতা হেমচন্দ্ৰ গোস্বামী আৰু যুদ্ধোত্তৰ যুগত ব্যক্তিমুখী ৰচনাৰে অসমীয়া সাহিত্যক আচাৰত কৰি তোলোঁতা ডাক্তৰ হেম বৰুৱাক আমি পাইছোঁ। কিন্তু সেই কেউজন হেমৰ ভিতৰত এইজন হেমক অসমীয়া সাহিত্যৰ বুৰঞ্জীয়ে নিশ্চয় সবাতোকৈ আহল-বহল ঠাই এডোখৰ দিব লাগিব। হেম বৰুৱাই প্ৰায় ডেৰ কুৰি খন গ্ৰন্থ ৰচনা কৰি থৈ যোৱাটোৱেই যে তাৰ কাৰণ নহয়, সেই কথা কোৱা বাহুল্য মাথোন। সাহিত্যিক হেম বৰুৱাৰ যিকেইটা দিশ আমি দেখা পাইছোঁ ঠিক, সেই কেউটা বা তাৰ বিশেষ কোনোবা এটা দিশত যে হেম বৰুৱাই সাফল্যৰ



অভূতপূৰ্ব উজ্জ্বল স্বাক্ষৰ ৰাখি যাব পাৰিছে, তেনে কথাও নহয়। নতুন কবিতাৰ উদ্বোধন-আন্দোলনৰ দিক-নিৰ্ণায়ক হেম বৰুৱাৰ কবি-খ্যাতি এসময়ত হয়তোবা তল পৰিবগৈ। কাৰণ, হেম বৰুৱা কবি হয়নে নহয়, সেই কথা হেম বৰুৱাৰ জীৱদ্দশাতে বিতৰ্কৰ বিষয় হৈ পৰিছিল। কবি হিচাপে যিমানখিনি কাব্যিক প্ৰত্যয়ৰ গভীৰতা থকা বাঞ্ছনীয়, সেই পৰিমাণৰ গভীৰতাৰ অধিকাৰী হ'বলৈ হেম বৰুৱাৰ অৱসৰেই বা আছিল কিমান ? ৰাজনীতিৰ বাস্তৱ অভিজ্ঞতাই ৰমন্যাসিক হেম বৰুৱাৰ সমালোচক মনটোক পুষ্টি যোগালেও সমালোচক হিচাপে থাকিব লগা জ্ঞানৰ গভীৰতা হেম বৰুৱাই লাভ কৰিব নোৱাৰিলে। অসমীয়া ভাষাত তুলনামূলক সাহিত্য সৃষ্টিত হেম বৰুৱাই প্ৰচুৰ অৰিহণা যোগাইছিল ; কিন্তু কেৱল পাশ্চাত্য সাহিত্যৰ অধ্যয়ন-বিশালতাই যে ভাৰতীয় সাহিত্য-সমালোচক এজনৰ বাবে শ্ৰেষ্ঠ সম্পদ হ'ব নোৱাৰে, আৰু প্ৰাচ্য পৰম্পৰাৰ লগত পৰিচয়ৰ অভাৱ যে এজন অসমীয়া সমালোচকৰ ক্ষেত্ৰত এটা ডাঙৰ অন্তৰায়, সেই কথাৰ অনুপলব্ধিয়ে সমালোচক হেম বৰুৱাক নিশ্চয় অসম্পূৰ্ণ কৰি ৰাখিলে। মোহনীয় ভ্ৰমণ কাহিনীৰে অসমীয়া ভ্ৰমণ-সাহিত্যক পৰিপূৰ্ণ ৰূপ দিওঁতা হেম বৰুৱা এই দিশত অৱতীৰ্ণ নোহোৱা হ'লেও কিজানি অসমীয়া ভাষা-সাহিত্যৰ বিশেষ ক্ষতি নহ'লহেঁতেন। অসমৰ সাংবাদিকতাই নিৰ্দিষ্ট ৰূপ এটা পৰিগ্ৰহ কৰাৰ ক্ষেত্ৰতো যে হেম বৰুৱাৰ ভূমিকা অপৰিহাৰ্য আছিল, তেনে নহয়। কিন্তু হেম বৰুৱাই এই সকলোবোৰ দিশতে আত্মনিয়োগ কৰিছিল কেৱল এটা কাৰণত ; সেইটো হ'ল, হেম বৰুৱাই সঁচা অৰ্থত অসমক ভাল পাইছিল। নিজৰ অন্তৰত থকা অসম-প্ৰেমৰ প্ৰেৰণাতেই সাহিত্যিক হেম বৰুৱা ৰাজনীতিক হৈছিল আৰু ৰাজনীতিক হেম বৰুৱা সাহিত্যিক হৈ অনা-অসমীয়াসকলৰ সন্মুখত অসম আৰু অসমীয়াৰ সৌন্দৰ্য-সমৃদ্ধি-ভঁৰালৰ দুৱাৰ মেলি ধৰা কাৰ্যতো ব্যাপৃত আছিল। এই প্ৰেমৰ তীব্ৰতা হেতুকেই সময়-বিশেষত হেম বৰুৱাই সৰ্বভাৰতীয় ৰাজনৈতিক মতাদৰ্শৰ কথাও পাহৰি গৈছিল।

তথাপি হেম বৰুৱা আছিল এক উদাৰ চেতনাৰ অধিকাৰী। এই উদাৰতাই হেম বৰুৱাক দৃষ্টিৰ বিশালতা দান কৰিছে; এই উদাৰতাই অসমীয়া হেম বৰুৱাক ভাৰতবৰ্ষৰ জনমানসত প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰিছে। এই উদাৰতাৰ যোগেদিয়েই আধুনিক অসমৰ অন্যতম দায়বদ্ধ বুদ্ধিজীৱী হেম বৰুৱাই সৰ্বসাধাৰণ লোকৰ লগত যি সোণালী সংযোগ-সেতু নিৰ্মাণ কৰিছিল, সেই আদৰ্শই সাম্প্ৰতিক যুগৰ অসমহে নালাগে ভাৰতৰো গজদন্তমিনাৰত বাস কৰা বহুতো বুদ্ধিজীৱীৰ চেতনা সঞ্চালিত কৰিব

বুলি আমি আশা কৰিব পাৰোঁ। হেম বৰুৱাৰ নিচিনা অসম-প্ৰেমী হ'বলৈ আমি আহ্বান জনোৱা নাই; কিন্তু ইংৰাজী ভাষা-সাহিত্যত বিদগ্ধতা অৰ্জন কৰা বৰ্ত্তমান অসমৰ বুদ্ধিজীৱীসকলে অসমৰ ভিতৰতে পৰস্পৰৰ গালৈ বোকা-পানী ছটিওৱা কাৰ্যৰ পৰা নিবৃত্ত হৈ বহিৰ্বিশ্বত অসমক পৰিচয় কৰাই দিয়া কাৰ্যত আত্মনিয়োগ কৰিলে হেম বৰুৱাৰ সপোনে নিশ্চয় বাস্তৱ ৰূপ পৰিগ্ৰহ কৰিব।

যোগেন্দ্ৰনাৰায়ণ ভূঞা
১৬ আগষ্ট, ১৯৭৭

# হেম বৰুৱাৰ ব্যক্তিত্বৰ বিভিন্ন দিশ

শ্ৰীযোগেশ দাস

হেম বৰুৱাক ওচৰৰ পৰা বহুতেই পাইছিল, অসমত আৰু অসমৰ বাহিৰতো। তেওঁক বিভিন্ন জনে বৰুৱা, ছাৰ, অধ্যক্ষ, এম-পি ইত্যাদি আখ্যাৰে বুজাইছিল। আমি বহুতেই তেওঁৰ ছাত্ৰ-স্থানীয় হোৱা কাৰণে ছাৰ বুলিছিলো। কিন্তু তেওঁ নিজে আমাক, আৰু আনসকলকো বন্ধু জ্ঞান কৰিছিল। ৰাজহুৱা জীৱনত তেওঁ কিমান জনপ্ৰিয় আছিল, সেই কথা ইয়াত দোহাৰিবৰ প্ৰয়োজন নাই। আন হাতে, অসমৰ বাহিৰত অসমক প্ৰতিনিধিত্ব কৰা তথা অসমীয়া ভাষা-সাহিত্যৰ ধ্বজা উৰুৱাই ৰাখিবলৈ চেষ্টা কৰা, ভাৰতৰ বাহিৰত সমগ্ৰ দেশকে প্ৰতিনিধিত্ব কৰা এই গৰাকী লোকৰ ব্যক্তিত্ব যে বৰ্ণাঢ্য আছিল, এই কথা সহজেই অনুমান কৰি লব পাৰি। আমাৰ পৰিয়ালৰ সৈতে, তেজ-মঙহৰ কোনো সম্বন্ধ নোহোৱা সত্বেও, একেটা ঘৰতে তেওঁ আৰু তেওঁৰ সৰু পৰিয়ালটো চৈধ্য বছৰ কাল সংযুক্ত হৈ আছিল। তাৰে অভিজ্ঞতাৰ পোহৰত সেই বাবে এই প্ৰবন্ধত হেম বৰুৱাৰ ব্যক্তিত্বৰ এটি আভাস দিবলৈ যত্ন কৰা হ'ল।

তেওঁ এদিন কথা-প্ৰসঙ্গত আমাৰ আগত কৈছিল, "মোৰ ব্যক্তিগত বিষয়ে তুমি যিমানবোৰ কথা জানা, আন কোনেও সিমান নাজানে।" নিশ্চয় তেওঁ নিজৰ কল্পিত ত্ৰুটী বা দুৰ্বলতাৰ কথা মনত ৰাখিয়েই এই আষাৰ কথা কৈছিল। কি ত্ৰুটী বা দুৰ্বলতা তেওঁৰ চৰিত্ৰত আছিল, তাৰ বিচাৰ মই কৰিব নেখোজোঁ; কিন্তু তেওঁ যে নিজেই এই বিষয়ত সজাগ আছিল, এইটোৱে মন কৰিবলগীয়া, ই তেওঁৰ চৰিত্ৰৰ মহত্বৰ এটা দিশ উদঙাই দিয়ে। দেশ-বিদেশৰ ৰাজনীতি চৰ্চা কৰা হেম বৰুৱাই কৈছিল যে এজন সৰ্বশক্তিমান ডিক্টেটৰে কেতিয়াও নিজৰ দোষ স্বীকাৰ নকৰে; কিন্তু গান্ধীয়ে নিজৰ দোষ স্বীকাৰ কৰিবলৈ কেতিয়াও বেয়া নাপাইছিল, আৰু সেই কাৰণেই গান্ধী মহাত্মা ৰূপে মান্য হৈছিল। গান্ধী-দৰ্শনৰ দ্বাৰা যে তেওঁ গভীৰ ভাৱে প্ৰভাৱান্বিত হৈছিল, এই কথা নকলেও হ'ব; তেওঁৰ বহু প্ৰবন্ধ-পাতিতে এই কথা স্পষ্ট হৈ আছে। নিজৰ সীমাবদ্ধতা সম্বন্ধে সচেতন হ'ব পৰাটো গান্ধীজীৰ প্ৰভাৱৰে চিন হ'ব পাৰে।

আমাৰ দেশৰ সাধাৰণ মানুহৰ প্ৰতি

দয়া মমতাৰে, তেওঁৰ নিজৰ ভাষাতে, "অন্তৰখন উপচি পৰিছিল।" ৰাজনীতিত সক্ৰিয়ভাৱে লাগি থকা মানুহৰ এইটো এটা ধৰ্মই। তথাপি, যেতিয়া ৰাজনীতি কৰা মানুহৰ বহুতকে দেখোঁ যে তেওঁলোক কপট, স্বাৰ্থান্ধ আৰু ৰাজনীতিক তেওঁলোকে কেৱল এটা সাধাৰণ বৃত্তি হিচাপেহে নাইবা ক্ষমতা লাভৰ আহিলা ৰূপেহে লৈছে, তেতিয়া হেম বৰুৱাৰ ৰাজহুৱা জীৱনৰ উক্ত দিশটো তাৎপৰ্যপূৰ্ণ হৈ উঠে। তেওঁ নিজে সাধাৰণ অৱস্থাৰ পৰা আহিছিল। নিচেই বাল্য কালত কেনে দৰে কটাইছিল, সেই অধ্যায় তেওঁ নিজেই এটা আত্মকথনমূলক প্ৰবন্ধত লেখি থৈ গৈছে (সেই কাহিনীয়ে লগ্-কেবিনৰ প'ৰা গৈ হোৱাইট হাউছত অধিষ্ঠিত হোৱাৰ নিচিনা ৰোমাঞ্চকৰ কাহিনীলৈ বহুতৰে মনত পেলাই দিব)। ইংৰাজী সাহিত্যত এম-এ পাছ কৰি আহি ভালেমান দিনলৈ নিবনুৱা হৈ নুট হামচুন আদিৰ কিতাপ পঢ়ি কাল কটোৱাৰ কথা তেওঁ আমাৰ আগত কৈছিল। তাৰ পাছত, দেউতাকৰ আশা ধূলিসাৎ কৰি দি, অৰ্থাৎ হাকিম-মুন্সিফ হ'বলৈ নগৈ, দেশৰ স্বাধীনতা আন্দোলনতহে জঁপিয়াই পৰিছিল। দুখনমান কলেজত মাজতে দুদিনমানলৈ অস্থায়ীভাৱে কাম কৰাৰ বাহিৰে তেওঁ গুৱাহাটীৰ বি, বৰুৱা কলেজতে স্থায়ী পদত, স্বৰ্গীয় গোপীনাথ বৰদলৈৰ আহ্বানক্ৰমে, শেষত নিযুক্ত হৈছিল। গতিকে নিজৰ অভিজ্ঞতাৰ পৰাই আমাৰ দেশৰ সাধাৰণ মানুহৰ দুখ-দৈন্যৰ সৈতে তেওঁৰ সম্যক পৰিচয় হৈছিল। ইয়াৰ ফলত সেইবিলাক সাধাৰণ মানুহৰ প্ৰতি তেওঁৰ অন্তৰ সহানুভূতিৰে পূৰ্ণ হৈ ৰৈছিল। দুখত পৰা তেনে বহু মানুহক তেওঁ টকা-পইচা দি বা অন্যান্য প্ৰকাৰে সহায় কৰিছিল (যি কথা কাকো জানিবলৈ নিদিছিল): নিজে অসুবিধা ভোগ কৰিও তেনেকুৱা কোনো কোনো মানুহক নিজৰ ঘৰত আশ্ৰয় দিছিল। স্বৰ্গীয় জৱাহৰলাল নেহৰুৰ এটা বিশেষত্বৰ কথা তেওঁ প্ৰায়েই আমাৰ আগত উল্লেখ কৰিছিল: প্ৰধান মন্ত্ৰীৰ দপ্তৰত, সংসদৰ আলোচনাত নাইবা দলৰ সভাত বহু সময়তে খং-চোকা নেহৰু উত্তেজিত আৰু ক্ৰোধান্বিত হৈ পৰিছিল, কিন্তু সৰ্বসাধাৰণ মানুহৰ মাজলৈ ওলাই যোৱা মাত্ৰকে নেহৰুৰ মুখত শান্ত, সুখপূৰ্ণ হাঁহি বিৰিঙি উঠিছিল; কাৰণ তেওঁ ভাৰতীয় জনসাধাৰণৰ সৈতে একাত্মবোধ উপলব্ধি কৰিছিল। গান্ধী-দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত হোৱাৰ দৰে নেহৰুৰ ক্ষুৰধাৰ বৌদ্ধিকতা আৰু উজ্জ্বল ব্যক্তিত্বতো তেওঁ অতিশয় মুগ্ধ হৈছিল। সাধাৰণ মানুহৰ প্ৰতি মমতাবোধ নেহৰুৰ প্ৰভাৱৰ ফল বুলি কব নোৱাৰিলেও দুয়োজনৰে ৰাজহুৱা জীৱনৰ এই দিশত সাদৃশ্য থকাটো উল্লেখযোগ্য। উত্তৰ কামৰূপত বান পানী হলেই (আৰু বহুবি হয়েই) তেওঁ দিল্লীৰ পৰা উৰা মাৰি আহি পানী ভাঙি ভাঙি গাঁৱে গাঁৱে ঘূৰি ফুৰে, দলৰ সহকৰ্মী সকলৰ সহায়ত যি পাৰে ৰিলিফ দিয়ে, একো দিব নোৱাৰিলেও দুৰ্গত গঞা ৰাইজক সহানুভূতিৰ মাত এষাৰকে দিয়েগৈ। যথা সময়ৰ এষাৰি 'আইৰ দেহি'য়েও বহুত উপকাৰ কৰে। কিজানি এই অনুক্ৰমেই উত্তৰ কামৰূপৰ গাঁওবিলাকত হেম বৰুৱা এটি 'লিজেণ্ড' হৈ উঠিছিল।

তেওঁ যে বিস্তৃত অধ্যয়নশীল লোক আছিল, এই কথা সৰ্বজনবিদিত। বি-বৰুৱা কলেজত থাকোঁতে তেওঁ তাৰ সৰু পুথিভঁৰালটো লৈ গৰ্ব কৰিছিল। এগৰাকী বিশিষ্ট অতিথিয়ে হেনো এই পুথিভঁৰালটো চাই মন্তব্য কৰিছিল যে ই সৰু যদিও উচ্চ শ্ৰেণীৰ,— এই কথা আমাৰ আগত কৈ তেওঁ বৰ ভাল পাইছিল। কাৰণ ইয়াৰ সৰহ ভাগ বছা বছা পুথিয়েই তেওঁ সংগ্ৰহ কৰিছিল। দিল্লীৰ সংসদৰ লাইব্ৰেৰীটোৰ প্ৰশংসাতো তেওঁ উচ্ছ্বসিত হৈ উঠিছিল— নিজে বহু বহু সময় তাৰ ভিতৰত সোমাই থকাৰ কথা কৈছিল, ৱাছিংটনৰ কংগ্ৰেছৰ লাইব্ৰেৰীটোৰ লগত তুলনা কৰিছিল। দেশ বিদেশৰ



নতুন নতুন কিতাপ-পত্ৰ পঢ়িবলৈ পায় কাৰণেও সংসদী জীৱনলৈ তেওঁৰ এটা আকৰ্ষণ আছিল। লোকসভাৰ একোটি অধিৱেশনৰ অন্ত পৰিলেই তেওঁ গুৱাহাটীলৈ আহে আৰু সেই সময় ছোৱাত কি কি নতুন কিতাপ পঢ়িলে তাৰ বৰ্ণনা দিয়ে। দুখী দুখী অৱস্থাৰে আমিও দুই এখন কিতাপ পঢ়োঁ গতিকে সেইবোৰ বৰ্ণনা শুনি ভাল পাওঁ। কেতিয়াবা চিঠিও লেখে'। 'অমুকখন কিতাপ পালে লৈ আহিব' বুলি। মনত আছে, এবাৰ তেনেকৈ লেখোঁতে তেওঁ চাঞ্চল্যৰ সৃষ্টি কৰা "ক'শ্মীৰ প্ৰিন্সেছ"খন কিনি লৈ আহিছিল। কিতাপ-পত্ৰত ধন ভাঙিবলৈ যে তেওঁ মুঠেই কাৰ্পণ্য নকৰিছিল, সেই কথা তেওঁৰ ঘৰুৱা সংগ্ৰহৰ পৰাই বুজিব পাৰি। এবাৰ কলেজৰ কিতাপ কিনিবলৈ পাঁচ শ টকাৰ কিবা পুঁজি এটা পোৱা গৈছিল। মই তেওঁক লগ ধৰিলোঁ দোকানলৈ গৈ কিতাপ বাছিবৰ কাৰণে। পানবজাৰৰ এখন দোকানৰ পৰাই তেওঁ নিজ হাতে টানি টানি দ'ম কৰি পেলালে। উঠি অহা ল'ৰা-ছোৱালীয়ে সোৱাদ লওক বুলি মই মেৰী কৰেলীৰ দুখন উপন্যাসলৈ আঙুলিয়াই দিছিলোঁ,— "সেইবিলাক আজিকালি অচল" বুলি তেওঁ একে আষাৰেই অগ্ৰাহ্য কৰি দিলে। বছা বছা শিৰোনামাৰেই কম সময়ৰ ভিতৰতে তেওঁ সেই টকাৰ বায় পূৰ্ণ কৰি পেলালে। গুৱাহাটীলৈ আহিলেই তেওঁ কি কি নতুন কিতাপ আৰু আলোচনী ওলাইছে খবৰ লয়, মই তেতিয়া জনপ্ৰিয় সাপ্তাহিক কাকত এখনৰ নিয়মীয়া পুথি-সমালোচক আছিলোঁ। বাবে প্ৰায়বিলাক নতুন নতুন প্ৰকাশনেই আমাৰ ঘৰলৈ আহিছিল; তেওঁ সেইবিলাক পাৰ্যমানে পঢ়ি চাই পঢ়ি শেষ কৰিব নোৱাৰিলে দিল্লীলৈ লৈ গৈ, আধুনিক অসমীয়া সাহিত্যৰ ধাৰাটোৰ লগত নিজকে পৰিচিত কৰি ৰাখিবলৈ চেষ্টা কৰিছিল। তেওঁ কোনো এক বা একাধিক দিশতে অধ্যয়ন কৰিছিল বুলি কব নোৱাৰি। সাধাৰণ ভাৱে সকলো দিশতে পঢ়া-শুনা কৰাই আছিল তেওঁৰ মানসিক দৃষ্টিকোণ। মানৱ-সমাজৰ ঐতিহ্যৰ ইতিহাসৰ পৰা নিজৰ যুগৰ জগতত ক'ত কি কি নতুন উদ্ভাৱন, চিন্তা-চৰ্চা হৈছে তাক জানিবৰ আগ্ৰহে তেওঁক এনে বিচিত্ৰ অধ্যয়নৰ পিনে আকৃষ্ট কৰিছিল। সেই কাৰণেই হবলা আমি তেওঁৰ কাপৰ পৰা আইন্‌ষ্টাইনৰ ৰিলেটিভিটী থিয়ৰীৰ পৰা কথাছবি শিল্পৰ গুণাগুণলৈকে বুজিবৰ চেষ্টা কৰি লেখা প্ৰবন্ধ ওলোৱা দেখিবলৈ পাওঁ। এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে তেওঁ পঢ়া কথা বৰ অদ্ভুতভাৱে মনত ৰাখিব পাৰিছিল; কেতিয়াবা পঢ়া ইংৰাজী কিতাপৰ একোটা উদ্ধৃতি মুখস্থ মাতি দি আমাক অবাক কৰিছিল। ইয়াৰ এটা কাৰণ এয়ে হব পাৰে যে তেওঁ যিহকে পঢ়িছিল তাৰ মাজত মজি গৈ খৰচি মাৰি পঢ়িছিল, আৰু অৰ্থব্যঞ্জক, আকৰ্ষণীয়, বুদ্ধিদীপ্ত প্ৰকাশ-ভঙ্গীৰ প্ৰতি তেওঁৰ আছিল দুৰ্বলতা। এইটি দুৰ্বলতাৰ কাৰণেই তেওঁ প্ৰায়েই কলেজত বা ঘৰত তেওঁৰ ওচৰলৈ যোৱাসকলৰ আগত মনত লগা কবিতাৰ পংক্তি বাৰে বাৰে আওৰাই শুনাইছিল। তেওঁ সময়ে সময়ে পঢ়া কিতাপৰ পৰা মনত লগা উদ্ধৃতি কিছুমান এখন বহীত টুকি টুকি গৈছিল। কেতিয়াবা কামত লগাব পাৰিব বুলিয়ে হবলা এনে কৰিছিল, কাৰণ লেখাত ছপাৰ পৰাকৈ উদ্ধৃতি শুদ্ধকৈ সৰহ দিনলৈ মুখস্থ ৰখা সম্ভৱ নহয়। এবাৰ বাতৰি-কাকতৰ বিজ্ঞাপন এটিৰ পৰাও এটি আকৰ্ষণীয় উদ্ধৃতি পাই তাক টুকি থৈ আমাৰ আগত সেই কথা কৈছিল। ভাল প্ৰকাশ-ভঙ্গীৰ প্ৰতি তেওঁৰ এই দুৰ্বলতাই আমাৰ পৰা নীৰৱ প্ৰশংসা লাভ কৰিছিল।

কৰ্তব্যত একনিষ্ঠতা আৰু ঐকান্তিকতা হেম বৰুৱাৰ চৰিত্ৰৰ এটা আটাইতকৈ উল্লেখযোগ্য বিশেষত্ব। শিক্ষক, লেখক, ৰাজনৈতিক কৰ্মী আৰু সংসদী সদস্য যি ৰূপতেই নহওক, তেওঁ সততাৰে নিজৰ

কাম কৰি যোৱাটো ধৰ্মৰ দৰেই নিয়ম কৰি লৈছিল। এই উক্তিৰ সমৰ্থনত প্ৰমাণ দাঙি ধৰাৰ কোনো প্ৰয়োজন নাই বুলিয়েই ভাবোঁ। কিয়নো আমাৰ ৰাইজে তাৰ ভূৰি ভূৰি প্ৰমাণ পাই আহিছে। তেওঁৰ শ্ৰেণীত যোগদান কৰি যোৱা বহু ছাত্ৰই আজি ওলাব, যি অকাতৰে স্বীকাৰ কৰিব যে তেওঁ শিক্ষক-ছাত্ৰৰ মাজত কেনে অন্তৰঙ্গতা স্থাপন কৰি লৈছিল। তেওঁ বেছি সংখ্যক শ্ৰেণী অৱশ্যে নলৈছিল, কিন্তু যি কেইটা নিয়মীয়াকৈ লৈছিল, তাৰ কাৰণে পঢ়ি শুনি সাজু হৈ বৰ আগ্ৰহেৰে বাট চাই থকা আমি নিজেই দেখিছিলোঁ। সংসদত তেওঁ যি কৃতিত্ব আৰ্জন কৰিছিল, তাৰ কাৰণে তেওঁ কম পৰিশ্ৰম কৰা নাছিল। সমগ্ৰ দেশৰ তীক্ষ্ণধী ব্যক্তিসকল সংসদত থুপ খাইছিলগৈ। তেওঁলোকৰ লগত সমানে ফেৰ মাৰি ৰণ জিনিব লগা হ'লে তেনে পৰিশ্ৰম নকৰিলেই নহয়। জাপ জাপ চৰকাৰী নথি-পত্ৰৰ উপৰি চাৰি-পাঁচখনকৈ ৰাষ্ট্ৰীয় দৈনিক কাকত নিতৌ ৰাতি এডোখৰলৈ পঢ়া আমি তেওঁক তেওঁৰ ছাউথ এভিনিউৰ বাসভৱনত এবাৰ দেখিছিলোঁ। অকল নিতৌ পঢ়াইতো নহয়, সেইবিলাকৰ আৱশ্যকীয় কাটিং সংৰক্ষণ কৰাই থোৱাও এটা কাম আছিল। এই কাম শ্ৰীমতী বৰুৱা বা অন্যান্যই দিল্লী আৰু গুৱাহাটী দুয়ো ঠাইতে নিয়মীয়াকৈ কৰি দিছিল। দলৰ আদৰ্শৰ প্ৰতি অবিচল আনুগত্য ৰাখি তেওঁ নিজেই আনলৈ আহি দাঙি ধৰিছিল; সতীৰ্থ বহুতেই দল এৰি অন্য দলত গৈ সোমোৱা অৱস্থাতো তেওঁ তেনে কোনো দুৰ্বলতা নেদেখুৱাই অনুগত, আস্থাবান কৰ্মীসকলৰ মনত অশেষ বল যোগাইছিল। নিজে এনে কৰ্তব্যপৰায়ণ আছিল কাৰণেই একে কৰ্ম-ক্ষেত্ৰত কোনো কোনো সহকৰ্মীৰ কৰ্তব্যৰ প্ৰতি আওহেলা দেখিলে বৰ ক্ষুণ্ণ হৈছিল। কিন্তু ক্ষুণ্ণ হলেও মনৰ ভাব তেওঁৰ মনৰ মাজতে ৰাখিছিল; তাক বাহিৰত প্ৰকাশ নকৰিছিলেই বুলিব পাৰি।

বোধ হয় তেওঁৰ চৰিত্ৰৰ ইও এটা ৰহস্যই আছিল যে দেখাত বাহিৰত তেওঁ কাকো ক্ষুণ্ণ কৰিব নোখোজা এগৰাকী ৰাজহুৱা ব্যক্তি আছিল, আৰু অন্তৰত কিছু পৃথক এজন ব্যক্তি তেওঁৰ মাজত আছিল। এটা উদাহৰণ দিলে ভাল হ'ব। দেশৰ নানা সমস্যাৰ লগত জড়িত ব্যস্ত ব্যক্তি কাৰণে তেওঁক দেখা কৰিবলৈ নানান মানুহ আমাৰ চেনিকুঠীৰ ঘৰলৈ আহিছিল। কেতিয়াবা ৰাতিপুৱা গা-পা ধুই সাজু হ'বলৈ নৌপাওঁতেই মানুহ আহি বাহিৰৰ কোঠাত বহি থাকে। আমি খবৰটো দিলে "আহিলেই নে" বুলি স্বাভাৱিক বিৰক্তি সামান্য ভাবে হ'লেও প্ৰকাশ কৰে। কিন্তু যেতিয়া বাহিৰলৈ মাত দিবলৈ ওলাই যাব, তেতিয়া হাঁহিমুখে আদৰ অভ্যৰ্থনা জনাই এনেদৰেহে মাত দিবগৈ যে সেই বিৰক্তি প্ৰকাশ কৰাৰ কথা আমি আৰু ভাবিবই নোৱাৰা হওঁ। আমাৰ ধাৰণা যে বহু সময়তে তেওঁ ৰাজহুৱা জীৱনত নিতান্ত নিঃসঙ্গ হৈ পৰিছিল। কিয়নো সজ উদ্দেশ্য আগত ৰাখি বহু ৰাজহুৱা আন্দোলনৰ কাম কৰিবলৈ গৈ তেওঁ কিছুমান লোকৰ স্বাৰ্থপৰতা দেখি বৰ বেয়া পালেও একো প্ৰতিকাৰ কৰিব নোৱাৰিছিল; ওপৰন্ত কৰৰ দৰে কেৱল অন্তৰতে গুজৰি-গুমৰি থাকিছিল। সেই কাৰণে হবলা মাজে-সময়ে তেওঁ আমাৰ আগত কৈছিল যে ৰাজহুৱা কামৰ ধামখুমীয়াৰ পৰা নিজৰ মনটোক প্ৰায়েই আঁতৰাই আনিবলৈ চেষ্টা কৰিছিল;— কাম এৰি দিয়া নাছিল কিন্তু তাকে অনবৰত চিন্তা কৰি নাথাকিছিল। আমাৰ সামাজিক জীৱনৰ সংকো-খিনি জটিলতা তেওঁ জল্ জল্-পট্পট্কৈ দেখিবলৈ পাইছিল, কিন্তু এক ধৰণৰ স্বাভাৱিক সৰলতা হেতু তাৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিছিল যেন লাগে। ৰাজনৈতিক জীৱনৰ শেষৰ ফালে তেওঁ বহু বন্ধু বুলি ভবা লোকৰ পৰাই বেয়া আঘাত পাইছিল; কিন্তু তেওঁ সেই আঘাত নীৰৱেই সহ্য কৰিছিল। স্বাস্থ্যই শুদ্ধা হ'লে এই বিষয়ত তেওঁ কি কৰিলেহেঁতেন কোৱা টান; কিন্তু প্ৰত্যাঘাত হানিলেহেঁতেন বুলি হ'লে মনে নধৰে।

# ঘৰুৱা জীৱনত হেম বৰুৱা

শ্ৰীপ্ৰফুল্লকুমাৰ বৰুৱা

হেম বৰুৱা মোৰ নিজৰ দাদা। আমি চাৰিজন ককাই-ভাই। বাই-ভনীও চাৰিজনী। হেম বৰুৱায়েই আটাইতকৈ ডাঙৰ। আমি যেতিয়া সৰু আছিলোঁ, তেতিয়া আমি হেম বৰুৱাক পাইছিলোঁ সকলোবোৰ ভায়েক-ভনীয়েকে নিজৰ ককায়েকক পোৱাৰ দৰে। কিন্তু পাছলৈ যেতিয়া ডাঙৰ-দীঘল হৈ সামাজিক জীৱনৰ এজন অংশীদাৰ হৈ পৰিছিলোঁ, তেতিয়া হেম বৰুৱাৰ সাহিত্য-সৃষ্টি, হেম বৰুৱাৰ ৰাজনীতি এইবোৰৰ বিষয়েও কিছু জানিবলৈ আগ্ৰহান্বিত হৈ পৰিছিলোঁ। কাৰণ কোনো বুদ্ধিজীৱীয়েই অসমীয়া সাহিত্য আৰু অসমৰ ৰাজনীতিৰ লগত, হেম বৰুৱাক বাদ দি নিজকে জড়িত ৰাখিব নোৱাৰে।

কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম এ পাছ কৰি অহাৰ দিনৰে পৰা মৃত্যুৰ সময়লৈকে হেম বৰুৱাৰ চৰিত্ৰৰ পৰিবৰ্তন সাধন হোৱা দেখিবলৈ পাইছিলোঁ। এম এ পাছ কৰি অহাৰ পাছৰ পৰা ভালেখিনি সময়লৈকে হেম বৰুৱা আছিল এজন বৰ খঙাল মানুহ। সেই সম্পৰ্কত দুটা বৰ্ণনা মনত পৰে। এবাৰ এযোৰা ডাঙৰ হুঁচৰি আমাৰ ঘৰলৈ হুঁচৰি গাবলৈ আহিছিল। কিবা কথাত দাদাৰ লগত হুঁচৰিযোৰাৰ কাজিয়া লাগিছিল আৰু দাদাই ভিতৰৰ পৰা কুঠাৰখন উলিয়াই আনি হুঁচৰিযোৰাৰ লগত অকলেই যুঁজিবলৈ গৈছিল। আকৌ এজন মানুহে আমাৰ ঘৰৰ বিষয়ে এবাৰ বেয়াকৈ এষাৰ কথা কৈছিল। সেইষাৰ শুনিয়েই দাদাই কান্ধত ছাটিটো লৈ ওলাই গৈ মানুহজনক মানুহজনৰ গাঁৱৰ ঘৰতে গালি-শপনি পাৰি থৈ আহিছিলগৈ। দাদাৰ তেতিয়া বৰ খং থকাৰ কাৰণে মোৰ ওপৰৰ ককাইদেউজন আৰু মই সকতে মাৰ খাইছিলোঁ। সেই অনুপাতে ভনী দুজনীয়ে সিমান মাৰ খোৱা নাছিল। সিহঁতক দাদাই মৰম কৰিছিল, স্কুললৈ যাবৰ সময়ত মূৰ আঁচুৰি দিছিল, মূৰত মৰা ফিটাৰ ফুলটো বৰ ধুনীয়াকৈ বান্ধি দিছিল। কিন্তু পাছলৈ দেখি আচৰিত লাগিছিল যে ইমান খঙাল মানুহজনৰ খং একেবাৰেই নাইকিয়া হৈ গৈছিল। বিশেষকৈ জেইলৰ পৰা ওলাই অহাৰ পাছৰ পৰা তেখেতৰ খং একেবাৰে নোহোৱা হৈ গৈছিল। আমি অমুকে এনেকৈ কৈছে, অমুকে আমাৰ কথা বেয়াকৈ কৈছে, এনেকৈ ক'লেও দাদাই কৈছিল— "কওক দে, কোৱা মানুহটোক কিবা কৰিবলৈ যোৱাতকৈ কাৰ্যৰ দ্বাৰা দেখুৱাই দে ভই যে সেইটো নহয়।"

আমি সকৰে পৰা দেখিছিলোঁ, তেখেতে বিশেষকৈ পুৱাবেলা আৰু দুপৰীয়া পঢ়া-শুনা কৰিছিল আৰু লেখিছিল। তেখেতে প্ৰথমতে অসমীয়া ভাষাত কিবাকিবি লেখোঁতে যে অসুবিধাত পৰিছিল সেই কথা কেইবাজন লেখকেও তেওঁলোকৰ প্ৰৱন্ধত লেখিছে। কথাষাৰ হয়। কাৰণ প্ৰায়ে ৰাতিপুৱা মইয়েই আমাৰ স্কুলৰ (শঙ্কৰদেৱ চেমীনেৰী) হেড-মাষ্টৰ শ্ৰীবিমান বৰুৱাৰ ঘৰলৈ 'এংল' এছেমিজ ডিক্‌চনেৰী'খন আনিবলৈ যাবলগীয়া হৈছিল। লেখাবোৰ দাদাই আমাক কেতিয়াবা কপি কৰিবলৈ দিছিল; কেতিয়াবা কৈ গৈছিল আৰু আমাক লেখি যাবলৈ কৈছিল। কিন্তু লেখি যাওঁতে কেতিয়াবা যদি বানান ভুল হৈছিল, তেতিয়া দুই এটা কাণ-মোচৰা আমি খাব লগা হৈছিল। তেখেতে বিদ্যা-শিক্ষা শেষ কৰি আহি জগন্নাথ বৰুৱা কলেজত চাকৰি কৰি যোৰহাটত থকা সময়খিনি আৰু তাৰ পাছত গুৱাহাটীলৈ যোৱাৰ পাছতো ঘৰখনত এটা শিক্ষাৰ পৰিবেশ গঢ়ি তুলিবলৈ বৰ যত্ন কৰিছিল। আমি নপঢ়িলে বা নেলেখিলে দাদাই বৰ বেয়া পাইছিল। সেই কাৰণেই, বোধ কৰোঁ আমাৰ লেখা-জীৱনৰ আৰম্ভ কৰাবৰ কাৰণেই আমাক এটা কাম কৰিবলৈ ক'লে। সেই সময়ত গোলাঘাটত ছাত্ৰ-সম্মিলনৰ অধিৱেশন বহিছিল। তালৈ অসমৰ যুৱনেতা সকলৰ লগতে সৰ্বভাৰতীয় নেতা কেইবা-জনো আহিছিল। সেই সময়তে প্ৰকাশ কৰি বিক্ৰী কৰিব পৰাকৈ আমাক সৰ্বভাৰতীয় পাঁচজন নেতাৰ জীৱনী লেখিবলৈ দিলে আৰু কোনে কাৰ বিষয়ে লেখিব সেইটো ভগাই দিলে। কিতাপ খনৰ নাম তেওঁ নিজেই দিলে— "পাঁচজন নেতা"। কিতাপ কিছুমান অধিৱেশনত বিক্ৰী কৰিবৰ কাৰণে মোকেই পঠাই দিলে। কান্ধত ওলোমাই লোৱা বেগ এটাত কিছুমান কিতাপ ভৰাই লৈ অধিৱেশনলৈ গৈছিলোঁ যদিও কিতাপ বিক্ৰী কৰিব নোৱাৰিলোঁ। মানুহক কিতাপ এখন লওক বুলি কবলৈকো সংকো লাগিছিল। পাছত মই এখনো কিতাপ বিক্ৰী নহ'ল বুলি ক'লত কৈছিল— "তোক মই দেখি আছিলোঁ নহয়। তই কিতাপ বিক্ৰী কৰিবলৈ যত্নই কৰা নাছিলি।" তাৰ পাছত দাদাই মোৰ বুজাইছিল যে এইবোৰ কাম কৰিবলৈ শিকিব লাগে। এইবোৰ একো লাজৰ কথা নহয়। এইবোৰ সমাজৰ কাম।

দাদাই ৰাতিপুৱাবেলা আৰু দুপৰীয়া পঢ়া-শুনা কৰি আছিল যদিও আবেলি ফুৰিবলৈ ওলাই গৈ বহুত বেলিকৈহে ঘৰলৈ উলটি আহিছিল। তেখেতৰ এটা অভ্যাস আছিল— আবেলি পৰত ফুৰি-চাৰি উলটি আহি বহুত ৰাতিলৈকে আগপিনে চকীখন পাৰি বহি থাকি কিবাকিবি ভাবি থাকে। আমাৰ তেতিয়া ঘৰুৱা অৱস্থা বৰ বেয়া আছিল। অৱশ্যে এতিয়াও একো ভাল নহয়। দাদাই সেইটো উপলব্ধি কৰিছিল আৰু সেই অৱস্থা উন্নত কৰিব নোৱাৰি মনত যে তেখেতে দুখ পাইছিল সেইটো আমি বুজিছিলোঁ। যুদ্ধৰ সময়ত আমাৰ ল'ৰাকেইটাৰ বাহিৰে মা আৰু ভনী কেইজনী দেউতাই কাম কৰা ঠাইলৈ (গমিৰিঘাট) গুছি গৈছিল। আমি কেইটা যোৰহাটতে আছিলোঁ। দাদাক আমি ৰন্ধা-বঢ়াৰ কামত লাগিবলৈ দিয়া নাছিলোঁ। দাদাই সেইবোৰ একো নাজানিছিলো। আমি বাকী তিনিটায়ে ৰন্ধা-বঢ়া কৰিছিলোঁ। দাদাই তেতিয়া আটাৰ ৰুটী আৰু লাইশাকৰ ভাজা খুব ভাল পাইছিল। ৰাতি ভাত-পানী ৰন্ধা অসুবিধালৈ নগৈ আমি প্ৰায়ে ৰুটী খাইছিলোঁ। কেতিয়াবা খৰি আনিবলৈ পইচা নাথাকিলে আমি দাদাক জানিবলৈ নিদিছিলোঁ। আমাৰ পাকঘৰটোৰ বেৰ চালবোৰলৈ পৰ্যবেক্ষকৰ দৃষ্টিৰে চাই থাকি অলপ পাছত সোধে— "আচ্ছা, এইখিনিত এই খুটাটো ৰাৰু কিয় আছে?" আমাৰ আলোচনা হোৱাৰ পাছত সিদ্ধান্ত হয় যে সেই খুটাটোৰ কোনো কাম নাই। গতিকে সেই খুটাটোকে কাটি আনি সেই দিনাৰ সাঁজটো চলোৱা হয়। এই দৰে খুটা, কামী এইবোৰ কাটি আনি চলাই থাকোঁতে পাক-ঘৰ বৰ বেছি দিন আৰু থিয় হৈ নাথাকিল। খেৰ-বাঁহৰ ৰান্ধনীঘৰ এটাত খুটা, কামী আদিৰেই যদি কাম নাথাকে, কাম আৰু থাকিব কিহৰ? এইবোৰ কথা দাদাই মন কৰি আছিল। সেই কাৰণেই বোধ কৰোঁ খৰচ কমোৱাৰ উদ্দেশ্যেৰেই আমাক ক'লে— "তইঁতে চাহত বৰ চেনি দিয়। অলপ কমাই দিবি।" আমিও চেনি কমাই দিবলৈ ললোঁ। কিন্তু আমাৰ চেনি কমোৱা ইমান বেছি হ'ল যে কেইদিনমানৰ পাছত দাদাই কবলৈ বাধ্য হ'ল— "তইঁতে চাহত চেনি বৰ বেছি কমালি— মিঠা নোহোৱাকৈ কম কৰিবলৈ মই কোৱা নাছিলোঁ নহয়।"



যোৰহাটত দাদাৰে সৈতে যি কেইটা দিন আমি আছিলোঁ, সেই কেইটা দিন আমাৰ বৰ ভাল লাগিছিল। অসমৰ ভালে কেইজনমান ডাঙৰ ব্যক্তি প্ৰায়েই আমাৰ ঘৰলৈ আহিছিল আৰু আমাৰ ঘৰত দুই-তিনিদিনকৈ আছিল। তেওঁলোকক নিচেই সৰুৰে পৰা আমি ওচৰৰ পৰা দেখিবলৈ সুবিধা পাইছিলোঁ। তদুপৰি ৰাম মনোহৰ লোহিয়া আৰু জয় প্ৰকাশ নাৰায়ণ আৰু তেখেতৰ পৰিবাৰো কেইবাদিনো আমাৰ ঘৰত আছিলহি। তেওঁলোকৰ নিচিনা মানুহ ঘৰত ৰখা একো টান কাম নহয়। কাৰণ তেওঁলোক একেবাৰে ঘৰুৱা মানুহ থকাৰ দৰে থাকে। তদুপৰি আমাৰ ঘৰত প্ৰায়ে আড্ডা বহিছিল। দাদাৰ ওচৰলৈ কলেজৰ ছাত্ৰসকলকো অহা দেখিছিলোঁ। আগ্ৰহী ছাত্ৰসকলে পাঠ্য-পুথিৰ কথাৰ বাহিৰেও অনান্য কথাৰো আলোচনা কৰিছিল। দাদাই ছাত্ৰসকলক বন্ধুৰ দৰে ব্যৱহাৰ কৰিছিল। ক্লাছত ভালকৈ পঢ়ুৱাব নোৱাৰা শিক্ষকে ছাত্ৰৰ আগত হাঁহিটোও নামাৰি গাম্ভীৰ্য বজাই ৰাখিবলৈ যত্ন কৰে। দাদাই ক্লাছৰ বাহিৰত বন্ধুৰ দৰে ব্যৱহাৰ কৰিছিল যদিও কোনোদিন ক্লাছত "ইন্‌ডিচিপ্লিন" হোৱা শুনা নাছিলোঁ। আন হাতেদি ছাত্ৰসকলে তেখেতক অত্যন্ত ভাল পাইছিল। ক'ৰবাত মনে মনে ছাত্ৰই চুৰট খোৱা দেখি— তেওঁক ছাত্ৰই অসন্মান কৰিছে বুলি ভাবি ৰিজাল্ট বন্ধ কৰি থৈ— "তই সিদিনা মোৰ আগত চুৰট খাইছিলি" বুলি গালি-শপনি পৰা বিধৰ অধ্যাপক অথবা অধ্যক্ষ— তেওঁ নাছিল। তেনে ধৰণৰ চিন্তাৰ মানুহ চোৰাংচোৱা বিভাগৰ মূৰব্বী হ'ব পাৰে, শিক্ষানুষ্ঠানত কাম কৰাৰ যোগ্যতা তেওঁলোকৰ নাই। হেম বৰুৱা আছিল সকলোখিনি গুণৰ অধিকাৰী হৈ প্ৰকৃত অৰ্থত এজন শিক্ষাবিদ। মোৰ বন্ধু, এসময়ৰ সাহিত্য-সমালোচক, বৰ্তমানৰ ডি. আই. জি. জ্ঞানেন পাঠকে এবাৰ কৈছিল— "অসমত প্ৰকৃত অৰ্থত দাদায়েহে শিক্ষাবিদ।" কথাষাৰ সম্পূৰ্ণ সঁচা।

আমাৰ লগৰ সকলোৱে দাদাক 'দাদা' বুলি মাতিছিল। আমাৰ ঘৰত বহা আড্ডাত প্ৰায় সদায়েই উপস্থিত আছিল উপেন ৰাজখোৱা। তেখেতৰ চেহেৰাটো এতিয়াও আমাৰ স্পষ্ট ভাৱে মনত আছে। শদ্ধৰ ধুতী-পঞ্জাৱী পিন্ধা ওখ-পাখ এজন মানুহ। তেখেতেই যে পাছত গৈ এনে এটা চাঞ্চল্যকৰ হত্যাকাণ্ডৰ সৃষ্টি কৰিব, সেই কথা ভাবিবই পৰা নাছিলোঁ। দাদা, উপেন ৰাজখোৱা আৰু আমাক ঘৰত পঢ়ুওৱা শিক্ষক-জন (যাক আমি 'মাষ্টৰ বাবু' বুলি মাতিছিলোঁ) সদায় আবেলি ফুৰিবলৈ ওলাই গৈছিল। তেওঁ-লোকে হাত-চোৱা বিদ্যাও আৰম্ভ কৰিছিল। সিদিনা অলপতে 'মাষ্টৰ বাবুৱে' কৈছিল,— ৰাজ-খোৱাৰ হাতত হত্যাকাৰীৰ চিন বোলে আছিল।

হেম বৰুৱা আছিল প্ৰকৃত অৰ্থত জ্ঞানদীপ্ত। কাৰণ বহুতো ডাঙৰ ডাঙৰ মানুহৰ লগত কথা পাতি দেখিছোঁ তেওঁলোকে নিজৰ বিষয়টোৰ কথা জানে; কিন্তু অন্য বাহিৰা কথাৰ খবৰ নাৰাখে। দাদাই কিন্তু সকলো বিষয়ৰ ওপৰতে কথা পাতিব পাৰিছিল। সাহিত্য, সমাজবিদ্যা, বুৰঞ্জী, ৰাজনীতি, পৃথিৱীৰ বিভিন্ন ঠাইৰ মানুহৰ আচাৰ-ব্যৱহাৰ— এইবোৰৰ বিষয়ে জনাৰ উপৰিও খেলাধূলা, চিনেমা, লতা মঙ্গেশকৰে এতিয়ালৈকে কিমানখন ৰেকৰ্ড কৰিছে, হেমন্ত মুখাৰ্জীৰ ভয়চ্ আজিকালি প্লে-বেকৰ কাৰণে কিয় কামত নহা হ'ল, অসমীয়া চিনেমা কোনখন কেনেকুৱা ইত্যাদি সকলো কথা সমানে জানিছিল। তেখেতৰ চৰিত্ৰৰ সেই বিশেষ বৈশিষ্ট্য-টোৱে আমাক সদায় আকৰ্ষণ কৰিছিল। তেখে-তৰ আৰু এটা কথা দেখি বৰ আচৰিত হৈছিলোঁ। লোকসভাৰ সদস্য হৈ থকা সময়ছোৱাত পূজাৰ সময়ত তেখেত যোৰহাটৰ ঘৰখনলৈ সদায় আহিছিল। ভাতৰ পাতত বহি আমি বহুত কথা পাতিছিলোঁ। তেখেতে দিল্লীৰ মন্ত্ৰী, লোকসভাৰ সদস্য, বিৰোধী-পক্ষৰ সদস্য, পণ্ডিত নেহৰু আদিৰ সকলো কথাই কৈছিল। কিন্তু কৈ যাওঁতেই ধৰিব পাৰিছিলোঁ সকলো কথায়েই কৈছিল যদিও যিখিনি কথা ক'লে হয়তো অপকাৰ হ'ব পাৰে, সেইখিনি কথা এৰি থৈ গৈছিল। কথাৰ আঁত ধৰি প্ৰশ্ন কৰিলেও অইন কথা উলিয়াই ফালৰি কাটি গৈছিল। তেখেতৰ এই গুণটো বিশেষ ভাৱে মন কৰিবলগীয়া। কাৰণ বেছি ভাগেই ডাঙৰ মানুহৰ লগত কথা পাতি ডাঙৰ মানুহজনে কি ক'লে সেইবোৰ কৈ ফুৰি 'চিৰ' হ'ব বিচাৰে। সেই ডাঙৰ মানুহজনৰ মৃত্যু হ'লেতো কথাই নাই। দুই চাৰিটা কথা লগতে লগাই দিয়ে। হেম বৰুৱাৰ এই দোষটো নাছিল। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মিটিঙত কি আলোচনা হয় তাৰ বহুত কথাই কৈছিল যদিও দুই চাৰিটা কথা নোকোৱাকৈ এৰি থৈ গৈছিল।



আৰ্থিক দিশত ভাল চাকৰি-বাকৰি দি ভাই-ভনী কেইটাৰ অৱস্থা ভাল কৰি দিবলৈ তেখেতে একো যত্ন নকৰিলে। আমাক বহুতে কয় "দাদাৰে অমুকলৈ চিঠি এখন লেখি দিলেই হয় দেখোন।" কিন্তু দাদাই কোনো দিনেই একো নেলেখিলে। আন হাতেদি মন কৰিছিলোঁ, যেতিয়াই কাকতত প্ৰবন্ধ পাতি লেখিছিলোঁ, যেতিয়াই কিতাপ এখন লেখিছিলোঁ, প্ৰথমেই দাদাৰ পৰা চিঠি পাইছিলোঁ— "তোৰ প্ৰবন্ধটো ভাল হৈছে"। কেতিয়াবা আকৌ ইংৰাজীত লেখিছিল— "It is well written"। আনকি মই পৰিচালনা কৰা 'ৰশ্মিৰেখা' নামৰ কথাছবিখন চাই দাদায়েই প্ৰথমে চিঠি দিছিল পৰিচালনা ভাল হৈছে বুলি। অৱশ্যে নিজে লেখিব পৰা অৱস্থাত নথকাৰ কাৰণে সেইবাৰ চিঠিখন নবৌৰ হতুৱাই লেখাইছিল। হয়তো দাদাই বিচাৰিছিল আমি এইবোৰ দিশতহে উন্নতি কৰিব লাগে। সেই কাৰণেই সম্ভৱ আমাক এই দৰে অনুপ্ৰেৰণা যোগাই আছিল আৰু সদায় পৰিশ্ৰম কৰিবলৈ কৈছিল। তেখেতে কৈছিল, কষ্ট নকৰিলে একো নহয়। কৰ্তব্যৰ প্ৰতি অৱহেলা দাদাই একেবাৰে সহ্য কৰিব পৰা নাছিল। মোৰ লাইফ্ ইনচিঅ'ৰেন্সত কাম কৰা ককাইদেউজনৰ এচৰলৈ এজেন্ট আহি উলটি যাব লগীয়া হ'লে, ককাইদেউক পাছত দাদাই সেইটো যে ঠিক কথা নহয়, সেইটো সোঁৱৰাই দিছিল। দাদা পাছলৈ গুৱাহাটীলৈ ভোলা বৰুৱা কলেজৰ প্ৰিন্সিপাল হৈ গুচি আহিছিল। বৰুৱা কথা লৈ আমি কেতিয়াবা দাদালৈ বেয়াকৈয়ে লেখি দিছিলোঁ। তাৰ পাছত কেতিয়াবা গুৱাহাটীলৈ আহিব লগীয়া হ'লে বৰ ভয় লাগিছিল— দাদাই কিজানি ধম্‌কী দিব। কিন্তু তাৰ ওলোটাটোহে হৈছিল। গৈ পালেই সাৱট মাৰি ধৰি সুধিছিল—



"কেতিয়া পালিহি" বুলি। যিটো নিৰ্বাচনত দাদা [illegible]ৰিছিল, সেইটো নিৰ্বাচনৰ পাছত দাদা যোৰহাটৰ [illegible] আহিলহি। তেতিয়াৰ পৰাই তেওঁৰ এটা [illegible]লকা লগা ভাৱ আৰম্ভ হৈছিল। মাজে মাজে [দ]াদাই আমাক কৈছিল— "এইবাৰ মই হাৰিম।" [কিন্ত]ু দাদাৰ দুখটো যেন ঠিক হৰাৰ কাৰণে নহয়। [ত]েওঁৰ দুখটো যেন তেওঁৰ বিৰুদ্ধে হোৱা অপপ্ৰচাৰৰ [ক]াৰণেহে। সৎ মানুহৰ ক্ষেত্ৰত এইটো হয়েই। [ৰ]াজহুৱা জীৱনত, সৎ ব্যক্তিসকলৰ সৎ উদ্দেশ্যক [ভ]ুলকৈ বুজিলে তেওঁলোকৰ মনত যি প্ৰতিক্ৰিয়াৰ [স]ৃষ্টি হয়, তাৰ পৰাই এনে উদাস ভাৱ ওপজে। [ত]েতিয়া এদিনৰ এটা ঘটনা দেখি মনত বৰ আঘাত পাইছিলোঁ। আমাৰ ঘৰত মায়ে শিৱ পূজা কৰি-[ছ]িল। দাদাই আধ্যাত্মিকতাবাদত বিশ্বাস কৰিছিল। [আ]নুষ্ঠানিক পূজা-পাতলৰ প্ৰতি অসন্মান প্ৰদৰ্শন [ক]ৰা নাছিল যদিও সেইবোৰত বৰ বিশ্বাস কৰা [ন]াছিল। সেইবাৰ নিৰ্বাচনত ভাল ফল হ'বলৈ [ম]ায়ে পূজা এভাগ কৰিছিল। সেই পূজা ভাগত [দ]াদাক দীঘল দি পৰি সেইবাৰ সেৱা কৰা [দ]েখিছিলোঁ। মানসিক দুৰ্বলতা আহি পৰিলে [প্ৰ]ত্যেক ব্যক্তিৰ ক্ষেত্ৰতে এইটো হোৱা স্বাভাৱিক। [এ]নে ধৰণৰ মানসিক দুৰ্বলতা আহি পৰিলেই যে [ম]ানুহে পূজা-পাতল আদিত আশ্ৰয় লয়, সেইবাৰ [ক]থা দাদাই নিজেই প্ৰবন্ধত লেখিছিল। অসুখ [ভ]ুগি থাকি থাকি দাদা পাছলৈ একেবাৰে সক [ল]'ৰাৰ দৰে হৈ পৰিছিল। খাবলৈ দি সৰু ল'ৰাক [ফ]ুচুলোৱাৰ দৰে দাদাকো ফুচুলাব লগীয়া হৈছিল। [দু]ৰ্বল হৈ পৰা ভৰিকেইটা সবল কৰিবৰ কাৰণে [ডাক্তৰ]ে চাইকেলৰ চকা 'পেড্‌লিং' কৰি থাকিবলৈ [ক]ৈছিল। কামটো দাদাই ভাল পোৱা নাছিল। [সে]ইটো কৰিবলৈ ক'লে কেতিয়াবা আপত্তি কৰিলে [ত]েখেতক শুশ্ৰূষা কৰা নবৌৱে কৈছিল— "চলাওক [দে]উতা চলাওক, বিস্কুট খাবলৈ দিম।" বিস্কুট খাবলৈ



পোৱাৰ আশাত দাদাই চকাটো আকৌ চলাবলৈ আৰম্ভ কৰিছিল। কিন্তু আটাইতকৈ আচৰিত লাগিছিল— সাহসেৰে সংসদৰ মজিয়া কঁপাই থকা, অকণো ভয় নকৰাকৈ (বিদেশত বক্তৃতা দি ফুৰোঁতে আমেৰিকাৰ কাগজত মন্তব্য কৰিছিল 'কুঠাৰৰ খাপটো য'তেই নপৰক লাগিলে, তেওঁ কথা কবলৈ ভয় নকৰে') বিশ্বৰ বিভিন্ন মঞ্চত বক্তৃতা দি ফুৰা মানুহজন পাছলৈ ইমান ভয়াতুৰ হৈ পৰাতহে। দেউতা ঢুকাবৰ দিনা সৰু-ল'ৰাৰ দৰে দাদাক কন্দা দেখিছিলোঁ; কিন্তু কেনো দিনা দাদাক ভয় কৰা দেখা নাছিলোঁ। কিন্তু অসুখ ভুগি থকা সময়খিনিত তেওঁ ইমান ভয়াতুৰ হৈ পৰিছিল যে ভাবিলেই আচৰিত লাগে। অসুখ ভুগি থকা অৱস্থাতেই তেখেতে 'হু-হু-' কৈ চিঞৰি থাকি-বলৈ লৈছিল। চিঞৰাটো বন্ধ কৰিবলৈ নবৌৱে ভয় খুৱাইছিল— "দেউতা, আমাৰ ঘৰৰ ওচৰত যে কচুৱনিডৰা আছে, তাত এজনী যখিনী আছে। কালি সেই পিনেদি যাওঁতে ডেকা ল'ৰা এটা ধৰি লৈ গ'ল।" কথাষাৰ শুনিয়েই দাদাই ভয়ত চিঞৰ বন্ধ কৰি আঠুৱাৰ ভিতৰত সোমাই সৰু ল'ৰাৰ দৰে কুঁচি-মুচি শুই পৰিছিল। গোটেই জীৱন বাইজৰ মাজতেই কটোৱাৰ পাছত শেষলৈ যোৰহাটৰ ঘৰলৈ উলটি আহি পৰিয়ালবৰ্গৰ মানুহৰ মাজতেই যেন তেওঁ থাকিবলৈ ল'ব, এনে এটা ভাৱ দাদাৰ মনলৈ আহিছিল। শেষলৈ মাক চাবলৈ দাদাই বৰ আশা কৰিছিল। কিন্তু দাদা তেতিয়া যোৰহাটৰ ঘৰলৈ আনিব পৰা অৱস্থাত নাই। ইপিনে যোৰহাটৰ ঘৰত মাও অসুস্থ। গুৱাহাটীলৈ লৈ যাব পৰা অৱস্থা মাৰো নাই। গতিকে মৃত্যুৰ আগতে মায়েও দাদাক দেখিবলৈ নাপালে, দাদাইও মাক দেখিবলৈ নাপালে। মাৰ মৃত্যু হ'ল আগতে,— তাৰ এবছৰৰ পাছতেই দাদাৰ।

১৯৭৭ চনৰ ১ এপ্ৰিলৰ দিনা দাদাৰ মৃত্যু হ'ল। আমাৰ নিজা পৰিচয় একো নাই। 'হেম বৰুৱাৰ ঘৰ' বুলিয়েই ঘৰখনে চিনাকি দি আছিল। সেই চিনাকি হয়তো লুপ্ত হৈ নাযায়; কিন্তু সেই চিনাকি যে তেখেতৰ মৃত্যুৰ লগে লগে বহুতোখিনি ম্লান হৈ গৈছে, সেইষাৰ কথা সম্পূৰ্ণ স'চা।

---

হেম বৰুৱাই কৈছিল :—

"সৰস্বতী পূজা কৰি জ্ঞানী হ'বলৈ যত্ন কৰাতকৈ দুখন কিতাপ পঢ়াটো ভাল। সৰস্বতী পূজাত টকা খৰচ কৰাতকৈ সেই টকাৰে গাঁৱে-ভূঞে লাইব্ৰেৰী সজা ভাল। মই ভাবোঁ, কিতাপ পঢ়াটো মানুহে জীৱনৰ অভ্যাস কৰি লোৱা উচিত। কিতাপ পঢ়িলে মানুহৰ মনৰ দিগন্ত বহল হয়। আত্মায়ো শান্তি পায়। বেয়াৰ ফালে মনটো ঢাল নোখোৱাকৈ ৰাখিবলৈ হ'লে মানুহৰ জীৱনত কিবা নহয় কিবা এটা অনুপ্ৰেৰণাদায়ক সৎ আকৰ্ষণ লাগে। কিতাপতকৈও ডাঙৰ আকৰ্ষণ কি হ'ব পাৰে ?"

০ ০ ০ ০

# সহকৰ্মীৰ দৃষ্টিত হেম বৰুৱা

শ্ৰীপৰমেশ্বৰ শৰ্মা

মোৰ ভোলা বৰুৱা কলেজত অধ্যাপনাৰ এছোৱা সুদীৰ্ঘ কাল হেম বৰুৱাক অধ্যক্ষ হিচাপে পাইছিলোঁ। দৰাচলতে এই বছৰ কেইটাই আছিল বৰুৱাদেৱৰ সাহিত্যিক আৰু ৰাজনৈতিক জীৱনৰ ভৰ্-পক্। আদি অৱস্থাত অৰ্থাৎ ১৯৪৩ চনত প্ৰতিষ্ঠাপনৰ পৰা প্ৰায় কুৰি বছৰ কাল ভোলা বৰুৱা কলেজখন কামৰূপ একাডেমীৰ লগত সহবাসী নৈশ বিদ্যালয় আছিল।

কোনো কোনো লোকে এটা শিক্ষানুষ্ঠানৰ মৰ্যাদা অকল বাহিৰৰ খোলটোৰ পৰাই নিৰ্দ্ধাৰণ কৰিব খোজে। তেনে লোকৰ মুখত মাজে মাজে বিদ্ৰূপৰ বাণী শুনিবলৈ পোৱা গৈছিল— "এইখন এখন অদৰী কলেজ ! কেৰাণী কলেজ !" প্ৰসংগক্ৰমে উল্লেখযোগ্য— তেতিয়া নৈশ কলেজখনৰ প্ৰায় আঠাইবিলাক ছাত্ৰই নিজ উপাৰ্জনৰ ধন ভাঙি শিক্ষা লাভ কৰিবলৈ অহা স্থানীয় চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানৰ কৰ্মচাৰী। সেই সময়ত সৰ্টাকৈয়ে অদৰী শিক্ষানুষ্ঠানটোক মাথোন এজন মানুহৰ ব্যক্তিত্বই পোহৰাই ৰাখিছিল— তেখেত হ'ল হেম বৰুৱা।

কৰ্তৃপক্ষৰ কোপদৃষ্টি আৰু অৱহেলা আৰু বাইজৰ এভাগ লোকৰ বিদ্ৰূপেৰে পৰিপুষ্ট নৈশ কলেজখনে চালুকীয়া অৱস্থাত কেইবাটাও দুৰ্যোগৰ সম্মুখীন হ'ব লগা হৈছিল। এবাৰ বিশ্ববিদ্যালয়ৰ পৰিদৰ্শকে ওজৰ তুলিলে— "নিজৰ ঘৰ-বাৰী নোহোৱা এইখন কেতিয়াও কলেজ হ'ব নোৱাৰে। এইটো এটা Coaching Class।" নিমিষতে হেম বৰুৱা গৰজি উঠিল। তেখেতৰ অকাট্য যুক্তিপূৰ্ণ ঢেৰেকনিত বিশ্ববিদ্যালয়ৰ পৰিদৰ্শকে আপত্তি উঠাই ল'লে। কলেজখনো ৰক্ষা পৰিল। এই সকল ঘটনাটোৰ পৰা বৰুৱাদেৱৰ ব্যক্তিত্বৰ এটা মহৎ দিশ প্ৰকাশ পাইছিল;— তেখেতৰ অদম্য আত্ম-বিশ্বাস।

সহকৰ্মীসকলৰ লগত হেম বৰুৱাৰ সম্বন্ধটো আছিল সহজ সৰল আৰু পোনপটীয়া। আজৰিৰ সময়খিনি আমি প্ৰায়ে অধ্যক্ষৰ কোঠাতেই কটাইছিলোঁ। বৰুৱাদেৱৰ লগত ৰসিকতাৰ পৰা সাহিত্যৰ গধুৰ আলোচনাৰ সুযোগেই আছিল এনে সান্নিধ্যৰ মাট আকৰ্ষণ। এনে নিবিড় সৌহাৰ্দ্যপূৰ্ণ পৰিবেশত আমাৰ অধ্যাপনাৰ দায়িত্বৰ বোজাটো কেতিয়াবা গধুৰ হ'লেও তাক অনুভৱ কৰা নাছিলোঁ। বৰং স্বপ্ৰনোদিত

ভাৱে কেতিয়াবা দেওবাৰৰ বিশ্ৰামৰ দিনটোতো ক্লাছ লৈছিলে।

নৈশ কলেজখনত এটা অসুবিধা। গধূলি ফুৰাৰ সময়খিনি আমি অধ্যাপনাত আবদ্ধ হৈ থাকোঁ। সেইবাবে বাত্তি কৰ্মসূচীৰ অন্তত বৰুৱাদেৱে প্ৰায়ে আমাক ফুৰিবলৈ লগ ধৰিছিল। দিনান্তত হাঁহি-কৌতুকেৰে মুখৰিত এই ফুৰাৰ সময়খিনি আমাৰ কাৰণে বৰ উপভোগ্য আছিল।

মাজে মাজে বৰুৱাদেৱ অন্তৰ্দ্ধান হৈছিল। হয়তো উত্তৰ কামৰূপত বান-পানীত দুৰ্গতসকলৰ সাহায্য-শিবিৰত, আকৌ দুদিন পাছতেই অধ্যক্ষৰ কোঠাত এখন নতুন গ্ৰন্থ ৰচনাত আত্ম-বিস্মৃত। এই পিনৰ পৰা বৰুৱাদেৱৰ ৰাজহুৱা জীৱনটো তেখেতৰ শিল্পী জীৱনৰেই এটা বিস্তৃতি।

শিক্ষকসকলৰ নিচিনাকৈ কলেজৰ কৰ্মচাৰী আৰু ছাত্ৰ ছাত্ৰীসকলৰ লগতো বৰুৱাদেৱৰ সম্বন্ধটো অতি সৰল আৰু সৌহাৰ্দপূৰ্ণ আছিল। সকলোৰে প্ৰতি মিঠা মাত। কলেজৰ নিম্নতম কৰ্মচাৰীজনৰ লগতো বৰুৱাই বন্ধু-আচৰণ কৰিছিল। প্ৰশাসনীয় আৰু ৰাজহুৱা ব্যস্ততাৰ মাজতো অধ্যাপনাত ভাগ লৈছিল। ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে বৰুৱাদেৱৰ ক্লাছবিলাক বৰ আকৰ্ষণীয় আছিল।

বৰুৱাদেৱৰ ব্যক্তিত্বৰ প্ৰভাৱত গঢ়ি উঠা অধ্যক্ষ, শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এনে মধুৰ সম্বন্ধই কলেজখনক এটা শুভ-সাধনাত পৰিণত কৰিছিল। আজিৰ শিক্ষা-জগতত এনে পৰিবেশ আপুৰুগীয়া।

হেম বৰুৱাৰ জীৱন-দীপ নুমাই গ'ল। কিন্তু ভোলা বৰুৱা কলেজ থাকে মানে তেখেতৰ গৌৰৱ-উজ্জ্বল স্মৃতি কেতিয়াও মোলান নপৰে।

---

হেম বৰুৱাই কৈছিল:—

"বাহ্যিক আড়ম্বৰত গা এৰি দিয়াৰ ওপৰত নহয়, আত্মশুদ্ধি কৰিব পৰা কাৰ্যৰ ওপৰতহে জীৱনৰ সাৰ্থকতা নিৰ্ভৰ কৰে। অনুকৰণ-স্পৃহাই মানুহক বান্দৰৰ স্তৰলৈ নিম্নগামী কৰে। বান্দৰ আৰু চাৰ্কাচৰ বহুৰূপী, এই দুটাৰ ভিতৰত পাৰ্থক্য তেনেই কম। নতুন বস্তু গ্ৰহণ কৰাত কোনো আপত্তি নাই। আমাৰ সংস্কৃতিক জীৱন্ত ৰূপ দিওঁতা শঙ্কৰদেৱেও বাহিৰৰ পৰা নানান বস্তু গ্ৰহণ কৰি নিজৰ ভাষা-সাহিত্যক মহিমামণ্ডিত কৰিছিল। সেই বুলি গুৰুজনা জানো নিজৰ মাটিৰ পৰা উঘাল খাই পৰিছিল?" ০ ০ ০

# শিক্ষাবিদ হেম বৰুৱা

শ্ৰীনন্দ তালুকদাৰ

হেম বৰুৱাৰ লগত আমাৰ সম্বন্ধ শিক্ষক আৰু ছাত্ৰৰ সম্বন্ধ। তেওঁ ভোলা বৰুৱা কলেজৰ অধ্যক্ষ ৰূপে কাৰ্য নিৰ্বাহ কৰা কালছোৱাতে আমিও সেই খন কলেজৰ ছাত্ৰ। কিন্তু হেম বৰুৱাৰ লগত আমাৰ প্ৰকৃত সম্বন্ধ "অত্যাচাৰী আৰু নিপীড়িতৰ"। আমাৰ 'অত্যাচাৰতে' হেনো তেওঁৰ ভালেখিনি ৰচনা গ্ৰন্থ ৰূপত প্ৰকাশ পাইছে। পাছে সেই 'অত্যাচাৰৰ' পোতক তুলিছে পাতনিত আমাৰ বিষয়ে লেখা ভূয়সী প্ৰশংসাসূচক কথাৰ দ্বাৰা। হেম বৰুৱাৰ প্ৰশংসা আৰু আশীৰ্বাদেই আজি আমাৰ জীৱনৰ পাথেয়।

হেম বৰুৱাৰ লগৰ সেই মধুৰ সম্পৰ্কৰ কথা সুঁৱৰি চালেই মনত পৰে চেনিকুঠীৰ সেই ঘৰখনৰ কথা। চেনিকুঠীৰ সেই ভেৰনীয়া ঘৰৰ হেম বৰুৱাজনহে সৰ্ব-ভাৰতীয় নেতা, জনপ্ৰিয় ৰাজনীতিবিদ, বিশিষ্ট শিক্ষা-বিদ আৰু প্ৰথিতযশা সাহিত্যিক হেম বৰুৱা। নতুন শৰণীয়াৰ নিজা বাস-ভৱনৰ হেম বৰুৱাজন পূৰ্বৰ জনৰ ছাঁহে মাথোন।

চেনিকুঠীৰ হেম বৰুৱাজন আছিল জন-মানসৰ হেম বৰুৱা। তেতিয়াৰ হেম বৰুৱাৰ জীৱন এটি কষ্টবহুল গতিশীল জীৱন। সেইখন ঘৰতে তেওঁ বাস কৰিছিল সুদীৰ্ঘ কাল। ১৯৫৭ খৃঃত সংসদী সদস্য নিৰ্বাচিত হোৱাৰে পৰা তেওঁৰ কৰ্মক্ষেত্ৰ হ'ল দুখন; সংসদ ভৱন আৰু অসম। সুদীৰ্ঘ দৈধ্য বছৰ কাল তেওঁ এই দুতৰপীয়া কাৰ্য সম্পন্ন কৰিব লগা হ'ল। সংসদী সদস্য নিৰ্বাচিত হোৱাৰ পাছত তেওঁ সুদীৰ্ঘ কাল বাস কৰিছিল নতুন দিল্লীৰ চাণক্যপুৰীৰ চাউথ এভিনিউত। কিন্তু তেওঁৰ চেনিকুঠী আৰু চাণক্যপুৰীৰ সম্বন্ধ অটুত থাকিল। চেনিকুঠীৰ ঘৰখনলৈ আহিল কথা সাহিত্যিক যোগেশ দাস। হেম বৰুৱা যোগেশ দাস হৰিহৰ আত্মা।

গভিকে যৰখন হেম বৰুৱাৰ হৈয়ে থাকিল। সেই যৰখনৰে এচুকত হৰিহৰৰ কাষত আমিও স্থান পাইছিলো। নন্দী-ভৃঙ্গী স্বৰূপে। প্ৰকৃত নন্দী-ভৃঙ্গীৰ কাৰ্য কৰিব পাৰিছিলো। নে নাই সেই বিষয়ে আমাৰ নিজৰে সন্দেহ আছে যদিও আমি যে এই গুণৰাকী উদাৰ হৃদয়ৰ মহান ব্যক্তিৰ নিবিড় সান্নিধ্য লাভ কৰিব পাৰিছিলোঁ সেই কথা অনস্বীকাৰ্য। আমাৰ কলেজীয়া কালছোৱাৰ চাৰিবেৰৰ উপৰিও চেনি-কুঠীৰ ঘৰুৱা আলোচনাত হেম বৰুৱাৰ অধ্যাপনাৰ ভালেমান কাহিনী তেওঁৰ নিজ-মুখৰ পৰা শুনাৰ সৌভাগ্য ঘটিছিল। কথা শুনি শুনি নিশা হ'লে উঠিব খুজিলেই 'আৰু পাঁচ মিনিট বহাঁ' বুলি আৰু ভালেখিনি সময় বহুৱাই ৰখাটো, আৰু ভাৰোল খাই খাই কথা কৈ থাকোঁতে বাক্যটো শেষ কৰি পিক্ পেলাবলৈ গ'লে উঠি আহিব পাৰে বুলি শেষ নকৰাকৈয়ে পিক্ পেলাবলৈ যোৱাটো আছিল চিৰাচৰিত কাৰ্য।

হেম বৰুৱাৰ অধ্যাপনাৰ আদি কালছোৱা আছিল কণ্টকময়। ১৯৩৬ খৃ:ত ইংৰাজীত অনাৰ্চ সহ কটন কলেজৰ পৰা বি এ আৰু ১৯৩৮ খৃ:ত কলিকতা বিশ্ব-বিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত এম এ ডিগ্ৰী লাভ কৰিছিল। ১৯৪১ খৃ:লৈ তিনি বছৰ কাল তেওঁ কাম-কাজ নোহোৱা নিবনুৱা ডেকা। সেই সময়ত কটন কলেজৰ বাহিৰে জৈয়ামৰ জিলা কেইখনত দুখন নে তিনিখন কলেজ। গতিকে সুখ্যাতিৰে এম এ পাছ কৰিও বহুজনৰে নিবনুৱা হৈ থকাৰ বাহিৰে উপায় নাছিল।

হেম বৰুৱাৰ পিতৃ বিনন্দীৰাম শৰ্মা বৰুৱাৰ ইচ্ছা আছিল বৰ পুত্ৰ উচ্চ শিক্ষা লাভ কৰি হাকিম মুন্সিফ্ কিবা এটা হ'ব। হাকিম হ'লে পিন্ধিবলৈ এযোৰ চুট্ চিলাবলৈ তেওঁ ৪০ টকা চিকাকপ উলিয়াই দিছিল। অৱশ্যে তেওঁ সেই টকাৰে চুট্ নিচিলাই কেইখনমান দামী দামী কিতাপহে কিনিলে। দেউতাকে হাকিম হোৱাৰ আশা কৰি এজন সম্বন্ধীয় লোকৰ হতুৱাই সোঁৱৰণীখন চোৱালে। সোঁৱৰণী চাই যি উত্তৰ দিলে, পিতৃৰ বাবে সেই উত্তৰ হতাশাজনক।

১৯৪১ খৃ:ত অলপ দিনৰ বাবে তেওঁ গুৱাহাটীৰ সন্দিকৈ কলেজত অধ্যাপনা কৰাৰ সুযোগ পাইছিল। সেই বছৰতে যজ্ঞেশ্বৰ শৰ্মা যোৰহাট জগন্নাথ বৰুৱা কলেজৰ কাম এৰি থৈ আহিল। তেওঁৰ ঠাইত নিযুক্তি পালে হেম বৰুৱাই। জগন্নাথ বৰুৱা কলেজত অধ্যাপনাৰ সুযোগ পোৱাত আন এক পৰিস্থিতিৰ উদ্ভৱ হ'ল।

যোৰহাট চহৰত নিবনুৱা হৈ ঘূৰি ফুৰা হেম বৰুৱাক কিছুমান ছাত্ৰই অধ্যাপক স্বৰূপে সহজ ভাৱে ল'বলৈ টান পালে। এম এ ডিগ্ৰী লাভ কৰিছিল যদিও তেওঁৰ কোনো ভেম নাছিল। নিৰহঙ্কাৰী, বিনয়ী হেম বৰুৱাই তিনিআলি বা পান-দোকানত থিয় হৈ যি কোনো মানুহৰ লগতে প্ৰাণ খুলি কথা কোৱাটো তেওঁৰ স্বভাৱৰ অন্যতম বৈশিষ্ট্য। তেওঁৰ এই বিনয়ী স্বভাৱ আনৰ চকুত হৈ পৰিছিল বিসদৃশ। আলিবাটত গা খেলাই ফুৰা তেনে এজন লোকক অধ্যাপক নিযুক্ত কৰিলে কলেজখনৰ অধ্যা-পকসকলৰ আৰু কলেজৰ মৰ্যাদা ৰক্ষা নপৰিব, এই ভাব।

পণ্ডিতপ্ৰৱৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈ তেতিয়া জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ। তেওঁৱেই বৰুৱাক অধ্যাপক নিযুক্ত কৰিছিল। এনেবোৰ কথা কোনেও সন্দিকৈৰ কাণ চোৱাবৰ সাহস কৰিব পৰা নাছিল।

কলেজত হেম বৰুৱাৰ বিৰুদ্ধে গঢ়ি উঠা সমালোচনাৰ





প্ৰতিক্ৰিয়াই দেখা দিলে প্ৰথম দিনাই। ভিতৰি ভিতৰি কিছুমান ল'ৰাই ঠিক কৰিলে হেম বৰুৱাৰ ক্লাছ বয়কট কৰিব। প্ৰথম দিনাই চতুৰ্থ বাৰ্ষিকত ক্লাছ কৰিবলৈ গৈ দেখিলে ক্লাছত এটিও ল'ৰা নাই। তেওঁৰ লগে লগে এজন ল'ৰা ক্লাছত সোমাল। তেওঁ এজন ল'ৰাক লৈয়ে আৰম্ভ কৰিলে ইংৰাজী সাহিত্য আৰু ইংৰাজী সাহিত্যৰ ষ্টাইলৰ ওপৰত সুন্দৰ আলোচনা। বাকী ল'ৰাবোৰে ক্লাছৰ বাহিৰৰ পৰা শুনি আছিল। পাছত আৰু ৰ'ব নোৱাৰি এজন দুজনকৈ পিছ দুৱাৰেদি ভিতৰ সোমাল। ঘন্টা পৰাৰ লগে লগে তেওঁৰ সুৱলা বক্তৃতাৰ সামৰণি মাৰিলে আৰু ৰেজিষ্টাৰ কৰি ওলাই আহিল। এটি ৰক্তপাতহীন বিপ্লৱৰ সামৰণি পৰিল। অৱশ্যে এনে মনোভাৱ সকলো ছাত্ৰৰে নাছিল। সৰহ ভাগ ছাত্ৰই হেম বৰুৱাক শিক্ষক হিচাপে পাই আনন্দহে পাইছিল।

জগন্নাথ বৰুৱা কলেজত তেওঁৰ মাহিলি দৰমহা ৭৫ টকা। ইংৰাজীৰ উপৰিও অসমীয়াও পঢ়াব লাগে। ইয়াৰ ভিতৰত সম্ভৱত: তেওঁ ১৫ টকা অসমীয়া পঢ়োৱাৰ বাবে উপকৰাকৈ পাইছিল।

তেতিয়া কলেজত অসমীয়া পঢ়াইছিল আন বিভাগৰ অধ্যাপকে। প্ৰকৃততে ১৯৪১-৪২ খৃ:ৰ পৰাহে অসমীয়া এম এ পৰীক্ষাৰ্থী ওলাইছিল। কিছুমানে আকৌ অসমীয়া বিষয়টো'কে তুচ্ছ-তাচ্ছিল্য কৰিছিল। ৰুক্মিণীহৰণ, কুমৰহৰণ, দহিকতৰাও পঢ়াব লগা পাঠ্য নে বুলি দুই-এক ইত্তিকিং কৰা কথাও সঁচা। এজন অধ্যাপকে আকৌ অসমীয়া ৰুক্মিণীহৰণ কাব্য পঢ়াইছিল ইংৰাজীতে। যেনে :— Then Rukmini came. There was a fight between Lord Krisna and Prince Sisupala. অধ্যাপকজন আছিল আন বিভাগৰ। হেম বৰুৱা ইংৰাজী সাহিত্যৰ অধ্যাপক হ'লেও অসমীয়া সাহিত্য মাতৃভাষা অসমীয়াতে পঢ়াইছিল।

অধ্যক্ষ ডাঙৰীয়াই নিজে পঢ়োৱাৰ উপৰিও অধ্যা-পকসকলে কেনেদৰে পঢ়োৱায়, তেওঁ নিজে চাই ফুৰিছিল। কেতিয়াবা তেওঁ পিছ দুৱাৰেদি সোমাই ক্লাছৰ শেষৰ পিনে থিয় হৈ থাকে। কেতিয়াবা আকৌ শ্ৰেণীত শেষৰ বেঞ্চত বহি লয়। হেম বৰুৱাই পঢ়াই থকাৰ সময়তো সন্দিকৈ কেইবাদিনো সোমাইছিল।

সন্দিকৈ ডাঙৰীয়াৰ পৰা তেওঁ লেখা-পঢ়া কৰিবলৈকো উদগনি পাইছিল। সন্দিকৈ ডাঙৰীয়াৰ উদগনিতে তামিল ভাষাৰ বিখ্যাত কাব্য-শিল্প দিকৰমৰ অন্তৰ্গত কন্নকী-কাভালানৰ মনোৰম কাহিনী ৰচনা কৰিছিল। সন্দিকৈ ডাঙৰীয়াই হেনো তেওঁক তেতিয়াই পুথিৰ আকাৰত ছপাই উলিয়াবলৈ পৰামৰ্শ দিছিল, আৰু তাৰ বাবে তেওঁক দৰমহাৰ পৰা কিছু টকা আগধন দিবলৈকো ওলাইছিল। কিন্তু তেতিয়া তেওঁ ৭৫ টকীয়া দৰ-মহাৰ পৰা আগধন লৈ পুথিখন ছপাই উলিওৱা নহ'ল।

এবাৰ কলেজৰ ছাত্ৰ এজনৰ পাৰচেন্‌টেজ কম হোৱাত হেম বৰুৱাক আহি ধৰিলেহি। তেওঁ সহজ ভাৱে পাৰচেন্‌টেজ দি ল'ৰাজনক নন্‌ কলেজিয়েট্ হোৱাৰ পৰা ৰক্ষা কৰিলে। বৰুৱাৰ কথাটো সন্দিকৈ ডাঙৰীয়াৰ কাণত পৰিলত হেম বৰুৱাক মাতি নিলে। কিয় পাৰচেন্‌টেজ দিলে বুলি সুধিলত হেম বৰুৱাই ক'লে "ল'ৰাজন দুখীয়া। কিয় মিছাতে তেওঁক টকা কেইটা ভৰাব লাগে ?" তেতিয়া সন্দিকৈ ডাঙৰীয়াই টকা কেইটা জেপৰ পৰা উলিয়াই দি ক'লে "নহয়, তেনে কৰিলে নহ'ব। লৰাটোৱে তাকে বাহিৰত জহাই ফুৰিব। কলেজৰ বদনাম হ'ব।" ল'ৰাৰ লগত সকলো কামকে

সহজ ভাৱে কৰাটো বিপদজনক, সেই শিক্ষা তেওঁ সন্দিকৈৰ পৰাই লাভ কৰিছিল।

জগন্নাথ বৰুৱা কলেজত কাম কৰা কালছোৱাত তেওঁ কলেজলৈ চাইকেলেৰে অহা-যোৱা কৰিছিল। অহা-যোৱা কৰা বাটতে প্ৰায় তেওঁৰ সমনীয়া ছাত্ৰ এজন বৈ থাকে। হেম বৰুৱা কাষ পালেই 'হেৰা ৰবা' বুলি হাত দাঙি ৰখাই চাইকেলৰ পিছ পিনে থিয় হৈ যায়। এখন হাত হেম বৰুৱাৰ হাতত দি বেপৰোৱা ভাৱে কলেজৰ চৌহদত সোমায়। বুকুত গৰ্বৰ ভাৱ, অধ্যাপক হেম বৰুৱাৰ চাইকেলত উঠি আহিছে। ডেকা অধ্যাপক হেম বৰুৱাৰ বাবে এইটো আছিল এক অস্বস্তিকৰ পৰিৱেশ।

জগন্নাথ বৰুৱা কলেজত তেওঁ পঢ়োৱা ইংৰাজী সাহিত্যৰ শ্বেলী, কীট্‌চৰ কবিতা, দেৱকান্ত বৰুৱাৰ 'তুমি নুবুজিবা সখী', 'দেৱদাসী' প্ৰভৃতি কবিতাৰ কথা আজিও প্ৰাক্তন ছাত্ৰসকলে শ্ৰদ্ধাৰে সোঁৱৰে। অসমীয়া কবিতা, বিশেষকৈ দেৱকান্ত বৰুৱাৰ কবিতা তেওঁ আবৃত্তিৰ সুৰত সুৰ লগাই পঢ়িছিল। তেনে ভাৱে তেওঁ সিদ্ধহস্ত আছিল শ্বেলীৰ স্কাইলাৰ্ক কবিতা পঢ়োৱাত। স্কাইলাৰ্ক কবিতা পঢ়াওঁতে তেওঁ ইমান অভিভূত হৈ পৰে যে কব নোৱাৰা-কৈয়ে চকীৰ ওপৰত ভৰি দুখন তুলি বহে। এখন হাতেৰে আকাশলৈ উৰি যোৱা স্কাইলাৰ্ক চৰাইটোৰ অঙ্গি-ভঙ্গি দেখুৱাই আপোন-পাহৰা হৈ পৰে। কবিতাটো জানিবা শ্বেলীৰ নহয়, হেম বৰুৱাৰ নিজৰহে। ইপিনে ক্লাছৰ ডেৰশ দুশ ল'ৰা মন্ত্ৰমুগ্ধৰ দৰে কাঁহ পৰি জীণ যোৱা নিমাত নিতাল।

ভোলা বৰুৱা কলেজত অধ্যাপনা কৰা কালছোৱাত আমি পঢ়া সময়ত তেওঁ আই এ শ্ৰেণীত ইংৰাজী কবিতা নপঢ়ালেও স্কাইলাৰ্ক কবিতাটো পঢ়াবলৈ তেওঁক মাতি অনা হৈছিল। হেম বৰুৱা নিজেও এগৰাকী আগ শাৰীৰ আধুনিক কবি। তেওঁৰ '[illegible]' কবিতাই আৱাহনত প্ৰকাশিত প্ৰথম আধুনিক কবিতা। কমলনাৰায়ণ দেৱ সম্পাদিত জয়ন্তীক কেন্দ্ৰ কৰিয়েই আধুনিক কবিতাৰ প্ৰকাশ। জয়ন্তীক কেন্দ্ৰ কৰি গঢ়ি উঠা কবিতা-আন্দোলনৰ হেম বৰুৱা এগৰাকী কৰ্ণধাৰ। 'দোল পূৰ্ণিমা' 'পূজা' আদি তেওঁৰ এই কালছোৱাৰে কবিতা।

হেম বৰুৱা সম্পাদিত 'পছোৱা' আলোচনীয়েই আধুনিক কবিতা বিকাশৰ প্ৰথম পদক্ষেপ। অৱশ্যে আধুনিক কবিতাই বিকাশ লাভ কৰিছিল 'ৰামধেনু' আলোচনীক কেন্দ্ৰ কৰি। ৰামধেনুতে প্ৰকাশ হৈছিল তেওঁৰ ভালেমান কবিতা। 'বালিচন্দা' আৰু 'মন-ময়ূৰী' তেওঁৰ দুখন কবিতাৰ পুথি। তেওঁ এগৰাকী প্ৰথিতযশা আধুনিক কবি যদিও ইংৰাজী ৰোমান্টিক কবিতা আছিল তেওঁৰ বৰ প্ৰিয়। শ্বেলীৰ উপৰিও আন আন ইংৰাজ ৰোমান্টিক কবিৰ কবিতা তেওঁ বৰ প্ৰাণ ঢালি পঢ়াইছিল।

তেওঁৰ ইংৰাজী পঢ়োৱা শুনিবলৈ কেতিয়াবা কটন কলেজৰ ল'ৰাও আহি ক্লাছৰ শেষৰ বেঞ্চত বহি থাকে। ক্লাছত ইংৰাজী পঢ়াই থাকিলে আন ক্লাছৰ ল'ৰাই বাৰাণ্ডাত জুম পাতি বৈ শুনি থাকে। তেওঁৰ ইংৰাজী কোৱাৰ ভঙ্গী বৰ শুৱলা আৰু উচ্চাৰণ বৰ মধুৰ। তেওঁ হেনো ৰেডিঅ'ত বি বি চিৰ বাতৰি শুনি ইংৰাজী কোৱাৰ ধৰণ অনুকৰণ কৰিছিল। সঁচাকৈয়ে তেওঁ কৃতকাৰ্যও হৈছিল।

১৯৪২ খৃঃৰ গণ-আন্দোলনত অংশ গ্ৰহণ কৰাৰ বাবে তেওঁ জেললৈ যাব লগা হ'ল। জেলৰ পৰা ওলাই অহাৰ পাছত তেওঁৰ আৰু জগন্নাথ বৰুৱা কলেজত চাকৰি নাই। পুনৰ নিবনুৱা ডেকা। ইয়াৰ পাছত গোপীনাথ বৰদলৈয়ে তেওঁক ভোলা



বৰুৱা কলেজলৈ মাতি আনিলে। ১৯৪৪ খৃঃৰ ৩০ জুনত তেওঁ ভোলা বৰুৱা কলেজৰ ইংৰাজী সাহিত্যৰ অধ্যাপক আৰু উপাধ্যক্ষ স্বৰূপে যোগদান কৰিছিল। গোপীনাথ বৰদলৈ তেতিয়া কলেজখনৰ অধ্যক্ষ। ১৯৪৫ খৃঃত বৰদলৈ অসমৰ প্ৰধান মন্ত্ৰী নিৰ্বাচিত হয়। ১৯৪৫ খৃঃৰ ১৯ অক্টোবৰৰ পৰা হেম বৰুৱা কলেজৰ অধ্যক্ষ নিযুক্ত হয়। তেতিয়া তেওঁৰ বয়স ৩০ বছৰ মাথোন। ১৯৫৭ খৃঃত সাধাৰণ নিৰ্বাচনত জয় লাভ কৰিও তেওঁ অধ্যক্ষৰ দায়িত্ব বহন কৰি আছিল। ১৯৬২ খৃঃৰ সাধাৰণ নিৰ্বাচনত জয় লাভ কৰাৰ পাছত তেওঁ পাঁচ বছৰ ছুটী লৈছিল। ১৯৬৭ খৃঃৰ ১ এপ্ৰিলৰ পৰা তেওঁ কলেজৰ অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। সুদীৰ্ঘ একুৰি তিনি বছৰ কাল কলেজখনৰ অধ্যক্ষৰ দায়িত্ব বহন কৰি শিক্ষাদানৰ পৰা একেবাৰে অৱসৰ গ্ৰহণ কৰিছিল। জীৱনৰ শেষৰ কেইবছৰ তেওঁ আছিল কলেজখনৰ পৰিচালনা সমিতিৰ (গভৰ্নিং বডিৰ) সভাপতি।

প্ৰথমতে যেতিয়া তেওঁ ভোলা বৰুৱা কলেজত উপাধ্যক্ষ স্বৰূপে যোগদান কৰিছিল, তেতিয়া তেওঁৰ দৰমহা অধ্যাপক হিচাপে ৬০ টকা আৰু উপাধ্যক্ষ স্বৰূপে ৪০ টকা। অধ্যাপক স্বৰূপে ইংৰাজীৰ উপৰিও অসমীয়া পঢ়াইছিল। বৰ্তমান ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱাৰ বাসভৱন থকা ঠাইত এটি কাঠৰ দুমহলীয়া ঘৰ আছিল। সেইটো ঘৰতে ডক্টৰ বৰুৱা, দেৱকান্ত বৰুৱা, ৰবীন বৰুৱাৰ সৈতে তেওঁ বাস কৰিছিল। সেই সময়ত কটন কলেজখনকে একমাত্ৰ কলেজ বুলিব পাৰি। সন্দিকৈ কলেজৰ আধা-ভিৰা অৱস্থা। বি বৰুৱা কলেজ ৰাতি পেট্ৰমাক্স লাইট জ্বলাই পঢ়োৱা নাইট কলেজ। কটন কলেজৰ অধ্যাপকসকল বেচ গহীন-গম্ভীৰ; চলন-ফুৰণ, সাজ-পোছাক সুকীয়া ধৰণৰ। ইয়াৰ ভিতৰত ভোলা বৰুৱা কলেজত উপাধ্যক্ষ স্বৰূপে যোগদান কৰা হেম বৰুৱা আছিল ব্যতিক্ৰম। হেম বৰুৱাই পাইজামাটো পিন্ধিয়েই আলিবাটৰ ইপাৰে থকা পান-দোকানত তামোল খাই যাকে-তাকে লগত মেল মাৰি থকা, বাটে-ঘাটে যাকে-তাকে মাত লগাই মেল মৰা কাৰ্য গতানুগতিক কটন কলেজৰ অধ্যাপকসকলৰ কাৰ্যৰ লগত নিমিলে। তেতিয়াৰ ছাত্ৰসকলৰ মাজত অধ্যাপক বুলিলে যি এক সুকীয়া শ্ৰেণীৰ ব্যক্তি বুলি ধাৰণা আছিল, সেই ধাৰণা ভাঙি দিলে হেম বৰুৱাই। তেওঁৰ এই বিৰল সৰলতা, নিৰহঙ্কাৰ আৰু আপোনভোলা স্বভাৱৰ গুণে সকলোৰে মাজত হৈ পৰিছিল সমাদৃত আৰু জনপ্ৰিয়।

সেই সময়ৰ ভোলা বৰুৱা কলেজ কামৰূপ একাডেমী স্কুলত নাইট কলেজ। এটা কোঠাতে এচুকত অধ্যক্ষৰ কোঠা, অধ্যাপকৰ জিৰণী কোঠা, কলেজৰ অফিচ আৰু লাইব্ৰেৰী। আন আন কোঠাও স্কুলৰ উপযোগী, সৰু সৰু; কলেজৰ শ্ৰেণীৰ বাবে উপযোগী নহয়। ফলত কোঠাসমূহ ছাত্ৰৰে ঠাহ খোৱা। হেম বৰুৱাৰ অধ্যক্ষতাত প্ৰতিকূল পৰিৱেশৰ মাজতো বিৰাজ কৰিছিল এক স্বকীয় বৈশিষ্ট্য। ভোলা বৰুৱা কলেজ স্ব-মহিমাৰে মহিমান্বিত হোৱাত হেম বৰুৱাৰ লগত আৰু এজনৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। সেইজন হৈছে তেতিয়াৰ উপাধ্যক্ষ (পাছত অধ্যক্ষ) সুৰেন্দ্ৰমোহন দাস। কলেজ পৰিচালনাৰ বহুক্ষেত্ৰতে স্বৰ্গীয় দাস আছিল অধ্যক্ষ বৰুৱাৰ সোঁহাত স্বৰূপ। হেম বৰুৱাক যদি ভোলা বৰুৱা কলেজৰ আত্মা বোলা হয়, তেন্তে সুৰেন্দ্ৰমোহন দাস আছিল মগজু। কলেজ পৰিচালনাৰ বহুক্ষেত্ৰতে সুৰেন্দ্ৰমোহন দাস আছিল হেম বৰুৱাতকৈ বেছি কঠোৰ। দাস ডাঙৰীয়াৰ কোনো সিদ্ধান্তত অধ্যক্ষ বৰুৱাই হস্তক্ষেপ নকৰিছিল।

১৯৫৮ খৃঃত বৰ্তমান স্থায়ী ভাৱে সজা ভোলা বৰুৱা কলেজৰ আধাৰশিলা স্থাপন কৰা হৈছিল। আধাৰশিলা স্থাপন কৰিছিল তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই। আমি তেতিয়া কলেজৰ ছাত্ৰ ইউনিয়নৰ সদস্য। এই অনুষ্ঠানৰ বাবে উপাধ্যক্ষ দাসে ছাত্ৰ ইউনিয়নলৈ মঞ্জুৰ কৰিছিল ৩০ টকা মাত্ৰ।

কামৰূপ একাডেমীৰ নতুন ভৱনৰ স্থানলৈ বস্তু-বেহানি অনা-নিয়া কৰাৰে পৰা ছাত্ৰ ইউনিয়নে কৰিব লগা সকলো কাম ৫০ টকাতে কৰিব লাগিব। অধ্যক্ষ হেম বৰুৱাৰ সমুখতে উপাধ্যক্ষ দাস ডাঙৰীয়াক টকা কম হৈছে বুলি আপত্তি কৰা হ'ল। নানা ওজৰ-আপত্তিৰ পাছত আৰু ৫ টকা বঢ়াই দি ৩৫ টকা কৰা হ'ল। অধ্যক্ষ হেম বৰুৱাই বুজিছিল যেনে এটি অনুষ্ঠানত ৫৫ টকাৰে একেবাৰে নহয়। তথাপি তেওঁ উপাধ্যক্ষ দাসৰ সিদ্ধান্তত হস্তক্ষেপ কৰা নাছিল। উপাধ্যক্ষ দাসে এনেদৰে দুই চাৰি টকা ৰাহি কৰি কলেজৰ পুঁজি শকত কৰিব বিচাৰিছিল।

ফুলতকৈ কোমল হেম বৰুৱা সময় বিশেষে বজ্ৰতকৈও কঠিন হৈ পৰে। এবাৰ কলেজ-সপ্তাহত অসমৰ এগৰাকী বিশিষ্ট ৰাজনীতিবিদক নিমন্ত্ৰণ কৰা হৈছিল। নিমন্ত্ৰিত অতিথি আহিবৰ সময় হ'ল। দুই চাৰিজন অধ্যাপক আহিছে কিন্তু ছাত্ৰ সংখ্যা তেনেই কম। সভাগৃহৰ বাৰান্দাত দুৱাৰ ডহল দি ছাত্ৰৰ উপস্থিতিৰ সংখ্যা কম দেখি তৰ্জন-গৰ্জন কৰিবলৈ ধৰিলে। ছাত্ৰ-ইউনিয়নৰ সম্পাদকক উদ্দেশ্য কৰি কবলৈ ধৰিলে, "এনেকুৱা হ'লে আজিয়েই তোমালোকৰ ইউনিয়ন ভাঙি দিম। তোমালোকে এগৰাকী বিশিষ্ট অতিথিক অপমান দিবলৈ মাতি আনিছা।" পাছ দিনাৰ পৰা দেখা গ'ল সভাগৃহ ছাত্ৰৰে ঠাঁহ খোৱা।

নিশাৰ সাংস্কৃতিক অনুষ্ঠান বুলিলেই হাঁই-উৰুমি, চিঞৰ-বাখৰ, মাজে মাজে টিনপাতত দুই এটা শিল গুটি। কিন্তু হেম বৰুৱাৰ উপস্থিতিত নিশাৰ সাংস্কৃতিক অনুষ্ঠানত লাইট নুমাই গ'লেও লাইট অহালৈ নীৰবে অপেক্ষা কৰি থকা দেখা গৈছিল।

ক্লাছ চলি থকা সময়ত এবাৰ এজন ছাত্ৰই আন এজন ছাত্ৰক জোটাৰে বুকুত গুৰিয়াইছিল। কথা... ষাৰ শুনিয়ে অধ্যক্ষ বৰুৱাই ল'ৰাজনক মাতি আনি চুইছে নিকিজালে। ল'ৰাজনক দহ টকা জৰিমনাও কৰিলে। পাছত ল'ৰাজনে নিজৰ কাৰ্যৰ বাবে অনুতপ্ত হৈ অধ্যক্ষৰ ওচৰত ক্ষমা বিচাৰিলে আৰু মাৰ খোৱা ল'ৰাজনৰো হাতত ধৰি ক্ষমা বিচাৰিলে। অধ্যক্ষ বৰুৱাই ল'ৰাজনক ক্ষমা কৰি জৰিমনা দহ টকা মাফ দিলে। হান-খেৰৰ জুইৰ দৰে দপ্ দপ্ কৈ জ্বলি উঠা আৰু নিমিষতে নুমাই পৰা। এনে জনেই সময়ত বজ্ৰতকৈও কঠিন আৰু ফুলতকৈও কোমল অধ্যক্ষ হেম বৰুৱা।

অধ্যক্ষ হিচাপে হেম বৰুৱা ছাত্ৰৰ প্ৰতি সদায় সহানুভূতিশীল, মৰমিয়াল। এটি অনুষ্ঠানৰ মুৰব্বী হিচাপে তেওঁৰ শাসন কঠোৰ নহয়, অথচ কলেজৰ ছাত্ৰ-শিক্ষকৰ পৰা কেৰাণী চকীদাৰলৈকে সকলোটি মৰমৰ এনাজৰীৰ বন্ধনত আবদ্ধ। কঠোৰ শাসন বা ৰূঢ় ব্যৱহাৰ নকৰে বাবে সকলোটিৰে বৰং নিজৰ দায়িত্বৰ প্ৰতি বেছি সজাগ আছিল।

১৯৫৭ খৃঃত সংসদৰ সদস্য নিৰ্বাচিত হোৱাৰে পৰা সংসদ চলি থকা সময়ত তেওঁ নতুন দিল্লীত আৰু সংসদ ভঙ্গ হোৱাৰ লগে লগে গুৱাহাটীলৈ আহি কলেজৰ দায়িত্ব বহন কৰিছিল। হেম বৰুৱা কলেজত থকা সময়ছোৱাত কলেজখন যেন সজীৱ হৈ থাকে। তেওঁৰ উপস্থিতিয়ে কলেজখনত এক বুজাব নোৱাৰা সজীৱতা, গতিনাদিৰ সৃষ্টি কৰে আৰু তেওঁ নথকা কালছোৱাত কিবা যেন নাই নাই।

কলেজত থকা কালছোৱাত যদি কেতিয়াবা কোনো ক্লাছত শিক্ষক নথকা দেখে, মাজে মাজে তেওঁ নিজেই গৈ ক্লাছ লৈছিল। এদিন আমাৰ অসমীয়া ক্লাছত শিক্ষক নথকাত তেওঁ গৈ ক্লাছত সোমাল। হাজিৰা কৰিয়েই সুধিলে, "তোমালোকে বাক কবি





ভাল পোৱা নে নোপোৱা? যদি পোৱা এটা কবিতা মাতাচোন?" আমি তেতিয়া চন্দ্ৰকুমাৰ 'শুক্ৰ পৰিচয়'টো গাইছিলোঁ। তাৰ পাছত দেৱকান্ত বৰুৱাৰ 'তুমি নুবুজিবা সখী' কবিতাটো গাবলৈ দিছিলে। এয়েই আছিল হেম বৰুৱাৰ লগত আমাৰ প্ৰথম পৰিচয়ৰ সূত্ৰ। তেওঁ নিজেও তেতিয়া দেৱকান্ত বৰুৱা আৰু যতীন্দ্ৰনাথ দুৱৰাৰ কবিতা আবৃত্তিৰ সুৰত গাই চুয়োগৰাকী কবিৰ কবিতা সম্পৰ্কে আলোচনা কৰিছিল।

সাধাৰণতে দুই শ্ৰেণীৰ শিক্ষক পোৱা যায়। এক শ্ৰেণীৰ শিক্ষকৰ শিক্ষাদানে শিক্ষাৰ্থীক পৰীক্ষাত উত্তীৰ্ণ হোৱাত সহায় কৰে। আন শ্ৰেণী শিক্ষকৰ শিক্ষাদানে শিক্ষাৰ্থীৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিত সহায় কৰে, মনৰ দিগন্ত প্ৰসাৰিত হয়। কিন্তু এই দ্বিতীয় শ্ৰেণীৰ শিক্ষাদানে পৰীক্ষাত উত্তীৰ্ণ হোৱাত বেছি সহায় নকৰে। হেম বৰুৱা, বিৰিঞ্চি কুমাৰ বৰুৱা আছিল এই দ্বিতীয় শ্ৰেণীৰ শিক্ষক। তেওঁলোকৰ শিক্ষাদানত শিক্ষাৰ্থীৰ মনৰ দিগন্ত প্ৰসাৰিত হৈছিল, শিক্ষাৰ্থীয়ে নন কথা শিকিব পাৰিছিল।

ভোলা বৰুৱা কলেজৰ ছাত্ৰ আছিল সৰহ ভাগেই চাকৰিজীৱী। দিনৰ দহ বজাৰ পৰা চাৰে চাৰি বজালৈ অফিচত চাকৰি কৰি নিশাৰ কলেজত পঢ়া ছাত্ৰৰ পঢ়িবলৈ সময়ে বা ক'ত। শিক্ষাৰ্থীসকলৰ সেই কথা অধ্যক্ষ হিচাপে তেওঁ উপলব্ধি কৰিব পাৰিছিল।

ভাৰা ঘৰতে জীৱনৰ সৰহ কাল কটোৱা হেম বৰুৱাৰ প্ৰতি সহানুভূতিপূৰ্ণ হৈ তেতিয়াৰ ৰাজহ-মন্ত্ৰী মতিৰাম বৰাই তেওঁক গুৱাহাটী চহৰত এডোখৰ মাটি দিব খুজিছিল। তাৰ উত্তৰত তেওঁ কৈছিল, "মোক বাৰু মাটি নালাগে, কলেজৰ বাবে মাটি এডোখৰকে দিয়ক।"

তেওঁৰ যত্নতে ভোলা বৰুৱা কলেজে চহৰৰ মাজ বুকুতে লাভ কৰিলে এডোখৰ মাটি আৰু সেই মাটিতে তেওঁৰ কাৰ্যকালতে গঢ়ি উঠিল কলেজৰ নিজা ভৱন।

ভোলা বৰুৱা কলেজ নৈশ কলেজ, সৰহ ভাগ ছাত্ৰ-ছাত্ৰী চাকৰিয়াল। সেই বাবে বহুতৰে কলেজখনৰ প্ৰতি এটি হেয় মনোভাব। এইখন কলেজ নহয়, কচিং ক্লাছহে।

আন হাতে হেম বৰুৱাও বিৰোধী দলৰ নেতা। সেইবাবে চৰকাৰৰো কলেজখনৰ ওপৰত বেঁকা দৃষ্টি। সকলো ধৰণৰ প্ৰতিকূল অৱস্থাকে নেওচি হেম বৰুৱাৰ অধ্যক্ষতাত ভোলা বৰুৱা কলেজ আছিল স্ব মহিমাৰে মহিমান্বিত। এনে এগৰাকী উদাৰ-হৃদয় শিক্ষাবিদক, এগৰাকী অধ্যয়নশীল শিক্ষাবিদক অধ্যক্ষ স্বৰূপে লাভ কৰি আৰু তেওঁৰ অধ্যক্ষতাতে শিক্ষা লাভ কৰিবলৈ পাই আমি নিজেও গৌৰৱান্বিত।

---

# অসম সাহিত্য সভাৰ সভাপতি হেম বৰুৱা

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

যিসকল লোকে অসমৰ শিক্ষা, সাহিত্য, সংস্কৃতি আৰু ৰাজনীতিৰ ক্ষেত্ৰত বিশেষ বৰঙনি যোগাইছে, সেইসকলৰ ভিতৰত হেম বৰুৱাৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁ সাহিত্যক্ষেত্ৰত যিদৰে এজন লব্ধপ্ৰতিষ্ঠ সাহিত্যিক, সেইদৰে ৰাজনীতি ক্ষেত্ৰতো এজন আগ শাৰীৰ ৰাজনীতিবিদ। তেওঁ শিক্ষক হিচাপে একালত ছাত্ৰসকলৰ মনত গভীৰ সাঁচ বহুৱাইছিল, বাগ্মিতাৰে হাজাৰ হাজাৰ জনতাক মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল, সাহিত্যিক স্বৰূপে আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত এখন ওখ আসন লাভ কৰিছে আৰু ৰাজনৈতিক জীৱনত লোকসভাৰ সদস্যৰূপে আগ শাৰীৰ বিশিষ্ট ৰাজনীতিবিদসকলৰ ভিতৰৰ এজন আছিল।

হেম বৰুৱাক প্ৰথমতে লগ পাওঁ ১৯৩৮ চনত। তেতিয়া তেওঁ এম এ পৰীক্ষা দি আহিছিল আৰু মই যোৰহাট কলেজৰ (জগন্নাথ বৰুৱা কলেজ) ছাত্ৰ। ওখ, শকত আৱৃত, থুলন্তৰ চেহেৰাৰ হেমকান্ত বৰুৱাৰ লগত সাহিত্য বিষয়ক কথা আলোচনা কৰি ব্যক্তিগতভাৱে যথেষ্ট উপকৃত হৈছিলোঁ।

ভোলা বৰুৱা কলেজৰ অধ্যক্ষ হৈ থাকোঁতে মই [illegible] তেখেতক লগ পাইছিলোঁ। কিন্তু বয়সৰ বাৰ্দ্ধক্য [illegible] সত্ত্বেও মানুহজন আগৰ সেই একেই সহজ সৰল [illegible] আৰু নিৰভিমানী হেম বৰুৱা। লোকসভাৰ সদস্য হৈ থকা কালত কেতিয়াবা যোৰহাটৰ ঘৰলৈ আহিলে ৰাজবাটত নাইবা অসম সাহিত্য সভাৰ কাৰ্যালয়ত নাইবা বুক্‌লেণ্ড (পুস্তক প্ৰতিষ্ঠান) আদিত সদালাপী হেম বৰুৱাক লগ পাওঁ।

লোকসভাৰ সদস্য হৈ থকা কালত অসম সাহিত্য সভাৰ সভাপতিৰ নামৰ তালিকাত কেইবাৰো [illegible] হেম বৰুৱাৰ নাম অন্তৰ্ভুক্ত হৈছিল। কিন্তু যেতিয়া [illegible] বৰুৱাদেৱৰ সন্মতি বিচৰা হয়, তেতিয়া উত্তৰ দিয়ে [illegible] 'মোতকৈ বয়সস্থ লোক আছে, গতিকে এতিয়া মই [illegible] সভাপতি হবলৈ ইচ্ছা নকৰোঁ'; নাইবা 'মই এতিয়া [illegible] ৰাজনীতিত লাগি আছোঁ, গতিকে মই সভাপতি [illegible] হোৱাৰ কথা চিন্তা কৰিব নোৱাৰোঁ'। প্ৰবীণ সাহিত্যিক হেম বৰুৱা ১৯৫৭ চনৰ পৰা ১৯৭১ চনলৈকে [illegible] লোকসভাৰ সদস্য আছিল। কিন্তু ১৯৭১ চনৰ [illegible] নিৰ্বাচনত পৰাজিত হয়। এই সময়ৰ পৰা তেওঁৰ [illegible]





স্বাস্থ্য পৰি আহে। ১৯৭১ চনত অসম সাহিত্য সভাৰ সভাপতিৰ নামৰ তালিকাত হেম বৰুৱাৰ নামটো অন্তৰ্ভুক্ত হ'ল। মই তেতিয়া অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। সেই সময়ৰ সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মাই হেম বৰুৱাক ব্যক্তিগতভাৱে লগ ধৰি সন্মতি আদায় কৰিলে।

শাখা সভাৰ ভোটত প্ৰবীণ সাহিত্যিক হেম বৰুৱা ১৯৭২ চনৰ অসম সাহিত্য সভাৰ ঊনচত্বাৰিংশ ধুবুৰী সন্মিলনৰ সভাপতি নিৰ্বাচিত হ'ল। অৱশ্যে ইয়াৰ আগতে হেম বৰুৱাই অসম সাহিত্য সভাৰ ষট্‌ত্ৰিংশ বৰপেটা অধিৱেশনৰ সাংস্কৃতিক শাখা আৰু পঞ্চত্ৰিংশ তেজপুৰ অধিৱেশনৰ প্ৰদৰ্শনী-উদ্বোধক স্বৰূপে, আৰু অসম সাহিত্য সভাৰ দ্বাত্ৰিংশ অধিৱেশনৰ আলোচনা চক্ৰৰ সভাপতি ৰূপে ভাষণ দিছিল। ধুবুৰী সন্মিলনৰ সভাপতিৰ অভিভাষণত বৰুৱাদেৱে কৈছিল, "মোৰ মধ্যকালীন নিৰ্বাচনত পৰাজিত হৈ জীৱন-সংগ্ৰামত অতিষ্ঠ হৈ উঠিছিলোঁ। কোনো কোনোৱে মোৰ ধৈৰ্য আছে বুলি কয়। ধৈৰ্যৰ আন এটা নাম জড়তা। ই যিয়েই নহওক লাগিলে, বয়স বাঢ়ি অহাৰ লগে লগে মানুহ জড়তাপ্ৰাপ্ত হয়। কেইজনমান বন্ধু-বান্ধৱৰ কথা এৰাব নোৱাৰি এই আসনৰ নিৰ্বাচনৰ কাৰণে মন মেলিলোঁ আৰু আপোনালোকৰ আশীৰ্বাদত নিৰ্বাচিত হলোঁ।"

১৯৭২ চনৰ এপ্ৰিল মাহৰ ৭, ৮, ৯ তাৰিখে ধুবুৰীত ঊনচত্বাৰিংশ সন্মিলন অনুষ্ঠিত হয়। সভাপতি বৰুৱাই ৭ তাৰিখে সন্ধিয়া বিষয়-বাছনী সভাত সভাপতিত্ব কৰে। এইজন সিংহপুৰুষৰ বক্তৃতা শুনি অনুপ্ৰাণিত হোৱা প্ৰতিনিধিবৰ্গই তেজোদ্দীপ্ত, সুশ্ৰী আৰু বাগ্মীপুৰুষ হেম বৰুৱাৰ ভগ্নস্বাস্থ্য দেখি পৰস্পৰে সহানুভূতিৰ ভাব প্ৰকাশ কৰিছিল। যিজন পুৰুষে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ৰাজহুৱা সভাত বক্তৃতা দি জনসাধাৰণক মুগ্ধ কৰিছিল, সেইজন 'জড়তা প্ৰাপ্ত'লোকে কথা কবলৈ টান পোৱা বুলি ভাবিলে আচৰিত হ'ব লাগে। মুকলি অধিৱেশনত হেম বৰুৱাই বৰ বেছি কথা কোৱা নাছিল। সভাপতি বৰুৱাক দেখি গোৱালপাৰাৰ বাইজে মাথোন কৈছিল— 'হেম বৰুৱা বাঘ আছিল। এতিয়া তেওঁৰ শক্তি নোহোৱা হ'ল। কিয় এনে হ'ল!' সভাপতিৰ অভিভাষণখন আছিল উনৈছ পিঠিৰ আৰু সেইখন সভাপতিয়ে কোনোমতে পঢ়ি শেষ কৰিলে। যিজন মানুহৰ উচ্চাৰণ স্পষ্ট আৰু যিজনৰ ভাষা ওজস্বিতাসম্পন্ন, সেইজন হেম বৰুৱাই অভিভাষণ পঢ়া শুনি বন্ধু-বান্ধৱ আৰু শুভাকাঙ্ক্ষীসকলৰ চকুৰ আগত লোকসভাত উত্তপ্ত পৰিৱেশ সৃষ্টি কৰা ৰাজনীতিবিদ হেম বৰুৱাৰ ছবিখন ধূঁৱলি-কুঁৱলী হৈ পৰে। প্ৰবীণ সাহিত্যিক বৰুৱাদেৱ পৰৱৰ্তী কাৰ্যনিৰ্বাহকৰ সভাপতি হ'ল। বৰুৱাদেৱে বৰ কষ্টেৰে কাৰ্যনিৰ্বাহকৰ সভা চলালে। ভগ্নস্বাস্থ্য সত্ত্বেও তেওঁ সভাৰ নানা কথাৰ খবৰ ৰাখিছিল।

হেম বৰুৱা কবি, সাহিত্যিক, সমালোচক আৰু সাংবাদিক। সাম্প্ৰতিক অসমীয়া কবিতাৰ স্ৰষ্টা হিচাপেও তেওঁৰ এখন সুকীয়া আসন আছে। হেম বৰুৱা অমৰ হওক।

# হেম বৰুৱাৰ প্ৰবন্ধ সাহিত্য আৰু অভিব্যক্তি

শ্ৰীঅমল ৰাজখোৱা

ঋষি বিশ্বামিত্ৰই কৰা অনুৰোধত ৰজা দশৰথ বিচলিত হ'লেও, শেষত শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণৰ আগ্ৰহ দেখি ৰজাই ৰাজকুমাৰদ্বয়ক বনলৈ পঠাবলৈ মান্তি হ'ল। এই বিষয়ে বেছি আগ্ৰহী শ্ৰীৰামচন্দ্ৰ। ৰাজহৰ্ম্যৰ কোলাহলৰ পৰা বনশোভা চাবলৈ ৰাজকুমাৰৰ বন-প্ৰীতি হোৱা স্বাভাৱিক। ধনু-শৰ লৈ যেতিয়া দণ্ডকাৰণ্য পালেগৈ, তেতিয়া ৰাজকুমাৰৰ মন বিচলিত হ'ল। বনপ্ৰীতিৰ মোহৰ সলনি ৰাক্ষসৰ দ্বাৰা তপোবন লণ্ড-ভণ্ড দেখি তেওঁ কৈ উঠিল, "ক্ষত্ৰিয়ৈ ধাৰ্যতে চাপো নাৰ্ত্ত শব্দোভবেদিতি।" দুষ্টৰ দমন আৰু সন্তৰ অমংগল আঁতৰাবৰ বাবে ক্ষত্ৰিয়সকলে শৰ-ধনু ধাৰণ কৰে। একালত শ্ৰীহেমকান্ত শৰ্মা বৰুৱায়ো হয়তো 'হিয়াৰ মিলন' [১] নামৰ গল্পটি লেখি এনে চিন্তাই কৰিছিল, সামাজিক বিৱৰ্তনত লেখকসকলৰ প্ৰকৃত দায়িত্ব কি? 'হিয়াৰ মিলন' একালৰ পৰা বিশেষত্বপ্ৰধান গল্প। ই যেন হেমকান্ত শৰ্মা বৰুৱাৰ— "Face is the index of mind"ৰ দৰে পৰৱৰ্তী হেম বৰুৱাজনৰ লেখাৰ অভিব্যক্তিৰ স্বৰূপ জনাই দিছে। গল্পটি লেখাৰ সময়ত বৰুৱা আছিল চফল ডেকা। সমাজ সংস্কাৰৰ আদৰ্শ দাঙি ধৰিবলৈ চেষ্টা কৰিছিল যদিও, ৰোমাণ্টিক ভাব-প্ৰৱণতা আৰু সেই সময়ৰ অৱৰুদ্ধ সামাজিক গতিৰ ফলত প্ৰকৃত সংস্কাৰৰ বাট মুকলি কৰিব নোৱাৰি, পূৰ্বসূৰীসকলৰ দৰেই মৃত্যুৰ পাছত প্ৰেমৰ জয় ঘোষণা কৰিছে। যি কি নহওক, ৰেমী-হিতেনৰ প্ৰেমাখ্যানৰ মাজেদি গল্পকাৰে এটি সুন্দৰ বক্তব্য ঘোষণা কৰিছিল; "আৰ্যই হওক, শিক্ষিতেই হওক বা অশিক্ষিতেই হওক, সকলোৰে এটি সুকীয়া ভাব, এখনি সুকীয়া হিয়া আছে। মানুহে মাথোন বিচাৰি উলিয়াবলৈ টান পায়; অনাহকতে নুবুজি নেওচা দিয়ে। ভুল কাৰ?"

ৰোমাণ্টিক ভাব-প্ৰৱণতা কিন্তু হেমকান্ত শৰ্মা বৰুৱাৰ বেছি দিন স্থায়ী নহ'ল। এদিন হঠাৎ সেইজন হেমকান্ত শৰ্মা বৰুৱাৰ পৰা জন্ম হ'ল এজন বেলেগ সত্ত্বাৰ মানুহ,—নাম হেম বৰুৱা। এটি জীৱন্ত আগ্নেয়গিৰি। যেন এটি সম্পূৰ্ণ 'Sea change' ( শ্ৰী[illegible] বৰকটকীৰ ভাষাৰে )।

কান্তকবি হেম বৰুৱাৰ দৰে সচেতন গদ্য-লেখ[illegible]

১ 'হিয়াৰ মিলন' বৰুৱাৰ প্ৰথম সাহিত্যিক জীৱনৰ পাতনি। গল্পটি আৱাহনৰ ৮ম বছৰ : ৩য় সংখ্যা ( ফাগুন ১৮৫৮ ) প্ৰকাশ পাইছিল।



হিচাপেও হেম বৰুৱাৰ এখন সুকীয়া আসন অসমীয়া সাহিত্যত আছে। প্ৰবন্ধকাৰ, সমালোচক, কাহিনীকাৰ, আৰু মন্ময় ৰচনা লেখক হিচাপে তেখেতৰ অৱদান নিশ্চয় কম নহ'ব।[২] এই প্ৰবন্ধত বৰুৱাৰ ৰচনাৰ সম্পূৰ্ণ আভাস দিয়া সম্ভৱ নহ'ব। কেইটিমান প্ৰবন্ধ আৰু দুই এখন কিতাপৰ বিষয়-বস্তুৰ বিষয়েহে আলোচনা কৰিম।

হেম বৰুৱাৰ প্ৰথম প্ৰবন্ধ হ'ল পাৰ্ল বাক। প্ৰকাশ পাইছিল আৱাহনত। আৱাহন, জয়ন্তী, ৰামধেনু, মণিদীপ, পছোৱা[৩] আৰু জনতাৰ বিভিন্ন বিষয়ক প্ৰবন্ধৰ বাহিৰেও অসমৰ বাহিৰৰ কাকত-আলোচনীতো তেখেতৰ প্ৰবন্ধ প্ৰকাশ পাইছিল।

বৰুৱাৰ প্ৰায়বোৰ ৰচনাই গহীন—গম্ভীৰ চিন্তামূলক আৰু বাস্তৱ-ধৰ্মী। কিছুমান প্ৰবন্ধ ডক্টৰ জনচনে ব্যাখ্যা দিয়া "A loose sally of mind" শ্ৰেণীৰ অন্তৰ্গত। এনে বিধ প্ৰবন্ধ-ৰচনাত অৱশ্যে বৰুৱাৰ মানসিক আৱেগ-অনুভূতিৰ পৰিচয় পোৱা যায়। ছিন্নমূল, অ'াচুফুল, সাহিত্য আৰু সাহিত্যৰ প্ৰায়বোৰ প্ৰবন্ধকে এই শ্ৰেণীত স্থান দিব পৰা যায়। তেখেতৰ 'যুগ ধৰ্মৰ সংঘাত' আৰু 'আজিৰ বিশ্ব' ( ৰামধেনু চ'ত : ১৮৮৪ )ৰ নিচিনা প্ৰবন্ধবোৰ যুক্তিবাদী প্ৰবন্ধ শ্ৰেণীৰ ভিতৰুৱা। সাধাৰণ ভ্ৰমণ কাহিনী ( সাগৰ দেখিছা, ৰঙা কৰবীৰ ফুল আদি ), কন্যাকী-কভালান কাহিনী, কিউপিড-ছাইকীৰ দৰে গদ্যত 'কাব্যিক সৰলতা' লক্ষণীয়। এনে প্ৰবন্ধ সাধাৰণতে ভাৱানুভূতিপ্ৰধান। এনে 'lyric in Prose' জাতীয় প্ৰবন্ধৰ সংকলন 'এই গাঁও এই গীত', 'বহাগতে পাতি যাওঁ বিয়া' আদিলৈকো আঙুলিয়াই দেখুৱাব পাৰোঁ। এনে প্ৰবন্ধৰ বিষয়ে ৰবাৰ্ট লীন্দৰ ( Robert Lynd ) এই মন্তব্য প্ৰণিধানযোগ্য :
"Sometimes it is nearly a sermon, sometimes it is nearly a short-story"[৪] ইত্যাদি।

হেম বৰুৱাৰ গদ্য-প্ৰবন্ধৰ আংগিক দিশ আলোচনা কৰোঁতে আৰু এটি বিশেষ মন কৰিব লগা কথা

২ ৰচনাৱলী : আধুনিক সাহিত্য ( ১৯৫০ ), সাহিত্য আৰু সাহিত্য ( ১৯৬২ ), অ'াচুফুল ( ১৯৬৪ ), এই গাওঁ এই গীত ( ১৯৬১ ), বহাগতে পাতি যাওঁ বিয়া, সানমিহলি ( ১৯৫৮ ), ছিন্নমূল ( ১৯৭৩ ), তল-সৰা ( ১৯৭৬ ), পছোৱাৰ বেউনি ( ১৯৬৯ ), কন্যাকী ( ১৯৬০ ), কিউপিড আৰু ছাইকী ( ১৯৫১ ), বাল্মিছন্দা ( ১৯৫৯ ), মন-ময়ূৰী ( ১৯৬৫ ), সাগৰ দেখিছা ( ১৯৫৪ ), ৰঙা কৰবীৰ ফুল ( ১৯৫৯ ), ইজৰাইল ( ১৯৬০ ), মেকং নৈ দেখিলোঁ ( ১৯৫৭ ), ডাক পখিলী ( ১৯৬৮ ), বিয়াল্লিছৰ গণ বিপ্লৱত অসম, August Revolution in Assam, The Red River and the Blue Hill, Idle Hours, Folk Songs of India, Lakshminath Bezbaruah, Assamese Literature ( 1962 ), সম্পাদিত গ্ৰন্থ Modern Assamese poetry ( 2960 ), সম্পাদক—জনতা ( ১৯৪৬ ), পছোৱা ( ১৯৪৮-৪৯ ), The Assam Express. জে, ডি, ৰাভেছাৰ লগত যুটীয়া ভাৱে লেখা পুথি The Fairs and Festivals of Assam.

৩ পছোৱাৰ সম্পাদকীয় আৰু বিভিন্ন প্ৰবন্ধ গোটাই পছোৱাৰ বেউনি ( ১৯৬৯ ) নামৰ গ্ৰন্থখন প্ৰকাশ কৰা হৈছে।

৪ Hudson ৰ Introduction to the study of Literature ৰ পৰা।

হ'ল তেখেতৰ গদ্য-বিন্যাসত ইংৰাজী প্ৰভাৱ। ইংৰাজী বাক্য-বিন্যাসৰ ঠাঁচত তেখেতৰ গদ্যৰ 'Style' ( ৰীতি নহয় ) প্ৰকাশ পাইছে। সাম্প্ৰতিক ( বিংশ শতাব্দীৰ ) অসমীয়া গদ্যৰ এইটো এটা লেখত ল'ব লগা দিশ। অকল বাক্য-বিন্যাসতেই নহয়, শব্দ-চয়ন, ব্যাকৰণ পদ্ধতিও ইংৰাজী প্ৰভাৱৰ পৰা মুক্ত নহয়। কিন্তু বৰুৱাৰ গদ্যৰ দুৰ্বোধ্যতা নাই। প্ৰাঞ্জল-সৰল বৰ্ণনা, যেন "Neither Poetic, nor prosaic." এনে ইংৰাজী Style য়ে আমাক ভাব-বিহ্বলতাৰ মোহৰ পৰা সচেতন কৰি আমাৰ চিন্তা-শক্তিক সক্ৰিয় আৰু আত্মানুশীলনক উদ্বুদ্ধ কৰি তুলিছে। আকৌ কোনো কোনো প্ৰবন্ধত এনে কাৰণত কেতিয়াবা "Paradox" ৰ সৃষ্টি হ'লেও, সহজেই আমাৰ ভাৱাবেশপ্ৰৱণ, সংস্কাৰাচ্ছন্ন, নিদ্ৰালু মনক জগাই তুলিবলৈ চেষ্টা কৰাৰ প্ৰয়াস নোহোৱাকৈ থকা নাই ( গভীৰ চিন্তা-চৰ্চাৰ প্ৰতি )। সম্পূৰ্ণ সত্যানুসন্ধিৎসাৰ অপেক্ষাত জড়তাৰ প্ৰতি-ষেধক উত্তেজনা সঞ্চাৰেই বোধ কৰে[৫]। হেম বৰুৱাৰ সাহিত্যৰ প্ৰকৃত উদ্দেশ্য।

হেম বৰুৱাৰ গদ্যৰ Style ৰ ( আমি 'ৰীতি' শব্দ ব্যৱহাৰ কৰা নাই এই বাবেই যে, ৰীতি আৰু Style একে নহয়। Style লেখকৰ নিজস্ব প্ৰকাশ-ভংগীৰ ওপৰত নিৰ্ভৰশীল ) আন এটি বিশেষত্ব হ'ল সম্ভৱপৰ স্থানত ইংৰাজী শব্দৰ ব্যৱহাৰ ( ওপৰত ব্যাখ্যা কৰা হৈছে ) আৰু উদ্ধৃতিৰ পূৰ্ণ প্ৰয়োজন। প্ৰবন্ধ বা ৰচনাত উদ্ধৃতিৰ প্ৰয়োগ সম্পৰ্কে বহুজনৰ বহু মত। "The Faith of a Modern Intelletual" গ্ৰন্থত এইচ্. শৰণে লেখিছে যে, "বক্তৃতাৰ ফুলজাৰিৰে প্ৰকৃত সামাজিক আচৰণ কৰা নহয়। কথাৰ পাণ্ডিত্য, অমুকৰ উক্তিৰ প্ৰকৃত উদ্ধৃতাংশ গ্ৰহণ নকৰিলে বদ সাহিত্য হয়।" কিন্তু সেই বুলি হেম বৰুৱাৰ সাহিত্য 'বদ-হজম' হোৱা নাই। হেম বৰুৱাৰ উদ্ধৃতি-প্ৰয়োগ ঠিক 'প্ৰকৃত মালাৰ বাবে উপযুক্ত পুষ্প-কৰ্ম'। এই বিষয়ে শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী দেৱে লেখিছে: "হেম বৰুৱাৰ পাশ্চাত্য সাহিত্য অধ্যয়নৰ ক্ষেত্ৰ যথেষ্ট বহল। বঙালী সাহিত্যৰ লগতো পৰিচয় ঘনিষ্ঠ। বিভিন্ন ৰচকৰ অমূল্য গ্ৰন্থত সন্নিৱিষ্ট কৰা কিছুমান শাৰী আপোনা-আপুনিয়েই তেওঁৰ ৰচনাত কেতিয়াবা অনুপ্ৰৱেশ কৰি তেওঁৰ অধ্যয়নপুষ্ট মনৰ চিনাকি দিয়ে।............ হেম বৰুৱাৰ দ্বাৰা ৰচিত কেইবাখনো পুথিৰ মাজত ৰচনা-ভংগীৰ এই বিশেষত্ব দেখিবলৈ পোৱা যায়"।[৬] এই বিষয়ে বৰুৱাৰ নিজা মত হ'ল, "আন ভাষাৰ শব্দ প্ৰয়োগ কৰাত বিশেষ কোনো আপত্তি থকাটো উচিত নহয়। অৱশেষে সেই শব্দসমূহ হাড়ে-হিমজুৱে নিজৰ ভাষাত জীণ যাব লাগিব"।[৭] হেম বৰুৱাৰ গদ্যত অসমীয়াত এনে স্বতঃস্ফূৰ্ত উদ্ধৃতি আৰু শব্দ-চয়ন নীলাচলৰ সম্পাদক শ্ৰীহোমেন বৰগোহাঞিৰ প্ৰবন্ধ-ৰচনাতহে লক্ষ্য কৰিছে। এই বিষয়ে হেম বৰুৱা সমসাময়িক সমালোচক দুই এজনৰ তীব্ৰ সমা-লোচনাৰ সন্মুখীন হ'ব লগা হৈছিল। এবাৰ এই বিষয়ে কৰা আমাৰ এটি প্ৰশ্নৰ উত্তৰত তেখেতে বাৰ্নাড শ্বৰ এই বাক্যটি আমাক শুনাইছিল, "Every man has the right to speak out his opinion and every other man has the right to knock him down for it." "মানুহে কি কয় তালৈ



নাচাবা, নিজে ভাল পোৱাটো কৰিবা।" চিন্তাৰ প্ৰকাশ-স্বাধীনতা গণতন্ত্ৰৰ মূল অধিকাৰৰ কথাত হয়তো গণতন্ত্ৰত অটল বিশ্বাসী বৰুৱাই বিশ্বাস ৰাখিছিল।

হেম বৰুৱা এজন 'আৰ্টিষ্ট' আছিল। 'আৰ্টিষ্ট' মানে যাক কোৱা হয় মানসিকতাৰ ভাব-ধাৰক। তেখেতৰ সাহিত্য জীৱন-বোধৰ লগত অংগাংগী সূত্ৰত গ্ৰথিত। মানুহ আৰু দেশৰ প্ৰতি উদ্বুদ্ধতাই এই জীৱন বোধৰ পৰিচয় দাঙি ধৰিছে। "Art if it does not spring up from the strength of our nation is a lifeless art ..." পণ্ডিত নেহৰুৰ এই কথা তেখেতে মনে-প্ৰাণে বিশ্বাস কৰিছিল। গান্ধীজীৰ সত্য, অহিংসা আৰু দেশ-প্ৰেমৰ আদৰ্শ নেহৰুৰ গভীৰ চিন্তাধাৰা হেম বৰুৱাই তেখেতৰ আদৰ্শ হিচাপে গ্ৰহণ কৰিছিল। 'সত্য আৰু অহিংসাত গান্ধীজী' নামক পুথিখনত গান্ধী-বাদী হেম বৰুৱাৰ আদৰ্শৰ চিনাকি পোৱা যাব। বৰুৱাৰ ৰচনাত সাধাৰণ ঘটনাৰ পৰা বিশ্ব-প্ৰৱাহৰ চিন্তালৈকে ( পছোৱাৰ বেঙনি ) ঠাই পাইছে। কবি হেম বৰুৱাই ব্যক্ত কৰিছে :

"মই কথা পাতোঁ,
ৰাজনীতি আৰু বিলাহী বেঙেনাৰ :
ৰাজনীতি,
নিপোটল গাভৰুৰ বুকুৰ আস্বাদত
চকলা-চকলকৈ অশৰীৰী হাতেৰে
সজাই থোৱা কেঁচা বিলাহীৰ দৰে
মন ই উতলা কৰে।" ( এটা আবিষ্কাৰ )

এই সকলো কথাতেই তেখেতৰ সৰলতা, গতিময়তা, সজ উদ্দেশ্য মন কৰিবলগীয়া। "সাহিত্যত সজ উদ্দেশ্য নাথাকিলে সেই সাহিত্যৰ স্পন্দন বন্ধ হ'ব"— কাৰ্লাইলৰ ( Thomas Carlyle ) এই মন্তব্য সমা-লোচক বৰুৱাৰ প্ৰবন্ধত প্ৰকাশ পাইছে। সাহিত্যত বাস্তৱতা আনিবৰ বাবে বৰুৱাৰ সাহিত্যই এটি প্ৰচেষ্টা চলাইছিল। বাস্তৱ যুগৰ কৰ্মময় আবেষ্টনীৰ মাজত বৰুৱাৰ সাহিত্যই এটি শুভ উদ্বোধনী-সুৰ শুনালে। এই শুভ-উদ্বোধন হ'ল আধুনিক সাহিত্যৰ নতুন ভাৱধাৰা। ৰোমাণ্টিক যুগৰ স্বপ্নময় ভাৱধাৰা সংঘাতপূৰ্ণ বাস্তৱৰ মুখামুখী হ'ল। টলষ্টয়ে এবাৰ মেক্সিম গোৰ্কীক কৈছিল: "But you do not know how to use words, all your peasants express themselves very grandly. In real life peasants speak stupidly, akwardly." জনসাধাৰণৰ বাবে ৰচনা কৰা সাহিত্যত যে এনে সুৰ থাকিব লাগে, হেম বৰুৱাৰ জন-সাহিত্যত তাৰ প্ৰতিধ্বনি হৈছে।

জনসাধাৰণৰ মূল্যবোধৰ প্ৰতি বৰুৱাৰ লেখনী সজাগ আছিল। এজন নিষ্ঠাৱান বুদ্ধিজীৱী হিচাপে নিজৰ 'দায়বদ্ধতা'ৰ বিষয়ে তেখেত সদাজাগ্ৰত। প্ৰগতি-বাদী লেখকসকল সদায় জনতাৰ জনাৰ্দন হ'ব লাগে। লেখকসকলে নিজৰ দায়িত্ব নুবুজি 'ফোপোলা সাহিত্য' সৃষ্টি কৰি জ্ঞানগৰ্বী পৰ্বতৰ ওখ চূড়াত বহি তলৰ পৃথিৱীখন চাই আত্মতৃপ্তি লাভ কৰাৰ দিন নাই। লেখকসকলে জনা উচিত যে, বৰ্তমান সেই চূড়া হেলনীয়া হোৱাৰ উপক্ৰম হৈছে। এই পৰ্বতৰ চূড়া যাতে জহি-খহি তলৰ সুন্দৰ পৃথিৱীখন ধ্বংস হ'বলৈ নিদিয়ে, তাৰ বাবে যত্ন ল'ব লাগে। সেয়েহে হেম বৰুৱাৰ সাহিত্যৰ প্ৰধান উদ্দেশ্য আছিল "মানুহক জনোৱা আৰু অনুপ্ৰাণিত কৰা। গণতান্ত্ৰিক সমাজ-বাদৰ চেতনা আৰু আত্মোপলব্ধিৰ প্ৰকাশৰ প্ৰচেষ্টা।"[৮] ৰাজনীতিক শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীয়েও এটি লেখৰ মন্তব্য দিছে: "হেম বৰুৱা নিজকে লৈ থকা মানুহ নহয়। এক প্ৰকাৰে নহওক এক প্ৰকাৰে তেওঁ সদায় ৰাজহুৱা জীৱনত লিপ্ত আছে।"[৯] বৰুৱা প্ৰকৃততে এটি অনুষ্ঠান।

---

৫ এই বিষয়ে ডক্টৰ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে 'অসমীয়া গদ্যৰীতি' শীৰ্ষক আলোচনা আগবঢ়াইছে বিংশ শতাব্দীৰ অসমীয়া সাহিত্য ( ১৯৬৭ ) গ্ৰন্থত। পৃঃ ১৬১।

৬ 'মোৰ দেশ', বিশেষ হেম বৰুৱা সংখ্যা ১৯৭৬, সম্পাদক : কবিতা দত্ত, পৃ: ৬৮।

৭ সভাপতিৰ অভিভাষণ : অসম সাহিত্য সভা, ধুবুৰী অধিৱেশন ১৯৭২

৮ ডক্টৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ প্ৰবন্ধ : 'হেম বৰুৱা : এটি শ্ৰদ্ধাঞ্জলি', মোৰ দেশ : বিশেষ হেম বৰুৱা সংখ্যা, পৃ: ৩৭

৯ উক্ত আলোচনীত থকা শ্ৰীভাগৱতীৰ চিঠি পৃঃ ১।

ৰাজনীতিৰ পৰা সামাজিক জীৱনলৈ, প্ৰগতিশীল বস্তু-বাদী দৰ্শনৰ পৰা অধ্যাত্ম জগতখনলৈকে তেখেতৰ সূক্ষ্ম দৃষ্টি পৰিছিল। এই সূক্ষ্ম দৃষ্টি থকা বাবেই বক্তা হিচাপে, ৰাজনীতিজ্ঞ হিচাপে, কবি হিচাপে, প্ৰবন্ধকাৰ হিচাপে, হেম বৰুৱাৰ জনপ্ৰিয়তা সৰ্বত্ৰ। সাৰ্বজনীন ভাৱে এনে জনপ্ৰিয়তা অৰ্জন কৰা বৰ সহজ নহয়। সংকীৰ্ণ গণ্ডিত (এই অৰ্থত মই ক'বলৈ বিচাৰিছোঁ।-এটি বা দুটি বিষয়ৰ পাৰ্গতালি) পৰিমিত সংখ্যক মানুহৰ মাজত 'প্ৰিয়' হোৱা যিমান সহজ, বৃহত্তৰ পৰিৱেশত লোকালয়ৰ মাজত আত্ম প্ৰতিষ্ঠা লাভ কৰা সিমানেই কঠিন। আকৌ এনে 'জনপ্ৰিয়তা' ৰক্ষা কৰাও সহজ নহয়। সংযমশীলতাৰ অভাৱ হ'লে শ্ৰেষ্ঠ সাহিত্যিক, বক্তা বা ৰাজনীতিজ্ঞৰো 'হস্তীৰো পিচলে পাও'ৰ দৰে অৱস্থা হয়। এই কথাখিনি প্ৰসংগক্ৰমে উল্লেখ কৰাৰ অৰ্থ হ'ল হেম বৰুৱাৰ ব্যক্তিত্ব আৰু লেখাৰ সংযমশীলতাৰ বিষয়ে দাঙি ধৰা। বস্তুত 'কিৰা কিৰি' পোৱাৰ সম্ভাৱনা সত্ত্বেও হেম বৰুৱা নিজৰ মতৰ পৰা বিচলিত নহ'ল। উপনিষদৰ এই বাক্য বৰুৱাৰ জীৱন-দৰ্শনৰ লগত মিলি যায়,—

"যস্তু সৰ্বানি ভূতানি আত্মন্যেৱানুপশ্যতি।
সৰ্বভূতেষু চ আত্মানং ন ততঃ বিজুগুপ্সতে॥" ১০

তেখেতৰ সাহিত্যই তেখেতক চিৰশাশ্বত কৰি ৰাখিব।

ব্যৱহাৰিক সাহিত্য-সমালোচক হিচাপে বৰুৱাৰ প্ৰবন্ধৰ আন এটি দিশ আলোচনা কৰা উচিত হ'ব। তেখেতৰ সূক্ষ্ম দৃষ্টি এনে প্ৰবন্ধত প্ৰকাশ পাইছে।

'আজিৰ বিহু' ১১ প্ৰবন্ধত তেখেতে লেখিছে, "যা[...] সকলোবোৰ বস্তুৰ ওপৰত পৰাৰ দৰে বি[...] ওপৰতো সময়ৰ আচোঁৰ পৰাটো তেনেই স্বাভাৱিক[...] সময়ে একোটা বস্তুক জীপ দিয়ে যেনেকৈ, তে[...] কৈয়ে একোটা বস্তুৰ পৰিবৰ্তনো সাধন কৰে[...] মানুহৰ মনৰ গতি-চঞ্চলতা আছে যেতিয়া প[...] বৰ্তনো আছে।" সংস্কৃতিৰ এটি গতি আছে।[...] নৈৰ দৰেই পৰিবৰ্তনশীল। ৰাজনীতি, ভৌগোলি[...] বিৱৰ্তন, বিজ্ঞানৰ প্ৰসাৰতাৰ লগে লগে আমা[...] জাতীয় কৃষ্টি-সংস্কৃতিৰ বহু পৰিমাণে সম্প্ৰসা[...] আৰু পৰিবৰ্তন ঘটিছে। ঠিক সেই দৰে, মানুহ[...] মন-বুদ্ধি-বৃত্তিতো এটি পৰিবৰ্তন আহিছে। এ[...] চিন্তা বৰুৱাৰ 'এই গাঁও এই গীত', 'অ'চু ফুল আৰু[...] 'ছিন্নমূল'ৰ কেইখনমান ৰচনাত প্ৰকাশ পাইছে। ঠিক তেনে এটি প্ৰবন্ধ হ'ল 'ঐতিহাসিক পটভূমি[...] ঐক্য প্ৰচেষ্টা'। ১২ ভাৰতীয় ঐক্য-সম্প্ৰীতি[...] মূল বিচাৰি যুগে যুগে হোৱা সাংস্কৃতিক অভ্যু[...] আৰু বিৱৰ্তনৰ বিষয়ে এই প্ৰবন্ধত লেখকে স্প[...] মত দাঙি ধৰিছে। এই প্ৰবন্ধৰ যোগে তেখে[...] 'সং গচ্ছধ্বং সং বদধ্বং সংবো মনাংসি জানতাম্' আৰু "সমত্বং সমত্বং যোগ"ৰ বাণী প্ৰচা[...] কৰিছে।

'জাতীয় চেতনা' আৰু সাধাৰণ জনতাৰ আশা-আকা[...] ঙ্ক্ষাৰ চিত্ৰ প্ৰকাশ হেম বৰুৱাৰ সাহিত্যৰ অন্যতম দি[...] 'বৰ্তমান সমাজ আৰু সাহিত্য' ১৩ প্ৰবন্ধত লেখ[...] প্ৰকৃত কৰ্তব্যৰ বিষয়ে স্পষ্ট মত দিছে। মানুহ[...]

১০ যিজনে সকলো ভূতৰ মাজত (সকলোতে) নিজক দৰ্শন কৰিব জানে, যি সকলোৰে লগত সংযু[...] বুলি ভাবে, তেওঁ কেতিয়াও বিনাশ নহয়।

১১ ৰামধেনু : চ'ত, ১৮৮৪, সম্পাদক : বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য।

১২ মণিদীপ : অক্টোবৰ ১৯৬২, সম্পাদক : ডক্টৰ মহেন্দ্ৰ বৰা। লগতে লেখকৰ আন এটি প্ৰবন্ধ : 'ভাৰতীয় সংস্কৃতি' দ্ৰষ্টব্য,

১৩ ৰামধেনু : জুন ১৯৫৮।



মনক উন্নত ৰুচিশীল কৰি তোলা যেনেকৈ সাহিত্যিকৰ সাহিত্যৰ প্ৰকৃত কাম, ঠিক তেনেকৈ ৰাষ্ট্ৰীয় ৰাজনীতিকসকলৰো এটি 'নিকা কৰ্তব্য' থকা উচিত। কিন্তু ৰাজনীতিকতকৈ যে ৰাষ্ট্ৰীয় সমাজ-সংস্কৃতি গঠনত লেখকসকলৰ কৰ্তব্য আৰু দায়িত্ব আটাইতকৈ বেছি, এই কথা প্ৰবন্ধত স্পষ্ট ভাৱে প্ৰকাশ পাইছে। তেখেতে 'ৰাজনীতি' কৰাৰ বিষয়ে কৈছে, "ৰাজনীতি যেই কোনো মূৰ্খই কৰিব পাৰে। বৰলী হোৱা আৰু ৰাজনীতি কৰা একে কথা।"

'ৰায়চৌধুৰীৰ দেশ-প্ৰেমমূলক কবিতা' নামৰ প্ৰবন্ধটোত ৰায়চৌধুৰীৰ দেশ-প্ৰীতিৰ লগতে নিজা বিশ্লেষণাত্মক সমালোচনা আগবঢ়াইছে। তেনে ধৰণৰ আন এটি প্ৰবন্ধ হ'ল 'কুশল কোঁৱৰ।' ১৪ জনতাৰ শ্বহীদ কুশল কোঁৱৰৰ বিষয়ে বৰুৱাৰ মত হ'ল, "কুশল সাধাৰণ মানুহ, সাধাৰণ মানুহেহে অসাধাৰণ কাম কৰে। ......... জন্মৰ বাবে নহয়, মৃত্যুৰ বাবেহে কুশল অমৰ।" তেখেতে 'গণ বিপ্লৱত অসম' নামৰ প্ৰবন্ধত শ্বহীদসকলৰ কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে।

অসম সাহিত্য সভাৰ সভাপতি হিচাপে বৰুৱাৰ অভিভাষণখনৰ চমু আলোচনা আগ নবঢ়ালে নিশ্চয় প্ৰবন্ধ আধৰুৱা হ'ব। ১৯৭২ চনত ধুবুৰীত বহা উনচত্বাৰিংশ অসম সাহিত্য সভা সন্মিলনৰ সভাপতি হোৱা সময়ত হেম বৰুৱাৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল। যি গৰাকী সু বক্তাই সভা-সমিতিত অনৰ্গল পাণ্ডিত্যপূৰ্ণ বক্তৃতাৰে শ্ৰোতাৰ মন মুগ্ধ কৰি ৰাখিছিল, সেইগৰাকী বক্তাই নিজৰ ছপা কৰা ভাষণখনো পাঠ কৰিব নোৱাৰিলে (বৰুৱাৰ হৈ ভাষণ পাঠ কৰে শ্ৰীচন্দ্ৰধৰ গোস্বামীয়ে)। আগৰ সেই হেম বৰুৱা আৰু সভাপতি হেম বৰুৱাৰ মাজত যেন বিৰাট পাৰ্থক্য। সমালোচক শ্ৰীমুনীন বৰকটকীৰ ভাষাৰে এইয়া যেন দুজন হেম বৰুৱাৰ সত্তা, যেন ' Schizophrenic '।

ভাষণখনে বৰুৱাৰ বুদ্ধিপ্ৰৱণ মননশীলতাৰ পৰিচয় দিছে। আকৌ ই হ'ল এখন বৰুৱাৰ বৌদ্ধিক পৰিক্ৰমা আৰু সংযমশীল লেখাৰ দলিল স্বৰূপ। অসমীয়া সাহিত্যৰ মূল বিচাৰ কৰি বৰুৱাই তথা-কথিত পমৰ পৰা আঁতৰি এনে ভাৱে ব্যক্ত কৰিছে : "ভাৰতীয় আন প্ৰান্তীয় সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰ বুৰঞ্জী ক্ৰমবৰ্দ্ধমানৰ, ইভলিউছনৰ বুৰঞ্জী নহয়; বৈপ্লৱিক পৰিবৰ্তনৰ বুৰঞ্জী।" ধৰ্মীয় সূত্ৰৰ দ্বাৰা জাতীয় ঐক্য স্থাপনৰ বাবে চেষ্টা কৰা বৈষ্ণৱ গুৰুসকলৰ অৱদানৰ বিষয়ে এই বুলি উল্লেখ কৰিছে : "সকলো জাতি-উপজাতিক এই দুজনাই (শংকৰ-মাধৱ) সম্প্ৰীতিৰ একেডাল দোলেৰে বান্ধিব খুজিছিল। ··· ভাৰতীয় দৰ্শন-তত্ত্বৰ পৰা বছা ফুল বুটলি আনি আমাৰ সমাজ, ধৰ্ম আৰু সাহিত্য সজাওঁতা বৈষ্ণৱ গুৰুসকলেও এইষাৰ কথাকে শিকাইছিল।"

এই প্ৰবন্ধৰ আগৰ দুই-এঠাইত উনুকিয়াই দিয়া হৈছে যে হেম বৰুৱা জনতাৰ লেখক। জনসাধাৰণৰ সাধাৰণ সুখ-দুখৰ কথা তেখেতৰ লেখাৰ মাজত মূৰ্ত হৈ উঠে। এই বিষয়ে ভাষণৰ এঠাইত কৈছে; "যি সাহিত্যত জন সাধাৰণৰ জীৱন মূৰ্তিমন্ত হৈ উঠে, সেইয়াহে প্ৰকৃত সাহিত্য"। বৰুৱাৰ এনে মন্তব্যই অসমৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী (আগতে প্ৰদেশৰ মুখ্যমন্ত্ৰী জনাক প্ৰধান মন্ত্ৰী বুলি কোৱা হৈছিল) গোপীনাথ বৰদলৈৰ তলৰ উক্তিলৈ সোঁৱৰণ কৰায়, "যি সাহিত্যই জনসাধাৰণৰ অন্তৰ চুকি নাপায় আৰু তেওঁলোকৰ আবেগ-অনুভূতি, সুখ-দুখ, অভাৱ-অভিযোগবিলাক

১৪ 'শ্বহীদ কুশল কোঁৱৰ' জীৱনী সংকলন (১৯৭৭), সম্পাদক শ্ৰীললিত বৰা, পৃঃ ১৯,

প্ৰকৃত ৰূপ দি মানৱ সমাজত প্ৰচাৰ কৰিব নোৱাৰে, তাক প্ৰকৃত সাহিত্যই বুলিব নোৱাৰি । ”[১৫] সমাজবাদী লেখকগৰাকীয়ে দেশৰ আৰ্থিক, সামাজিক আৰু ভাষিক এই সকলো দিশতে জনসাধাৰণৰ হকে সাহিত্য সৃষ্টি কৰিবলৈ লেখকসকলক আহ্বান জনাইছে । অসমত বাস কৰা জনসমষ্টিক লৈ এক অসমীয়া জাতি গঠিত হৈছে বুলি কৈ তেখেতে লেখিছে যে অন-অসমীয়াসকলে অসমীয়া ভাষা শিকা উচিত। অন-অসমীয়াক অসমীয়া ভাষা শিকাবলৈ তেখেতে স্থানীয় অসমীয়াক অনুৰোধ জনাইছে । কিন্তু লগতে এই বুলিও সতৰ্ক বাণী শুনাইছে, “বৰ্তমান আমাৰ প্ৰদেশত নানা ভাষা-গোষ্ঠীৰ বাইজৰ সমাৱেশ হৈছে । এইসকলক অসমীয়া ভাষা দিবলৈ হ'লে দিওঁতাজনে নিজৰ ভাষা খৰচি মাৰি জানিব লাগিব । তেহে কথা সিজিব । নহ'লে নিসিজে । ” অভিভাষণখনত তেখেতে অসমীয়া সাহিত্যৰ বিভিন্ন দিশবোৰৰো সুন্দৰ ব্যাখ্যা দাঙি ধৰিছে । অসমীয়া সংস্কৃতিৰ বিষয়ে নতুন আলোকপাত কৰাও সুখৰ বিষয় হৈছে । অসম সাহিত্য সভাৰ প্ৰতি জনগণৰ দায়িত্ব আৰু কৰ্তব্য সোঁৱৰাই তেখেতে এই বুলি ভাষণ-খন সামৰিছে,— “সকলোৰে কল্যাণ হওক, ইয়াকে প্ৰাৰ্থনা জনাই আজিলৈ সামৰিলোঁ । ”

ওপৰত প্ৰবন্ধকাৰ ( প্ৰাবন্ধিক ) হেম বৰুৱাৰ বিভিন্ন বিষয়ৰ ৰচনাৰ এটি আভাস দাঙি ধৰা হ'ল । তেখেতৰ সাহিত্যই ( গদ্যই হওক বা কবিতাই হওক) অসমীয়া সাহিত্যলৈ এটি নতুন চিন্তাৰ সোঁত আনিলে । নতুন চিন্তা - ধাৰাৰ ধ্বজাধাৰীসকলৰ ভিতৰতে হওক বা বিংশ শতিকাৰ নৱন্যাস (যুদ্ধোত্তৰ)ৰ লেখক হ'লেও বৰুৱাই অতীত সাহিত্য-প্ৰীতিৰ ভাব অটুত ৰাখিছে । এই বিষয়ে তেখেতৰ নিজা মত হ'ল, “আমি কোনোৱেই ক্লাছিকেল পন্থী নহয় বুলি ক'ব নোৱাৰোঁ । কাৰণ আমাৰ ভাৱ-ধাৰাৰ ধাই সূঁতি ক্লাছিকেলহে । যদি কোনোবাই ক'ব খোজে যে তেওঁ ব্যক্তি-স্বাতন্ত্ৰ্যতহে বিশ্বাসী বা তেওঁৰ অতীতৰ লগত কোনো সম্পৰ্ক নাই, তেন্তিয়া হলে তেওঁ এটা বিৰাট ভুল কৰা হ'ব বুলি ভাবোঁ।” সেয়েহে সমালোচক বৰুৱাৰ সমালোচনাত বিবৃতি যুগৰ কৃষ্টি আৰু সংস্কৃতিৰ মূল্যায়ণ, কবিতা বা অন্যান্য ৰচনাৰ ৰুচিৰ পৰিবৰ্তন সাধন, সাহিত্য অধ্যয়ন আৰু অধ্যাপনৰ আমূল সংস্কাৰ সাধনৰ বাট দেখুৱাইছে (আধুনিক সাহিত্যৰ ৰচনাসমূহত এই বিষয়ে বিশদ আলোচনা হৈছে )। বৰুৱাৰ কোনো কোনো ৰচনাত (বিশেষকৈ ‘আধুনিক সাহিত্য’ আৰু ‘সাহিত্য আৰু সাহিত্য’) ইলিয়টৰ (T. S. Eliot) ‘The Frontiers of criticism.’ অলড্ ইছ হাক্স্লী (Aldous Huxley)ৰ লেখাৰ প্ৰভাৱ পৰিছে যেন লাগে । জীৱনৰ বিয়লি বেলিকা তেখেতক এবাৰ দেখা কৰিবলৈ গৈ দেখি-ছিলোঁ সেই গতিচঞ্চল, চিৰবিদ্ৰোহী, মানৱপ্ৰেমী আৰু সু-বক্তা, লেখক হেম বৰুৱাই এখন ইজি চেয়াৰত বহি অসহায় ভাৱে চাই মাত্ৰ এটি শুকান হাঁহিৰে আমাক সঁহাৰি দিছিল । হঠাৎ মনত পৰিছিল এগৰাকী শ্ৰেষ্ঠ ইংৰাজ লেখক চমাৰছেট মোমৰ (Somerset Maugham) এই উক্তিলৈ,— “I have gone my own way, with a shrug of my own shoulder, following the path I have traced, trying with my work to fill out the pattern of life that I have made for myself.” ।[১৬]

ঠিক এনে আত্মপ্ৰত্যয়, আত্মমৰ্যাদা থকা আমাৰ লেখক কেইজন আছে ? হেম বৰুৱাৰ লেখাই

(২৯ পৃষ্ঠাৰ তলৰ ফালে চাওক)

১৫ অসম সাহিত্য সভাৰ সপ্তদশ অধিৱেশনৰ (১৯৩৭) অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ ।

১৬ মোমৰ আত্মজীৱনী ‘The Summing up’ (1937) ৰ পৰা ।

# ফৰাচী সাহিত্যত বিশ্লেষণৰ যুগ

*(১৮৫০-১৯২৪)*

শ্ৰীসাত্তোন বৰকটকী

১৮৫০ চনত ফৰাচী ঔপন্যাসিক অনৰে দ বাল্জাক ঢুকায় । তেৱেঁই আছিল ‘ৰমেন্টিক’ যুগৰ শীৰ্ষ-স্থানীয় সাহিত্যিক । তেওঁৰ মৃত্যুৰ সময়ৰ পৰাই ফৰাচী সাহিত্যত ‘ৰমেন্টিক’ যুগৰ অন্ত পৰিবলৈ ধৰা বুলি ক'ব পাৰি । তেতিয়াৰ পৰাই আৰম্ভ হয় The Age of Criticism অৰ্থাৎ বিশ্লেষণৰ যুগ । এই যুগৰ লেখকসকলে ‘ৰমেন্টিক’ যুগৰ অপৰিমিত ভাৱপ্ৰৱণতা, আৰু ভাষাত কাৰুকাৰ্যৰ আতিশয্য পৰিহাৰ কৰি, ‘ক্লেছিকেল’ যুগৰ সহজ-সৰল সাহিত্যিক সৌন্দৰ্য আৰু কাৰুকাৰ্যৰ মিতব্যয়িতা ঘূৰাই আনিবলৈ সচেতন প্ৰচেষ্টা চলোৱা দেখিবলৈ পোৱা যায় ।

এই পৰিবৰ্তন বিশেষকৈ পৰিলক্ষিত হৈছিল গদ্য সাহিত্যত । পোনতে নতুন যুগৰ বুৰঞ্জীমূলক সাহিত্যৰ পিনে চালেই সেই পৰিবৰ্তন চকুত পৰে । ‘ৰমেন্টিক’ যুগৰ আবেগৰ আতিশয্য আৰু অলঙ্কাৰৰ বাহুল্যই অকল বুৰঞ্জীমূলক উপন্যাসকে নহয়, বুৰঞ্জীকো চুইছিল । প্ৰাক-বিশ্লেষণৰ যুগত মুঠেই এজনহে লেখত ল'বলগীয়া ফৰাচী বুৰঞ্জীকাৰ ওলাই-ছিল বুলি ক'ব পাৰি । তেওঁ হ'ল জুল মিশ্বেলে (১৭৯৮-১৮৭৪) । কিন্তু ‘ৰমেন্টিক’ সাহিত্যৰ খুঁত-বিলাকৰ পৰা তেৱোঁ মুক্ত হ'ব পৰা নাছিল । ‘ৰমেন্টিক’ যুগৰ ঐতিহাসিকসকলে অতীতক চাইছিল ৰঙীন এযোৰ বিত্-চকুৰে । অতীতৰ ঘটনাৱলীক সত্যতাৰ জোখ-মাৰিৰে চালি-জাৰি চাবলৈ চেষ্টা নকৰি, সিসকলে বুৰঞ্জীৰ মাজেদি হৃদয়ৰ আবেগ অলঙ্কৃত, ঝঙ্কৃত ভাষাত প্ৰকাশ কৰা কাৰ্যলৈহে বেছিকৈ মন দিছিল । মিশ্বেলেৰ প্ৰখ্যাত বুৰঞ্জী *Histoire de France* ( 1833-1867 ) নামৰ পুথিখনক বুৰঞ্জীকাৰৰ লেখা নুবুলি, এজন কবিৰ আবেগময় হৰ্ষধ্বনি বুলিলে সম্ভৱতঃ সত্যৰ অপলাপ নহ'ব । পৰৱৰ্ত্তী, অৰ্থাৎ বিশ্লেষণৰ, যুগৰ ঐতিহাসিক ইপলিত্ তেইন (১৮২৮-১৮৯৩) আৰু এৰ্নে ৰেণাৰ (১৮২৩-১৮৯২) লেখাৰ লগত মিশ্বেলেৰ লেখা বিজাই চালেই এই দুই যুগৰ লেখন-ভঙ্গীৰ মাজৰ বহল ব্যৱধান ফট্‌ফটীয়া হৈ ওলাই পৰে ।

সমালোচনামূলক সাহিত্যৰ ক্ষেত্ৰতো এই পৰিবৰ্তন পৰিষ্কাৰ হৈ ফুটি উঠিছিল । অকল ফৰাচী সাহিত্যতে

( ২৮ পৃষ্ঠাৰ পিছৰ পৰা )

তেখেতৰ আত্মমৰ্যাদা, নিৰ্ভীকতাৰ পৰিচয় আগ বঢ়াইছে ।

“কত অজানাৰে জানাইলে তুমি
কত ঘৰে দিলে ঠাই,
দূৰকে কৰিলে নিকট বন্ধু,
পৰকে কৰিলে ভাই ॥ ”

( ৰবীন্দ্ৰনাথ )

নহয়, য়ুৰোপীয় তথা বিশ্ব সাহিত্যত ফৰাচী সাহিত্যসমালোচক চেঁত্ ব'ভ্ আধুনিক অৰ্থত প্ৰথম সমালোচক বুলি পৰিগণিত হয়। "With Sainte-Beauve, in fact we might almost say that criticism, as we know it, came into existence for the first time" : *Landmarks in French Literature* : Lytton Strachey.

কিন্তু এই নতুন যুগৰ ঘাই গুৰিয়ালজন বুৰঞ্জীকাৰ বা সমালোচক নাছিল; তেওঁ আছিল ঔপন্যাসিক গুচ্তাভ্ ফ্লবেৰ (১৮২১-১৮৮০)। ফ্লবেৰৰ মাদাম বভাৰি' বোলা উপন্যাসখনিয়ে য়ুৰোপীয় সাহিত্যত এক নতুন অধ্যায়ৰ গুৰা পাতিছিল। 'ৰমেণ্টিক' যুগতো মানুহৰ জীৱনেই আছিল য়ুৰোপীয় উপন্যাসৰ আহিলা; কিন্তু সেই আহিলাত নানান তৰহৰ বৰণ বোলাই শিল্পীয়ে জীৱনৰ একোখনি ৰংচঙীয়া ছবি আঁকিছিল। ফ্লবেৰেই প্ৰথম বাল্জাকৰ পথ অনুসৰণ কৰি স্পষ্টকৈ দেখুৱালে যে চকুৰ আগত যি দেখা যায়, কাণেৰে যি শুনা যায়, ৰহণ নসনাকৈয়ো অকল সেই আহিলাৰ ভেটিতে ভৰ দি, কল্পনাৰ চকুৰে চাই, একোটি চৰিত্ৰৰ সূক্ষ্মতম প্ৰবৃত্তি, অনুভূতিবিলাক, ডাক্তৰে শ ফালি চিৰাচিৰ কৰাদি চিৰাচিৰ কৰি ফঁহিয়াই দেখুৱাই, সম্পূৰ্ণ সত্যৰ ওপৰত প্ৰতিষ্ঠিত জীৱনৰ একোখন অনুপম চিত্ৰ আঁকিব পাৰি। "In his novels Flaubert accomplished the separation of the art of fiction from the unreality, the exaggeration and the rhetoric of the Romantic School" : Lytton Strachey.

বাস্তৱতাৰ ওপৰত গুৰুত্ব আৰোপণ, খুঁটিনাটিৰ প্ৰতি নিৰ্ভুল দৃষ্টি, মানুহৰ মনৰ ভিতৰলৈ সোমাব পৰা ক্ষমতা— এনেবোৰ দিশৰ পৰা চালে ফ্লবেৰক বাল্জাকৰে শিষ্য বুলিব পাৰি। কিন্তু লেখাৰ ভঙ্গী আৰু কৌশল আৰু চৰিত্ৰ বিশ্লেষণৰ দিশৰ পৰা চাব বাল্জাক্ আৰু ফ্লবেৰৰ মাজত বিশেষ সাদৃশ্য দেখিবলৈ পোৱা নাযায়। প্ৰত্যেকটি বাক্যক ঘঁহি-পিহি একেডুখৰি বাখৰৰ দৰে চক্চকীয়া কৰি তুলিব নোৱাৰালৈকে ফ্লবেৰে মনত শান্তি নাপাইছিল। সোণাৰিয়ে একোপদ অলঙ্কাৰত বাখৰ খুৱাওঁতে যিদৰে বাছি, একোটি বাক্যত শব্দ (le mot juste : ল' ম জুস্ত্) খুৱাওঁতে ফ্লবেৰেও সেই দৰে খাটিছিল। মাদাম বভাৰি লেখি শেষ কৰোঁতে তেওঁৰ চাৰি বছৰ সময় লাগিছিল, আৰু তেৰ বছৰে অক্লান্ত পৰিশ্ৰম কৰিও 'বুভাৰ এ পেকুশে' (*Bouvard et Pecuchet*) বোলা উপন্যাসখন তেওঁ অসমাপ্ত অৱস্থাতে এৰি থৈ যাব লগীয়াত পৰিছিল। বাল্জাকৰ লেখাত ভাষাৰ এনে অভিনৱ সৌন্দৰ্য বিচাৰি পোৱা নাযায়। চৰিত্ৰ বিশ্লেষণত ফ্লবেৰে যি ক্ষমতা দেখুৱাইছিল, সেই ক্ষমতাও বাল্জাকৰ নাছিল।

বাস্তৱবাদী হিচাপেও ফ্লবেৰ বাল্জাকতকৈ শ্ৰেষ্ঠ। ফ্লবেৰৰ উপন্যাস ৰচনাৰ নীতি আছিল এই যে একোখন উপন্যাস সমসাময়িক সমাজৰ অকল নিভাঁজ ছবিয়েই নহয়, বুৰঞ্জীও হ'ব লাগিব। সেই নীতি কাৰ্যত খটুৱাবলৈ একোজন ঐতিহাসিকে বা জীৱনী-গ্ৰন্থ ৰচোঁতাই গৱেষণা চলোৱাদি ঔপন্যাসিকেও সমাজৰ ওপৰত গৱেষণা চলাব লাগিব। গতিকে, অৰ্বাচীন যুগৰ বাস্তৱবাদী উপন্যাসৰ ফ্লবেৰেই আছিল সৃষ্টিকৰ্তা। "His *Madame Bovary* may be said to have established the realistic novel, which was dominant in France for the next thirty years": Geoffrey Brereton : *A short History of French Literature.*



ফ্লবেৰৰ বাস্তৱবাদক চূড়ান্ত পৰ্যায়লৈ নিছিল এমিল্ জোলাই (১৮৪০-১৯০২)। কিন্তু জীৱনৰ কদৰ্য, কুৎসিত্ দিশবোৰ তেওঁ এনেদৰে ফঁহিয়াই দেখুৱাইছিল যে তেওঁৰ উপন্যাসসমূহে আনন্দ দিয়াতকৈও বেচিকৈ জীৱনৰ ওপৰত বিতৃষ্ণাহে জন্মায়। জোলা আৰু তেওঁৰ অনুগামীসকলে এই অভিযোগৰ উত্তৰত কৈছিল যে মানুহৰ জীৱনেই যেতিয়া এটি কদৰ্য বস্তু, তাক ধুনীয়াকৈ দেখুৱাবলৈ যোৱাটো ভণ্ডামি। "If the physical is sometimes stressed to the point of nausea, the novelist has a ready answer to his readers' protests. This is, or was, life. It calls for an objective examination" : Geoffrey Brereton. বাস্তৱতাৰ পৰা আঁতৰাকৈয়ো সৌন্দৰ্য সৃষ্টি কৰাই যদি শিল্পৰ আদৰ্শ হয়, তেতিয়া হ'লে জোলাৰ এই আদৰ্শ কিমান দূৰ গ্ৰহণযোগ্য, ক'ব নোৱাৰি। যি কি নহওক, বাল্জাকে তেওঁৰ উপন্যাসৰাশিৰ মাধ্যমেদি ৰাটাল্ যুদ্ধৰ পাছৰ প্ৰায় তিনি দশকৰ ফৰাচী সমাজৰ যিখন ছবি আঁকি থৈ গৈছে, এমিল জোলাই তেওঁৰ উপন্যাসসমূহৰ যোগেদি তাতোকৈ ফটফটীয়া, সঁচা এখন ছবি আঁকি থৈ গৈছে দ্বিতীয় সাম্ৰাজ্যৰ (১৮৪৮-১৮৭০) যুগৰ ফৰাচী সমাজৰ।

ফ্লবেৰে উপন্যাসৰ মাজেদি সাহিত্য জগতত যি স্থান অধিকাৰ কৰিছিল, তেওঁৰ শিষ্য গী দ মপচাঁই (১৮৫০-১৮৯৩) সেই স্থান অধিকাৰ কৰিছিল চুটি গল্পৰ মাধ্যমেদি। "Guy de Maupassant is the acknowledged master of the realistic short story" : Brereton. মপচাঁৰ প্ৰথম গল্প *Boule de suif* প্ৰকাশিত হোৱাৰ পাছত তেওঁ অৰ্জা জনপ্ৰিয়তা সম্বন্ধে এজন বিশিষ্ট সমালোচকে কৈছে : Critics praised him, men admired him and women worshipped him. বিশ্বৰ সাহিত্যজগতত মপচাঁ আজিও চুটি গল্পৰ অপ্ৰতিদ্বন্দ্বী সম্ৰাট।

বিশ্লেষণৰ যুগৰ অন্যান্য প্ৰসিদ্ধ সাহিত্যিকসকলৰ মাজত এদ্ম' গঁকুৰ (১৮২২-১৮৯৬), জুল গঁকুৰ (১৮৩০-১৮৭০), আলফঁজ দদে (১৮৪০-১৮৯৭), জৰিচ্ কাৰ্ল্ উইচ্মাঁচ (১৮৪৮-১৯০৭), মৰিচ্ বাৰে (১৮৬২-১৯২ ), পিয়েৰ ল'তি (১৮৫০-১৯২৩) আৰু আনাতঁ'ল ফ্ৰাঁচৰ (১৮৪৪-১৯২৪ : প্ৰকৃত নাম জাক্ আনাতঁ'ল টিং') নাম বিশেষকৈ উল্লেখযোগ্য। এই কেউজন লেখককে ফ্লবেৰৰ অনুগামী বুলিব পাৰি।

সাহিত্য চৰ্চাৰ উপৰিও এদ্ম' গঁকুৰে ফৰাচী নবেল পুৰস্কাৰ— গঁকুৰ বঁটা (Prix Goncourt : প্ৰি গঁকুৰ) অনুষ্ঠিত কৰিছিল। আলফঁজ দদেৰ *Lettres de mon moulin* (লেত্ৰ দ মঁ মুলেঁ=মোৰ ঘৰৰ চিঠি : ১৮৬৯) আৰু Les contes du Lundi (লে কঁত্ দ্যু লাঁদি=সোমবৰীয়া সাধুকথা : ১৮৭৩) আজি পৰিমিত দুখনি জনপ্ৰিয় সংকলন। বাস্তৱবাদী দলৰে লেখক হ'লেও দদেৰ লেখাত ৰমেণ্টিক যুগৰ এক কাব্যিক আমেজ আছে। তেওঁৰ La chevre de M. Seguin (মচিয় চেগেঁৰ ছাগলী) সাহিত্যজগতৰ এটি অপূৰ্ব সৃষ্টি। গল্পটি অকল গল্পই নহয়, এটি মৌসনা কবিতাও। উপৰোক্ত বাকী কেইজন লেখকৰ নাম এতিয়া তল পৰিল। নিজৰ জীৱনকালত ফ্ৰান্সৰ সাহিত্যাকাশত আনাতঁ'ল ফ্ৰাঁচ ডাঙৰ তৰা জিলিকাদি জিলিকিছিল, কিন্তু লাহে লাহে এতিয়া দ্বিতীয় পৰ্যায়ৰ লেখকৰ শাৰীলৈ নামিছে।

ফ্ৰান্সত শ্বেক্সপীয়াৰৰ তুল্য এজন মহাকবি অৱশ্যে ওপজা নাই, শ্বেক্সপীয়াৰৰ সমকক্ষ এজন কোনখন দেশতনো ওপজাইছে ? তথাপি ফ্ৰান্সৰ সাহিত্যাকাশত

যিমানবিলাক বিশ্ববিশ্রুত লেখকৰ এক হাতীপটি (Galaxy) দেখিবলৈ পোৱা যায়, ইংৰাজী সাহিত্যৰ বাহিৰে আন কোনো দেশৰ সাহিত্যতে তেনে এক সমাবেশ দেখিবলৈ পোৱা নাযায়। বিশেষকৈ ফৰাচী গদ্য সাহিত্যৰ বৈশিষ্ট্য এটি অননুকৰণীয় বস্তু; ইংৰাজী গদ্য সাহিত্যয়ো তাৰ লগত ফেৰ মাৰিব পৰা নাই। "More than that of any other nation in Europe, it (French Literature) is distinctive and individual; if it had never existed, the literature of the world have been bereft of certain qualities of the highest worth which France alone has been able to produce. Where else could we find the realism which would replace that of Standhal, Balzac, Flaubert and Maupassant? Where else should we look for the brilliant lucidity and consummate point which Voltaire has given us? Or the force and precision that glow in Pascal? Or the passionate purity that blazes in Racine?": Lytton Strachey.

গতিকে এই ক্ষুদ্র প্ৰবন্ধটিয়ে যদি অসমীয়া লেখ আৰু পঢ়ুৱৈ সমাজৰ মাজত ফৰাচী সাহিত্যৰ প্ৰতি অকণমানো ধাউতি জগাব পাৰে, শ্ৰম সাৰ্থক বুলি ভাবি তৃপ্ত হ'ম।

---

## 'সাহিত্য বাৰ্তায়ন'

অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে 'সাহিত্য বাৰ্তায়ন' নামেৰে এখনি তিনিমহীয়া সংবাদ-পত্ৰিকা প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সংবাদ-পত্ৰিকাখনিৰ প্ৰথম সংখ্যাটি প্ৰকাশ পাব অহা ছেপ্তেম্বৰ মাহত। ভাৰতীয় আৰু অভাৰতীয় সাহিত্য, সাহিত্যিক আৰু সাহিত্য সম্পৰ্কীয় সংস্থাৰ বাতৰি, অসম সাহিত্য সভাৰ শাখাসমূহৰ খবৰ, বিশিষ্ট সাহিত্য আৰু সাহিত্য-কৃতিৰ ওপৰত আলোকপাত, সাহিত্য আৰু সাহিত্যিক সম্পৰ্কীয় স্মৰণীয় উক্তি বা ঘটনা, নতুন কিতাপ আৰু সাহিত্যিক পুৰস্কাৰ আদিৰ বিৱৰণ এই সংবাদ-পত্ৰিকাত প্ৰকাশ কৰা হ'ব। গ্ৰাহক হ'ব খোজাসকলে 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট—১' এই ঠিকনাত যোগাযোগ কৰক।

---

# গৌড়ীয় আৰু মহাপুৰুষীয়া বৈষ্ণৱ সাহিত্যত ৰসৰ স্বৰূপ

ড° আনন্দমোহন মুখোপাধ্যায়

(ড° আনন্দমোহন মুখোপাধ্যায় দৰং কলেজৰ বাংলা বিভাগৰ এজন অধ্যাপক। তেখেতৰ গৱেষণাৰ বিষয় আছিল 'A comparative study in the Ekasaraniya Vaisnavism of Assam and the Gaudiya Vaisnavism of Bengal'। বৰ্তমানৰ এই মৌলিক প্ৰবন্ধটিৰে 'অসম সাহিত্য সভা পত্ৰিকা'ত ভুমুকি মৰা ড° মুখোপাধ্যায়ক অসমীয়া সাহিত্য-ক্ষেত্ৰলৈ আমি আদৰণি জনাইছোঁ। —সম্পাদক।)

বৈষ্ণৱ সাহিত্য ভক্তিৰসাশ্ৰয়ী। অলঙ্কাৰ শাস্ত্ৰত অৱশ্যে ভক্তিক ৰস আখ্যা দিয়া হোৱা নাই। মানুহৰ মনত কেইবাটাও ভাব চিৰন্তন, এইবিলাক হ'ল স্থায়ী ভাব আৰু ইয়াৰ সংখ্যা হ'ল আঠটি—যাৰ পৰা আঠটি ৰসৰ নিষ্পত্তি হয়। ৰতি, হাস, শোক, ক্ৰোধ, উৎসাহ, ভয়, জুগুপ্সা আৰু বিস্ময়—এই স্থায়ী ভাববিলাকৰ পৰা শৃঙ্গাৰ, হাস্য, করুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস আৰু অদ্ভুত আদি ৰসসমূহৰ উৎপত্তি। ইয়াৰ ভিতৰত ভক্তিক ৰস হিচাপে ধৰা হোৱা নাই যদিও ভক্তি বহু আগৰ পৰাই আমাৰ ধৰ্মানুভূতি তথা শাস্ত্ৰ-গ্ৰন্থত আছে। ভাগৱত সম্প্ৰদায়ৰ যি ভক্তি, তাত মহত্তৰ প্ৰতি হীনৰ প্ৰসাদ-ভিক্ষাৰ ভিতৰত যি সম্ভ্ৰমবোধ, তাকেহে দেখোঁ, ৰস হিচাপে দেখা নাপাওঁ। গীতাৰ বিশ্বৰূপ-দৰ্শনতো শ্ৰীকৃষ্ণৰ প্ৰতি অৰ্জুনৰ স্তৱ-স্তুতি, মনোভাৱ এনে পৰ্যায়তে পৰে। আনকি ৰুক্মিণী-সত্যভামাৰ শ্ৰীকৃষ্ণৰ প্ৰতি যি সম্ভ্ৰমবোধ, তাকো পতি-ভক্তি বুলিহে ক'ব পাৰি,—ভক্তিৰস নহয়। পূজাই ব্যক্তিলৈ আমাৰ সম্ভ্ৰমবোধৰ অতিৰিক্ত সাধাৰণ যি প্ৰিয়তা, তাকেই ভক্তি বোলে— "পূজ্যেষ্বনুৰাগো ভক্তি:।" উপনিষদৰ ব্ৰহ্মক ৰস নাইবা আনন্দস্বৰূপ বুলি কোৱা হৈছে— "ৰসো বৈ স:", "আনন্দৰূপমমৃতং যদ্বিভাতি।" কিন্তু তাতো ৰসাস্বাদৰ যি চমৎকাৰিত্ব, সি ব্যঞ্জিত হোৱা নাই। তথাপি এই কথা আমি নিশ্চয়কৈ ক'ব পাৰোঁ যে দক্ষিণ ভাৰতৰ আলৱাৰ সাধকসকলৰ উপৰি জয়দেৱ, বিদ্যাপতি, চণ্ডীদাস প্ৰমুখ্যৰ লীলাগীত ভক্তৰ অন্তৰত ভক্তিৰসৰূপত আস্বাদিত হৈছিল, যদিও ৰসবিচাৰত ভক্তিক তেতিয়াও ৰস হিচাপে ধৰা হোৱা নাই। মধ্যযুগৰ ভক্তি-আন্দোলনৰ অংশীদাৰসকলে নিজ নিজ জীৱন-সাধনা আৰু সাহিত্য-সাধনাৰ যোগেদি ভক্তিকো যে ৰস হিচাপে আস্বাদন কৰিব পাৰি নাইবা ইয়াতো যে নানা বৈচিত্ৰ্য আছে, তাকে দেখুৱাইছে। বৃন্দাবনত উদ্ধৱ, সুদাম, যশোদা, গোপীসকলৰ দাস্য-সখ্য-বাৎসল্য-মধুৰাদি ভক্তিৰতিৰ অপূৰ্বতা এই যুগৰ বৈষ্ণৱ মহাজনসকলৰ পৰম কাম্য হ'ল। গৌড়ীয় বৈষ্ণৱ ধৰ্মত "অদ্বৈত শ্ৰীবাস - ৰায়ৰামানন্দ - দামোদৰ-স্বৰূপ-ৰক্ষিত শ্ৰীচৈতন্য এই ভক্তিৰ প্ৰকাশমূৰ্তি, সানুচৰ নিত্যানন্দ ইয়াৰ বিলাসমূৰ্তি, সনাতন-ৰূপ জীৱই মুখ্যতঃ শ্ৰীৰূপ, গ্ৰন্থাদি ইয়াৰ উদ্গাতা আৰু সকলো বৈষ্ণৱ মহাজন ইয়াৰ প্ৰমাতা।" অসমৰ মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱ আদিয়েও ভক্তিক ৰস বুলি আখ্যা

দি গৈছে—

১) হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলা বহে ব্ৰহ্মাণ্ডক ভেদি ॥

২) ৰসময়ী মাগোহোঁ ভকতি।

৩) মধুৰৰো সুমধুৰ হৰিৰ ভকতি ৰস।

প্ৰকৃততে ভক্তি হ'ল ঐশ্বৰ্যবিহীন। মমত্ব বা প্ৰিয়ত্তা হ'ল ইয়াৰ স্বৰূপ লক্ষণ— "সা পৰানুৰক্তিৰীশ্বৰে।" অহৈতুকী, কেৱলা, শুদ্ধা বা নিস্পৃহ বুলিও এই ভক্তিক কোৱা হয়। এই ভক্তিৰ চৰম উৎকৰ্ষ হ'ল শ্ৰীচৈতন্যদেৱৰ জীৱন। শঙ্কৰদেৱ-মাধৱদেৱৰ ৰচনাতো এই ভক্তিৰ স্বত:স্ফূৰ্ত প্ৰকাশ হৈছে। তেওঁলোকৰ আবিৰ্ভাৱৰ পূৰ্বৰ যি ভক্তিবাদ, তাৰ স্বৰূপ প্ৰবন্ধৰ প্ৰাৰম্ভতে ব্যাখ্যা কৰা হৈছে।

এই অহৈতুকী প্ৰীতি বা শুদ্ধা ভক্তিৰ স্বৰূপৰ লগত ৰোমাণ্টিক কাব্যৰ মিল আছে। এই প্ৰীতি বা ভক্তিত আছে চিত্তৰ মুক্তি, মুক্তিৰ আনন্দ আৰু আনন্দৰ উল্লাস। ধৰ্মই ইয়াত কাব্যৰ মূৰ্ত্তি পৰিগ্ৰহ কৰিছে, কাব্যত আত্মসমৰ্পণ কৰা নাই। দুয়ো মিলি এক হৈ যোৱা নাই। "গৌড়ীয় বৈষ্ণৱ মহাজন-সকলৰ এই ধৰ্মই শ্ৰৱণ-মনন-নিদিধ্যাসনৰ পথ এৰি ধৰ্মানুভৱৰ কাব্যত সখ্য-দাস্য-বাৎসল্য-প্ৰণয় আৰু আনন্দানুভৱ প্ৰকাশক নৃত্য-গীত-অশ্ৰু-পুলক-মূৰ্চ্ছাৰ পথ অৱলম্বন কৰিছে।" গতিকে আমাৰ প্ৰশ্নই মহাকবিৰ প্ৰশ্ন হিচাপে যেন আজিও জানিব বিচাৰিছে—

সত্য কৰে কহ মোৰে হে বৈষ্ণৱ কবি,
কোথা তুমি পেয়েছিলে এই প্ৰেমছবি,
কোথা তুমি শিখেছিলে এই প্ৰেমগান
বিৰহতাপিত। হেৰি কাহাৰ নয়ান,
ৰাধিকাৰ অশ্ৰু-আঁখি পড়েছিল মনে। ... ...
... ... এত প্ৰেম কথা,
ৰাধিকাৰ চিত্ত দীৰ্ণ তীব্ৰ ব্যাকুলতা
চুৰি কৰি লইয়াছ কাৰ মুখ, কাৰ আঁখি হ...

গৌড়ীয় বৈষ্ণৱ দৰ্শনত (অচিন্ত্য ভেদাভেদতত্ত্বত) হ্লাদিনী শক্তিক ভক্তিৰ মূল বুলি কোৱা হৈ... এই হ্লাদিনী জীৱৰ চিদংশৰ লগতো জড়িত আছে। গতিকে ভক্তিসূত্ৰৰ যোগেদি অন্ত... জীৱই ঈশ্বৰৰ চৈতন্য শক্তিৰ লগত মিলিব পাৰে... পাছে এই ভক্তি জীৱৰ অন্তৰত ওপজে কেনেকৈ? যদি জীৱৰ কৃষ্ণকথা শুনাৰ প্ৰবৃত্তি জন্মে আৰু সেই প্ৰবৃত্তি যদি পৰ্যায়ক্ৰমত ৰুচি, নিষ্ঠা, আসক্তি পৰিণত হয়, তেনেহ'লে জীৱই কৃষ্ণলীলা শ্ৰৱণ, কীৰ্ত্তন, স্মৰণাদি কৰে। এইবোৰ হ'ল ভক্তি নৱধা লক্ষণ। কৃষ্ণৰতিৰ পৰাই এই প্ৰেমভক্তি জন্ম। গৌড়ীয় বৈষ্ণৱ দৰ্শনৰ ভাষ্যকাৰ কবিৰাজ কৃষ্ণদাস গোস্বামীৰ ভাষাত—

সাধনভক্তি হৈতে হয় ৰতিৰ উদয়।
ৰতি গাঢ় হৈলে তাৰে প্ৰেম নাম কয় ॥
প্ৰেমবৃদ্ধি ক্ৰমে স্নেহ মান ও প্ৰণয়।
ৰাগ অনুৰাগ ভাব মহাভাব হয় ॥

এই ভাব আৰু প্ৰেম নিত্যসিদ্ধ বস্তু। মানুহ... অন্তৰত ইয়াৰ জাগৰণেই হ'ল সাধন। মহাভাব (Supreme emotion) ভাষাৰ যোগেদি প্ৰকাশ কৰ... টান। ই অনিৰ্বচনীয়। এই অনিৰ্বচনীয়তাম... আবেদন চৈতন্যোত্তৰ যুগৰ পদাৱলীত আমি দেখ... পাওঁ। এই প্ৰেমলীলা লৌকিক প্ৰেমক অ... কৰি অলৌকিক জগতত উত্তীৰ্ণ হৈছে। ইয়া... সুগভীৰ আবেদনে পদাৱলীক ধূপৰ দৰে সুৰভি... কৰি ৰাখিছে—

১) ৰূপ লাগি আঁখি ঝুৰে গুণে মন ভোৰ।
প্ৰতি অঙ্গ লাগি কান্দে প্ৰতি অঙ্গ মোৰ ॥
হিয়াৰ পৰশ লাগি হিয়া মোৰ কান্দে।



পৰাণ পীৰিতি লাগি থিৰ নাহি বান্ধে ॥

২) অঙ্গৰ তপনতাপে যদি জাৰব কি কৰব বাৰিদ মেহে।
এ নৱযৌৱন বিৰহে গোঙায়ব কি কৰব সো পিয়া লেহে ॥

৩) কুল মৰিয়াদ কপাট উদঘাটলু তাহে কি কাঠকি বাধা।
নিজ মৰিয়াদ সিন্ধু সঙে পঙাৰলু তাহে কি তটিনী অগাধা ॥

ভক্তৰ মনত ভগৱন্তৰ প্ৰতি ৰতি পাঁচ ভাৱে জাগিব পাৰে অৰ্থাৎ এই ৰতিৰ ৰসৰূপ হ'ল পাঁচোটা— শান্ত, দাস্য, সখ্য, বাৎসল্য আৰু মধুৰ (শৃঙ্গাৰ বা উজ্জ্বল)। শুদ্ধ শান্ত আৰু দাস্য ৰসৰ পদ চৈতন্যোত্তৰ যুগত ৰচিত হোৱা নাই। সখ্য আৰু বাৎসল্য ৰসৰ পদ থাকিলেও মধুৰ ৰসৰ ভজনাই গৌড়ীয় বৈষ্ণৱৰ এক মাত্ৰ কাম্য বস্তু, কিয়নো শান্তৰ কৃষ্ণনিষ্ঠা, দাস্যৰ সেৱা, সখ্যৰ বিশ্বাস, বাৎসল্যৰ লালন, মধুৰৰ কান্ত ভাৱ— এই গোটেইখিনিৰ পৰিপূৰ্ণতা মধুৰ ৰসত। ভাল পোৱাৰ সূচনা দাস্য, সখ্য, বাৎসল্যত; কিন্তু চৰম পৰিণতি হ'ল মধুৰত। মধুৰ ৰতি উৎকৰ্ষ লাভ কৰি ভাব-মহাভাৱলৈকে যাব পাৰে,— যি মহাভাৱত অকল শ্ৰীৰাধাৰহে অধিকাৰ। মধুৰা ৰতিৰ আকৌ সাধাৰণা, সমঞ্জসা আৰু সমৰ্থা এই তিনিটা ভাগ আছে। মথুৰাত কুব্জাৰ ৰতি হ'ল সাধাৰণা, দ্বাৰকাত ৰুক্মিণী-সত্যভামাৰ কৃষ্ণৰতি হ'ল সমঞ্জসা। এই ৰতি কৃষ্ণৰ গুণাদি শ্ৰৱণত শাস্ত্ৰ-সম্মত পৰিণয়-বন্ধনাদিৰ দ্বাৰা পাৰস্পৰিক সঙ্গসুখ লাভৰ কামনাৰ পৰা জাত। কিন্তু ললিতা-বিশাখা-চন্দ্ৰাৱলী-শ্ৰীৰাধাদিৰ কৃষ্ণৰতি সমৰ্থা। এই ৰতিত নিজৰ তৃপ্তিসাধন নহয়, ভগৱন্তৰ তৃপ্তিসাধন কৰাইহে ললিতা, বিশাখা আদিৰ উদ্দেশ্য। এই ৰতি স্বত:সিদ্ধ, যাৰ হৃদয়ত এই ৰতিৰ উদ্ভৱ হয়, তেওঁৰ সমাজ, সংসাৰ সকলো তুচ্ছ হৈ পৰে। সেই কাৰণে সমৰ্থা ৰতিৰ মাজতেই পৰকীয়াৰ বীজ নিহিত হৈ থাকে। এই ৰতি কেতিয়াও স্বকীয়া নহয়।

"গুৰুজন আগে দাঁড়াইতে নাৰি সদা ছলছল আঁখি।
পুলকে আকুল দিক নেহাৰিতে সব শ্যামময় দেখি ॥"

এই পৰকীয়া অৱশ্যে লৌকিক নহয়। ৰাধা কৃষ্ণৰেই স্ব-শক্তিৰ অভিব্যক্তি বুলি স্বকীয়া, কিন্তু লৌকিক দৃষ্টিত আয়ানবধূ বুলি পৰকীয়া। সংসাৰ-বন্ধনত আৱদ্ধ জীৱ জগতৰ স্বকীয়, ভগৱন্তৰ পৰকীয়। গোপীৰ কৃষ্ণৰতি সাধনলব্ধ নহয়, ই জন্মগত। "শিশু কাল হৈতে বন্ধুৰ সহিতে পৰাণে পৰাণে নেহা।" এই জন্মলব্ধ ৰাগৰ কাৰণেই গোপীৰ উক্তি "তোমাৰ লাগিয়া কলঙ্কেৰ হাৰ গলায় পৰিতে সুখ।" গোপীৰ এই ভক্তি ৰাগাত্মিকা, আত্মাৰ লগত জড়িত। ৰাগাত্মিকা ভক্তিযুক্ত এই মধুৰ ৰসৰ কৃষ্ণভজনাই গৌড়ীয় বৈষ্ণৱসকলৰ একান্ত কাম্য। বৈষ্ণৱ মহাজনসকলৰ পদাৱলীত আন আন ৰস থাকিলেও মানৱিক প্ৰেমৰ আধাৰত এই মধুৰ ৰস অতি উজ্জ্বল ভাৱে চিত্ৰিত হৈছে। এই মধুৰ ৰসেই হ'ল ভক্তি ৰস। ই আমাৰ মনক লৌকিক জগতৰ ৰূপ-ৰস-গন্ধ-স্পৰ্শৰ আস্বাদনৰ পৰা এক অলৌকিক জগতলৈ উত্তীৰ্ণ কৰি দিয়ে।

অসমত মহাপুৰুষ শঙ্কৰদেৱ-প্ৰৱৰ্তিত মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মতো ভগৱন্ত আৰু জীৱ বেলেগ। ভগৱন্ত মহাপুৰুষ, জীৱ তেওঁৰ দ্বাৰা সৃষ্ট, গতিকে জীৱ নিত্য দাস; জীৱই ভগৱন্তক সেৱা কৰিব লাগিব। মাধৱদেৱে কোৱা মতে—

সেৱক সেৱহ মাগি আত্মা গোবিন্দে।
ৰাখন্ত মন হৰিপদ-অৰবিন্দে ॥

এই ভগৱন্তক ভক্তিৰে সেৱা কৰিব লাগিব। শাস্ত্ৰ অনুসৰি বৈধীভক্তি বা ভাবভক্তিতকৈ ইয়াতো ভগৱন্তৰ প্ৰতি অনুৰাগজনিত যি প্ৰেমভক্তি বা ৰসময়ী

ভক্তি, তাৰেই গুৰুত্ব বেছি। কিন্তু গৌড়ীয় বৈষ্ণৱ ধৰ্মত প্ৰেম-ভক্তিয়ে যেনেকৈ ভগৱন্ত আৰু ভকতৰ মাজত মধুৰ সম্পৰ্ক স্থাপন কৰি মধুৰ ৰসৰ সাধনাক থাইকৈ মুখ্য স্থান দি আছে, তেনেকৈ অসমত দিয়া নাই। ইয়াত দাস্য ভাৱক প্ৰাধান্য দি ভকতসকলে ভগৱন্তক উপাসনা কৰে, আৰু ইয়াৰ বৈষ্ণৱ সাহিত্যতো এই ভক্তিৰেই জয়গান পৰিলক্ষিত হয়। মাধৱদেৱৰ নাটক আৰু বৰগীতসমূহত বাৎসল্য আৰু নামঘোষাত দাস্য ভাব ফৰিংফুটা হৈ উঠিছে। 'চোৰধৰা', 'পিম্পৰা গুচুৱা', 'অৰ্জুন ভঞ্জন', 'দধিমথন' আৰু 'কোটোৰা-খেলা' এই আটাই-কেইখন নাটকৰ নায়ক হ'ল বালকৃষ্ণ। তেওঁৰ বৰগীততো কৃষ্ণ শিশু। এই শিশুকৃষ্ণক লৈ যশোদাৰ মাতৃস্নেহ, মাতৃমনৰ আকুলতাৰ মৰ্মস্পৰ্শী ছবি ফুটি উঠিছে।

ড° বাণীকান্ত কাকতিয়ে কোৱাৰ দৰে নামঘোষাত দাস্য ভাবৰ প্ৰৱাহ তিনিটা ধাৰাত প্ৰবহমান। শঙ্কৰৰ স্তুতিচাৰণা, কবিৰ আত্মলঘিমা আৰু কৃষ্ণ-ভক্তিৰ মাহাত্ম্য— এই তিনিটা ধাৰা মিলি ভক্তি-ৰসৰ সৃষ্টি কৰিছে। ঈশ্বৰৰ চৰণত আত্মনিবেদন, তেওঁৰ ওচৰত ভক্তৰ করুণ প্ৰাৰ্থনা, নিজকে অতি দীন বুলি আত্মনিন্দা কৰি তেওঁৰ চৰণত শৰণ গ্ৰহণ আদিৰ বৰ্ণনাত ঈশ্বৰৰ প্ৰতি ভক্ত-মনৰ একাগ্ৰতা, ব্যাকুলতা, অনুৰক্তি গভীৰ ভাৱে প্ৰকাশ পাইছে। বাৎসল্য আৰু দাস্য এই উভয়বিধ ভাবৰ মাজত অৱশ্যে পাৰ্থক্য বেছি নহয়, দুয়োৰে মাজত এটা ঘনিষ্ঠ সম্পৰ্ক সংৰক্ষিত হৈছে। দাসৰ প্ৰকৃত সেৱাৰ মাজতো বহু সময়ত যেন বাৎসল্য ভাবৰ প্ৰকাশহে প্ৰকট হৈ পৰে।

শঙ্কৰদেৱৰ ৰচনাতো এই দাস্য ভাৱৰ একনিষ্ঠ প্ৰকাশ ঘটিছে। বাসুদেৱ কৃষ্ণই বিষ্ণু, নাৰায়ণ, ৰাম নাইবা হৰি ৰূপে বন্দিত হৈছে। তেওঁৰ চৰ ভক্তই আত্মনিবেদন কৰিব, শৰণ ল'ব— ই শঙ্কৰদেৱৰ সাহিত্যৰ মৰ্মবাণী। শঙ্কৰদেৱৰ 'ভক্তিপ্ৰদীপ অৰ্জুনৰ প্ৰতি কৃষ্ণৰ উপদেশ মন কৰিবলগীয়া—

একচিত্তে তুমি মোক মাত্ৰ কৰা সেৱা।
পৰিহৰা দূৰতে যতেক আন দেৱা॥...
হুয়োক শৰণাপন্ন এক মোতে মাত্ৰ।
মোক ভক্তি হইবা মোহ মুকুতিৰ পাত্ৰ॥

শঙ্কৰদেৱৰ বৰগীত, কীৰ্ত্তন, দশম, ৰাসক্ৰীড়া হৰমোহনত যে মধুৰ ৰসৰ প্ৰকাশ একেবাৰেই না তেনে নহয়। ৰাসক্ৰীড়াক শঙ্কৰদেৱে 'কামজয় কথা বুলি অভিহিত কৰিছে। এই ৰাসক্ৰীড়াৰ বৈশিষ্ট্য হ'ল ঈশ্বৰ-ভক্তি অমৃত স্বৰূপ, যি-কোনো উপায়ে ঈশ্বৰক স্মৰণ কৰিলে মুকুতি হ'ব। এই কাৰণেই মধুৰ ভক্তি-প্ৰৱাহবিশিষ্ট ৰাসক্ৰীড়া কীৰ্ত্তন সন্নিৱিষ্ট। 'কেলিগোপাল' নাটকতো মধুৰ ৰস প্ৰবাহ বৈ আছে কিন্তু এই ৰস বহিৰঙ্গৰ ব অন্তৰঙ্গ বিচাৰত নাটকৰ দাস্যভক্তি ৰসকেই গুৰু দিব লাগিব। মাধদেৱৰ 'ভূষণ হৰণ', 'ৰাসঝুমু আৰু 'কোটোৰা খেলা' নাটতো যি মধুৰ ৰস, সে সম্পৰ্কেও পূৰ্বোক্ত মন্তব্যকে দোহাৰি ক'ব পাৰি সেয়া হ'ল বহিৰঙ্গৰ বস্তু, অন্তৰঙ্গ বিচাৰত দাস্য ভাবে প্ৰধান। বৰগীতৰ মধুৰ ৰসকো অস্বীকাৰ কৰা নয কিন্তু তাৰ ৰসবিচাৰ অকল মধুৰ ৰসৰ ভিত্তিত কৰি নোৱাৰি। দাস্যভক্তি অনুসৰি ইয়াৰ যি আন্ত ত্বিক ভাৱ ফুটি উঠিছে, সেয়েই হ'ল বৰগীতৰ মূ বৈশিষ্ট্য। অৱশ্যে গোপীসকলৰ কৃষ্ণ-বিৰহৰ বৰগীতসমূহত যি মধুৰ ৰসৰ সৃষ্টি হৈছে, তাত কাব্য সৌন্দৰ্য বহু গুণে বৃদ্ধি পাইছে আৰু দাস্যভক্তি মা ভক্তিৰ লগত একীভূত হৈ ঈশ্বৰৰ প্ৰতি ভকত অন্তৰৰ অনুৰক্তি আৰু ব্যাকুলতা প্ৰকাশ কৰিছে গতিকে নাট আৰু বৰগীতত মাধৱদেৱে মাজে মা

(৩৭ পৃষ্ঠাৰ তলৰ ফালে চাওক)

# মাধৱ কন্দলীৰ ৰামায়ণত জাতি, বৰ্ণ আৰু বৃত্তি-প্ৰসঙ্গ

শ্ৰীমলয় ৰায়

(এই প্ৰবন্ধৰ লেখক নগাঁৱৰ আনন্দৰাম ঢেকিয়ালফুকন কলেজৰ বাংলা বিভাগৰ এজন অধ্যাপক। অসমীয়া ভাষাত শ্ৰীৰায়ে কেইবাটাও মূল্যবান প্ৰবন্ধ ৰচনা কৰিছে। অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাত তেখেত একান্ত ভাৱে ব্যাপৃত হোৱাটো আমি কামনা কৰিছোঁ। — সম্পাদক)

(১)

ব্ৰাহ্মণ্য-শাস্ত্ৰ অনুমোদিত চাতুৰ্বৰ্ণ্য বিধিয়ে ঠিক কোন সময়ত প্ৰৱেশ লাভ কৰিছিল, সেই কথা সঠিক ভাৱে কোৱাটো কষ্টকৰ। অৱশ্যে আনুমানিক সিদ্ধান্ত এটা কৰিব পৰা যায় যে, খ্ৰীষ্টীয় ৫ম/৬ষ্ঠ শতিকাত গুপ্ত সাম্ৰাজ্যৰ সময়-সীমাৰ ভিতৰতে ই পূৰ্ব ভাৰতত লাহে লাহে বিয়পি পৰে। গুপ্ত সম্ৰাটসকলৰ দৃষ্টি-ভঙ্গীত এটা শক্তিশালী সমাজ-তত্ত্বীয় আনুগত্য আছিল কাৰণেই বোধ হয় এই সময়ত পূৰ্ব ভাৰতৰ বিভিন্ন অঞ্চলত ব্ৰাহ্মণসকলক মধ্যদেশৰ পৰা আনি মাটিবাৰী দান দি বহুৱাবলৈ যত্ন কৰা হয়। অসমত প্ৰাপ্ত বিভিন্ন তাম্ৰ আৰু শিলৰ ফলিত ব্ৰাহ্মণসকলক ভূমিদান দিয়াৰ ব্যাপক উল্লেখ পোৱা যায়। এই দানকাৰ্য অনুষ্ঠিত হৈছিল ৰজাসকলৰ দ্বাৰা আৰু কেতিয়াবা মুখ্য মুখ্য ভূমিপতিসকলেও এই কাম কৰিছিল। প্ৰায় একে সময়তে বঙ্গ, উৎকল আৰু মগধ অঞ্চলতো ব্ৰাহ্মণ-প্ৰতিষ্ঠাৰ সুপৰি-কল্পিত কাম চলি আছিল। বঙ্গত এটা কিম্বদন্তি প্ৰচলিত আছে যে, আদিশূৰ নামক কোনোবা ৰজাই হেনো কান্যকুব্জৰ পৰা অনা পাঁচজন কুলীন ব্ৰাহ্মণক বঙ্গদেশত বিভিন্ন ঠাইত প্ৰতিষ্ঠা কৰিছিল। সময়টো আছিল সেনবংশৰ ৰাজত্বকাল। অৱশ্যে এই কথাৰ সত্যতা সম্পৰ্কে অধিকাংশ বুৰঞ্জীবিদে সংশয় প্ৰকাশ কৰিছে।[২] অৱশ্যে ব্ৰাহ্মণসকলৰ প্ৰথম অভিবাসনৰ সময়ত মিথিলা, কান্যকুব্জ আৰু তথাকথিত মধ্যদেশৰ পৰা

---

(৩৬ পৃষ্ঠাৰ পিছৰ পৰা)

বালগোপালৰ যি ঐশ্বৰিক মহিমা আৰু শক্তি বৰ্ণনা কৰিছে, তাক 'ৰসাভাৱ' দোষ বুলিব নোৱাৰি। বঙ্গদেশৰ পদাৱলীৰ পূৰ্ণযৌৱনা প্ৰেমোন্মাদিনী ৰাধাৰ ঠাইত মাধৱদেৱৰ বৰগীতত অঙ্কিত যি ৰাধা, তেওঁ মাত্ৰ স্নেহকোমলা কিশোৰীহে। ৰামসৰস্বতীৰ গীত-গোবিন্দৰ অনুবাদতো মূল কাব্যৰ প্ৰেমৰ তীব্ৰতা আৰু উত্তাপ নিস্তেজ যেন লাগে।

সংক্ষেপে ক'বলৈ গ'লে শঙ্কৰদেৱ-মাধৱদেৱ আদি মহাপুৰুষসকলৰ জীৱন-সাধনাত যি দাস্য ভাৱৰ প্ৰকাশ ঘটিছে, তেৰাসকলৰ সাহিত্যৰচনাতো সেই দাস্য ৰসৰ প্ৰকাশেই লক্ষ্য কৰিবলগীয়া। তেৰাসৱৰ ৰচিত সাহিত্যৰ ক্ষেত্ৰবিশেষত আন আন ৰসৰ যি প্ৰকাশ ঘটিছে, অন্তৰঙ্গ বিচাৰত তাতো দাস্য ভক্তিৰেই প্ৰাধান্য ঘটিছে বুলিব লাগিব।

তেওঁলোক পূৰ্বভাৰতলৈ অহাটো সঁচা।[৩] অধিকন্তু পাছৰ যুগত কামৰূপৰ পৰা বঙ্গলৈ, উড়িষ্যাৰ পৰা কামৰূপলৈ, কামৰূপৰ পৰা উড়িষ্যালৈ আৰু বঙ্গৰ পৰা কামৰূপলৈ বহুতো ব্ৰাহ্মণৰ আগমন-নিৰ্গমনৰো বহুতো প্ৰমাণ আছে।[৪]

পূৰ্বভাৰতৰ আৰ্যীকৰণৰ কাম খ্ৰীঃ পূঃ ৫ম শতিকাৰ পৰাই আৰম্ভ হৈছিল। অসমলৈ আৰ্যীকৰণৰ ঢৌ আহিছিল বঙ্গৰ অন্তৰ্ভুক্ত পুণ্ড্ৰদেশৰ মাজেদি।[৫] লাহে লাহে ই সম্পূৰ্ণতা পাবলৈ প্ৰায় এহাজাৰ বছৰমান লাগিল। যি কি নহওক, শঙ্কৰদেৱৰ বৈষ্ণৱ আন্দোলনৰ সূত্ৰপাত হোৱাৰ ঠিক আগলৈকে অসমৰ বৰ্ণ আৰু জাতিব্যৱস্থা কেনেকুৱা আছিল, তাৰ কিছু বাস্তৱ চিত্ৰ মাধৱ কন্দলীৰ ৰামায়ণত পোৱা যায়। গ্ৰন্থখন মূলতঃ চতুৰ্দশ শতিকাৰ শেষ ভাগত ৰচিত হ'লেও, বৈষ্ণৱ যুগত ই ভক্তিৰ আঁচুফুলেৰে অলংকৃত হৈছিল। গতিকে ইয়াত বৈষ্ণৱ যুগৰ কিছু প্ৰক্ষেপ থকাটো অসম্ভৱ নহয়। অৱশ্যে যিবিলাক ঠাইত বৈষ্ণৱ যুগৰ শোধন-প্ৰলেপ হৈছে, সেইখিনি কম-বেছি ধৰিব পাৰি, আৰু গ্ৰন্থখনৰ মূল জঁকাটোৱে মাধৱ-কন্দলীৰ ব্যক্তিত্ব আৰু তথ্য বহন কৰিছে। এই সম্পৰ্কে বহল আলোচনা এই ক্ষেত্ৰত নিষ্প্ৰয়োজন। আৰু এটা কথা, মাধৱ কন্দলীয়ে পৰিবেশন কৰা তথ্য পূৰ্ণাঙ্গ নহয়, কিছু তথ্য তেওঁ উল্লেখ কৰা নাই। আমিও তেওঁৰ তথ্যৰ বাহিৰে অইন সাহিত্যিক তথ্য-প্ৰমাণৰ সহায় লোৱা নাই। পূৰ্বভাৰতৰ অন্যান্য অঞ্চলত জাতিবৰ্ণ আৰু বৃত্তিৰ যি সংবাদ পোৱা যায়, মাধৱ কন্দলীয়ে দিয়া তথ্যৰ লগত আমি সেইবিলাকৰো এটা তুলনাত্মক বিচাৰ দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ। ইয়াৰ উদ্দেশ্য হ'ল, পূৰ্ব ভাৰতত জাতি বৰ্ণৰ বিৱৰ্তনৰ পটভূমিকাত প্ৰাক্-শঙ্কৰী যুগত অসমত বৃত্তি আৰু বৰ্ণ-ব্যৱস্থাৰ স্বৰূপ উপলব্ধি কৰা।

[২]

তেতিয়াৰ দিনত ব্ৰাহ্মণসকলৰ সামাজিক অৱস্থান কেনে আছিল? এইটো ঠিক, ধৰ্মীয় আচাৰ-আচৰণ, দৈনন্দিন ষট্‌কৰ্মৰ প্ৰতি আনুগত্য,[৬] আৰু সামাজিক সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত ৰক্ষণশীলতা সেই যুগৰ ব্ৰাহ্মণসকলে কঠোৰ ভাৱে অনুসৰণ কৰিছিল। ব্ৰাহ্মণসকলে সৰ্বভাৰতীয় নিৰিখত অসমতো ব্ৰাহ্মণেতৰ লোকসকলৰ পৰা শ্ৰদ্ধা লাভ কৰিছিল।[৭] ব্ৰাহ্মণহত্যা আৰু ব্ৰাহ্মণ দ্ৰব্য অপহৰণ পাপ ৰূপে গণ্য হৈছিল।[৮] কিন্তু সেই একে কালতে সাধাৰণৰ চকুত ব্ৰাহ্মণসকলৰ মৰ্যাদা কিছু ক্ষুণ্ণ হোৱা যেন লাগে। ইয়াৰ এটা কাৰণ, অৰ্থনৈতিক স্বচ্ছলতাৰ ক্ষেত্ৰত তেওঁলোক পিছ পৰিছিল। তাৰ কিছু চিত্ৰ আলোচ্য গ্ৰন্থত পোৱা যায়:

ক) পাছে বৃদ্ধ ব্ৰাহ্মণে ৰামক পাইল ভেট।
আমি পাক ৰবিবে ৰাজাত কৰি জোঁঠ॥
শিশুসুত মোহোৰ বিস্তৰ পৰিজন।
পুষিতে নপাৰোঁ মোক কিছু দিয়ো ধন॥
(পদ ১৮৭২/অযোধ্যা)

খ) হাতত কৰঙ্গা কুশ চৰৱী খোখোৰা দাড়ি
শণপাকি হেনো ভৈল কেশ।
আপোন লাঙ্গুলে তান কান্ধৰ লগুণ ভৈলা
জক জক কৰে কোট দাম্ভ॥
(পদ ৪৩৪৪ সুন্দৰা)

ব্যাপক ভূমিদানৰ ফলত ব্ৰাহ্মণসকল যে এটা কৃষি-ভিত্তিক দৃঢ় অৰ্থনৈতিক নিৰাপত্তাৰ অধিকাৰী হৈছিল, এইটো ঠিক। তেওঁলোকৰ খেতিৰ কাম কৰিছিল শূদ্ৰবৰ্ণৰ শ্ৰমিকসকলে। খ্ৰীষ্টীয় দশম-দ্বাদশ শতিকাত দেখা যায়, অৰ্থনীতিৰ মূল ভিত্তি কুটীৰ শিল্পৰ পৰা ব্যাপক কৃষি-ক্ষেত্ৰলৈ স্থান স্তুৰিত হ'ল। ইয়াৰ ফলত ব্ৰাহ্মণসকলৰ সামাজিক গুৰুত্ব যথেষ্ট পৰিমাণে বৃদ্ধি পাইছিল।[৯] কিন্তু চতুৰ্দশ-পঞ্চদশ শতিকাৰ



এই কালছোৱাত তেওঁলোকৰ সেই অৱস্থাৰ কিয় সলনি হ'ল, সেই কথাটো ভাবিবলগীয়া। মোগল যুগত, বিশেষকৈ সম্ৰাট আকবৰৰ সময়ত, উত্তৰ ভাৰতত এটা নতুন ধৰণৰ সামন্ততান্ত্ৰিক আৰু নগৰকেন্দ্ৰিক সভ্যতা আৰু এবিধ Pagan সংস্কৃতিৰ উদ্ভৱ হৈছিল, যাৰ ফলত ব্ৰাহ্মণসকলৰ সামাজিক অৱস্থানত বিপৰ্যয় ঘটিছিল। ইয়াৰ চিত্ৰ তুলসীদাসৰ ৰামায়ণত স্পষ্টকৈ আছে।[১০] কিন্তু চতুৰ্দশ-পঞ্চদশ শতিকাৰ সন্ধিক্ষণত অসমত বিদেশী নাগৰিক সংস্কৃতিৰ তথা ব্যাপক শিল্প-ভিত্তিক অৰ্থনীতিৰ পুনৰ্জাগৰণ হোৱা নাছিল। কৃষিভিত্তিক সংস্কৃতিয়েই আছিল প্ৰধান আৰু শিল্প-উৎপাদনসমূহ ইয়াৰ পৰিপোষকহে আছিল। ব্ৰাহ্মণসকল সাধাৰণ ভাৱে তলৰ বৃত্তিসমূহত নিযুক্ত আছিল—[১১]

ক) পৌৰোহিত্য
খ) শিক্ষাদান
গ) তৰ্কবিচাৰ
ঘ) গণনা
ঙ) গ্ৰন্থৰচনা

মধ্যযুগীয় সাহিত্যত ব্ৰাহ্মণৰ এই নিৰ্দিষ্ট বৃত্তিকেইটাৰ বাহিৰে অইন বৃত্তিৰ বিশেষ উল্লেখ নাই। অৱশ্যে এটা কথা এইখিনিতে উল্লেখ্য: পূৰ্ব ভাৰতৰ বিভিন্ন অঞ্চলত ব্ৰাহ্মণসকলৰ মৌলিক বৃত্তি[১২] প্ৰায় একে ধৰণৰ হ'লেও অন্যান্য বৃত্তিৰ লগত সম্পৰ্ক থকা ব্ৰাহ্মণো যথেষ্ট আছিল। বনুৱা, খেতিয়ক, পশু-পালক আৰু ব্ৰাহ্মণৰ অস্তিত্ব ঊনৈছ শতিকাত W. Hunter এ হিমালয়ৰ পাৰ্বত্য অঞ্চলৰ পৰা বিহাৰলৈকে লক্ষ্য কৰিছিল।[১৩] Mantgomery Martin এও বিহাৰত (গয়া আৰু দ্বাৰভাঙ্গা জিলাত) বিভিন্ন বৃত্তিত নিয়োজিত ব্ৰাহ্মণৰ অস্তিত্ব উন্মুকিয়াইছিল।[১৪] তেনেদৰে বঙ্গত আৰু অসমতো ব্ৰাহ্মণেতৰ বৃত্তিত নিযুক্ত ব্ৰাহ্মণ কিছু পৰিমাণে আছিল বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে।[১৫]

কিন্তু পৰিমাণ হিচাপে ই নিচেই কম আছিল যেন লাগে। ঊনৈছ শতিকাৰ মাজ ভাগত W. Robinson এ লক্ষ্য কৰিছিল, "The priesthood, beyond all comparisons, hold the first place in point of dignity and clothed with terrors of religion as regarded by the other classes with deep veneration".[১৬] পশ্চিমৰ পৰা ব্ৰাহ্মণসকলৰ আগমন আৰু অভিবাসন পাছৰ যুগতো চলি আছিল যেন অনুমান হয় আৰু এওঁলোকৰ বৃত্তিগত লক্ষ্য আছিল একেটাই;— আধ্যাত্মিক আৰু বৌদ্ধিক নেতৃত্ব।[১৭]

মোৰ ধাৰণা, বৌদ্ধিক বৃত্তিৰ বাহিৰে অইন বৃত্তিত নিযুক্ত ব্ৰাহ্মণসকলে লাহে লাহে নিজৰ বৃত্তি পৰিত্যাগ কৰি (সামাজিক কৌলিন্যবৃদ্ধিৰ কাৰণে) চিৰাচৰিত বৃত্তিত স্থানান্তৰিত হোৱাৰ ফলত আৰু কৃষিভিত্তিক অৰ্থনীতিৰ লগত ব্ৰাহ্মণসকলৰ ক্ৰমাৎ বিচ্ছেদ ঘটাৰ ফলত ব্ৰাহ্মণসকলৰ মাজলৈ অৰ্থনৈতিক নিৰাপত্তাহীনতাৰ এটা ঢৌ আহিছিল। পৌৰোহিত্য, শিক্ষাদান আদি বৃত্তি আগৰ দিনত অৰ্থকৰী নাছিল। আৰ্থিক অনাটনৰ ফলত ই অৰ্থকৰী হ'বলৈ ধৰিলে। বঙ্গত 'দেবল ব্ৰাহ্মণ' আছিল অৰ্থৰ বিনিময়ত যাজন-কৰ্ম কৰা ব্ৰাহ্মণশ্ৰেণী আৰু এওঁলোক সমাজৰ চকুত নিন্দনীয় আছিল।[১৮]

ব্ৰাহ্মণসকলৰ অৰ্থনৈতিক আৰু চাৰিত্ৰিক অৱনতিৰ আৰু এটা কাৰণ আছিল সম্ভৱতঃ মধ্যযুগৰ ভক্তি-আন্দোলনক অৱলম্বন কৰি জাগি উঠা অব্ৰাহ্মণ বৰ্ণসমূহ। অসম, বঙ্গ আৰু উড়িষ্যাত ভক্তি-আন্দোলনৰ ঠিক পূৰ্ববৰ্তী সময়ছোৱা আছিল ব্ৰাহ্মণেতৰ, বিশেষকৈ নিম্নবৰ্ণৰ লোকসকলৰ আত্মসচেতনতাৰ কাল। উড়িষ্যা আৰু বঙ্গত ভক্তি আন্দোলনৰ নেতৃত্ব দিছিল এজন ব্ৰাহ্মণে আৰু অসমত এজন

কায়স্থই। এওঁলোক উচ্চবৰ্ণৰ হ'লেও অৱহেলিত নিম্নবৰ্ণীয় লোকসকলৰ প্ৰাণ-স্পন্দন অনুভৱ কৰিব পাৰিছিল। [১৯]

উড়িষ্যাৰ প্ৰসঙ্গলৈ চাওক। ভক্তিধৰ্মৰ অভ্যুত্থানৰ ঠিক আগতে ব্ৰাহ্মণ-সমাজৰ অৱনতিৰ এটি বাস্তৱ-ধৰ্মী চিত্ৰ বলৰাম দাসৰ ৰামায়ণত দাঙি ধৰা হৈছে। অংশটি মই বহলকৈ উদ্ধৃত কৰিলোঁ—

তীৰ্থে পিণ্ড দেই বাহুড়িবা বেলু জানি।
ব্ৰাহ্মণে ওগালিলে দক্ষিণা মাগি পুনি ॥
শ্ৰীৰাম বোইলে আম্ভে অটু তপচাৰী।
ধন সোণ ন আইলু আম্ভে তীৰ্থ কৰি ॥
বনে বুলন্তেন যে যে দেখিলু আসি আম্ভে।
কেবল কথাকু তো ওগালু অছ তুম্ভে ॥
ব্ৰাহ্মণ বোইলে তু ৰাজাৰ কুমাৰ।
তোম্ভে কিবা অটই সে অপূৰ্ব ভণ্ডাৰ ॥
তোহোৰ দেলে সকল ধন এথে অছি।
নিষ্ঠুৰ প্ৰকৃতি তু নধৰ ৰঘুবংসি ॥
মিছে যে বোলুছতে মোহৰ ধন নাহিঁ।
এ স্থানৰে মিথ্যা তু ন কহ ৰঘুসাঁই ॥
এ তোহৰ ঘৰণী অলঙ্কাৰমান।
কাহিস্কি থোইন অছ কহ এহি ধন ॥
আনন্দ হোইন তু দক্ষিণা যেবে দেবু।
এ ৰত্নমান কাহিঁকি আনে থোইথিবু ॥
শ্ৰীৰাম বোইলে যে যুৱতীঙ্ক বিত্ত।
অপূৰুযাৰ্থ কথাকু নবলে মোৰ চিত্ত ॥
এতে বোলি শ্ৰীৰাম বাট ভাঙ্গি গলে।
তীৰ্থবাসী ব্ৰাহ্মণে যে পছে গোড়াইলে ॥
লাউ লুহা ধনস্তামানঙ্কু উছাড়ন্তি।
কম্বা বসনঙ্কু সে বলাত্কাৰে নিঅন্তি ॥
ব্ৰাহ্মণঙ্ক ক্ৰোধ ন কৰান্ত ৰঘুনাথ।
বেগ বেগ হোইন সে বাহি যান্তি পথ ॥
পঞ্চকোশ পৰিযন্তে গোড়াইন গলে।
মুকছি ন পাৰি পুনি সীতাঙ্কু ধৰিলে ॥
হাতক গোড়ক অলঙ্কাৰ উছুড়ন্তি।
এহিৰূপে ব্ৰাহ্মণে যে বিৰক্ত কৰন্তি ॥
পণন্ত যে ধৰিছন্তি পুনি জন চাৰি।
বিকলে মহাসতী ৰোদন উচ্চে কৰি ॥
ৰাম বোলন্তি ব্ৰাহ্মণে অট যে নিৰ্দয়া।
আম নিকটকু আস জনকতনয়া ॥
আম্ভকু কষ্ট দেলে গো এ বিপ্ৰে বহুত।
গোড়াইন আইলে যে এতেক দূৰ পথ ॥
যুৱতীঙ্ক চিত্তকু যে কৰিছন্তি আশ।
গোড়াইন অইলোনি এহি পঞ্চকোশ ॥
ধাই যাই ব্ৰাহ্মণে সে সীতাঙ্কু ধইলে।
এহি অলঙ্কাৰ দিঅ বোলিন কহিলে ॥
শ্ৰীৰাম বোইলে এহি কথা অবেভাৰ।
পুৰুষ থাউণ সে স্ত্ৰীৰিংকি কীপাধৰ ॥
ছাড় ছাড় সীতাঙ্কু সে পাইবনী ব্যথা।
যুবা সুকুমাৰী সে অটই মোৰ সীতা ॥
শ্ৰীৰামৰ কথা সে ব্ৰাহ্মণে ন শুনন্তি।
পণন্ত ধৰিণ সে যে ওটাক অছন্তি ॥
ৰঘুনাথঙ্কু যাইন কোল কলে সীতা।
দেখি দাশৰথী যে পাইলে মনে চিন্তা ॥ (অযোধ্যা)

এইখিনিয়ে যথেষ্ট। গয়াত পিতৃপিণ্ড দিবলৈ যাওঁতে ব্ৰাহ্মণ-পাণ্ডাসকলৰ লোভ আৰু নীচতাৰ এটা সুন্দৰ ছবি ইয়াত দাঙি ধৰা হৈছে। বঙ্গদেশত চৈতন্য প্ৰৱৰ্তিত ভক্তি-আন্দোলনৰ পাছতো কিন্তু ব্ৰাহ্মণ কেনেকৈ জীৱিকা অৰ্জন কৰিছিল, তাৰ এটি বাস্তৱ বৰ্ণনা মুকুন্দৰাম চক্ৰৱৰ্তীৰ 'চণ্ডীমঙ্গল' কাব্যত আছে—

মূৰ্খ বিপ্ৰ বৈসে পুৰে নগৰে যাজন কৰে
শিখয়ে পূজাৰ অধিষ্ঠান।
চন্দন তিলক পৰে দেৱপূজা ঘৰে ঘৰে
চাউলেৰ বোঁচকা বাঁধে টান ॥
... ... ... ...



সঙ্গ কৰি দ্বিজে কয় কাহন দক্ষিণা হয়
তাতে কুশে দক্ষিণা ফুৰাণ।
গালি দিয়া লণ্ডে ভণ্ডে ঘটক ব্ৰাহ্মণ দণ্ডে
কুলপাঁজী কৰিয়া বিচাৰ ॥

ষোড়শ শতিকাত অযোধ্যা-ত্ৰিহুত অঞ্চলত ব্ৰাহ্মণ-সকলৰ আগৰ মৰ্যাদা বহুত পৰিমাণে হ্ৰাস হৈছিল, এই সম্পৰ্কে আগতে কৈছোঁ। তেখেতৰ আৰু কেইটামান মন্তব্যলৈ চাওক :

| | | |
|---|---|---|
| ১। সূদ্ৰ দ্বিজন্হ উপদেসহি গ্যানা। মেলি জনেউ লেহি কুদানা ॥ | চৌপাঈ ১<br>দোহা ৯৯ | উত্তৰা |
| ২। বিপ্ৰ নিৰচ্ছৰ লোলুপ কামী। নিৰাচাৰ সঠ বৃষলী সামী ॥ | চৌপাঈ ৪<br>দোহা ১০০ | উত্তৰা |

এই গোটেই চিত্ৰটো হ'ল এটা নিৰ্দিষ্ট সময়ৰ সাৰ্বিক অৱনতিৰ, আৰু অসম আছিল, কিছু কম হ'লেও, ইয়াৰ প্ৰান্তিক অংশীদাৰ। এইখিনিতে আৰু এটা কথা উল্লেখ কৰা উচিত। ব্ৰাহ্মণসকলৰ বৃত্তীয় বিপৰ্যয় অৱশ্যে কিছু সংখ্যক আদৰ্শস্থানীয় ব্ৰাহ্মণৰ পঠন-পাঠন আৰু শাস্ত্ৰচৰ্চাৰ বাধা ৰূপে ঠিয় হোৱা নাই, ৰজাৰ ঘৰত নিযুক্ত ৰাজকবি, ৰাজ-পণ্ডিতসকলেও উৎকৃষ্ট কাব্য-ৰচনা আৰু শাস্ত্ৰ-ব্যাখ্যাৰ যুগমীয়া কৰ্তি স্থলাই ৰাখিছিল। স্বয়ং মাধৱ-কন্দলী আছিল ব্ৰাহ্মণ বংশীয়। তেওঁৰ প্ৰায় সমকালীন অন্যান্য কবি, যেনে হৰিহৰ বিপ্ৰ, হেম সৰস্বতী [২০] আদি কবিসকলো ব্ৰাহ্মণ আছিল, বঙ্গত ৰায়মুকুট বৃহস্পতি মিশ্ৰ, ৰঘুনাথ শিৰোমণি, স্মাৰ্ত ৰঘুনন্দন, বাৰাণসীৰ মধুসূদন সৰস্বতী আৰু মিথিলাৰ বিখ্যাত টীকাকাৰসকলো এই সময়ছোৱাৰ ভিতৰৰে।

[৩]

বৰ্ণাশ্ৰম বা চতুৰ্বৰ্ণৰ উল্লেখ মধ্যযুগীয় সাহিত্য আৰু চিন্তাধাৰাৰ পৰা ঋণ স্বৰূপে লোৱা এটা ভাব বা idea মাথোন আছিল, বিশেষকৈ পূৰ্ব ভাৰতৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য। কবি মাধৱ কন্দলীয়ে চাৰি বৰ্ণৰ উল্লেখ একাধিকবাৰ কৰিছে, যেনে—

১) ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ সবে আচৰয়
যাহাৰ বিহিত যেন ধৰ্ম। - পদ ৬৭০৫/লঙ্কা

২। ব্ৰাহ্মণসকলে নপঢ়য় আৰো বেদ ॥
ক্ষত্ৰে এৰিলেক অস্ত্ৰ-শস্ত্ৰ কৰ্ম-ধৰ্ম।
বৈশ্যে এৰিলেক কৃষি বাণিজ্যাৰ কৰ্ম ॥
শূদ্ৰে এৰিলেক সেৱা বিষাদিত সব লোক।

—পদ ২০০৫, ২০০৬ } অযোধ্যা

অসমত ব্ৰাহ্মণ আৰু শূদ্ৰ বৰ্ণই আছিল প্ৰধান। বৈশ্য অতি কম সংখ্যক আছিল। বিশুদ্ধ আৰ্য ক্ষত্ৰিয়ৰ অস্তিত্ব অসমত নাছিল বুলি ক'লেও হয়। [২১] বঙ্গ বা উড়িষ্যাতো ক্ষত্ৰিয়ৰ অস্তিত্ব নাছিল। [২২] মাধৱ কন্দলীৰ ৰামায়ণত কায়স্থৰ উল্লেখ পোৱা যায়। [২৩] কায়স্থ সম্ভৱত: প্ৰাচীন কালত এটি বৃত্তিমূলক উপাধি আছিল। হিচাপ লেখক বা সাধাৰণ অৰ্থত লেখক বুজাবলৈ কায়স্থ শব্দৰ ব্যৱহাৰ হৈছিল। কৰণ আৰু কায়স্থ এই দুইটাই বৃত্তিমূলক শ্ৰেণীৰ নাম, পাছত জাতি-নাম। [২৪] অসমত যে বৰ্ণ আৰু বৃত্তিৰ কঠোৰ বিভাজন খুব বেছি নাছিল, তাৰ প্ৰমাণ ইয়াত কায়স্থসকলৰ মাজত পুৰোহিত শ্ৰেণীও আছে। ঊনৈশ শতিকাত কোঁচসকলেও কলিতাসকলক পোৰোহিত্যত নিয়োগ কৰা দেখা যায়। [২৫] এই কলিতা সম্প্ৰদায়ৰ কিছু ক্ষেত্ৰত আল্পাইন ক্ষত্ৰিয় পুৰোহিত সম্প্ৰদায়ৰ লগত তেজৰ সম্পৰ্ক থকাটো অসম্ভৱ নহয়। [২৬] মাধৱ কন্দলীৰ ক্ষত্ৰী জাতিৰ লগত এই কলিতা সম্প্ৰদায়ৰ কিবা সম্পৰ্ক আছেনে কি? 'বৈদ্য' শব্দটোৰ উল্লেখ শুভঙ্কৰ পাটক তামৰ ফলিত পোৱা যায়। মাধৱ কন্দলীৰ ৰামায়ণত উল্লেখ নাই যদিও, ই মাধৱদেৱৰ আদিকাণ্ডত ঠাই লৈছে। [২৭] সাপৰ বেজকো যে 'বৈদ্য' বোলা হৈছিল, তাৰ প্ৰমাণ মাধৱদেৱত আছে। [২৮] অসমত বৰ্ণ বা জাতি,

হিচাপে বৈদ্যৰ অস্তিত্ব নাই, বঙ্গৰ বাহিৰে সম্ভৱতঃ ক'তো নাই। [২৯] অৱশ্যে চিকিৎসা-বৃত্তিৰ লগত সম্পৰ্ক থকা লোকক বৈদ্য বা বেজ বোলা হৈছিল। বঙ্গত কায়স্থ আৰু বৈদ্যসকলে বহুত আগৰে পৰা উচ্চ বৰ্ণৰ সন্মান দাবী কৰি আহিছে; কিন্তু ড° নীহাৰ ৰঞ্জন ৰায়ৰ মতে এই দুটা জাতি আচলতে শূদ্ৰ বৰ্ণৰেই সংকৰ সৃষ্টি। [৩০]

বৃত্তিমূলক শ্ৰেণী বা জাতিৰ সংখ্যা হিচাপে 'ছত্ৰিশ' শব্দটো জনপ্ৰিয় আছিল বুলি ধাৰণা হয়। আমাৰ কবিজনাই এইটো উল্লেখ নকৰাকৈ থকা নাই। [৩১] বঙ্গদেশতো 'ছত্ৰিশ জাতি' শব্দটোৰ প্ৰচলন আছে। উড়িষ্যাৰ 'ছত্ৰিশ পাটক' এই 'ছত্ৰিশ জাতি'ৰেই নামান্তৰ। এই বৃত্তিকেন্দ্ৰিক জাতিবিলাকৰ সৰহ ভাগ শূদ্ৰ সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত আছিল। অসমৰ ক্ষেত্ৰত আৰু এটা কথা বিশেষ ভাৱে মন কৰিবলগীয়া। ইয়াত বিশেষ বৃত্তিৰ লগত বিশেষ এটা জাতি বা sect ৰ কোনো আনুগত্য বা loyalty ৰ বন্ধন বহুত আগৰে পৰা নাইকিয়া হ'ল; কিন্তু সঠিক সময়টো থিৰাংকৈ কোৱা টান। মাধৱ কন্দলীৰ যুগত সম্ভৱতঃ এই বন্ধন শিথিল হোৱা নাছিল। মোৰ এই অনুমানৰ কাৰণ তেখেতে জাতি শব্দটো একাধিকবাৰ উল্লেখ কৰিছে। উনৈছ শতিকাত দেখা যায় "In Assam, there seems to have been little or no distinction from profession, and each caste, or rather tribe, practised all the arts, which are known in the country. They were farmers, traders, blacksmiths, goldsmiths, carpenters, extractors of oil, potters, weavers, dyers" [৩২] বঙ্গত কিন্তু বৃত্তি-আনুগত্য খুব গভীৰ হোৱাৰ কাৰণেই দেখা যায়, ১৯২১ চনৰ লোকপিয়লত বাৰুজীৱী (পান ব্যৱসায়ী) শ্ৰেণীৰ শতকৰা ৪৪ ভাগ আৰু কুম্ভকাৰ শ্ৰেণীৰ শতকৰা ৬১ ভাগ স্ব-বৃত্তিত নিযুক্ত। এই আনুগত্য বিহাৰ বা উত্তৰ প্ৰদেশ অঞ্চলতো বহুত পাছলৈকে আছিল। আধুনিক কালত অৱশ্যে সকলো ঠাইতে অৰ্থনৈতিক কাৰণত বৃত্তি-বিপৰ্যয় দেখা গৈছে।

কবি মাধৱ কন্দলীয়ে বৃত্তিমূলক জাতিবিলাকৰ এই অসম্পূৰ্ণ তালিকা আমাক উপহাৰ দিছে। জাতি কাটি এনেকুৱা—

| | | |
|---|---|---|
| ১। তেলী | ২। তান্তী | ৩। ঠঠাৰি |
| ৪। সোনাৰি | ৫। কমাৰী | ৬। সেন্দাৰি |
| ৭। বণিয়া | ৮। চামাৰ | ৯। কমাৰ |
| ১০। কুমাৰ | ১১। সূতাৰ | ১২। ধোবা |
| ১৩। গুৱাল | ১৪। নাৱাৰ | ১৫। হাড়ী |
| ১৬। গাৰুড়া | ১৭। বাৰৈ | ১৮। নট ভাট |

এতিয়া পূব ভাৰতৰ অন্যান্য অঞ্চলৰ জাতি-বৃত্তি এটা চিনাকি লোৱা যাওক—

বঙ্গ। মুকুন্দৰাম চক্ৰবৰ্তীৰ চণ্ডীমঙ্গলত প্ৰদত্ত তালিকা:

| | | |
|---|---|---|
| ১। ব্ৰাহ্মণ | ২। কায়স্থ | ৩। বৈদ্য |
| ৪। বণিক | ৫। গোপ | ৬। তেলী |
| ৭। কামাৰ | ৮। তাম্বুলী | ৯। কুম্ভকাৰ |
| ১০। তন্তুবায় | ১১। মালী | ১২। বাৰুই |
| ১৩। নাপিত | ১৪ মোদক | ১৫। সৰাক |
| ১৬। গন্ধবণিক | ১৭। শঙ্খবণিক | ১৮। কৈবৰ্ত—হাল জীৱী আৰু জেলিয়া |
| ১৯। ছুতাৰ | ২০। সুবৰ্ণবণিক | ২১। বাগদি |
| ২২। সিউলী | ২৩। পাটনী | ২৪। মাছুৱা |
| ২৫। ধোবা | ২৬। চৌহুলী | ২৭। চুণাৰী |
| ২৮। মাঝি | ২৯। কোৰঙ্গ | ৩০। ভৰাৰী |
| ৩১। মাল | ৩২। চণ্ডাল | ৩৩। লোহাৰ |
| ৩৪। হাড়ী | ৩৫। শুঁড়ী | ৩৬। চামাৰ |
| ৩৭ বয়নী | ৩৮। ডোম | ৩৯। বেহা |
| ৪০। গোহালা | | |

ইয়াৰ বাহিৰে মুছলমান সমাজৰ অন্তৰ্গত বিভিন্ন বৃত্তিগত জাতি-নাম—

১) জোলা- বস্ত্ৰবয়নকাৰী
২) মুকেৰি- খেতিয়ক
৩) পীঠাৰি- পিঠা প্ৰস্তুতকাৰক (baker)
৪) কাবাৰি- মাছৰ বেপাৰী
৫) কাণ- ভিখাৰী
৬) সানাকৰ- চৰ্মবস্ত্ৰ প্ৰস্তুতকাৰক
৭) তীৰকৰ- শৰ প্ৰস্তুতকাৰী
৮) পটিয়া- ছবি দেখুৱাই উপাৰ্জনকাৰী
৯) কাগতি- কাগজ প্ৰস্তুতকাৰী
১০) কলন্দৰ- সন্ন্যাসী বা দৰবেশ
১১) নৰবেজ- কাপোৰত ৰং ছপোৱা শ্ৰেণী
১২) হাজাম- নাপিত
১৩) কসাই- মাংস বেচোঁতা
১৪) দৰজি- কাপোৰ চিলাইকাৰী
১৫) বেণট- বয়নকাৰী

উড়িষ্যা। পূৰ্ণচন্দ্ৰ ভাষাকোষ অভিধানত ছয়ত্ৰিছ পাটকৰ যি ব্যাখ্যা আছে, তলত দিয়া হ'ল—

১) গউড়া- বেজ ?
২) ভণ্ডাৰী- ভাণ্ডাৰ ৰক্ষক।
৩) বঢ়েই- তক্ষণশিল্পী।
৪) কমাৰ- লোহা-তাঁথাৰ বস্তু নিৰ্মাণকাৰী।
৫) ধোবা- ৰজক।
৬) তন্তী- বস্ত্ৰবয়ন শিল্পী।
৭) পোটলি বণিআ- সাধাৰণ বেপাৰী।
৮। নায়ক- মাটিৰ বেপাৰী
৯) তুলাভিণা- ধুনোতা
১০) তেলী
১১) তামিলি- তামোল-পানৰ বেপাৰী আৰু উৎপাদক
১২) ওড়- বৃত্তিগত সৈনিক।
১৩) চষা- খেতিয়ক
১৪) গোলা-
১৫) কেউট- কৈৱৰ্ত



১৬) মালী বা মালাকাৰ- ফুলৰ বেপাৰী
১৭) শংখাৰি- শঙ্খনিৰ্মিত বস্তুৰ উৎপাদক
১৮) পাটৰা- পট বা ৰেচম উৎপাদক
১৯) খড়ুৰা- ?
২০) কংসাৰি- কাঁহৰ দ্ৰব্য উৎপাদক
২১) অটাৰি- ইটা প্ৰস্তুতকাৰক
২২) পথুৰিআ- পাথৰৰ শিল্পী বা ব্যৱসায়ী
২৩) বৈশ্য বণিআ- জাতি
২৪) কাচৰা- কাচৰ উৎপাদক ?
২৫) গুড়িআ- গুড়ৰ উৎপাদক
২৬) কুম্ভাৰ- মৃৎপাত্ৰ প্ৰস্তুতকাৰী
২৭) চিত্ৰকাৰ- চিত্ৰ শিল্পী
২৮) দৰজি-
২৯) মহলা- ?
৩০) ৰঙ্গণী বা সূতাল- সূতা ৰং কৰা জাতি
৩১) তম্বাৰি- তামৰ বাচন উৎপাদক
৩২) লুণিয়া- নিমখ উৎপাদক
৩৩) খোড়িআ- ?
৩৪) বসড়- ?
৩৫) বুলা- ?
৩৬) শুণ্ডি- মদ্য প্ৰস্তুতকাৰী

Montgomery Martin এ তেখেতৰ The History, Topography and Statistics of Eastern India নামৰ কিতাপত বিহাৰৰ বৃত্তিমূলক জাতিবিলাকৰ এখন তালিকা দিছে। তালিকাখন উনৈছ শতিকাৰ প্ৰথম ভাগৰ পটভূমিকাত সংগৃহীত। তালিকাখন তলত দিয়া হ'ল—

১) জোলা- বয়ন শিল্পী
২) পাটোৱাৰ- ৰজ্জু বয়নকাৰী
৩) দৰজি-
৪) চুৰিসাজ- কাচৰ দ্ৰব্য নিৰ্মাণকাৰী
৫) ডফালি ভ্ৰমণকাৰী তপস্বী গায়ক
৬) ধাৰি মুৰাসিন- বিয়াৰ গায়ক।

৭) পৱনগ্ৰীয়া- জগৎৰ সময়ত মঙ্গলগীত গায়ক।

৮) কংচানী- বেশ্যা।

৯) ভাণ্ডৰ- বিদূষক।

১০) কালাওয়াত (কলাৱন্ত)- গাথা গায়ক।

১১) ভাট- বৃত্তিধাৰী কবি।

১২) কুংজৰা- মাছ আৰু শাক-পাচলিৰ বেপাৰী

১৩) ভাটিয়াৰা- চৰাইখানাৰ মালিক

১৪) কুলাল- মদ্য ব্যৱসায়ী

১৫) হালোৱাই- মিঠাই প্ৰস্তুতকাৰক

১৬) নানোৱাই- ৰুটী প্ৰস্তুতকাৰক

১৭) চিক- মঙহ বেচোঁতা

১৮) কুসব- গো-মাংস বেচোঁতা

১৯) হজাম- নাপিত

২০) ধোবী- ৰজক

২১) মীৰশেকাৰ- চৰাই বেপাৰী

২২) তেলী- তেল উৎপাদক

২৩) কুম্ভাৰ- মৃৎপাত্ৰ নিৰ্মাণকাৰী

২৪) কলাইগুণ- টিনৰ বেপাৰী

২৫) নয়চোবান্দ- ধঁপাত বেপাৰী

২৬) মুচি- জোতা প্ৰস্তুতকাৰক

২৭) নলবান্দ- অশ্ব চিকিৎসক

২৮) ধানুক- ধনু আৰু তীৰ উৎপাদক

২৯) কাগজী- কাগজ প্ৰস্তুতকাৰক।

৩০) ধুনিয়া- ধুনোতা

৩১) কলিনবাফ- দলিচা উৎপাদক

৩২) মালী- ফুল বেপাৰী

৩৩) গুকাহ পানী যোগান দিওঁতা

৩৪) কাখবোৰ- ময়লা পৰিষ্কাৰক

৩৫) মোলাজ দাই- বনুৱা

৩৬) ৰঙ্গৰেজ- কাপোৰত ৰং চপাওঁতা

৩৭) ঠঠেৰা- ধাতু-পাত্ৰ উৎপাদক

৩৮) কসেৰা- কাঁহৰ পাত্ৰ উৎপাদক

৩৯) সুংতুৰস- শিল কটা কৰ্মী

৪০) গোৱালা- দুগ্ধ ব্যৱসায়ী

৪১) কোয়েৰী- শাক-পাচলি উৎপাদক আৰু বিক্ৰে

৪২) লোহাৰ- কমাৰ

৪৩) কৰিহাড়ী- চিকাৰী

৪৪) বাৰোই- তামোল ব্যৱসায়ী

ওপৰত দিয়া তালিকাখনত সম্ভৱতঃ হিন্দু আৰু মুছলমান বৃত্তি-নামবিলাক সানমিহলি হৈ আছে। কুসব (গো-মাংস বেচোঁতা), কুকাহ (পানী যোগ ওঁতা), দৰজি (বস্ত্ৰ চিলাইকাৰক), চিক (মঙহ বেপাৰী), হজাম (নাপিত) প্ৰভৃতি বৃত্তি বিশেষভাৱে মুছলমান সম্প্ৰদায়ৰ ভিতৰত চলিত আৰু অনুৰূপ নাম আমি বঙ্গদেশৰ তালিকাতো পাইছোঁ।

তুলসীদাসৰ 'ৰামচৰিত মানস' কাব্যত যোগ শতিকাত কেইটিমান মুখ্য বৃত্তি-শ্ৰেণীৰ উল্লেখ আছে। যেনে :—

১) তেলী

২) জহুৰী- স্বৰ্ণশিল্পী

৩) কুম্ভাৰ-

৪) অহীৰ- গোপ আৰু গোৱালাৰ সমাৰ্থক।

৫) নাৱাৰী- নাৱৰীয়া

৬) গাৰুড়ী- বিষবৈদ্য

৭) বণিক

৮) কলৱাৰ- মদ্য প্ৰস্তুতকাৰক

৯) অহেৰী- চিকাৰী

১০) মালী-

১১) কহাৰ- মাল বহনকাৰী (Porter)

১২) কুলহাড়ী- কাঠৰীয়া

১৩) নাঈ- নাপিত

১৪) বাৰী- তামোল বেপাৰী

১৫) বজনিআ- বাদক

১৬) মুনিসা- কৃষি-শ্ৰমিক

১৭) শাকবণিক- শাক-পাচলিৰ বেপাৰী





১৮) গুণী- মিস্ত্ৰী

মাধৱ কন্দলীৰ তালিকাখনকে আদি কৰি আটাই-কেইখন তালিকা বিশ্লেষণ কৰি চালে কিছু সাধাৰণ বৃত্তিধাৰী জাতি-নাম আটাইবোৰ অঞ্চলতে পোৱা যাব। তালিকাত অনুপস্থিত নামবিলাকে অৱশ্যে সেই সেই বৃত্তিৰ অনুপস্থিতি নুবুজায়। যেনে ধৰক, মুকুন্দৰামৰ তালিকাত তাম্বুলী আৰু উড়িষ্যাৰ তালিকাত তামিলিয়ে একেটা বৃত্তিকেই বুজাইছে। মাধৱ কন্দলীয়ে উল্লেখ নকৰিলেও অসমত তামুলী পদবীধাৰী এটি শ্ৰেণী আছে। অভিধান মতে ডাঙৰ মানুহৰ ঘৰত তামোল কাটি দিয়া মানুহকেই তামুলী বোলা হৈছিল। তামুলী পদবীটো বৃত্তি-গতও হ'ব পাৰে। খাটাংকৈ কোৱাটো মস্কিল।

মাধৱ কন্দলীয়ে বেশ্যা শব্দটোৰ ব্যৱহাৰ নকৰিলেও 'নটী' বা 'নটিনী' শব্দটোৰ ব্যৱহাৰ-ৰীতিৰ পৰা বুজা যায় তেখেতে নটীক বৃত্তিধাৰী বেশ্যা হিচাপেই গণ্য কৰিছে।[৩৫] অন্য অঞ্চলবিলাকৰ তালিকাত বেশ্যাৰ উল্লেখ আছে। সূতা বা কাপোৰত ৰং চপোৱা এটা বিশিষ্ট বৃত্তিমূলীয় জাতিৰ কথা বিহাৰ, বঙ্গ আৰু উড়িষ্যাত পোৱা যায়। প্ৰথম দুই ঠাইৰ শ্ৰেণী-নাম— ৰঙ্গৰেজ; উড়িষ্যাত ৰঙ্গনী। মাধৱ কন্দলীত উল্লেখ নাই। কিন্তু W. Robinson-এ dyer বা ৰং চপোৱা শ্ৰেণীৰ কথা উল্লেখ কৰিছে। গতিকে এই বিশেষ বৃত্তি-শ্ৰেণীটো মাধৱ কন্দলীৰ দিনত থকাটো অসম্ভৱ নহ'বও পাৰে।

বঙ্গ আৰু বিহাৰৰ তালিকাত নাপিত জাতিৰ উল্লেখ আছে। এতিয়াও এইবোৰ অঞ্চলত ই বৃত্তি-মূলক জাতি। মাধৱ কন্দলীত উল্লেখ নাই। Robinson-এ কয়, "they had not the art of shaving"। এইটো সঁচা যে এই বৃত্তিটো আধুনিক কালত বঙ্গ আৰু বিহাৰৰ পৰা অহা মানুহৰ হাতত আছে। মই এজন অধ্যাপক-বন্ধুৰ লগত কথা পাতি জানিলোঁ যে কামৰূপত হেনো অসমীয়া নাপিত এতিয়াও আছে। অৱশ্যে অসমৰ বাকীবিলাক বৃত্তিৰ দৰে ই জাতিকেন্দ্ৰিক নহয়। এতিয়া মাধৱ কন্দলীয়ে দিয়া নামবোৰ অলপ বিশ্লেষণ কৰি চোৱা যাওক—

১) তেলী— খোৱা তেল উৎপাদক জাতিটোকেই তেলী (সং তৈলিক) বুলি কোৱা হৈছে। বৃত্তি হিচাপে ই এটি অতি প্ৰাচীন বৃত্তি বুলি অনুমান হয়। খাদ্য প্ৰস্তুত কৰিবলৈ যি যি অঞ্চলত তেলৰ ব্যৱহাৰ অধিক, সেই অঞ্চলবিলাকতে তেলী জাতিৰ অস্তিত্ব লক্ষণীয়। অসম, বঙ্গ, উড়িষ্যা, অযোধ্যা, বিহাৰ প্ৰভৃতি অঞ্চলত তেলী জাতিৰ অৱস্থান, আৰু ই সাধাৰণভাৱে নিম্নবৰ্ণীয়।[৩৬] তেল পেৰা যন্ত্ৰৰ নাম হিচাপে আজিকালি অসমতো ঘানী শব্দটো চলিছে যদিও, ই বাহিৰৰ পৰা অহা শব্দহে। মাধৱ কন্দলীয়ে 'জাত' শব্দটো ব্যৱহাৰ কৰিছে,[৩৩] সম্ভৱতঃ শব্দটোৰ প্ৰচলন আছিল। 'তেলীশাল' শব্দটো অসমত পুৰণি কালৰে পৰা সুপ্ৰচলিত। বিহাৰ, উড়িষ্যা আৰু বঙ্গত ঘানী শব্দটো চলে। শব্দটোৰ মূল বিহাৰী হোৱাটো সম্ভৱ, কিয়নো বিহাৰত 'ঘান' শব্দটোৰ অৰ্থ এটা ডাঙৰ সৰিয়হ পেৰা 'উদুখল'ত পৰিপূৰ্ণ শস্য-পৰিমাণ। বঙ্গ আৰু বিহাৰত তৈল-ব্যৱসায়ীৰ আৰু এটা নাম কলু (কোলহু)। অসমীয়া তেলী শালৰ আদি গঠন ৰূপটো আছিল এনেকুৱা,—এজোপা ডাঙৰ গছৰ গাত খোৰোং কাটি তাত দীঘলীয়া আৰু ডাঠ এচটা কাঠৰ এমূৰ সুমুৱাই দিয়ে। এই কাঠচটাক 'তেলীপাট' বোলে। তেলীপাটৰ তলত থাকে এটা নিৰ্দিষ্ট জোখৰ কাঠৰ বেদী•। তেলীপাটৰ লগত লগোৱা থাকে এটা বাঁহ বা বেতৰে সজা পাচি। তাক 'বেতেৰি' বোলে।

• বহনা। — সম্পাদক।

বেদীৰ ওপৰ ভাগ এফাল মুকলি ডাঙৰ কাঁহী এখনৰ দৰে। তেলীপাটৰ সিমূৰত গধূৰ বস্তু থোৱা হয়। বেত্তেৰিত ভৰোৱা হয় আধাগুন্দা আধাভজা সৰিয়হ। গধূৰ বস্তুৰ হেঁচাত তেলীপাটত কপ্ত বেত্তেৰিটোৱে তলৰ বেদীটোত চেপা খায়, আৰু এটোপ এটোপকৈ তেল ওলাই কাঁহীখনৰ মুকলি বাটেৰে সৰকি আহে। তেল পেৰা যন্ত্ৰৰ এই শব্দটো বোধ কৰোঁ অতি পুৰণি। উড়িষ্যাত সৰাইকেলা অঞ্চলৰ ভাড়ুয়া নামৰ গাঁৱত ঠিক এনেকুৱা এবিধ তেলীশাল অধ্যাপক নিৰ্মলকুমাৰ বসুৱে লক্ষ্য কৰিছিল। ইয়াৰ আঞ্চলিক নাম ঘাঁত-কুণ্ডি। ইয়াত তেলীপাটচটাক কোৱা হয় 'গণ্ডী' আৰু বেদীটোক 'কুণ্ডী'।[৩৭] গৰুৱে টনা ঘানীৰ গঠনটো সম্ভৱতঃ কিছু পাছৰ যুগৰ আৰু ই কম-বেছি গোটেই পূব ভাৰতত বিয়পি পৰিছিল।

২। তাঁতী— অসমত বস্ত্ৰশিল্পৰ ঐতিহ্য পুৰণি। কৌটিল্যৰ অৰ্থশাস্ত্ৰ আৰু বাণভট্টৰ হৰ্ষচৰিতত কামৰূপৰ সূক্ষ্ম বস্ত্ৰশিল্পৰ উল্লেখ আছে। অসমত বস্ত্ৰ-বয়নৰ কামটো সাধাৰণ মানুহৰো এটা নিত্যকৰ্মৰ ভিতৰত আছিল আৰু বস্ত্ৰৰ কাৰণে অকল তাঁতী বা বয়নশিল্পী জাতিটোৰ ওপৰত নিৰ্ভৰ কৰিব লগা হোৱা নাছিল। Hamilton এ কৈছে, "The native women of all castes from queens downwards weave four kinds of silk that are produced in the country and with which three fourths of the people are clothed." অৱশ্যে বিশেষ ক্ষেত্ৰত এক শ্ৰেণীৰ বৃত্তিধাৰী লোকক এইটো কামত নিযুক্ত কৰিছিল।[৩৮] এওঁলোক বৃত্তি বা জাতিগতভাৱে বয়নশিল্পৰ লগত সংযুক্ত নথকাটোৱেই সম্ভৱ। আহোম যুগৰ প্ৰায় আৰম্ভণিৰে পৰা এটা প্ৰবাদ প্ৰচলিত হৈছিল, "মুনিহৰ বণ, তিৰীৰ বয়ন"। (?) পাছৰ যুগতো দেখা যায়, কাপোৰ বোৱা আৰু ৰং দিয়া কাম যি কোনো জাতিৰ মানুহেই কৰিছিল।[৩৯] আহোম যুগত অৱশ্যে কিছু মুছলমান বয়নশিল্পী অসমলৈ আহিছিল, নাইবা যুদ্ধত বন্দী কিছু মুছলমান লোকক এইটো বৃত্তিত নিয়োগ কৰা হৈছিল। এওঁলোকক অন্যান্য অঞ্চলৰ দৰে 'জোলা' শব্দেৰে অভিহিত কৰা হৈছিল যেন লাগে।[৪০] উত্তৰ প্ৰদেশ, বিহাৰ, উড়িষ্যা, বঙ্গ প্ৰভৃতি অঞ্চলত তাঁতী-জাতিৰ অস্তিত্ব আছে। মুকুন্দৰামৰ তালিকাত তন্তুবায়, বয়নী, জোলা, আৰু বয়াৰে এই চাৰিওটা শব্দৰেই উল্লেখ পোৱা যায়। ইয়াৰ ভিতৰত 'বয়নী' শব্দই সম্ভৱতঃ বাঁহ-বেতৰ কামত নিযুক্ত জাতিটোক বুজাইছে। তাঁতশালৰ সঁজুলিৰ ভিতৰত কন্দলীয়ে 'বাটি' শব্দটো উল্লেখ কৰিছে।[৪১] 'বাটি' শব্দটো প্ৰকৃততে সঁজুলি নহয়, ই হ'ল কাপোৰ ব'বৰ কাৰণে শাৰী লগাবলৈ দীঘল সূতা বেলেগে যুগুত কৰা প্ৰক্ৰিয়া। কিন্তু এইটো কাম কৰিবলৈ যি সঁজুলিৰ প্ৰয়োজন, তাক কোৱা হয় তাঁত-খুটি। গতিকে পৰোক্ষভাৱে হ'লেও কন্দলীয়ে technical শব্দ এটাৰ উল্লেখ কৰিছে। বঙ্গত এই যন্ত্ৰটোক কোৱা হয় 'পান'।

৩। চামাৰ— মাধৱ কন্দলীৰ তালিকাত ইয়াৰ উল্লেখ আছে যদিও, আধুনিক যুগত এই বৃত্তিমূলক শ্ৰেণীটোৰ অস্তিত্ব নাই। ঊনৈছ শতিকাতো Robinson এ লক্ষ্য কৰিছিল অসমত চৰ্মকাৰ নাই, আৰু চৰ্ম শোধনৰ কলাকৌশল ইয়াত অজ্ঞাত।[৪২] কি বিশেষ কাৰণত এই বৃত্তিটো অসমত লুপ্ত হ'ল, তাৰ কাৰণ কোৱা টান। ইয়াত এই বৃত্তিটো অন্য অঞ্চলৰ মানুহেই চলাই আছে। মাধৱ কন্দলীৰ উল্লেখৰ পৰা এইটো অনুমান হয় যে চৰ্মকাৰৰ অস্তিত্ব সেই যুগত আছিল, আৰু বঙ্গৰ 'বাইতি'য়েও (চৰ্মকাৰ সম্প্ৰদায়ৰ এটা শাখা) উত্তৰ প্ৰদেশৰ 'বজনিয়া' জাতিৰ দৰে বাদ্য-যন্ত্ৰ নিৰ্মাণ আৰু বাদনৰ কাম কৰিছিল। বাদ্য-যন্ত্ৰ বজোৱাত পাৰ্গত লোকক অসমত বা বঙ্গত 'বায়ন' বা 'বায়েন' বোলা হয়, কিন্তু এই অভিধা শিল্পীৰ চিনাকি। অৱশ্যে অসমত 'বায়ন' উপাধিধাৰী এটি শ্ৰেণী আছে। চৰ্মকাৰ বৃত্তিৰ লগত এওঁলোকৰ অতীত সম্পৰ্ক আছিল নে নাই ক'ব নোৱাৰোঁ। যুদ্ধৰ পোছাক, বিশেষকৈ 'সানা' (গাত পিন্ধা চৰ্মবস্ত্ৰ) কন্দলীৰ দিনত সম্ভৱতঃ এই শ্ৰেণীটোৱে প্ৰস্তুত কৰিছিল।[৪৩]

৪। সোণাৰি—[৪৪] Martin ৰ তালিকাত স্বৰ্ণকাৰৰ উল্লেখ নথকাটো আচৰিত। উড়িষ্যাৰ ছয়ত্ৰিছ পাটকৰ ভিতৰত কোন শব্দটোৱে সোণাৰি বুজাইছে, কোৱা টান। তুলসীদাসৰ গ্ৰন্থত জহুৰীৰ উল্লেখ আছে। এই জাতিটো বহুত দিনৰে পৰা সমাজৰ অতি মূল্যবান অঙ্গ। বেছি ভাগ ঠাইতেই ই জাতি-বৃত্তি যদিও, অসমত বাকী কিছুমান বৃত্তিৰ দৰে ই জাতিভিত্তিক নহয়। আহোম যুগত বিভিন্ন বৃত্তিৰ কাৰণে একোটাকৈ 'খেল' পাতি দিয়া হৈছিল (ইউৰোপৰ artisan's guild ৰ দৰে)। অৱশ্যে আহোম যুগৰ আগত বৃত্তি-পৰিবৰ্তন খুব বেছি নোহোৱাটোৱেই সম্ভৱ; আৰু সোণাৰিয়ে এটা caste হিচাপেই কাম কৰিছিল যেন অনুমান হয়। সোণ, ৰূপ আৰু বাখৰেৰে বিবিধ অলঙ্কাৰ প্ৰস্তুত কৰাই এওঁলোকৰ মৌলিক বৃত্তি আছিল। পৰোক্ষ বৃত্তি হিচাপে এওঁলোকে 'মহাজনী' ব্যৱসায় (অলঙ্কাৰ বন্ধক লৈ অৰ্থ-ঋণ দিয়া) কৰাটো অসম্ভৱ নহ'বও পাৰে। বঙ্গত ঘাইকৈ সোণৰ বেপাৰীবিলাকেই মহাজনী প্ৰথাৰ স্ৰষ্টা।



আহোম ৰাজত্বৰ প্ৰথম ভাগত কছাৰী আৰু চুটিয়া লোকসকলক 'সোণোৱাল' আৰু 'ৰূপোৱাল' পাইক হিচাপে নিযুক্ত কৰাৰ কথা নাওবৈচা ফুকনৰ বুৰঞ্জীত আছে। চুখ্ ৰাংফা স্বৰ্গদেৱৰ দিনত (১২৪৫-১৩৩৩) হেনো ২৫ হাজাৰ লোকক নদীৰ বালিৰ পৰা সোণ আৰু বিবিধ উপায়েৰে ৰূপ সংগ্ৰহ কৰিবলৈ নিয়োগ কৰা হৈছিল। অৱশ্যে মন কৰিবলগীয়া কথা এয়ে যে দেশৰ সোণাৰিসকলৰ উপৰিও আহোম ৰজাসকলে বঙ্গ আৰু বিহাৰৰ পৰা সোণাৰি আনি শিৱসাগৰত বসতি কৰাইছিল।[৪৫] এইটো নিয়ম শঙ্কৰদেৱৰ আগৰে পৰা চলি আছিল নে নাই কব নোৱাৰোঁ।

৫। কুমাৰ— অসমৰ প্ৰাচীন শিলালেখ আৰু তাম্ৰফলিত কুম্ভকাৰৰ উল্লেখ আছে। বৰ্তমান অসমত মাটিৰ বয়-বস্তু প্ৰস্তুত কৰা জাতিটো কুমাৰ আৰু হীৰা এই দুই ভাগতে বিভক্ত। কিন্তু মূলতঃ হীৰাসকল বৰ্ণ হিচাপে কুমাৰতকৈ নিম্ন থাপৰ আছিল বুলি পণ্ডিতসকলে কয়।[৪৬] মাধৱ কন্দলীৰ তালিকাত কুমাৰৰ উল্লেখ থাকিলেও হীৰাৰ উল্লেখ নাই। কুমাৰসকলে মাটিৰ পাত্ৰ বয়-বস্তু, সা-সঁজুলি, বাদ্য-ভাণ্ড আৰু ইটা নিৰ্মাণ কৰিছিল। অসমত পকীঘৰ নিৰ্মাণৰ বাবে পুৰণি কালৰ পৰা শিল আৰু ইটা দুইটাৰেই ব্যৱহাৰ লক্ষ্য কৰা যায়। উড়িষ্যাৰ তালিকাত 'অটাৰি' নামক এটা বেলেগ ইটা প্ৰস্তুতকাৰক জাতিৰ সন্ধান পোৱা যায়।

সঁজুলি হিচাপে কন্দলীৰ গ্ৰন্থত 'চাক'ৰ উল্লেখ আছে।[৪৭] কৃত্তিবাসী ৰামায়ণতো কুমাৰৰ 'চাক' (সং চক্ৰ) শব্দটোৰ ব্যৱহাৰ একাধিকবাৰ আছে। চাকত পাত্ৰ প্ৰস্তুত কৰাৰ ঐতিহ্য অতি পুৰণি। আনকি হৰপ্পা সভ্যতাৰ যুগতো 'চাক'ৰ ব্যৱহাৰ হৈছিল। বঙ্গ আৰু অসমৰ 'চাক' প্ৰায় একেই, ইয়াত 'নেমি' (দণ্ড) আৰু 'অৰ' (চক্ৰশলাকা, spoke বা নেমিত চক্ৰ লগোৱা এবিধ কাঠ) থাকে। দক্ষিণ দেশতো একেই বিধি। অৱশ্যে বিহাৰৰ পৰা পশ্চিমলৈকে অৰ বা spoke নাই। উত্তৰ ভাৰতত সাধাৰণভাৱে কুমাৰসকলে বহি চাক ঘূৰোৱা আৰু দস্ত নিৰ্মাণ কৰা দুইটা কামকে কৰে। হীৰাসকলে চাক ব্যৱহাৰ নকৰে, হাতেৰে পাত্ৰ গঢ়ে।[৪৮]

(?) — বিয়ন। 'পুৰুষৰ বণ, তিৰীৰ বিয়ন'। (— হেমকোষ : ৩য় সং : ১৯৬৫) — সম্পাদক।

৬। ঠঠাৰি— Martin -ৰ তালিকাত ঠঠেৰাৰ উল্লেখ আছে। আচলতে বিহাৰত 'কসেৰা' আৰু 'ঠঠেৰা' কসাৰি জাতিৰ দুটা শ্ৰেণী। [৪৯] সাধাৰণতে ধাতুৰ পাত্ৰ (কাঁচ পিতল, তাম আদি) প্ৰস্তুতকাৰী শ্ৰেণীটোকেই ঠঠাৰি বুলি কৈছিল। সঁজুলি হিচাপে 'ঠঠাৰিৰ ভাটি'ৰ [৫০] কথা মাধৱ কন্দলীয়ে উল্লেখ কৰিছে। ভাটি বা 'জুইশাল' অকল ঠঠাৰিৰে নহয়, কসাৰি, সোণাৰি আৰু কমাৰসকলৰো প্ৰয়োজন।

৭। কসাৰি— কাঁহৰ পাত্ৰ প্ৰস্তুতকাৰী জাতিবিশেষ। এই শ্ৰেণীৰ অস্তিত্ব অসমত এতিয়াও আছে। মুছলমান সকলৰ মাজত 'মৰিয়া' নামৰ শ্ৰেণীটোৱেই ধাতুপাত্ৰ নিৰ্মাণকাৰী এটি বৃত্তিগত শ্ৰেণী। অৱশ্যে এওঁলোকৰ বৃত্তি-পৰিৱৰ্তন ঘটিছে। এওঁলোক বঙ্গ আৰু বিহাৰত কাঁসাৰি আৰু কসেৰা আৰু উড়িষ্যাত কংসাৰি নামে জনাজাত। কাঁহৰ পাত্ৰৰ ব্যাপক প্ৰচলনৰ প্ৰমাণ এই তথ্যৰ পৰাই পোৱা যায়।

৮। সেঙ্খাৰি— শঙ্খনিৰ্মিত অলঙ্কাৰৰ ব্যৱহাৰ অসমত আজিৰ যুগত নিচেই কম। প্ৰাক্-শঙ্কৰী যুগত ইয়াৰ ব্যৱহাৰৰ গম পোৱা যায় বিশেষ বৃত্তিগত শ্ৰেণীৰ উল্লেখৰ পৰাই। বঙ্গদেশত মুকুন্দৰামৰ তালিকাত শঙ্খবণিকৰ উল্লেখ আছে। আধুনিক বঙ্গত শাঁখাৰি বুলি কোৱা হয়। উড়িষ্যাৰ তালিকাত শংখাৰি। সাধাৰণভাৱে অনুমান কৰিব পাৰি যে সাগৰৰ পৰা যথেষ্ট আঁতৰত থকাৰ ফলত অসম 'শঙ্খ'ৰ স্বাভাৱিক যোগান-ক্ষেত্ৰ নাছিল। প্ৰাক্-শঙ্কৰী যুগৰ এই শ্ৰেণীটো সম্ভৱতঃ বাহিৰৰ পৰা আহি উপনিবিষ্ট হৈছিল আৰু প্ৰয়োজনীয় raw material-ৰ অভাৱত এই বিশেষ শিল্পটি লুপ্ত হ'ল।

৯। কমাৰ— প্ৰাক্-শঙ্কৰী যুগত সম্ভৱতঃ ই এটি বৃত্তিগত জাতি (caste) আছিল। দা, কটাৰী আদি খেতিয়কৰ সা-সঁজুলিৰ বাহিৰেও অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণৰ বাবেও কমাৰৰ প্ৰয়োজন হৈছিল। আহোম যুগত 'লো-কমোৱা' প্ৰথাটো প্ৰায় 'সোণ কমোৱা' প্ৰথাৰ দৰেই আছিল। কাৰণ অসমত লো-তাঁখাৰ স্বাভাৱিক খনি-উৎস খুব বেছি নাই। গতিকে "বৰষুণ দিলে বাৰিষা ঢল উঠিলে সোঁতৰ লগতে লোৱাচুৰ মিহলি খেচ খেচীয়া মাটি আহি ঠায়ে ঠায়ে চড় পেলায়। তাৰ ওপৰত পলস পৰি ধৰালি লো মাটি টান হয়। লো-শলীয়া পাইকে গম লৈ সেই মাটি খান্দি উলিয়াই পাতত দ'ম পাতি থয়। এটা এটা জুমত লো কৰা পাইকৰ ৫ জন পালি আৰু এজন ওজা।" [৫১] এই লো-শলীয়া পাইক জাতিগতভাৱে কমাৰ নহ'বও পাৰে। অৱশ্যে বৃত্তিৰ কাৰণে তেওঁলোকক 'কমাৰ' বোলা হৈছিল। বিহাৰ আৰু বঙ্গত 'কমাৰ' এটি বিশেষ বৃত্তি-জাতি। বিহাৰত এওঁলোকক 'লোহাৰ' বুলিও কোৱা হয়। শব্দটো বঙ্গতো (পশ্চিম ফালে) প্ৰচলিত।

১০। বণিয়া— বৈশ্য বৰ্ণৰ অস্তিত্ব অসমত কম হ'লেও পুৰণি যুগত আছিল। [৫২] বণিয়া শব্দটোৰ দ্বাৰা বৈশ্য সম্প্ৰদায়ক বুজোৱা হৈছিল যেন লাগে। উড়িষ্যাৰ তালিকাত 'বৈশ্য বণিঅ' স্পষ্ট ৰূপে বৈশ্য-সম্প্ৰদায়ৰ, আৰু 'পোটলি বণিআ' সম্ভৱতঃ জাতি-বহিৰ্ভূত বৃত্তিধাৰী মানুহ। মুকুন্দৰাম আৰু তুলসীদাসৰ তালিকাত 'বণিক'ৰ উল্লেখ আছে। এওঁলোক বৈশ্য। অৱশ্যে মুকুন্দৰামৰ শঙ্খবণিক, সুবৰ্ণবণিক শূদ্ৰ শ্ৰেণীৰ। [৫৩]

১১। সূতাৰ— সূত্ৰধৰ বা carpenter-ৰ অস্তিত্ব অসমত এতিয়া অতি কম। উনৈছ শতিকাত Robinson-এ সূতাৰৰ অস্তিত্ব লক্ষ্য কৰিছিল— বৃত্তি-শ্ৰেণী হিচাপে। এওঁলোকৰ সঁজুলি হিচাপে হাতুৰী আৰু 'বটালী'ৰ উল্লেখ কন্দলীয়ে কৰিছে। [৫৪]

১২। ধোবা— কন্দলীৰ গ্ৰন্থত ধোবাৰ উল্লেখ একাধিকবাৰ পোৱা যায়। [৫৫] লাহে লাহে অইন বিভিন্ন মান শ্ৰেণীৰ দৰে এই শ্ৰেণীটোও লুপ্ত হ'ল। Robinson-এ ধোবাৰ অস্তিত্ব লক্ষ্য কৰা নাছিল। বাহিৰৰ মানুহে এই বৃত্তিটো চলাই আছিল।



আমাৰ অন্য তালিকাবিলাকতো ধোবাৰ উল্লেখ আছে।

১৩। হাড়ী— ই স্পষ্টতঃ নিম্ন শূদ্ৰবৰ্ণ। মাধৱ কন্দলীয়ে কৰা উল্লেখৰ পৰা নিশ্চিত ভাৱে এওঁলোক হাড়ী নামেৰেই অভিহিত হৈছিল, [৫৬] আৰু এওঁলোক অস্পৃশ্য আছিল। বঙ্গৰ নাথ-সাহিত্যত হাড়ী জাতিৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। উনৈছ শতিকাত Robinson-এ হাড়ী জাতিক এটি ক্ষুদ্ৰ সম্প্ৰদায় হিচাপে লক্ষ্য কৰিছিল, আৰু এওঁলোক কুমাৰৰ বৃত্তিত নিযুক্ত থকা বুলি কৈছে। [৫৭] 'হীৰা' সম্ভৱতঃ 'হাড়ী' শব্দৰেই অপভ্ৰংশ। [৫৮] হীড়াৰ নিৰ্মিত মৃৎপাত্ৰ মাঙ্গলিক কৰ্মত ব্যৱহৃত হোৱা নাছিল। [৫৯]

১৪। গুৱাল— গোপ বা গোৱালা বিহাৰ, উত্তৰ প্ৰদেশ আৰু বঙ্গত এটি নিৰ্দিষ্ট জাতি। এওঁলোকৰ এটা অংশ 'জলচল' আৰু এটা 'জল অচল'। কন্দলীৰ উল্লেখৰ পৰা [৬০] অনুমান হয় যে অসমত ই এটি বৃত্তি-জাতি হিচাপে আছিল। বৰ্তমান 'গৰখীয়া' সম্প্ৰদায় এটি আছে যদিও, ই ঠিক বিশুদ্ধ অৰ্থত গুৱাল নহয়। এওঁলোকৰ মাজত প্ৰচলিত কিছু গীত-মাতক 'বনঘোষা' বোলে। এই গীতবোৰৰ সৰহ ভাগেই অশ্লীল।

১৫। নাৱাৰ— শব্দটোৰ [৬১] দ্বাৰা কন্দলীয়ে নাৱৰীয়া বৃত্তিটোকেই বুজাইছিল। মুকুন্দৰামৰ তালিকাত 'পাটনী' আৰু 'মাঝিৰ' উল্লেখ আছে। ভাৰতৰ পূৰ্বাঞ্চলত নদ-নদীৰ প্ৰাচুৰ্যৰ ফলত এই বৃত্তিটোৰ প্ৰয়োজনীয়তা বেছি। এওঁলোক মূলতঃ কৈৱৰ্ত জাতিৰ অন্তৰ্গত হোৱাটো সম্ভৱ। অৱশ্যে পাছৰ যুগত বৃত্তি-পৰিৱৰ্তন ঘটিছে। কৈৱৰ্ত জাতি এসময়ত গোটেই পূৰ্ব ভাৰতত এটি বিশিষ্ট জাতি ৰূপে জনাজাত আছিল আৰু কিছুমানৰ মতে এওঁলোক বাহিৰৰ পৰা অভিযানৰ মাধ্যমেৰে ভাৰতত সোমাইছিল। কৈৱৰ্ত সম্প্ৰদায়ে প্ৰথমে নাও আৰু নদীৰ লগত জীৱিকা-সম্পৰ্ক স্থাপন কৰিলে, পাছৰ যুগত বৃত্তি-পৰিৱৰ্তনৰ ফলত এটা অংশ খেতিৰ কামত নিযুক্ত হ'ল। এতিয়াও অসম আৰু বঙ্গত হালোৱা আৰু জালোৱা (বঙ্গত হালিক আৰু জালিক) এই দুই বিধ কৈৱৰ্ত আছে। [৬২] উত্তৰপ্ৰদেশ আৰু বিহাৰত নাৱৰীয়াক 'কেৱট' বুলি কোৱা হৈছিল। উড়িষ্যাৰ তালিকাত আছে 'কেউট'। অসমত কেওট পদবী-ধাৰী এটি শ্ৰেণী আছে— মূলতঃ কৈৱৰ্ত শ্ৰেণীৰ। 'মাছমৰীয়া' আৰু 'নাৱৰীয়া' এই দুইবিধ সম্প্ৰদায় অসমত আছে যদিও, কৈৱৰ্ত সম্প্ৰদায়ৰ লগত সকলোৰে সম্পৰ্ক নাই। এয়া বৃত্তি-বিপৰ্যয়ৰ ফল। মুকুন্দৰামৰ তালিকাত 'মাছুয়া'ই স্পষ্টতঃ 'মাছমৰীয়া' জাতিটোক বুজাইছে। এওঁলোক জালিক কৈৱৰ্ত শ্ৰেণীৰ। কন্দলীৰ ৰামায়ণত 'ৰৰণীয়া' বুলি এটি বৃত্তিগত শ্ৰেণীৰ উল্লেখ আছে। [৬৩]

১৬। গাৰুড়ী— 'বিষবৈদ্য' বা সাপৰ 'বেজ' হিচাপে এই বৃত্তি-শ্ৰেণীটো যথেষ্ট জনপ্ৰিয় আছিল। বিষ মন্ত্ৰক 'গৰুড়বিদ্যা' বা 'গাৰুড় শাস্ত্ৰ' বুলি কোৱা হৈছিল। 'গাৰুড়ী' শব্দটো বঙ্গতো সু-প্ৰচলিত। [৬৪] উড়িষ্যাৰ তালিকাত 'গউড়ী' শব্দই সম্ভৱতঃ এই বৃত্তিটোকেই বুজাইছে। তুলসীদাসৰ তালিকাত 'গাৰুড়ী' আছে।

১৭। বাঢ়ৈ— তক্ষণশিল্পী। কন্দলীয়ে বাঢ়ৈৰ সঁজুলি হিচাপে কুন্দৰ [৬৫] উল্লেখ কৰিছে। যন্ত্ৰটো বটালীৰ এটি ভিন্ন সংস্কৰণ হ'ব পাৰে। উড়িষ্যাৰ তালিকাত 'বঢ়েই' 'বাঢ়ৈৰ' সমাৰ্থক।

১৮। নট ভাট— এওঁলোকে ৰজাঘৰত নাইবা ৰাইজৰ আগত খেমালি, গীত-মাত, নৃত্য আদিৰে মনোৰঞ্জনৰ বৃত্তি অৱলম্বন কৰিছিল। Martin-ৰ তালিকাত ভাট আৰু 'কলাৱন্ত'ৰ উল্লেখ আছে।

তালিকাধৃত এই বৃত্তিবিলাকৰ বাহিৰে শুণ্ডী (মদ্য ব্যৱসায়ী), চৌহুলী বা কাহাৰ (দোলা বহনকাৰী), মালী (ফুলৰ বেপাৰী) আদি আৰু কেইটামান বৃত্তিমূলক শ্ৰেণীৰ অস্তিত্ব অসমত আছিল বুলি মোৰ ধাৰণা হয়।

## প্ৰসঙ্গ আৰু গ্ৰন্থপঞ্জী


১ P. C. Choudury/History and Civilization of the people of Assam/Ch. VI, P. 312

২ D. C. Sircar/Studies in the Society and administration of Ancient and Medieval India/Ch. 1, P. 15

৩ ঐ P. 4.

৪ B. K. Barua/A cultural History of Assam/Ch. 5, P. 119 আৰু R. M. Nath/Background of Assamese culture/Ch. 10, P. 45

৫ D. C. Sircar/Studies in the Society and administration of Ancient and Medieval India Ch. 1, P. I

৬। ষট্‌কৰ্ম— যজন, যাজন, অধ্যয়ন, দান, প্ৰতিগ্ৰহ।

৭ পাদ্য অৰ্ঘ্য আচমন দিলা ৰাজা
আৰো মধুপৰ্ক দান।
সুৱৰ্ণৰ খাট মাথে নিয়া দিল
কবি আতি বহুমান ॥ — পদ ৩৭৫৫/কিষ্কিন্ধ্যা

৮ জানিয়া কমন জনে ব্ৰাহ্মণ বধিব।
কমনে অধমে সুৰাপানক কৰিব ॥
কোনজনে ব্ৰাহ্মণৰ সুৱৰ্ণ হৰিব। -পদ ২৫৮৩। অযোধ্যা

৯ সুকুমাৰ সেন / বঙ্গভূমিকা / পৃঃ ২৭৬

১০ বৰণধৰ্ম নাহি আশ্ৰম চাৰি।
শ্ৰুতিবিৰোধ ৰত সব নৰনাৰী ॥
দ্বিজ শ্ৰুতিবেচক ভূপ প্ৰজাগণ।
কোঁউ নহি মান নিগম অনুশাসন ॥
চৌপাঈ - ১। দোহা ৯৮। উত্তৰা

১১ ক) দেৱৰাৱে দেৱপূজা কৰিলা বিচ্ছেদ। —পদ ২০০৫। অযোধ্যা
খ) সৌৰাষ্ট্ৰ দেশৰ আমি মহাবেদপাঠী দ্বিজ
আসি তৈল ৰাজাৰ দুৱাৰে। পদ ৪৩৪৬। সুন্দৰা।

১২ অৰ্থাৎ বৌদ্ধিক নেতৃত্ব।

১৩ W. Hunter/A History of Orissa/P. P. 98-100

১৪ Montgomery Martin/The History Topography and Statistics of Eastern India/Ch IV, P. 154

১৫ P. C. Choudhury/History and Civilization of the people of Assam Ch. VI, P. 313





১৬ William Robinson/A descriptive account of Assam/Section VII, P. 260

১৭ 'Spiritual guidance'। ঐ p. 260

১৮ অৰ্থৰ লোভেতে হয় দেবল ব্ৰাহ্মণ / কৃত্তিবাসী ৰামায়ণ
এইখিনিতে উল্লেখ্য, কৃত্তিবাসে সপ্তশ্লোক ৰচনা কৰি গৌড়েশ্বৰক পঢ়ি শুনোৱাৰ পাছত সভাসদসকলে কবিজনাক ৰজাৰ দান মাগিবলৈ উপদেশ দিছিল; কিন্তু কবিয়ে এজন নিৰ্লোভ আৰু নীতিনিষ্ঠ ব্ৰাহ্মণ হিচাপে অৰ্থকৰী দান গ্ৰহণ কৰা নাছিল।

১৯ ৰামানন্দও এজন ব্ৰাহ্মণ আছিল। ভাৰতত মধ্যযুগীয় সামন্ততান্ত্ৰিক ভক্তি-আন্দোলনৰ তেৱেঁই গুৰি-ধৰোঁতা। তেওঁৰ শিষ্যৰ ভিতৰত নিম্নবৰ্ণৰ ৰবিদাস অন্যতম।

২০ ড° মহেশ্বৰ নেওগদেৱে এখেতৰ ব্ৰাহ্মণত্ব সম্পৰ্কে সন্দেহ প্ৰকাশ কৰিছে। দ্ৰষ্টব্য / Dr. M. Neog : Assamese Literature before Sankardev / Aspects of Early Assamese Literature : p. 41

২১ True Aryan ksatriyas are perhaps not found in Assam and our knowledge about them in the past is insufficient to come to any conclusion : P. C. Choudhury : History and civilization of the people of Assam : ch vi, p. 316.

২২ দ্ৰষ্টব্য। প্ৰবন্ধ— জাতিব্যৱস্থা। নিৰ্মলকুমাৰ বসু। ভাৰতকোষ। ৩য় খণ্ড। পৃঃ ৪৯৩

২৩ ক্ষত্ৰী বৈশ্যগণ কায়স্থ সজ্জন। পদ ২৩৮২। অযোধ্যা।

২৪ D. C. Sircar : Studies in the society and administration of ancient and medieval India : ch. 9. p. 158

২৫ W. Robinson । A Descriptive Account of Assam : sec vii, p. 262

২৬ P. C. Choudhury : A History of the civilization of the people of Assam : Ch. VI, P. 316

২৭ ছাগলৰ অণ্ড বৈদ্যে আনি জোৰাইলন্ত। পদ— ৭০। আদি। মাধৱদেৱ।

২৮ বৈদ্য দেখি যেন মুণ্ড চপৰাইলা সাপ। পদ— ৮৭। আদি। মাধৱদেৱ।

২৯ দীনেশচন্দ্ৰ চৰকাৰ। প্ৰবন্ধ— আদিশূৰেৰ কাহিনী। বিশ্বভাৰতী পত্ৰিকা। বৰ্ষ ১১, সংখ্যা ২

৩০ দ্ৰষ্টব্য। প্ৰবন্ধ— বাঙ্গালী হিন্দু সমাজে বৰ্ণ ও বৃত্তি : অমিতাভ মুখোপাধ্যায়। সাহিত্য পৰিষৎ পত্ৰিকা। বৰ্ষ ৭৫, সংখ্যা— ২

৩১ ছত্ৰিশ জাতিয়ে তেজিলেক নিজ বৃত্তি। পদ ২০০৭। অযোধ্যা।

৩২ W. Robinson : A Descriptive Account of Assam । Sec. VII, P. 263

৩৩ দ্ৰষ্টব্য। প্ৰবন্ধ— জাতি ব্যৱস্থা। নিৰ্মলকুমাৰ বসু। ভাৰতকোষ। ৩য় খণ্ড। পৃঃ ৪৯৪

৩৪ নটৰ নটিনী যেন আনক বিলাহা। পদ ৬৫০৭। লঙ্কা

৩৫ জে বৰণাধম তেলি কুম্ভাৰা। তুলসীদাস। ৰামচৰিতমানস। চৌপাঈ ৩ | দোহা- ১০০ | উত্তৰা।

৩৬ দশখান যাতে যেন তেলী তেল পেৰি। পদ ৬০১৮। লঙ্কা

৩৭ হিন্দু সমাজেৰ গড়ন। নিৰ্মলকুমাৰ বসু। পৃঃ ৫৯

৩৮ ভুৱনচন্দ্ৰ সন্দিকৈ। পুৰণি অসমৰ শিল্প। পৃঃ ৪৯

৩৯ W. Robinson : A Descriptive Account of Assam : Sec. VII, P. 263

৪০ "কাপোৰৰ হিচাপ-পত্ৰ জোলাশালৰ কাকতত চাংকাকতীবিলাকে ৰাখে।" ভুবনচন্দ্ৰ সন্দিকৈ। পুৰণি অসমৰ শিল্প। পৃ: ৫৮

৪১ যাতে ধান খাইলেক তান্তীৰ কাটে বাটি। পদ ৮০২৮। লঙ্কা।

৪২ W. Robinson : A Descriptive Account of Assam : Sec. VII, P. 263

৪৩ মুকুন্দৰামৰ তালিকাত 'সানাকৰ' নামৰ এবিধ মুছলমান চৰ্মকাৰ জাতিৰ উল্লেখ আছে।

৪৪। মাধৱ কন্দলীয়ে দিয়া তালিকাৰ এটা অংশ ইয়াত উল্লেখ কৰিলোঁ।—

ক্ষত্ৰী বৈশ্যগণ কায়স্থ সজ্জন
নট ভাট তেলী তান্তী।
ঠঠাৰি সোণাৰি কসাৰি সোণাৰি
ভৰতৰ লগে যান্তি॥
বণিআ চামাৰ কমাৰ সূতাৰ
ধোবা আৰো কুম্ভকাৰ।
ইসব প্ৰমুখ্যে চলিল যতেক
আদি অন্ত নাই তাৰ॥ পদ ২৩৮২। অযোধ্যা

৪৫ ভুবনচন্দ্ৰ সন্দিকৈ। পুৰণি অসমৰ শিল্প। পৃ: ১৬

৪৬ P. C. Choudhury : History of the civiliz ition of the people of Assam : Ch VI, P. 317

৪৭ কুমাৰৰ চাক যেন ফুৰাইলন্ত ধৰি। পদ ৪৩৮৩। সুন্দৰা

৪৮ দ্ৰষ্টব্য। প্ৰবন্ধ— কুম্ভকাৰ। নিৰ্মলকুমাৰ বসু। ভাৰতকোষ। ২য় খণ্ড। পৃ: ৩১২

৪৯ দ্ৰষ্টব্য। প্ৰবন্ধ— কংসবণিক-নিৰ্মলকুমাৰ বসু। ভাৰতকোষ। ২য় খণ্ড। পৃ: ৩১৫

৫০ নিশ্বাস ফোকাৰে যেন ঠঠাৰিৰ ভাটি। পদ ২১১০। অযোধ্যা

৫১ ভুবনচন্দ্ৰ সন্দিকৈ। পুৰণি অসমৰ শিল্প। পৃ: ২০

৫২ P. C. Choudhury : History of the civiliz ition of the people of Assam : Ch-VI, P. 316

৫৩ দ্ৰষ্টব্য। প্ৰবন্ধ— বাঙ্গালী হিন্দুসমাজে বৰ্ণ ও বৃত্তি। অমিতাভ মুখোপাধ্যায়। সাহিত্য পৰিষৎ পত্ৰিকা, বৰ্ষ ৭৫, সংখ্যা-২

৫৪ বটালি নকাটে যেন বিনা হাঠুৰিয়ে। পদ ৩৭১৬। কিষ্কিন্ধ্যা

৫৫ শয়দা পাইকে বস্ত্ৰ ধোৱে যেন ধোবে।
পিঠিত আসন কোবায় খিউ কোবে॥ পদ ৬০১৭। লঙ্কা

৫৬ ক) হাড়ীজাতি হুৱা পড়িবাক চাস বেদ। পদ ৩১৬৯। অৰণ্য
খ) তিৰীচোৰ পাপীষ্ঠ হাড়ীৰ আউথা খাহা। পদ ৩২৪২। অৰণ্য

৫৭ W. Robinson : A Descriptive Account of Assam : sec. vii, p. 263

৫৮ P. C. Choudhury : History of the civilization of the people of Assam : ch. vi, p. 311

৫৯ দ্ৰষ্টব্য। প্ৰবন্ধ— কুম্ভকাৰ। নিৰ্মলকুমাৰ বসু। ভাৰতকোষ। ২য় খণ্ড। পৃ: ৩১২

( ৫৩ পৃষ্ঠাৰ তলৰ ফালে চাওক )

# উড়িয়া সাহিত্যত ভক্তি-ধৰ্ম আৰু ভক্তি-গীতি

শ্ৰীজীৱনকৃষ্ণ পাত্ৰ

[ শ্ৰীজীৱনকৃষ্ণ পাত্ৰৰ ঘৰ উড়িষ্যাৰ বালেশ্বৰত। তেখেত অসমলৈ অহা মাত্ৰ এযুগ হৈছে। বজালি কলেজৰ ভূগোল বিষয়ৰ অধ্যাপক শ্ৰীপাত্ৰই ১৯৭৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত ( ক শাখা ) স্নাতকোত্তৰ উপাধি লাভ কৰে। অসমীয়া সাহিত্য - সংস্কৃতিৰ অনুৰাগী শ্ৰীপাত্ৰলৈ আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। — সম্পাদক ]

'... মান উদ্ধাৰণ কৰহে তাৰণ
শৰণ মু' তুম্ভ পাদতলে ...।'

ভক্তিমাৰ্গ অতি সুখকৰ। অসীম আকৃতি আৰু তৃষ্ণাৰে এই মাৰ্গ মধুময় আৰু মোহনীয়। ভক্তিমাৰ্গৰ অদ্ভুত ক্ৰিয়াৰ দ্বাৰা মহাপুৰুষসকলে মানৱ জাতিক মুগ্ধ আৰু অন্ধ কৰি মহাসুখৰ পথত পৰিচালনা কৰিছে।

মানৱ তৃষ্ণাৰ ক্ৰীড়নক। ইন্দ্ৰিয়ভোগ মানৱৰ কাম্য। এই অৱস্থাৰ পৰা উন্নীত হ'বলৈ মানুহে ভৌতিক বিভূতিৰ ভিতৰতো আধিভৌতিক শক্তিৰ কল্পনা কৰে। আধিভৌতিক শক্তিয়ে শেষত গৈ আধিদৈৱিক স্তৰত পৰিণতি লাভ কৰে। পাছত আকৌ দৃষ্টিৰ সলনি হয়। সি বস্তুৰ বস্তুত সন্ধান কৰিবলৈ গৈ আত্মাৰ সংকেত পায়। সেই সন্ধান-মাৰ্গ হ'ল সাহিত্য, সংগীত আদি কলাৰ মাৰ্গ। এই মাৰ্গ স্বভাৱতঃ অধ্যাত্মমুখী। ভাৰতৰ বাহিৰে আন কোনো দেশৰ মানুহ ইমান উচ্চ আধ্যাত্মিক স্তৰলৈ উন্নীত হ'ব পৰা নাই। ভাৰতীয় আধ্যাত্মিকতা প্ৰধানতঃ ভক্তিভাৱৰ দ্বাৰা প্ৰভাৱিত।

দেৱভূমি উড়িষ্যাত ভক্তিভাৱৰ প্ৰাবল্য। ভক্তিভাৱৰ গ্ৰাসৰ পৰা কোনো সাহিত্যিক-ধাৰা মুক্ত নহয়। তান্ত্ৰিক ভক্তি উড়িষ্যাৰ ভক্তিমাৰ্গৰ ধৰাতল। তান্ত্ৰিক ভক্তিৰ অতীতলৈ গ'লে উড্ডীয়ানৰ লগত সাক্ষাৎ ঘটে। উড্ডীয়ান এক প্ৰকাৰ তন্ত্ৰ বিশেষ; এসময়ত ই নেপাল, তিব্বত আৰু পূৰ্ব ভাৰতীৰ বংগ, অসম আদি বিশাল অঞ্চল আগুৰিছিল। উড্ডীয়ানত সিদ্ধি বা কৈৱল্য-প্ৰাপ্তিৰ এটি পন্থা নিৰ্দেশিত হৈছে। যোনি-জিহ্বাৰ সেৱা, মহাসুখৰ নিৰ্বাণৰ সংকেত ইয়াত সমূলি নাই। পাছৰ কালছোৱাত তন্ত্ৰধৰ্মৰ নামত বহু গ্ৰাম-দেৱী, বনদেৱীৰ আস্থান উড়িষ্যাৰ মাটিত যʼতে তʼতে সিচৰতি হৈ উঠা অস্বাভাৱিক নাছিল।

( ৫২ পৃষ্ঠাৰ পিছৰ পৰা )

৬০ মৃদংগৰ ফুৰাৰে গুৱালে যেন ডাঙ্গ। পদ ৫৫৫৩। লঙ্কা।

৬১ তেতিক্ষণে পক্ষলত নাৱাৰা অনাইল। পদ ২৪৫৪। অযোধ্যা

৬২ P. C. Choudhury : History of the civilization of the people of Assam : ch vi, p. 317

৬৩ বৰণীয়া বাৱৰৰ পুষ্টাতেসে দৃষ্টি। পদ ৩১১৪। অৰণ্য

৬৪ তোহ্মাৰ যৌৱন কালভুজঙ্গম
আহ্মাহো ভাল গাৰুড়ী। বড়ুচণ্ডীদাস। শ্ৰীকৃষ্ণকীৰ্ত্তন। পৃ: ৯৮

৬৫ জংঘা দুই বৰ্তুল কুম্ভত বলিয়াইলে। পদ ৩৮৭২। অযোধ্যা

বঙ্গ অসম, ভোট-তিব্বতৰ অনুকৰণত বহু ৰহস্যপূৰ্ণ গ্ৰন্থ এই দেৱ দেৱীক কেন্দ্ৰ কৰি বিৰচিত হয়। পাছত আকৌ গৌড়ীয় বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত তান্ত্ৰিক ধৰ্মানুভূতি সম্প্ৰসাৰিত হ'বলৈ সুবিধা পায়।

বিশ্বাস আৰু অলৌকিকতাই ভক্তি-ধৰ্মৰ প্ৰধান অৱলম্বন। অদ্ভুত-মিথ্যা ৰচনা কৰি সহজ সৰল জনমানস আচ্ছন্ন কৰি তোলাই আছিল ইয়াৰ উদ্দেশ্য। শ্ৰীচৈতন্য জগন্নাথ বিগ্ৰহত লীন হৈ যোৱাৰ অলৌকিকতাই আজি ভক্ত-মনৰ ভক্তি-গদগদ বিশ্বাস। শ্ৰীচৈতন্যক ভগৱান বুলি নৈকে মানৱ বুলি ক'লে ভক্তৰ পৰা যে বিধৰ্মী বুলি কটূক্তি শুনিব লাগিব, ই ধ্ৰুৱ। জগন্নাথ মন্দিৰৰ দেৱালত থকা তিনিটা আঙুলিৰ ছাপ পঞ্চদশ শতিকাৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ বুলি ভক্ত-প্ৰাণৰ অকৃত্ৰিম বিশ্বাসেই বহু পণ্ডিতক ভবাই তুলিছে। আনকি আধুনিক যুগত সিদ্ধ অৰবিন্দৰ ক্ষেত্ৰতো এশ এটা অন্ধবিশ্বাসে জনমানস আচ্ছন্ন কৰি ৰাখিছে। তাহানিৰ মহিমা গোসাঁইৰ পৰা আৰম্ভ কৰি আধুনিক যুগলৈকে অসংখ্যাত অন্ধবিশ্বাসৰ অনুৱৰ্তী হৈ ভক্তজনে মুক্তিৰ মাৰ্গ নিৰ্বিঘ্নে গঢ়কি আহিছে। যুগে বৰণ সলায়। মুক্তিৰ ঠাইত প্ৰাপ্তিয়ে প্ৰচণ্ড ৰূপ ধাৰণ কৰিছে। ভক্ত-মানস আজি মাথোন প্ৰাপ্তিলৈ উৎকণ্ঠিত, তাতকৈ বেছি দূৰলৈ নহয়। সেই হিচাপে ভক্তৰ ভগৱানো এক প্ৰকাৰ মহান দাতা; ত্ৰাতা নহয়। ভক্তৰ অসহিষ্ণুতায়ো সীমা লঙ্ঘন কৰিছে। অৰ্জুনে কৃষ্ণক কোৱাৰ নিচিনাকৈ,—

– 'সবু মু' সহিবি কিন্তু তুম নিন্দা বাণী
কেবে নসহিবি এ মো পণ চক্ৰপাণি।'

[মই সকলো সহ্য কৰিব পাৰোঁ, কিন্তু তোমাৰ নিন্দাবাণী মোৰ সহাৰ অতীত, চক্ৰপাণি—।] যি যুগত যুক্তিতকৈ বিশ্বাস আছিল প্ৰৱলতৰ, সেইটোৱেই উড্ডীয়ান তন্ত্ৰৰ অনুগামী ভক্তিৰ যুগ। এই যুগত মাথোন 'বিশ্বাসে মিলয়ি হৰি.......', মাথোন বিশ্বাসতেই হৰি, অইন একোতে নাই।

জগন্নাথ ধৰ্ম : উড়িষ্যাত কিন্তু দেৱ-বিশ্বাসৰ একচ্ছত্ৰ ভগৱান হ'ল শ্ৰীজগন্নাথ। তেওঁ উড়িষ্যাবাসীৰ দেহ-মন আত্মা। আৰ্য্য-দ্ৰাবিড়ৰ মিলন-স্থলত, সাগৰ-পৰীয়া উড়িষ্যাৰ পুণ্য তীৰ্থত বহু ধৰ্মৰ আক্ৰমণ আৰু প্ৰতি-আক্ৰমণৰ শেষত যিটো অবিসম্বাদিত ভাৱে পৰি থাকিল, সেইটোৱেই বিশ্বজনীন জগন্নাথ ধৰ্ম, যি আজি সাগৰৰ পাৰ ফিলিকাইছে। জগন্নাথ ধৰ্ম এটি পৰিপূৰ্ণ সাম্যধৰ্ম। উড্ডীয়ান তন্ত্ৰৰ অনুগামী অসংখ্যাত বনদেৱ-দেৱী, গ্ৰামদেৱ-দেৱী;— নৈৰ পাৰ, পুখুৰীৰ পাৰ, তেতেলিৰ তল, বৰৰ তল আদিত থকা শীতলা, বাসলী, চণ্ডী, চামুণ্ডী, মনসা, মঙ্গলা, ভগৱতী, শিৱ, শনিৰ ক্ষেত্ৰত আৰু সাম্য কত! জগন্নাথ কিন্তু একান্তভাৱে মানবিক। এই ধৰ্মৰ কৰ্ম আৰু তাৰ ফলৰ ভিতৰত ঈশ্বৰ নাই, ঈশ্বৰ-পুত্ৰ, পয়গম্বৰ বা অৱতাৰো নাই।

শ্ৰীজগন্নাথৰ অন্য নাম পুৰুষোত্তম। 'পুৰুষোত্তম' এই শব্দটোৱে মানৱ মনত সহস্ৰ অনুভূতিৰ উদ্ৰেক কৰে। এই নাম এটি ব্যাপ্তি, এটি প্ৰশস্তি বিশেষ, বিশ্ব মানৱ কল্পৰ প্ৰতীক বিশেষ।

'ভোগৰে আমৰ আত্মা পুৰুষ সন্তোষ হেলা।'

[ভোগত মোৰ আত্মা-পুৰুষজনে সন্তোষ লাভ কৰিছে।] ই যেন আনৰ ভোগৰ তৃপ্তিত নিজে পৰিতৃপ্ত হোৱা। দেশৰ সেৱা কৰা, দেশৰ কাৰণে ফাটেক খটা বা ফাঁচী কাঠত উঠা,— এইবোৰ দেশাত্মবোধৰ চানেকি। দেশে সন্তোষ লাভ কৰিলে তাতে ত্যাগীৰ আত্মা-পুৰুষজনেও সন্তুষ্টি লাভ কৰে, তেওঁ দেশ-পুৰুষৰ সৈতে একাত্ম অনুভৱ কৰে। আত্মাক এই দৰে প্ৰসাৰিত কৰিবলৈ গীতাতো উপদেশ আছে :—



উদ্ধৰেদাত্মনাত্মানং নাত্মানং অৱসাদয়েৎ
[জগতৰ সুখেৰে নিজকে সুখী কৰি তোলা]

মাথোন দেহ-পুৰুষ নহয়, দেশ-পুৰুষ নহয়, বিশ্ব-পুৰুষৰ সৈতে এক হোৱাৰ ই এটি সহজ ইঙ্গিত। জগন্নাথ হ'ল এই জগতধন। তেওঁ জগতৰূপী উপাস্য পুৰুষ, সকলো পুৰুষ ব্যাপী তেওঁৰ বিভূতি। গতিকে তেৱেঁই পুৰুষোত্তম।

ভাগৱতৰ গোপী-বল্লভ কৃষ্ণ হওক, বৃন্দাবনৰ লম্পট কৃষ্ণ হওক, যিয়েই নহওক লাগিলে,— কৃষ্ণ আবিৰ্ভাৱৰ পূৰ্বে এই দেশৰ ৰজা ইন্দ্ৰদ্যুম্নই বিষ্ণুভক্তিৰ তত্ত্ব নাৰদৰ পৰা শুনিবলৈ পাই বিষ্ণুক পাবলৈ আকুল চিত্তে প্ৰাৰ্থনা কৰিছিল; পাইছিলো বিষ্ণুৰূপী জগন্নাথক। এই জগন্নাথৰ আবিৰ্ভাৱ আৰু আবিষ্কাৰেও নিৰ্জলা উড়িষ্যাত সজল ভক্তিৰ প্লাৱন বৈছিল। ৰাজসী-ভক্তি, তামসী ভক্তি, সাত্ত্বিক ভক্তি,— এই ত্ৰিবিধ ভক্তিৰ বাহিৰে চতুৰ্থ বিধ ভক্তিৰ জন্ম হ'ল; সেয়া অদ্বৈত দুৰ্লভ ভক্তি। এই ভক্তিয়েই জগন্নাথক কেন্দ্ৰ কৰি দেৱভূমি উড়িষ্যাত ব্যাপ্তি লাভ কৰিছে। এই জগতধন হ'ল জগন্নাথ। 'সোঽহং',— বেদান্তৰ এই শব্দটোৱেই জগন্নাথ-ধৰ্মৰ দৰ্শন। উড়িষ্যাত নীলাচলনাথৰ বাহিৰে আন কি থাকিব পাৰে? পুৰুষোত্তমধৰ্মৰ বাহিৰে অন্য কোনো ধৰ্ম নাই। অদ্বৈত ভক্তিয়েই এই ধৰ্মৰ বাহন হৈ সৰ্বদিশ সঞ্চৰিছে।

ভক্তিধৰ্ম মানুহৰ স্বাভাৱিক ধৰ্ম। পোন প্ৰথমে আধিভৌতিক জীৱ ধৰ্মত যাতায়াত কৰি পাছত আকৌ বিশ্বৰ শক্তি বা বিভূতি লৈ মানৱ হৈ উঠে আধিদৈৱিক। আধ্যাত্মিকতা তাৰ পাছৰ প্ৰাপ্তি। ভক্তিধৰ্ম এই আধিদৈৱিক স্তৰৰ এটি প্ৰসাৰিত পৰম্পৰা মাথোন।

আজিৰ দিনত বিশ্বাসতকৈ যুক্তিৰহে প্ৰাবল্য বৰ্তমান। গতিকে ভক্তিৰে ভগৱানক বিচাৰি পোৱা নাযায়। ভাৰতীয় দৰ্শন আৰু আধ্যাত্মিকতাত যি সাৰবস্তু আছে, সেই সমস্ত জগন্নাথ ধৰ্মতো আছে। পৃথিৱী যি সময়ত আধ্যাত্মিকতাক আদৰিবলৈ উৎকণ্ঠিত, ভাৰত কিন্তু তাৰ বহু পূৰ্বে আধ্যাত্মিকতাৰে অধীৰ আছিল। নানা ধৰ্মীয় আক্ৰমণ আৰু উপদ্ৰৱ সত্ত্বেও এই আধ্যাত্মিকতাই ভাৰতক নিঃশঙ্কিত কৰি ৰাখিছে। পৃথিৱীক সাম্য আৰু সমাধান প্ৰদান কৰিবলৈ ভাৰত যুগযুগলৈ জীয়াই থাকিব। উড়িষ্যাৰ জগন্নাথ যথাৰ্থ ভাৱে পৃথিৱীৰ; পৃথিৱীৰ অন্তৰীক্ষক ই অলক্ষিতে হ'লেও ধৰ্মীয় সাম্যবাদৰ সূৰ্য্যালোকেৰে পোহৰাই ৰাখিছে।

ভক্তি-কাব্য : সৃষ্টি-লীলাই মানৱ-মনত যি আস্তিক্য বুদ্ধি জাগ্ৰত কৰিছে, সেয়েই ভক্তি-কবিতাৰ মূলাধাৰ। হৃদয়ত সত্য-শিৱ-সুন্দৰক অনুভৱ কৰিয়েই মাথোন মানুহ সন্তুষ্ট হৈ থাকিব নোৱাৰে। সেই অনুভূতিক মনোজ্ঞ কাব্য-ৰূপত প্ৰকাশ কৰিহে সান্ত্বনা লভে। বেদৰ কবিত্বময় সূক্ত, ব্ৰাহ্মণৰ স্তোত্ৰ, বাইবেলৰ ছাম্ (Psalm), সূফী সাধকৰ ৰুবায়ত, বৈষ্ণৱৰ পদাৱলী,— এইবোৰ মানুহৰ ভক্তি-বিহ্বল অন্তৰৰ বিবিধ পৰিপ্ৰকাশ মাথোন।

বহু ধৰ্মমতৰ প্ৰচাৰস্থলী, বহু ভক্তৰ বিহাৰভূমি, বহু সাধক-সন্ন্যাসীৰ সাধনাৰ পুণ্য তীৰ্থ হিচাপে উৎকলভূমি প্ৰখ্যাত। বহু ধৰ্মৰ প্ৰচাৰ ক্ষেত্ৰ আছিল যদিও উড়িষ্যাত কিন্তু কোনো ধৰ্মীয় সংঘৰ্ষ ঘটা নাছিল; পৰন্তু বহু দেৱ-দেৱীৰ উপাসকৰ, ভক্ত গীতিকাৰৰ অগণিত কাব্যিক ৰচনাৰে উড়িয়া গীতিসাহিত্য সমৃদ্ধ।

বৌদ্ধ, জৈন, শৈৱ, শাক্ত, তান্ত্ৰিক, বৈষ্ণৱ আদিৰ ধৰ্মানুভূতি আৰু ধৰ্মানুশীলনৰ শ্ৰীক্ষেত্ৰ হ'ল এই

দেৱ-ভূমি উড়িষ্যাই। বৌদ্ধ চৰ্যাকাৰৰ গীতিগুঞ্জনত ভক্তিসংগীতৰ উন্মেষ ঘটিছিল। দ্বাদশ শতিকাৰ শেষ ভাগত চৰ্যাগীতি ক্ষীণপ্ৰভ হৈ নিঃশেষ হৈছিল যদিও চৰ্যাই আছিল উড়িয়া ভক্তিসাহিত্যৰ মূলাধাৰ।

উড়িয়া ভক্তিসাহিত্যই পোন প্ৰথমে বিবিধ দেৱ-দেৱীৰ স্তুতিক লৈ গা কৰি উঠিছিল। পালা, পটুৱা, দণ্ড-নাট, ছউ, কৰমা আদিৰ গায়কসকলে কণ্ঠ নিৰ্মল কৰিবলৈ, দেৱীয়ে নিজে যাতে গায়কৰ কণ্ঠ-বৈকুণ্ঠত অধিষ্ঠান কৰি পদ যোগাই দিয়ে, কবিত্ব প্ৰজ্ঞা প্ৰদান কৰে, সেই আশাৰে সৰলা, মঙ্গলা, চণ্ডী, চামুণ্ডী, ভগৱতী, বাসলী, আদি দেৱীক স্তুতি কৰিছিল।

'… সে যাহা কহই
অৰুণ উদয় কালে মুঁ তাহা লেখই
সহজে সাৰলা দাস মূৰুখ অটই…।'

[দেৱীয়ে যি কয়, উদয় অৰুণৰ তলত বহি মই সেইবোৰ লেখি পেলাওঁ, সাৰলা দাস যে মূৰ্খ …।]

উড়িষ্যাৰ ভক্তিসংগীতে শতধাৰ হৈ বিবিধ ৰূপত অভিব্যক্তি লাভ কৰিছে ;— ১) শৈৱ-শাক্ত ভক্তি সংগীত, ২) বৈষ্ণৱ ভক্তিগীতি ৩) শবীৰ-ভেদ ভজন ৪) অন্যান্য। এইবোৰ মুখ্যতঃ সগুণ আৰু নিৰ্গুণ। নিৰ্গুণ ভক্তিগীতিত নিৰ্গুণ ব্ৰহ্মৰ নিষ্কাম বন্দনা, সগুণত আকৌ উপাস্য দেৱ-দেৱীৰ ৰূপ, লীলা-মহিমা আদিৰ বৰ্ণনা আছে। পঞ্চসখা কবিৰ শবীৰ-ভেদ ভজন, মহিমাধৰ্মী আৰু ব্ৰহ্মধৰ্মী কবিৰ ভক্তিগীতি আদি নিৰ্গুণ। সগুণ ভক্তিকবিতা শৈৱ, শাক্ত, বৈষ্ণৱ-ভেদক্ৰমে তিনি ভাগত বিভক্ত। কৃষ্ণৰ ত্ৰিবিধ ৰূপ – কৃষ্ণ, জগন্নাথ, ৰামৰ উদ্দেশ্যে গীতি; লক্ষ্মী-সৰস্বতী, নৱগ্ৰহ, দশাৱতাৰ আদি হিন্দু দেৱ-দেৱীক কেন্দ্ৰ কৰি ৰচিত বন্দনা, মনঃশিক্ষা, মনবোধ, মানস ভজন, বৌদ্ধ-তান্ত্ৰিক ভক্তিগীতিকা, গুৰুবন্দনা আদি ভক্তিগীতিৰে উড়িয়া ভক্তি-সাহিত্য চহকী।

ভক্তিগীতিৰ পৰ্যায় : উড়িষ্যাৰ ভক্তিগীতি প্ৰধানতঃ জনান (+অ) আৰু ভজন পৰ্যায়ৰ। ভক্তৰ উপাস্য দেৱ-দেৱীৰ ৰূপ-গুণ আৰু লীলাৰ বৰ্ণনা, জনানত ভক্তৰ অভিলাষ আদি প্ৰকাশিত হৈছে। ইয়াৰ বাহিৰে চৌতিশা, কোইলি, অষ্টক, পঞ্চ আদি কাব্য-ৰূপৰ মাধ্যমেৰে উড়িয়া ভক্তকবি ভক্তি-ভাৱনাই অভিব্যক্তি লাভ কৰিছে। ৰাজন বৰ্ণাদ্য শব্দসমূহক ক্ৰমান্বয়ে এটি কবিতাত বিন্যাস কৰি উড়িষ্যাৰ প্ৰাচীন কবিসকলে বিচিত্ৰ চউতিশা লেখি গৈছে,—

'কমল নেত্ৰ হৰি; খণ্ড দুঃখ মোহৰি,
গৰিব ডাক শুন, ঘনে শ্ৰৱন তেৰি …।'
(চউতিশা)

[হে কমল-নেত্ৰ হৰি ! দুখ মোৰ খণ্ডন কৰা; এবা, দুখীয়াৰ কাতৰ প্ৰাৰ্থনা কাণ পাতি শুনা…।]

'কোইলি' হ'ল কুলি, ষোড়শ শতিকাৰ পাছত কুলিক সম্বোধন কৰি বিবিধ ভাৱসম্বলিত কোইলি গীতিকা ৰচিত হৈছে।

'কোইলি লো কেশৱ যে মথুৰাকু গলা
কাহা বোলে গলা পুত্ৰ বাহুৰি নইলা, লো
কোইলি…!'

[কুলি- ! কেশৱ যে মোৰ মথুৰালৈ গ'ল। কাৰ কথাত গ'ল যে এতিয়ালৈকে উভতি নাহিল।] — এই হিয়াখন কুলিৰ আগত মেলি দি মাতৃ যশোদাই শোক প্ৰকাশ কৰিছে।

শবীৰ-ভেদ গীত অসমৰ দেহবিচাৰ গীতৰ সমপৰ্যায়ৰ। উড়িয়া ভক্তিকবিতাৰ ই অন্য এটি বিভাগ। এই গীত তান্ত্ৰিক ভাৱধাৰাৰ প্ৰভাৱপুষ্ট। আৰ্তদাসৰ 'হংসজীৱাত্মা' কবিতাত দেহাক এডাল কদম বৃক্ষ আৰু আত্মাক হংস কল্পনা কৰা হৈছে। শবীৰভেদ-



মূলক গীতত ষড়চক্ৰ ভেদ, বায়ু সাধনা, ত্ৰিকূট সন্ধিৰে জ্যোতি দৰ্শন আদিৰ উল্লেখ আছে। এই গীতিত পঞ্চসখা কবিৰ চৰ্যাৰ বিকল্পে এটি প্ৰতিবাদৰ সুৰো সু-স্পষ্ট হৈ আছে।

মন ভুলনাৰে চাহি ত্ৰিকূট সন্ধিকি
ত্ৰিকূট সন্ধিৰে নিৰাকাৰ বিজে লয় লগাঅ তহিঁকি।
(শবীৰ ভেদগীত)

[ত্ৰিকূট সন্ধিলৈ চাই পঠিয়াই, মন, তুমি কিন্তু আপোন-পাহৰা নহ'বা। ত্ৰিকূট সন্ধিত নিৰাকাৰ নিজে বিৰাজমান হৈছে, মন তুমি সেই ফালে চোৱা।]

ষোড়শ শতিকাৰ পৰা বিংশ শতিকালৈ বৈষ্ণৱ ভক্তি-কবিতাৰ এটি ব্যাপক আৰু নিৰবচ্ছিন্ন ধাৰাই উড়িয়া সাহিত্যক পৰিপুষ্ট কৰি আহিছে। শিৱ, দুৰ্গা আৰু আন আন দেৱীৰ বন্দনামূলক গীতিৰ সংখ্যাতকৈ বিষ্ণু-ভক্তিমূলক গীতিকবিতাৰ সংখ্যা সৰহ। বৈষ্ণৱ ভক্তি-গীতত বিষ্ণুৰ বিবিধ অৱতাৰ আৰু মহিমাৰ বৰ্ণনাৰ লগতে ভক্ত ৰচয়িতাৰ পাপ-তাপৰ অপসাৰণৰ বাবে ব্যক্তিগত সকৰুণ আবেদনো থাকে :

'ভগৱান, আপুনি নিজে কুৰু সভাত দ্ৰৌপদীৰ বিপন্ন অৱস্থাত বস্ত্ৰদানেৰে লজ্জা নিবাৰিলে, নিবিড় বনত ব্যাধৰ হাতৰ পৰা মৃগীক উদ্ধাৰ কৰিলে, ধ্ৰুৱক ধ্ৰুৱলোকত স্থান দিলে, পাপী অজামিল আৰু পাষাণী অহল্যাক উদ্ধাৰিলে, মোৰ প্ৰতি ইমান নিষ্ঠুৰ কিয় …!'

'দীনবন্ধু দৈত্যাৰি দুঃখ নগলা মোহৰি,
হেল কি নিষ্ঠুৰ তুমে নীলাচলে বিজে কৰি।
কুৰু সভা তলে শুনি দ্ৰৌপদীৰ জনান,
কোটি বস্ত্ৰ দেই তাকু লজ্জা কৰ বাৰণ।'

লৌকিক স্নেহ, প্ৰেম, বাৎসল্যক ভিত্তি কৰি বৈষ্ণৱ ভক্তিকবিতাসমূহ ৰচিত হৈছে। এইবোৰ নীৰস জ্ঞানগৰ্ভ মাথোন নহয়, ভক্তিৰসেৰে সজল; যেনে আবেগময়, তেনে কবিত্বসম্পন্নও। বৈষ্ণৱ ভক্তি-কবিতাৰ উপাস্য দেৱতা গৰাকীও ৰসময়, প্ৰেমঘন কৃষ্ণ। এই অচিন্তনীয় ভগৱান পুত্ৰ, প্ৰভু, বন্ধু, সখা ৰূপেৰে প্ৰতিভাত হৈ পাঠকৰ অন্তৰঙ্গতা লাভ কৰিছে। এই ৰসময় বিষ্ণুৱেই ভক্তিকবিতা ৰচনাৰ ঘাই অনুপ্ৰেৰণা। বৈষ্ণৱ ভক্তিকবিতাৰ প্ৰখ্যাত ৰচয়িতা-সকল হ'ল কবি দীনকৃষ্ণ, বনমালী, কবিসূৰ্য বলদেৱ ৰথ, গোপালকৃষ্ণ আদি।

বহু প্ৰাচীন কালৰে পৰাই ভাৰতৰ সৰ্বাঞ্চলত ভগ-ৱানৰ নাম-গুণ-লীলা উচ্চ স্বৰেৰে কীৰ্তন কৰাৰ প্ৰথা প্ৰচলিত আছিল যদিও ষোড়শ শতিকাতহে গৌড়ীয় বৈষ্ণৱৰ মাজত অতি অৰ্থবোধক আছিল।

'নামলীলাগুণাদিনাং উচ্চৈ ভাষা তু কীৰ্তনম্।'
(ভক্তিৰসামৃত সিন্ধু)

উচ্চ কণ্ঠে উপাস্য দেৱতাৰ নাম-লীলা-গুণাদি গোৱা ৰীতিক কীৰ্তন বোলা হৈছিল। উড়িষ্যাত শ্ৰীচৈতন্যৰ আগমনৰ আগতে যদিও কীৰ্তনৰ জন্ম হৈছিল, চৈতন্যই হৰিনাম ৰসেৰে সংকীৰ্তনৰ প্ৰেম-অমৃতৰ নদী উড়িষ্যা ব্যাপি বোৱালে। শ্ৰীচৈতন্যই নিজেও চণ্ডীদাস, বিদ্যাপতিৰ সংগীত, ৰায় ৰামানন্দৰ নাটকৰ গীত আৰু গীতগোবিন্দৰ গীত গাই আনন্দ পাইছিল। তেওঁ পুৰীত অৱস্থানৰ সময়ত হৰিনাম সংকীৰ্তনে জনপ্ৰিয়তাৰ শীৰ্ষ বিন্দু পায়গৈ। পৰৱৰ্তী কালত নৰোত্তম দাস, গোবিন্দ দাস, জ্ঞান দাস, আদি বৈষ্ণৱ কবিয়ে বঙলা ভাষাত সংকীৰ্তন ৰচনা কৰিছিল যদিও সেইবোৰ উড়িয়া সাহিত্যৰ পৰ্যায়ভুক্ত হোৱা নাই। উড়িষ্যাত প্ৰচলিত সংকীৰ্তন দুই ভাগত বিভক্ত,— গৌড়দেশী আৰু উড়িছী কীৰ্তন। উড়িছী কীৰ্তন সম্পূৰ্ণ উড়িয়া; কিন্তু গৌড়দেশী বঙলা মিশ্ৰিত।

ভক্তিকবিতা আৰু শ্ৰীজগন্নাথ : উড়িয়া জাতীয়-জীৱনত জগন্নাথ-উপাসনাৰ প্ৰভাৱ অপ্ৰমেয়।

উদাৰতা, মৈত্ৰী, বিশ্বভ্ৰাতৃত্ব আৰু সমন্বয় বিস্তাৰ কৰাই এই উপাসনাৰ লক্ষ্য। বহু দেৱ-দেৱী উড়িষ্যাত উপাস্য হ'লেও শ্ৰীজগন্নাথ এই দেশত পৰমাত্মা ৰূপে গৃহীত। সেই কাৰণে উড়িয়া ভক্তি-সাহিত্য এই জগন্নাথক কেন্দ্ৰ কৰি লেখা ৰচনাৰে ঠাঁই খাই আছে। চতুৰ্দশ শতিকাত উড়িষ্যাৰ ধৰ্ম-জীৱনত জগন্নাথৰ প্ৰাধান্যই স্বীকৃতি লাভ কৰিছিল। জগন্নাথক কেন্দ্ৰ কৰিয়েই প্ৰথম ভক্তি-কবিতা মহাভাৰতৰ কবি সাৰলাদাসৰ লেখনীৰ পৰা নিঃসৃত হৈছে। ষোড়শ শতিকাত পঞ্চসখাৰ আবিৰ্ভাৱত বৈষ্ণৱ ধৰ্মৰ পুনৰ জাগৰণ ঘটাত ভক্তকবিসকলে জনান (+অ), ভজন, চৌতিষা আদি ৰচনা কৰি ভক্তি-সাহিত্যৰ এটি পৰম্পৰা সৃষ্টি কৰে।

শ্ৰীজগন্নাথক উড়িষ্যাৰ ভক্তকবিসকলে মানৱৰ পৰম আশ্ৰয়, দুৰিত-নিবাৰণ, পতিত-পাৱন আৰু ৰক্ষাকাৰী ৰূপে ভক্তিসংগীতত বৰ্ণাইছে; কেতিয়াও ৰুদ্ৰ বা ভয়ঙ্কৰৰ প্ৰতিভূ ৰূপে কল্পনা কৰা নাই।

'পতিত পাৱন বানা আউ কেতে বেলকু
ভাসি গলি ভব জলে নাব দিও কূলকু ...।'

[হে পতিত পাৱন বানা! আৰু নো কেতিয়া মোৰ নাওখন কূললৈ আনিবা? মই যে ভৱ-সাগৰত ভাঁহি আছোঁ। ...]

বৈষ্ণৱ কবিসকলে কৃষ্ণক যেনেকৈ দাস্য, সখ্য, বাৎসল্য, মধুৰ আদি বিবিধ ভাৱেৰে ৰসস্নিগ্ধ কৰি চিত্ৰিত কৰিছে, শ্ৰীজগন্নাথকো তেনেকৈয়ে জগবন্ধু, দীনবন্ধু, মানৱৰ পৰম হিতকাৰী ৰূপে বৰ্ণনা কৰি কৃষ্ণ-জগন্নাথ যে অভিন্ন, তাকে প্ৰতিপন্ন কৰিছে।

'কালিয়া কাহ্নু, আউ বিলম্ব কৰ কাহিঁকি,
ৰৰষকে থৰে বিজয় ৰথৰে পতিত ভাবিবা পাইঁকি।'

[কলীয়া কাণাই, কিয় বাৰু পলম কৰা? বছৰত মাথোন এবাৰহে ৰথ আৰোহণ কৰি পতিত উদ্ধাৰৰ বাবে আহাঁ। আহিবা যেতিয়া আৰু পলম কিয়?]

গৌড়ীয় বৈষ্ণৱ সাহিত্যত ৰাধা-কৃষ্ণৰ মাজত মধুৰ সম্পৰ্ক স্থাপন হোৱাৰ নিচিনাকৈ উড়িষ্যাৰ ভক্ত কবিসকলেও লক্ষ্মী-জগন্নাথৰ মধুৰ সম্পৰ্ক ৰচনা কৰি উড়িষ্যাৰ জনচিত্ত বিমোহিত কৰিছে।

উড়িয়া ভক্তি-গীতি খৃঃ ১৫৫০ৰ পৰা খৃঃ ১৯০০ এই কালছোৱাৰ ভিতৰতে বিবিধ ৰূপ-ৰস-অভি ব্যক্তিৰে বিকশিত হৈছেহি। উড়িয়া সাহিত্যত তাৰ গৌৰৱোজ্জ্বল আসন স্বতন্ত্ৰ ভাৱে নিৰ্ধাৰিত হৈছে। এই ভক্তি-গীতি বিকাশৰ দ্বাৰা উড়িয়া সমাজ আৰু সংস্কৃতিৰ সৈতে নিবিড় ভাৱে সম্বন্ধিত। সৰ্বভাৰতীয় হিন্দু আৰ্য সংস্কৃতিৰ সমস্ত প্ৰভাৱ সত্বেও উড়িষ্যাৰ জনসাধাৰণে উড়িয়া মাটিৰ ৰক্ষণ-শীল মনোবৃত্তি পৰিহাৰ কৰা নাছিল। উড়িয়া লোকসংস্কৃতিৰ বিশ্বাস, ধৰ্মবোধ আৰু কল্পনাৰ পৰিচয় উড়িয়া ভাষাত ৰচিত বহু লোকগাথা, কাহিনী, প্ৰবাদ, প্ৰবচন ভক্তিগীতি, বন্দনাগীতি, বোলিগীতি নিচুকনীগীত, কৰমাগীত আদিৰ পৰাই পোৱা যায়। যুগে যুগে উড়িয়া জন-মানস উৰ্দ্ধৰ দিলে যে উৎকণ্ঠিত, তাৰেই নিদৰ্শন উড়িয়া ভক্তিকাব্যই বহন কৰিছে। কাব্য-কলা-কৃষ্টি-কমনীয়তাৰে উড়িয়া সঁচাকৈ বৰ মনোৰম। সেই বাবে উড়িষ্যাৰ অন্য নাম উৎকল,— উৎকৃষ্ট কলা যস্য স দেশঃ। জয়তু উৎকল, জয়তু উড়িষ্যা!

---

# টেনিচি উইলিয়াম্ছৰ নাটক

শ্ৰীকুতুবুদ্দিন আহমেদ

এক্সপ্ৰেচ'নিজিম আৰু চিম্বলিক টেক্নিকৰ অপূৰ্ব মায়াজালেৰে আধুনিক মঞ্চজগতত এক নতুন প্ৰবাহৰ সৃষ্টি কৰা নাট্যবিশাৰদসকলৰ ভিতৰত আমেৰিকাৰ টেনিচি উইলিয়াম্ছৰ নামো বিশেষভাৱে উল্লেখযোগ্য। ঊনবিংশ শতিকাৰ শেষৰ পৰাই ইব্ছেনৰ নাটকত ৰিয়ালিষ্ট আন্দোলনে গা কৰি উঠিছিল। ষ্ট্ৰিণ্ড্বাৰ্গ আৰু পিৰাণ্ডেলোৰ হাতত এই ধাৰাই অধিক পুষ্টি পৰিগ্ৰহ কৰিছিল। টেনিচি উইলিয়াম্ছ প্ৰধানতঃ পিৰাণ্ডেলোৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। যুদ্ধোত্তৰ যুগৰ পৰা উইলিয়াম্ছৰ নাম আধুনিক নাট্য-আন্দোলনৰ আন এজন গুৰিয়াল আৰ্থাৰ মিলাৰৰ সৈতে একেলগে ৰবাৈক ৰজন্জনাই উঠিছিল। পিৰাণ্ডেলোৰ নাটকত দেখা দিয়া বাস্তৱ-বাদৰ আলমত উইলিয়াম্ছে প্ৰাথমিক অৱস্থাত দুখন নাট ৰচনা কৰিছিল: দি গ্লাচ মিনেজাৰী আৰু ষ্ট্ৰিটকাৰ নেইমড্ ডিজায়াৰ। দুয়োখন নাটকৰ মঞ্চ-সফলতাই কেৱল আমেৰিকা কিয়, সমগ্ৰ বিশ্বত উইলিয়াম্ছক এক বিৰল সৌভাগ্যৰ অধিকাৰী কৰি তুলিলে। উইলিয়াম্ছৰ 'কেট অন এ হট টিন ৰুফ' আৰু 'কেমিন' ৰিয়েল' নাটক দুখনেও ব্যৱ-সায়িক দিশত প্ৰচুৰ সফলতা অৰ্জন কৰিছিল।

গ্লাছ মিনেজাৰীত নাট্যকাৰ অপূৰ্ব কৌশলেৰে এপৰাকী মাতৃৰ নিৰ্মম মোহভংগৰ কথা সুন্দৰকৈ উপস্থাপন কৰাত সফল হৈছে। আমান্ডা উইংফিল্ড, পুত্ৰ টম, কন্যা ল'ৰা আৰু পুত্ৰৰ সহকৰ্মী জিম অ' কন'ৰ নামৰ মাত্ৰ চাৰিটা চৰিত্ৰৰ মানসিক অস্তিত্বক বিভিন্ন দিশত দাঙি ধৰি স্বাভিব্যক্তিবাদী ধাৰাৰ এক অভিনৱ পৰীক্ষা কৰি নাট্যকাৰে কৃতকাৰ্যতা লাভ কৰিছে। 'গ্লাছ মিনেজাৰী' নাটকৰ নামটোৱেই প্ৰতীকবাদৰ এক গভীৰ ব্যঞ্জনা দিয়ে। আমাণ্ডাৰ তেইছ বছৰীয়া জীয়ৰী ল'ৰাৰ এখন ভৰি প্ৰয়োজন-তকৈ চুটি। তেওঁ কাঁচৰ দেৱালেৰে আবৃত এখন জীৱ-জন্তুৰ আলয় নিৰ্মাণ কৰি তাৰ মাজতেই আবদ্ধ হৈছে। মাতৃ আমাণ্ডাই জীয়েকৰ মনো-বেদনাৰ খবৰ নলয়। দক্ষিণাঞ্চলৰ আটাইতকৈ ৰূপহী মহিলা বুলি একালত লাভ কৰা খ্যাতিৰ স্মৃতি এতিয়াও সকলো সময়তে তেওঁ বহন কৰি ফুৰিছে। ফলত আমাণ্ডাৰ বাস্তৱ জগতখন ধূৱলি-কুঁৱলী হৈছে, পতিয়ে তেওঁক ত্যাগ কৰিছে। সাহিত্য-সৃষ্টিৰ প্ৰচুৰ সম্ভাৱনা থকা সত্বেও পুত্ৰ টমে ওৱেৰ-হাউচত নীৰস, গতানুগতিক কেৰাণীৰ চাকৰি কৰি এফালে পঙ্গু ভগ্নী আৰু আন ফালে কল্পনাৰ চাৰণ-ভূমিত পথভ্ৰষ্ট হোৱা মাতৃৰ মাজত নিজকে স্থাপন কৰিব লগা হোৱাত ভাৰসাম্য হেৰুৱাই শেষত বিদ্ৰোহ কৰিবলৈ বাধ্য হৈছে। জিম অ' কন'ৰ ল'ৰাৰ স্কুলীয়া জীৱনৰ নায়ক আছিল। এসময়ত তেওঁ আমাণ্ডাৰ ঘৰলৈ আহি আনৰ লগত হ বলগীয়া

বিবাহ-বন্ধনৰ কথা ঘোষণা কৰি ল'বাৰ অন্তৰত প্ৰচণ্ড আঘাত হানি থৈ যায়। উক্ত নাটকৰ পাৰিবাৰিক সমস্যাটোৱে দৰ্শকৰ সহানুভূতি সহজে উদ্ৰেক কৰি ৰস সঞ্চাৰ কৰি তোলাত নাটকখন অধিক জনপ্ৰিয় হৈ উঠিছে। এই নাটকত ট্ৰেজেডিতকৈও এক গভীৰ কাৰুণ্যবোধ (Pathos) হে সমালোচকসকলে লক্ষ্য কৰিছে। জীয়েকক অবাঞ্ছনীয় ভাৱে দক্ষিণাঞ্চলৰ এগৰাকী বিখ্যাত বেলেৰিণা কৰি তোলা, পুত্ৰ টমক ল'বাৰ বাবে দৰা বিচৰাৰ নিৰ্দেশ দিয়া আৰু শেষত জীয়েকৰ মোহভংগ হোৱা কাৰ্যত উক্ত বিষাদবোধে নাটকখনিৰ গভীৰ পৰিণতি আনি দিয়া দেখা যায়।

তেওঁৰ দ্বিতীয় উল্লেখযোগ্য নাটক 'এ ষ্ট্ৰীট্‌কাৰ নেইমড্‌ ডিজায়াৰ'তো গভীৰ মননশীলতাৰে মানসিক অন্তৰ্দ্বন্দ্ব আৰু মানৱ-অনুভূতিক এনে এক পৰ্যায়লৈ নাট্যকাৰে উন্নীত কৰিছে যে প্ৰত্যেক দৰ্শক আৰু পঢ়ুৱৈৰ মনত ই দোলা দি যায়। ইলিউশ্যন আৰু ৰিয়ালিটিৰ মাজত সংঘাতেই হৈছে নাটকখনিৰ প্ৰধান উপজীৱ্য। থূলমূলকৈ নাটকখনিৰ কাহিনীটো এনে ধৰণৰ: জীৱন সম্পৰ্কে অস্পষ্ট ধাৰণা লৈ কগ্ন মানসিকতাৰ অধিকাৰী ব্লাঞ্চি নিউ অৰ্‌লিয়েন্‌চত থকা ভনীয়েক ষ্টেলাৰ ওচৰত কিছু দিন থাকিবলৈ আহিল। ব্লাঞ্চিয়ে ভনী-জোঁৱায়েক ষ্টেন্‌লী কোৱাল্‌স্কীৰ কক্ষ, অপৰিশীলিত আৰু কঠুৱা আচৰণ একেবাৰে সহ্য কৰিব নোৱাৰে। অন্য হাতে ব্লাঞ্চিৰ অস্বাভাৱিক কৃত্ৰিম জীৱনক সন্দেহ কৰি তেওঁৰ কুখ্যাত অতীতটোক ধৰা পেলায় ষ্টেন্‌লীয়ে। ব্লাঞ্চিয়ে প্ৰেমত পৰি এক ভদ্ৰলোকক বিয়া কৰাইছিল। পাছত সেই নপুংসক ভদ্ৰলোকে তাড়নাত পৰি আত্মহত্যা কৰিলে। অৱশেষত ব্লাঞ্চি আভিজাত্যৰ ভেম আৰু কপটতাৰ সহায়ত ফ্লৰিদাৰ মিট্‌চেল নামে ধনী যুৱক এজনক বন্দী কৰিবলৈ সক্ষম হ'ল। ব্লাঞ্চিৰ জন্মদিনৰ দিনা উক্ত যুৱকে মাকৰ অনুমতি সাপেক্ষে আহি বিয়া কৰোৱাৰ কথা। কিন্তু মিট্‌চেল নাহিল। ইয়াৰ পৰিবৰ্তে কোৱাল্‌স্কী আহি ব্লাঞ্চিক জনালেহি যে তেওঁৰ সকলো অতীত কাহিনী ইতিমধ্যে মিট্‌চেলক সদৰি কৰি দিয়া হৈছে; কাৰণ, তেওঁ কোনোপধ্যে কপটতাৰ মূৰ্ত প্ৰতীক ব্লাঞ্চিৰ লগত মিট্‌চেল বিবাহপাশত আবদ্ধ হোৱাটো নিবিচাৰে। তথাপি ব্লাঞ্চিৰ ক্ষেত্ৰত ৰোমাণ্টিক ভাববিলাসৰ ইলিউশ্যন চলি থাকিল। ইয়াৰ ফলত ব্লাঞ্চি এদিন কোৱাল্‌স্কীৰ বন্য কামনাৰ বলি হ'বলগীয়া হ'ল। অৱশেষত দুঃখজনক ভাৱে ব্লাঞ্চিক এচাইলামলৈ পঠিয়াই দিয়া হয়। উক্ত কাহিনীটোত দুটা চৰিত্ৰ সংঘাত উপস্থাপনৰ যোগেদি ইলিউশ্যন আৰু ৰিয়ালিটিৰ তীব্ৰ সংঘাত সৃষ্টি কৰাত উইলিয়াম্‌ছ সক্ষম হৈছে। ডষ্টয়েভ্‌স্কী, ফ্লবেৰ, মপাচাঁ আদিৰ গল্প-উপন্যাসৰ চৰিত্ৰৰ গভীৰ মনস্তাত্ত্বিক কাৰ্যকলাপৰ লগত একেশাৰীতে এই নাটকৰ তুলনা হয়। ইলিউশ্যন আৰু ৰিয়ালিটিৰ প্ৰতীক হিচাপে যথাক্ৰমে ব্লাঞ্চি আৰু কোৱাল্‌স্কীক উপস্থাপন কৰা হৈছে। গাছনাৰ, গেছ্‌কইন আদি সমালোচকসকলে চৰিত্ৰাংকনত কিছু অস্বাভাৱিকতা লক্ষ্য নকৰাকৈ থকা নাই; তথাপি নাৰী-জীৱনৰ ইপ্সিত আকাংক্ষা আৰু নগ্নতাক ঢাকিবলৈ কৰা প্ৰচেষ্টাৰ এক কৰুণ পৰিণতিক সাৰ্থক মঞ্চৰূপ দিবলৈ নাট্যকাৰ সমৰ্থ হৈছে বুলি সমালোচক গাছ্‌নাৰে স্বীকাৰ কৰিছে। 'গ্লাছ মিনেজাৰী'ৰ দৰে এই নাটকতো প্ৰাৰম্ভণিৰ পৰা সূক্ষ্মভাৱে এক ট্ৰেজিক সুৰ বিদ্যমান।

'চামাৰ এণ্ড স্ম'ক' নাটকত প্ৰতীকৰ ব্যৱহাৰে আমাৰ উইলিয়াম্‌ছৰ অগ্ৰজ অ'নীললৈ মনত পেলাই দিয়ে। লাজকুৰীয়া আল্‌মা দৈহিক প্ৰেমৰ প্ৰতি বীতস্পৃহ কিন্তু তেওঁৰ প্ৰেমিক ডাক্তৰ ইয়াৰ সম্পূৰ্ণ বিপৰীত।



ল্‌মা আৰু ডাক্তৰ জ'নক যথাক্ৰমে এটা নিজৰাৰ ত থকা পাথৰৰ অপেশ্বৰী আৰু ৰেৰত ওলো- খোৱা, এনাটমী জ্ঞানৰ বাবে প্ৰদৰ্শন কৰা ুহৰ ছবিৰ প্ৰতীকেৰে পৰিস্ফুট কৰিবৰ া কৰা হৈছে। সময়ত আল্‌মা আৰু ডাক্তৰ য়ৰে ধ্যান ধাৰণাৰ পৰিবৰ্তন হয়; কিন্তু তেতিয়া ক বহুত পলম হৈ যায়।

ীয় চিন্তা-চেতনাৰে সম্পৃক্ত হৈ উইলিয়াম্‌ছে া 'দি ৰ'জ টেটু' নাটকখন প্ৰতীকৰ চূড়ান্ত হাৰ আৰু দীঘলীয়া মঞ্চ-নিৰ্দেশনাৰে কিছু বাক্ৰান্ত হোৱা দেখা যায়। যৌন-জীৱনৰ অনিৰ্বা- ত বহ্নিক প্ৰতীকী অৰ্থত মঞ্চৰ এটুকুৰা ওখ ঠাইত া গোলাপী ৰঙৰ চোলা এটাৰে দেখুওৱা হৈছে।

কাধিক নাট্যকৌশল আৰু প্ৰতীকৰ ব্যৱহাৰেৰে লিয়াম্‌ছৰ 'কেমিন' ৰিয়েল' নাটখনিও মঞ্চ- ৎত এক চমকপ্ৰদ সংযোজন। মধ্যযুগীয় ৰকৰ ক্ষয়িষ্ণু ভাবাদৰ্শ আৰু মোহভংগক গল্পৰ লেৰে মঞ্চত উপস্থাপন কৰা হৈছে। পূৰ্বতে লেখ কৰা অধিক সংখ্যক প্ৰতীক আৰু নাট্য- কৌশলৰ সঘন ব্যৱহাৰৰ ফলত বক্তব্য বিষয়ে াৰসামা কিছু হেকৰাই পেলাইছে যেন বোধ 'লেও দুটামান অপূৰ্ব দৃশ্যৰ অৱতাৰণা আৰু চিত্তাকৰ্ষক সংলাপৰ প্ৰয়োগে নাটখনিৰ সজীৱতা ৰাই অনাত সহায় কৰিছে। ফলত, আৰ্থিক দিশতো এই নাটকে সফলতা লভিছিল।

'চাদেন্‌লী লাষ্ট্‌ চামাৰ' নাটকত কিছুমান দীঘলীয়া ইমেজৰ ব্যৱহাৰ কৰি চেবাষ্টিয়ান নামে এজন াৰী কৰিব সৈতে দুগৰাকী ভিন্ন নাৰীৰ জীৱন- াথা বৰ্ণাবলৈ চেষ্টা কৰা হৈছে। ইয়াত কেইটামান ন দুই যোৱা ইমেজে, বিশেষকৈ উইলিয়াম বাট্‌লাৰ ইয়েট্‌চৰ বিখ্যাত কবিতা 'দি চেকেণ্ড কামিং'অৰ দৰে আকাশ-মাৰ্গৰ পৰা অৱনমিত হ'ব ধৰা কিছুমান চৰাইৰ দৃশ্যই এক ব্যঞ্জনা আনি দিছে। এটা জটিল পটভূমিক সহজ কৰি তুলিবলৈ নাট্যকাৰে অভিনৱ নাট্য-কৌশল অৱলম্বন কৰিছে: এজন ডাক্তৰৰ দ্বাৰা উত্থাপিত প্ৰাশ্নটো প্ৰশ্নৰ বাবে একোটা দৃশ্যৰ অৱতাৰণা কৰি নাৰী কেইগৰাকীৰ উত্তৰ মঞ্চত দেখুওৱা হৈছে।

উইলিয়াম্‌ছৰ পৰৱৰ্তী 'বেটল অৱ এঞ্জেলছ্', 'অৰফিয়াছ ডিচেনদিং', 'চুইট বাৰ্দ অৱ ইঅথ' আদি নাটকেইখনে তেনে কোনো উল্লেখযোগ্য অৱদান আগবঢ়োৱা লক্ষ্য কৰা নাযায়। কিন্তু অপেক্ষাকৃত কম প্ৰতীকৰ ব্যৱহাৰ কৰি ৰচনা কৰা 'কেট অন এ হট টিন ৰুফ' নাটকখন সমগ্ৰ আমেৰিকা আৰু ইউৰোপৰ মঞ্চত সমাদৃত হয়। প্ৰকৃতপক্ষে ক'বলৈ গ'লে উইলিয়াম্‌ছৰ নাটকখনতেই আটাইতকৈ জটিল, আঁত লগা প্লটৰ ব্যৱহাৰ হৈছে; অতৃপ্ত বাসনাৰ মূৰ্ত প্ৰতীক মেজি আৰু তেওঁৰ স্বামী ব্ৰীকৰ বাসনাৰ অপূৰ্ণ সংসাৰখনক লৈ গঠিত হৈছে মূল প্লট। লগতে ব্ৰীকৰ মদ্যপান আৰু তেওঁৰ পিতৃ কৰ্কট ৰোগত আক্ৰান্ত হোৱা দুটা উপকাহিনীও ইয়াৰ লগত জড়িত কৰা হৈছে। প্ৰতিটো অংক বিভাজনতে সুকীয়া নাট্যবস্তুক ৰূপ দিবলৈ চেষ্টা কৰা হৈছে। 'গ্লাছ মিনেজাৰী'ৰ দৰে দীঘলীয়া মঞ্চ-নিৰ্দেশনা এই নাটকৰো বিশেষত্ব।

টেনিচি উইলিয়াম্‌ছৰ নাটকসমূহ পৰ্যালোচনা কৰাৰ পাছত এটা কথা সহজে বোধগম্য হয় যে স্বাতি-ব্যক্তিবাদ আৰু প্ৰতীকবাদৰ তেওঁ এজন প্ৰধান হোতা আছিল। এই দুটা নাট্যপদ্ধতি যে মানৱীয় অনুভূতিক, সুতীব্ৰ ভাবাবেগসমূহক মঞ্চৰূপ দিয়াত অধিক সহায়ক হৈ উঠিব, সেই কথা তেওঁ বুজিছিল।

প্ৰকৃততে, উইলিয়াম্‌ছ একজন সুদক্ষ শিল্পী আছিল। বিভিন্ন বঙৰ তুলিকাৰে সীমাৰেখা অংকন কৰি বক্তব্য বিষয়ক এই গৰাকী শিল্পীয়ে বন্দী কৰিছিল। মঞ্চ-জগতত ত্ৰিমাত্ৰিক (Three Dimension) আহিৰ পোষকতা কৰা নাট্যশিল্পী, সমালোচক গৰ্ডন ক্ৰেইগে সুন্দৰৰ আৰাধনাক নাট-জগতৰ খেল হিচাপে লোৱাৰ দৰে উইলিয়াম্‌ছেও সেই সৌন্দৰ্যক অধিক মোহনীয় আৰু গতিশীল ৰূপত উপস্থাপন কৰিব বিচাৰিছিল। নাট্যকাৰৰ নিজৰ ভাষাত ক'বলৈ গ'লে, "The meaning of a play resides in those abstract beauties of form and colour and line, to which I would add light and motion"। চৰিত্ৰৰ জটিল মানসিক দ্বন্দ্বসমূহ কেৱল উপন্যাসতহে বিকাশ কৰাৰ থল থাকে। তেনে জটিল প্লট লৈও তেওঁ দুঃসাহসিকতাৰে নাট ৰচনা কৰি পৰৱৰ্তীসকলৰ বাবে এক আদৰ্শ স্থাপন কৰিছে। মানৱীয় অনুভূ... জগতখনত সত্য আৰু নিঠাৰে কৰা অন্বেষ... বাবে এওঁক লৰ্কা আৰু এন্‌ট্ৰইলৰ লগত তুল... পাৰি।

পূৰ্বতে উপেক্ষিত হোৱা তীব্ৰ অথচ খণ্ডিত মন... ভাৱাবেগসমূহ আৰু চৰিত্ৰৰ মানসিক অৱস্থা... নিখুঁট ভাৱে মঞ্চৰূপ দান কৰি পিৰাণ্ডেলোৱে... বিশিষ্ট নাট্য-পদ্ধতিৰ আদৰ্শ সৃষ্টি কৰিছিল। ... আদৰ্শেৰে অনুপ্ৰাণিত হৈ পিৰাণ্ডেলোৰ অনু... টেনিচি উইলিয়াম্‌ছে এক্সপ্ৰেছ'নিজিম আৰু ... নাট্যৰীতিক বিশ্বৰ নতুন নাট্য-আন্দোলনৰ ... জনপ্ৰিয় আৰু শক্তিশালী ধাৰা হিচাপে প্ৰতি... কৰিলে; আৰু আমি বিশ্বাস কৰোঁ, টেনিচি উই... লিয়াম্‌ছৰ উল্লেখযোগ্য কৃতিত্ব এইখিনিতেই। •

★ সহায়ক গ্ৰন্থ :


১। Modern Drama, Essays in Criticism : Edtd- by Travis Bogard & Williams I. Ol...

২। Twentieth-Century Drama : by Bamber Gascoigne.


---

# নাগামিজ : নগাৰাজ্যৰ জনতাৰ ভাষা

(এটি আভাস)

শ্ৰীভীমকান্ত বৰুৱা

১৯৬৩ চন। ১ ডিচেম্বৰ। দিনটো কেৱল অসম বা নগাভূমিৰ বাবেই নহয়, সমগ্ৰ ভাৰতৰ বাবেই এটা স্মৰণীয় দিন। এইটো দিনতেই ভাৰতৰ ৰাষ্ট্ৰপতি ড° ৰাধাকৃষ্ণণে এখন নতুন ৰাজ্যৰ ঘোষণা কৰি কৈছিল— "Let all past rancour and misunderstanding be forgotten and let a new chapter of progress, prosperity and good will be written on a page which begins today"।[১] সেই নতুন ৰাজ্যখনেই আছিল তাহানিৰ আমাৰ বৰ-অসমৰে জীয়াৰী 'নগাভূমি', যিখন বৰ্তমানে প্ৰশাসনীয় সুবিধাৰ বাবে কহিমা, মোককচাং, টুৱেনচাং, ওখা, জুনহেবটু, ফেক আৰু মন এই সাতখন[২] জিলাত ভাগ কৰি লোৱা হৈছে। সাধাৰণতে ক'বলৈ গ'লে এইখন ৰাজ্যৰ অধিবাসী নগাসকল পূব ফালে ডিব্ৰুগড় জিলাৰ বুঢ়ীদিহিং আৰু চিংফো ৰাজ্যৰ পৰা পশ্চিমে নগাঁও জিলাৰ কপিলী নৈলৈকে বিয়পি আছে। গতিকে ডিব্ৰুগড়, শিৱসাগৰ আৰু নগাঁৱৰ কাষৰ পাহাৰীয়া গোটেই অঞ্চলটোত নগাসকল বাস কৰে। পাটকাই পৰ্বতৰ উত্তৰ কাষতো নগাসকলৰ বসতি দেখা যায়।[৩]

নগাভূমিত বাস কৰা লোকসকলক সাধাৰণতে নগা জনজাতি বুলি ক'লেও প্ৰকৃততে ই বহুতো উপজনজাতিৰ এটা সাধাৰণ নামহে। নগাসকলৰ মাই মাই উপজাতিবিলাক হ'ল— কন্যাক, আও, চেমা, লোঠা, আঙ্গামী, চাখেচাঙ্, ফোম্, য়িমচুংগ্ৰি, ৰেংমা, চাঙ, চংতাম, জেলিয়াং, পচুৰি, খেমুংগাৰ আদি। আওসকলতকৈ কন্যাক নগাৰ সংখ্যা অধিক। নগাসকলৰ এই বিভিন্ন গোষ্ঠী বা দলসমূহৰ প্ৰত্যেকৰে নিজা নিজা কথিত ভাষা আছে। এই কথিত ভাষাবোৰ তেওঁলোকৰ নিজৰ গোষ্ঠীটোৰ মাজতেই সীমাবদ্ধ হৈ থাকে। গতিকে অন্য গোষ্ঠী বা দলৰ নগাৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ তেওঁলোকে নাগামিজ ব্যৱহাৰ কৰে। 'নাগামিজ' শব্দটো নাগা + আচামিজ শব্দ দুটাৰ মিশ্ৰণত (Contamination or blending) সৃষ্ট (আৰু ই কহিমাৰ অনাতাঁৰ কেন্দ্ৰত মুদ্ৰিত)। Verrier Elwin আৰু

১ Dr. H. Bareh M. A. D. Phil : Gazetteer of India, Nagaland, Kohima District. 1970. P. 56.

২ Basic Facts of Nagaland. 1974.

৩ Dr. L. Devil : Ahom Tribal Relations. P. 16.

Dr. H. Bareh প্ৰয়োজন পণ্ডিতেই নাগামিজক অসমীয়া ভাষাৰ এটা সৰল ৰূপ বুলিছে।[৪]

ওপৰত কৈ অহা হৈছে যে নগাভূমি আমাৰ বৰ-অসমৰে জীয়াৰী। বৰ্তমান ৰাজনীতিয়ে অসমক নগাভূমিৰ পৰা পৃথক কৰিলেও তাহানিৰ পৰা থকা আমাৰ সামাজিক সম্পৰ্ক বিচ্ছিন্ন কৰি দিব পৰা নাই। নগা ভাইসকলৰ লগত আমাৰ অসমীয়াৰ এই সম্পৰ্ক আছিল আহোমৰ দিনতেই বেছি। কিয়নো ইয়াৰ আগতে চতুৰ্থ আৰু দ্বাদশ শতাব্দীৰ কামৰূপৰ হিন্দু ৰজাসকলৰ দিনত নগা-সকলৰ লগত থকা সম্পৰ্কৰ সাক্ষ্য বুৰঞ্জীয়ে নিদিয়ে। ইতিহাসৰ এই কালছোৱাত অসমত দুই এক নগাৰ বিচৰণৰ বাহিৰে কোনো শৃঙ্খলাবদ্ধ উল্লেখ বুৰঞ্জীত পোৱা নাযায়। সেইবাবে নগাসকলৰ লগত অসমীয়াৰ সম্পৰ্কৰ কথা আলোচনা কৰিবলৈ হ'লে আমি আহোমৰ দিনলৈ পিছুৱাই আহিব লগা হয়। Hotton আৰু Gait চাহাবৰ মতে আহোমসকলে প্ৰথম সান্নিধ্যলৈ অহা জনজাতিটো হ'ল পূবৰ নগা জনজাতি (Eastern Naga)। আহোম বুৰঞ্জীত নগাসকলৰ কথা পোৱা যায়। ত্ৰয়োদশ শতাব্দীৰ আৰম্ভণিতে অসমত আহোম ৰাজ্য স্থাপন কৰা আদি ৰজা চুকাফা এই নগাভূমিৰ মাজেৰেই অসমলৈ আহে। নগাসকলে তেওঁৰ গতি ৰোধ কৰিবলৈ চেষ্টা কৰাত নগাসকলক দমন কৰিবৰ বাবে অত্যাচাৰ আৰম্ভ কৰিছিল।[৫] চুকাফাই নগাসকলক কৰা এই দানৱীয় অত্যাচাৰৰ কথা বাদ দি সপ্তদশ শতিকাৰ দিনে আহোমসকলৰ লগত নগাসকলৰ সম্পৰ্ক যথেষ্ট উন্নত দেখা যায়। চুচিনফা, নৰিয়াৰজা বা চুতানফাৰ (১৬৪৪ খৃঃ — ১৬৪৮ খৃঃ) দিনত কেইজনমান খামজঙীয়া নগা আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁৱলৈ আহি ৰজাৰ আগত আঁঠু লৈ কেইঘৰমান নগা গাঁৱৰ বিপক্ষে আহোম ৰজাৰ সহায় ভিক্ষা কৰিছিল।[৬] সপ্তদশ শতিকাৰ আগলৈকে দিখৌ আৰু বুঢ়ীদিহিং নৈৰ মাজত বাস কৰা নগাসকলৰ লগতেই আছিল আহোমসকলৰ সম্পৰ্ক বেছি। অৱশ্যে সপ্তদশ শতিকাৰ শেষৰ ফালে গদাধৰ সিংহৰ (১৬৮১খৃঃ-১৬৯৬ খৃঃ) দিনত দৈয়াং উপত্যকাত বাস কৰা লোঠা নগাৰ লগত অসমীয়াৰ সম্পৰ্ক ঘটিছিল।

ইয়াৰ পৰবৰ্তী কালছোৱাত অসমত ইংৰাজ শাসনৰ দিনতো আঙ্গামী নগাসকলৰ বিপক্ষে বৃটিছ চৰকাৰে দমনৰ বাবে এদলৰ পাছত অন্যদল সৈন্য পঠোৱাৰ কথা মিলৰ বিপৰ্টত আছে। তথাপি ঠায়ে ঠায়ে নগাসকলৰ লগত সুন্দৰ সম্বন্ধৰ কথা পোৱা যায়। পশ্চিমৰ নগাসকলে (Western Nagas) ভৈয়ামলৈ কপাহ, আদা, জলকীয়া আৰু পূবৰ নগাসকলে (Eastern Nagas) নিমখ আনিছিল আৰু ঘাইকৈ ভৈয়ামৰ পৰা লৈ গৈছিল চাউল, হাঁহ-কুকুৰাৰ দৰে খাবতীয় সামগ্ৰী।[৭] ভৈয়ামৰ লগত বেহা-বেপাৰৰ প্ৰতি থকা নগাসকলৰ এই আগ্ৰহলৈ লক্ষ্য ৰাখিয়েই Captain Butler এ বৃটিছ চৰকাৰক ডিমাপুৰত

৪ Elwin, Verrier, 'Nagaland', 1961. P. 13.
Bareh. Dr. H., Gazetteer of India, Nagaland, Kohima District, 1970. P. 60.
৫ Gait, E. A. 'A History of Assam', Reprint 1976. P. 78-79.
বৰুৱা, গুণাভিৰাম, 'আসাম বুৰঞ্জী', ১৯৭২, পৃঃ ৬৭।
Golap Chandra Barua— 'Ahom Buranji', 1930. P. 45.
৬ Golap Chandra Barua— 'Ahom Buranji' 1930. P. 134.
৭ Mills, A. J, Moffat, Report on the Province of Assam, 1854, Calcutta; Appendix M. P. Cxxiv.



এখন হাট বহুৱাবলৈ পৰামৰ্শ আগ বঢ়াইছিল।[৮] শিৱসাগৰ জিলাৰ কাষৰীয়া নগাসকলৰ লগত বৃটিছ শাসনৰ কালছোৱাত সুন্দৰ সম্বন্ধ আছিল।[৯] তদুপৰি Lt. Colonel Jenkins চাহাবে Moffat Mills-লৈ দিয়া এখন চৰকাৰী চিঠিত লেখিছিল,— "বৰ্তমানে নগাসকলৰ লগত আমাৰ সম্পৰ্ক অতি সন্তোষজনক আৰু তেওঁলোকৰ সম্পৰ্কে পৰামৰ্শ আগ বঢ়াবলৈ মোৰ একো নাই।"[১০] এই দৰে বিভিন্ন ৰাজনৈতিক আৰু বাণিজ্যিক কাৰণবশতঃ ধাৰাবাহিক ভাৱে পাহাৰৰ নগাসকলে ভৈয়ামৰ অসমীয়াভাষীসকলৰ লগত ভাৱৰ আদান-প্ৰদান কৰি চলিব লগা হৈছিল। ফল স্বৰূপে অসমীয়া ভাষাই নগা ভাইসকলৰ মুখত এটি নতুন ৰূপ লৈ নগাভূমিত গা কৰি উঠিল; যিটো ভাষা বৰ্তমানে নগা পাহাৰৰ বিভিন্ন উপ-জনজাতিৰ মাজত কথোপকথনৰ মাধ্যম হিচাপে শিক্ষিত আৰু অশিক্ষিতভেদে ব্যৱহাৰ কৰি আহিছে।

নগা পাহাৰত বৃটিছ শাসনৰ পাছৰে পৰাই নাগামিজ ভাষাই নগাসকলৰ সামাজিক জীৱনত যথেষ্ট ঠাই আগুৰিলে। কিয়নো প্ৰশাসনীয় ব্যৱস্থাৰ কাৰণে বৃটিছ চৰকাৰে 'আসাম পুলিচ' আৰু 'আসাম ৰাইফলচ' নগাভূমিত ৰাখিব লগা হৈছিল। 'আসাম ৰাইফলচ'ৰ প্ৰায় ভাগ মানুহেই অসমীয়াভাষী আছিল আৰু তেওঁলোকৰ বেছি ভাগেই কামৰূপ আৰু গোৱালপাৰা জিলাৰ। তদুপৰি প্ৰশাসনীয় অন্যান্য কৰ্মচাৰীসকলৰো বেছি ভাগ অসমৰেই আছিল। বৃটিছৰ শাসন, অসমীয়াৰ বাহিৰেও হিন্দী, বঙলা-ভাষী প্ৰশাসনীয় ব্যক্তি আৰু খৃষ্টান ধৰ্মৰ প্ৰাদুৰ্ভাৱৰ ফলত নাগামিজত অসমীয়া শব্দৰ বাহিৰেও হিন্দী, ইংৰাজী আৰু থলুৱা শব্দ বৈ গৈছে। কিন্তু লক্ষ্য কৰিবলগীয়া কথা, নাগামিজৰ বাক্য-বিন্যাস পদ্ধতি সম্পূৰ্ণ অসমীয়া ভাষাৰ আৰু উচ্চাৰণ পদ্ধতি বহু পৰিমাণে নামনি অসমৰ ওচৰ চপা। নগাভূমিৰ এই নাগামিজ ভাষাটোৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দ, বানান সম্বন্ধীয় কেউটা দিশতে গৱেষণা কৰাৰ বহল থল আছে। তলত নাগামিজ ভাষাৰ গোটেই-কেইটা দিশৰ বহল আলোচনালৈ নগৈ কেৱল ৰূপতত্ত্বৰ দিশটোকে আলোচনা কৰি চোৱা হ'ল। ভাষাটোৰ বাক্য-বিন্যাসৰ স্বৰূপটো এনে ধৰণৰ— 'জোল কিয়া নোহোলে নাগাবুলাক থাকিবো / তাকিবো নোআৰে। নাগাবুলাকে জোল কিয়া আৰু হুকান মাচ তু বোহুত খায়। লোথা বোচ তিতে ইতো বোহুত নামথাকা কোথা আছে।' ইত্যাদি।

বিশেষ্য ঃ বচন, লিঙ্গ আৰু কাৰক অনুসৰি বিশেষ্য সলনি হয়। লিঙ্গ ভেদ কৰিবলৈ মোতা, মাইকী শব্দ দুটা বিশেষ্য শব্দৰ আগত প্ৰয়োগ হয়।

বচন ঃ অসমীয়া ভাষাৰ দৰে নাগামিজতো দুটা বচন আছে— একবচন, বহুবচন। দ্বিবচন বুজাবলৈ সংখ্যাবাচক শব্দ দুইটা / দুটা ব্যৱহাৰ কৰা হয়। বহুবচনৰ চিনবিলাক হ'ল -বুৰ, -বুলাক, -খান, -লুক। বহুবচনৰ প্ৰত্যয়-যোগৰ পাছতহে বিভক্তি যোগ হয়। উদাহৰণ—

গোৰু-বুলাকো-ৰ (গোৰুবুলাকোৰ)
মানুহ-বুলাকো-ৰ (মানুহবুলাকোৰ)
আপ ন-খান-তু-ৰ (আপ নাখান তুৰ)
ই-বুৰ-বোচ তুতু (ইবুৰবোচ তুতু)
আপ না-লুক (আপ নালুক)

৮ Ibid. P. 50
৯ Ibid. P. 52.
১০ Ibid. Appendix M. P. Cxxiv

মান্যাৰ্থত -লুক প্ৰয়োগ কৰা হয়। অন্য বহুবচনৰ প্ৰত্যয়বোৰৰ ক্ষেত্ৰত বিশেষ বাধা–নিষেধ দেখা নাযায়। বহুবচনৰ প্ৰত্যয়বোৰ কেৱল বিশেষ্য আৰু সৰ্বনামৰ পিছতহে ব্যৱহাৰ হয়।

**লিঙ্গ** : নাগামিজত উভয়লিঙ্গসূচক কেতবোৰ শব্দ আছে। যেনে মানুহ, গোৰু, কুকুৰা ইত্যাদি। লিঙ্গ তিনি প্ৰকাৰে সূচাব পাৰি—

ক) লিঙ্গ পৰিবৰ্তন কৰিব লগা শব্দৰ আগত পুৰুষ-স্ত্ৰীবাচক ( মোতা / মাইকী ) শব্দ বহুৱাই—

খ) পুৰুষ আৰু স্ত্ৰীভেদে পৃথক শব্দ প্ৰয়োগ কৰি—

গ) আ, -ই, -নি প্ৰত্যয় যোগ কৰি—

উদাহৰণ :—

| | পুং | স্ত্ৰী |
|---|---|---|
| ক) | মোতা মানুহ | মাইকি মানুহ |
| | মোতা কুকুৰা | মাইকি কুকুৰা |
| খ) | লোৰা | লোৰি / চোআলি |
| | পুত্তেক | জিয়েক |
| গ) | মাচ্‌তুৰ | মাচ্‌তুৰ্‌নি |
| | বুৰা | বুৰি |

**কাৰক** : নাগামিজত সাতোটা কাৰক দেখা যায়। তলত কাৰক আৰু বিভক্তি নিৰ্ণয় কৰি দেখুওৱা হ'ল।

১। কৰ্তাকাৰক -ϕ, -এ
২) কৰ্ম -কে
৩) কৰণ -জোৰিয়োতে, পোৰা
৪) সম্প্ৰদান -লোই
৫) অপাদান -ৰ,-পোৰা
৬) সম্বন্ধ [ ৰ] -লাগা
৭) অধিকৰণ -তে।

উদাহৰণ—

১) কৰ্তাকাৰক— আমি জায়্।
একজোন্ মানুহে চেচ্‌তা কোৰি আচে কোইচে।
২) কৰ্মকাৰক— ইত্তো কোথা বেলবে মোন্‌তিকে জোনোৱা হোইচে।
৩) কৰণকাৰক— ইত্তো তাৰ্ জোৰিয়োতে কোৰিয়া [illegible] জুইপোৰা জোলি কেনে মোৰি জাইচে। তাৰ্‌পোৰা ইত্তো কাম্ কোৰি লোইচে।
৪) সম্প্ৰদান— বোচ্‌তি জাগাতে বেচি কাম্ কোৰি [illegible] বোলোই ভাবোনা আচে।
৫) অপাদান— কামোৰ্ পোৰা আহিচে।
৬) সম্বন্ধ— ঘোৰ্ লাগা বোচ্‌তু।
৭) অধিকৰণ— আমাৰ বোচ্‌তি বোহুত [illegible] আচে।

**সৰ্বনাম** : বিশেষ্যৰ দৰেই সৰ্বনামতো প্ৰত্যয়-যোগৰ ক্ষেত্ৰত একেবোৰ নিয়মকেই মানি [illegible] হয়। ব্যক্তিবোধক সৰ্বনামবিলাক [illegible] ব্যক্তিবোধক সৰ্বনামবোৰৰ কিছুমান তীৰ্যক [illegible] (oblique form) আছে; এইবোৰৰ পিছত -খান্, -লুক, -বুৰ্, যোগ কৰি বহুবচনৰ অৰ্থ কৰা [illegible]

**ব্যক্তিবোধক সৰ্বনাম :**

প্ৰথম পুৰুষ

| একবচন | বহুবচন |
|---|---|
| আমি | আমি খান্ |
| আমা (তীৰ্যক ৰূপ) | আমা-খান |
| মোই | |

দ্বিতীয় পুৰুষ

| একবচন | বহুবচন |
|---|---|
| তুমি | তুমি-খান্ |
| তুমা (তীৰ্যক ৰূপ) | তুমা-খান্ |
| আপুনি | আপুনি-খান্ / আপুনি-[illegible] |
| আপ্‌না (তীৰ্যক ৰূপ) | আপ্‌না-খান্। |

তৃতীয় পুৰুষ

| একবচন | বহুবচন |
|---|---|
| তাৰ (পুং) | তাৰ-খান্ |
| তাই (স্ত্ৰী) | তাই-খান্ |

**নিৰ্দেশবাচক সৰ্বনাম ( Demonstrative Pronoun )** : অসমীয়া ভাষাৰ দৰেই নাগামিজত [illegible] নিকটাৰ্থক আৰু দূৰত্বজ্ঞাপক দুটা নিৰ্দেশবাচক [illegible] সৰ্বনাম আছে। বহুবচনৰ প্ৰত্যয়- যোগত ইহঁতক বহুবচন কৰিব পাৰি।

উদাহৰণ— ই— ই-বুৰ্
ই-বুলাক্
হি— হি-বুৰ্
হি-বুলাক্।

**প্ৰশ্নবোধক সৰ্বনাম (interrogative pronoun) :** কুন, কি, কে'নে'কে', কোত, কে'তিয়া আদি প্ৰশ্ন-বোধক সৰ্বনাম নাগামিজত পোৱা যায়।

**বিশেষণ** : বিশেষণৰ তাৰতম্য বুজাবৰ বাবে নাগামিজত মূল বিশেষণ শব্দৰ আগত কেইটামান শব্দ প্ৰয়োগ কৰিব লগা হয়। তেনেধৰণৰ শব্দ কেইটা হ'ল বোহুত, খুব, বেচি। Superlative Degree ৰ অৰ্থ বুজাবলৈ মূল বিশেষণ শব্দৰ আগত এনে দুটা শব্দ বহুওৱা হয়। উদাহৰণ—

| বিশেষণ | Comparative | Superlative |
|---|---|---|
| ভাল | বোহুত ভাল | বোহুত বেচি ভাল |
| ডাঙোৰ | বেচি ডাঙোৰ | বহুত বেচি ডাঙোৰ |
| বেয়া | বেচি বেয়া | বোহুত বেচি বেয়া। |

Comparative অৰ্থ বুজাবলৈ অ'ল'প্ (ওলোপ্) শব্দও বিশেষণ শব্দটোৰ আগত প্ৰয়োগ হয়। যেনে— অ'ল'প্ ভাল্।

**ক্ৰিয়া** : নাগামিজত ক্ৰিয়াটোৱে বৰ্তমান, অতীত আৰু ভবিষ্যত কালৰ অৰ্থ সূচায়। তেনে কালৰ পাৰ্থক্য বুজাবলৈ ক্ৰিয়াৰ মূলৰ (Verb root) পিছত প্ৰত্যয় যোগ হয়। Mood আৰু কাল অনুযায়ী ক্ৰিয়াৰ ৰূপ সলনি হয়, পুৰুষ আৰু বচন অনুযায়ী নহয়—

আমি ঘোৰ পোৰা আহিচে।
আমাখান ঘোৰ পোৰা আহিচে।
তুমিখান ঘোৰ পোৰা আহিচে।

**অনুজ্ঞা ( imperative mood )** : আপ্‌না-খান্‌তো হোলে আহিবো দে।





**কাল অনুযায়ী ক্ৰিয়াৰ ৰূপৰ উদাহৰণ :**

১) মোই / আমি খায় ( বৰ্তমান কাল : একবচন)
আমিখান খায় (বহুবচন)
২) মোই/আমি খাই তাকিচে/থাকিচে (Present Continuous)
আমিখান খাই আছে
৩) মোই/আমি খাইচে (Perfect)
আমিখান খাইচে
৪) মোই/আমি খাব' ( ভবিষ্যত )
আমিখান খাব'
৫) মোই/আমি খাইচিলে (অতীত)
আমিখান খাইচিলে
৬) মোই/আমি জাই আচিলে (past Continuous)
আমিখান জাই আচিলে
৭) মোই/আমি জাই তাকিব'/থাকিব'।
আমিখান জাই তাকিব'/থাকিব'।

কাল অনুযায়ী ক্ৰিয়াৰ ৰূপত যোগ হোৱা প্ৰত্যয়বোৰ এনেধৰণৰ—

১) বৰ্তমান কাল ই/য় (√খা-ই/√খা-য়)
২) Present perfect -ই-চে (√খা-ই-চে)
৩) ভবিষ্যত কাল -ব' (√খা-ব')
৪) অতীত কাল -ই-চিলে (√খা-ই-চিলে)
৫) Past continuous -ই-আচিলে (√জা-ই-আচিলে)
৬) Future continuous -ই-থাকিব' / -ই-তাকিব'
(√জা-ই-থাকিব' / জা-ই-তাকিব')

**Emphatic form** : নাগামিজত -হে, -ও/উ দুটা Emphatic প্ৰত্যয় আছে। এই প্ৰত্যয়কেইটা বিশেষ্য, সৰ্বনাম, ক্ৰিয়া, উপসৰ্গ (Past positions) বিশেষণ, সংখ্যাবাচক শব্দ, নিৰ্দেশবাচক (definitives), অনিৰ্দেশবাচক (indefinitives) শব্দ আৰু ক্ৰিয়া বিশেষণৰ (adverb) পিছত যোগ হয়। উদাহৰণ-

ক) বিশেষ্য— ঘোৰোত-হে, বোচ্‌তিত্ হে।
খ) সৰ্বনাম— আমা-খান্ হে, তাৰ-হে, তুমা-খান হে।

গ) ক্রিয়া দিয়া-তু-হে, কোবা-তু হে।
ঘ) উপসর্গ ভাৰ-লাগা-হে, বোচ্ত্তি-লাগা-হে।
ঙ) বিশেষণ ভাল-হে, বেয়া-হে।
চ) সংখ্যাবাচক শব্দত এন্তা-হে, দুতা-হে।
ছ) নির্দেশবাচক আৰু আমা-খান-হে, তুমা-
অনির্দেশবাচক শব্দত খান-হে, ইতু-হে।
জ) ক্রিয়াবিশেষণ এতিয়া-তু-হে, তাত-হে,এনে'কে-হে।

প্রশ্নবোধক প্রত্যয় interrogative particles :
প্রশ্নবোধক শব্দ কি, কোত আদিৰ বাহিৰেও অসমীয়া ভাষাৰ -নে, -নেকি আদিৰ দৰে নাগামিজতো ক্রিয়াৰ পাছত -না প্রত্যয় যোগ কৰি প্রশ্নবোধক বাক্য সাজিব পাৰি—

হোই-না ? (অসমীয়া হয় নেকি ?)
কোইচে-না ? (অস. কৈছে-নেকি ?)

স্বাৰ্থিক প্রত্যয় : বাক্যত জোৰ বুজাবৰ বাবে নাগামিজত ক্রিয়াৰ পাছত কেইটামান স্বাৰ্থিক প্রত্যয় যোগ কৰা হয়। এনে ধৰণৰ প্রত্যয়বোৰ -তু, দে, হোলে, কেনে। উদাহৰণ—

ক) -তু হোই-তু, হোচা-তু।
খ) -দে ইতু কোথা কোই আচে দে।
আমি বেয়া পাইচে দে।
গ) -হোলে ইতু কোবিবোলোই হোলে মানা কোৰিচে।
ঘ) -কেনে ইতু খাই-কেনে জাবো / জাব'।

সংযোজক অব্যয় : কিন্তু, আকৌ, আৰু, বোলি বুলি এইকেইটা সংযোজক অব্যয়ৰ সৈতে ... নাগামিজত আছে। ইয়াৰ বাহিৰেও কাৰণ নিমিত্তে এই দুটাও সংযোজক অব্যয় ... পোৱা যায়। উদাহৰণ—

ক) কিন্তু ইতু কিন্তু মোই থিক্কোই কোৰে নোৱাৰে।
খ) আকৌ ইতু আকৌ কোই দিচে।
গ) আৰু হোকিচে আৰু জামিব আহিচে।
ঘ) বুলি ইতু বুলি কোইচে।
ঙ) কাৰোণ জাৰ্কালিত্তে পাত্তা পাবোলো ... তান হেইকাবোণে পাত্তা খোৱা ৰাখে।
চ) নিমিত্তে দুচ্ৰা মানুহ নিমিত্তে দুচ্ৰা কাপোৰ আচে।

নঞাৰ্থবাচক প্রত্যয় (Negative particles): নঞাৰ্থবাচক প্রত্যয় -নো ৰূপ হোৱা ক্রিয়াৰ আগত যোগ হয় আৰু তেতিয়া ই মূল ক্রিয়াৰ প্রথম অক্ষৰৰ (Syllable) স্বৰধ্বনি অনুযায়ী ... হয়। উদাহৰণ—

নো + থাকা > নাথাকা
নো + পাৰে > নাপাৰে
নো + খায় > নাখায়
নো + কোৰে > নোকোৰে (অস. নকৰে)

---

## শুদ্ধৰণি

শ্রীযতীন্দ্রনাথ গোস্বামীয়ে জনাইছে যে তেখেতৰ প্রবন্ধটিৰ "সভাপতিৰ ভাষণখন আছিল উনৈছ পৃষ্ঠাৰ আৰু সেইখন সভাপতিয়ে কোনোমতে পঢ়ি শেষ কৰিলে" বোলা কথাখিনি (২১ পৃষ্ঠাৰ ২য় কলম) হ'ব লাগিছিল এনে ধৰণৰ— "হেম বৰুৱাই অভিভাষণৰ প্রায় ৩ / ৪ টা মান বাক্য পঢ়ে; পাছত সভাপতিৰ অনুৰোধক্রমে শিল্পী শ্রীচন্দ্রধৰ গোস্বামীয়ে (তেজপুৰ) অভিভাষণ পঢ়ে।" — সম্পাদক।

# উপনিষদৰ ব্রহ্ম-জিজ্ঞাসা

**শ্রীৰমণীকান্ত শৰ্মা**

আদিতে বৈদিক ঋষিসকলে অতিশয় শক্তি-প্রকাশক অমানুষীয় নৈসৰ্গিক ঘটনাসমূহ দেখি ভয় আৰু বিস্ময়ত অভিভূত হৈ সেই ঘটনাসমূহৰ স্রষ্টা বিবিধ দেৱতাৰ কল্পনা কৰিছিল আৰু নিৰাপত্তা আৰু অভ্যুদয় কামনা কৰি সেইসকলৰ ওচৰত প্রাৰ্থনা-মন্ত্র গাইছিল। এইদৰে তেওঁলোকে অগ্নি, সূৰ্য, বায়ু, মিত্র, বৰুণ, ইন্দ্র প্রভৃতি দেৱতাসকলক স্তুতি কৰিছিল আৰু প্রত্যেক দেৱতাকেই নিজ নিজ ক্ষেত্রত সৰ্বশক্তিমান বুলি ধাৰণা কৰিছিল। পাছত তেওঁলোকে উপলব্ধি কৰিলে যে সকলো দেৱতাই একেজন পৰম দেৱতাৰ বিভিন্ন প্রকাশ মাথোন আৰু নিখিল বিশ্ব ঋত বা সেই পৰম দেৱতাৰ নৈতিক বিধানৰ দ্বাৰাই ভৌতিক আৰু আধ্যাত্মিক উভয় ক্ষেত্রতেই পৰিচালিত। এই পৰম পুৰুষতকৈ বৃহত্তম একোৱেই নাই; আৰু একমাত্র এৱেঁই আছে, দ্বিতীয় কোনো নাই। এওঁ সৰ্বব্যাপী। শতপথ ব্রাহ্মণত এই বিশ্বস্রষ্টা পুৰুষক বৃহত্তম বা ব্রহ্ম আখ্যা দিয়া হৈছে। 'বৃহত্ত্বাৎ ব্রহ্ম।' বৃহ্ ধাতুৰ অৰ্থ হৈছে বৃদ্ধি বা বিকাশপ্রাপ্ত হোৱা। এই বৃদ্ধিৰ চৰম সীমাই হৈছে ব্রহ্ম।

ব্রহ্ম-জিজ্ঞাসাৰ অৰ্থ হৈছে ব্রহ্মক জানিবলৈ ইচ্ছা বা ব্রহ্মৰ অনুসন্ধিৎসা। দেশে দেশে, যুগে যুগে মানৱ-সমাজত বিবিধ প্রকাৰে ব্রহ্ম - জিজ্ঞাসা চলি আহিছে। গভীৰ চিন্তাশক্তিৰ অধিকাৰী এক শ্রেণীৰ মনীষীয়ে ব্রহ্ম-জিজ্ঞাসাকেই জীৱনৰ ব্রত কৰাও দেখা গৈছে। এই প্রসঙ্গতে প্রাচীন ভাৰতৰ ব্রহ্মবাদী ঋষিসকললৈ বিশেষভাৱে আঙুলিয়াব পাৰি। এই কথা স্বীকাৰ কৰিবই লাগিব যে ভাৰতবৰ্ষৰ দৰে অইন ক'তো ব্রহ্ম-জিজ্ঞাসাৰ ওপৰত ইমান গুৰুত্ব দিয়া নাই। কিন্তু এওঁক জানিবলৈ মানুহৰ কিয় এই আকুলতা? ইয়াক এক শ্রেণী মানুহৰ অযথা কৌতূহল, অথবা নিষ্কৰ্মা মানুহৰ নিষ্ফল ভাব-বিলাস বুলি কব পাৰি নেকি ? অলপ দকৈ ভাবি চালেই বুজিব পাৰি যে ব্রহ্ম-জিজ্ঞাসা তেনে কোনো কথা নহয়। ব্রহ্ম-জিজ্ঞাসা তথা সত্তাৰ অনুসন্ধান মানুহৰ স্বভাৱজ প্রবৃত্তিৰ ফল। বাস্তৱবাদী বৈজ্ঞানিক-সকলেও বিশ্বসৃষ্টি ক'ৰ পৰা কেনেকৈ হ'ল তাক জানিবলৈ ইচ্ছা কৰে। জড় জগতৰ মৌলিক উপাদান কি, আৰু বাহ্য প্রকৃতিৰ কাৰ্যসমূহে কোন-বিলাক নিয়ম মানি চলে, এনেবোৰ বিষয়কহে বিজ্ঞানে আলোচনা কৰে। গতিকে বৈজ্ঞানিকে বিভিন্ন বিজ্ঞানত আবিষ্কাৰ কৰা সত্যসমূহ খণ্ড সত্যহে; এই খণ্ড সত্যসমূহৰ ভিতৰত যে একত্বৰ যোগ-সূত্র তথা অখণ্ড সত্তা বৰ্তমান, তাক বৈজ্ঞানিকে আবিষ্কাৰ কৰিব নোৱাৰে। এই পৰম সত্তাৰ আবিষ্কাৰ দাৰ্শনিকৰ কাম।

আমি অলপ আগতে কৈ আহিছোঁ যে ব্রহ্মৰ অন্বেষণ মানুহৰ প্রকৃতিগত। জীৱ আৰু জগৎ

যদি ব্ৰহ্মৰেই অংশ বা প্ৰকাশ হয়, তেনেহ'লে ব্ৰহ্ম-অন্বেষণৰ ফালে মানুহ আকৃষ্ট নহৈ নোৱাৰে। যিহেতুকে জীৱ আৰু জগতৰ উৎপত্তি ব্ৰহ্মৰ পৰা হৈছে, আৰু এই দুয়োটাই ব্ৰহ্মৰ ভিতৰত বৰ্তমান, সেই হেতুকে একালে ব্ৰহ্ম আৰু আন ফালে জীৱ আৰু জগতৰ মাজত আকৰ্ষণ থকাটো স্বাভাৱিক। প্ৰায় সৌৰমণ্ডলৰ সূৰ্য আৰু অন্যান্য গ্ৰহৰ মাজত থকা আকৰ্ষণৰ দৰেই। কিন্তু জীৱ, জগত, আৰু ব্ৰহ্মৰ আন্তৰসত্তা জ্ঞানময়; গতিকে এই আকৰ্ষণ প্ৰেমৰ আকৰ্ষণ নহৈ নোৱাৰে।

তৃতীয়তে, ব্ৰহ্ম-জিজ্ঞাসাৰ এটা প্ৰায়োগিক দিশো নথকা নহয়। মানৱ-জীৱনৰ সৰ্বাতোকৈ ডাঙৰ ভয় হৈছে মৃত্যুভয়। এই মহাভয়ৰ হাত সাৰিবলৈ মানুহ সদায় ব্যাকুল। দেহাৱসানৰ লগে লগে মানুহৰ অস্তিত্ব নাইকিয়া হৈ যোৱাটো মানুহে মানি ল'ব নোৱাৰে। গতিকে অমৃতত্ব লাভ কৰিবলৈ মানুহৰ চেষ্টাৰ অৱধি নাই। অথৰ্ববেদত আছে, 'সেই অকাম, অমৃত, ধীৰ, আত্ম-তৃপ্ত, স্বয়ম্ভূ আৰু সৰ্বতো-ভাৱে পৰিপূৰ্ণ, অজৰ, চিৰতৰুণ আত্মাক জানিলে মৃত্যুভয় নাথাকে।' (১০৮৪৪) ইয়াত আত্মা শব্দই ব্ৰহ্মকেই বুজাইছে। বৃহদাৰণ্যক উপনিষদত আছে যে যাজ্ঞবল্ক্য ঋষিয়ে সন্ন্যাস গ্ৰহণ কৰিবলৈ ইচ্ছা কৰি তেওঁৰ যাৱতীয় সা-সম্পত্তি দুই ঘৈণীয়েক মৈত্ৰেয়ী আৰু কাত্যায়নীক ভগাই দিবলৈ ইচ্ছা কৰিলে আৰু সন্ন্যাসাশ্ৰমলৈ যাবলৈ মৈত্ৰেয়ীৰ সন্মতি বিচাৰিলে। তেতিয়া মৈত্ৰেয়ীয়ে সুধিছিল, 'যেনাহং নামৃতা স্যাং কিমহং তেন কুৰ্য্যাম্'। অৰ্থাৎ যি বিত্ত বা বিত্তসাধ্য কৰ্মৰ দ্বাৰা মই অমৃতা (মৃত্যুৰহিতা) নহ'ম, মই তাৰ দ্বাৰা কি কৰিম? আকৌ, কঠোপনিষদত নচিকেতাই যমক কৈছিল যে দ্বিতীয় বৰৰ দ্বাৰা তেওঁ অগ্নিবিদ্যা শিক্ষা কৰি স্বৰ্গলাভৰ কৌশল আয়ত্ত কৰিব খোজে, যাতে তেওঁ অমৃতত্ব লাভ কৰিব পাৰে। তলৰ সুপ্ৰসিদ্ধ বৈদিক প্ৰাৰ্থনা-[illegible] বৈদিক ঋষিসকলৰ মৃত্যুক অতিক্ৰম কৰাৰ [illegible] স্পষ্ট ৰূপত প্ৰকাশ পাইছে;—

"অসতো মা সৎ গময়,
তমসো মা জ্যোতিৰ্গময়,
মৃত্যোৰ্মা অমৃতং গময়।"

ওপৰৰ আলোচনাৰ পৰা এই কথাই স্পষ্ট [illegible] যে বৈদিক যুগত কেনেকৈ মানুহে মৃত্যুভয়ৰ [illegible] সাৰিব পাৰে, ঋষিসকলে তাকেই [illegible] কৰিছিল, আৰু সেই বাবে ব্ৰহ্ম-জিজ্ঞাসা প্ৰবল [illegible] কিয়নো, তেওঁলোকে উপলব্ধি কৰিছিল যে [illegible] জানিলে মৃত্যুভয় নাথাকে।

ভাৰতৰ বৈদিক যুগত ঋষিসকল মানৱ-[illegible] ৰহস্য উদ্ঘাটন কৰিবলৈ কঠোৰ সাধনাত [illegible] আছিল। তেওঁলোকৰ দৃষ্টি আছিল অন্তৰ্[illegible] তেওঁলোকে মানৱ-জীৱনৰ নানা অপায়-অমঙ্গল [illegible] দুঃখ-শোক আৰু ঘাইকৈ মৃত্যুভয়ৰ পৰা [illegible] জীৱনত শান্তি আৰু আনন্দ লাভৰ উপায় বিচাৰি-ছিল। তেওঁলোকে গভীৰ ধ্যানত ব্ৰহ্মৰ [illegible] উপলব্ধি কৰিছিল আৰু মৃত্যুক অতিক্ৰম [illegible] উপায় বিচাৰি পাইছিল আৰু সেয়েহে [illegible] উদাত্ত কণ্ঠেৰে গাইছিল,—

বেদাহমেতং পুৰুষং মহান্তং
আদিত্যবৰ্ণং তমসঃ পৰস্তাৎ।
তমেৱ বিদিত্বাতি মৃত্যুমেতি
নান্যঃ পন্থা বিদ্যতেঽয়নায়। ([illegible])

অজ্ঞানৰ সিপাৰে থকা সৰ্বব্যাপী আৰু [illegible] এই মহান পুৰুষক মই জানিছোঁ। তেওঁক [illegible] লেহে মৃত্যুক অতিক্ৰম কৰা যায়। ইয়াত [illegible] পৰমাৰ্থ লাভৰ বাহিৰে কোনো পন্থা নাই। [illegible] তেওঁলোকে উপলব্ধি কৰিছিল যে 'সৰ্বং খল্বিদং [illegible] এই সকলোৱেই ব্ৰহ্ম। মানুহ আৰু ব্ৰহ্ম এ[illegible]



এক আত্মা বা পৰমাত্মা। দ্বিতীয়তে, এক আৰু অদ্বিতীয় ব্ৰহ্মত বাজে অইন একোৱেই অস্তিত্ব নাই। জীৱ যিহেতুকে আত্মা বা ব্ৰহ্ম, গতিকে দ্বিতীয় কোনো বস্তু নথকা হেতুকে ('নেহ নানাস্তি কিঞ্চন' -বৃঃ উঃ) ভয়ৰ কোনো কাৰণ নাই। বৃহদাৰণ্যক উপনিষদত (১-৪-২) কোৱা হৈছে— 'দ্বিতীয়াৎ বৈ ভয়ং ভৱতি।' ব্ৰহ্মৰ উপৰিও দ্বিতীয় কিবা থাকিলেহে জীৱাত্মাৰ ভয় হ'ব পাৰে। ব্ৰহ্মক এক আৰু অদ্বিতীয় বুলি উপলব্ধি কৰিলে, জীৱ আৰু ব্ৰহ্ম এটাই,— এনে উপলব্ধি হ'লে আৰু এওঁৰ বাজে অইন একোৱেই নাই— এনে বোধ হ'লে, ভয় ক'ৰ পৰা হ'ব।

ওপৰৰ শ্ৰুতিবাক্যত উল্লেখিত পুৰুষেই ব্ৰহ্ম বুলি এই নিবন্ধৰ আৰম্ভণিতে কোৱা হৈছে। অন্তঃপ্ৰজ্ঞা (intuition)ৰ দ্বাৰা ঋষিসকলে ব্ৰহ্মৰ অস্তিত্বৰ কথা উপলব্ধি কৰিলেও ব্ৰহ্মৰ বিষয়ে সম্যক্ জ্ঞান লাভ কৰিবলৈ তেওঁলোক ব্যাকুল হৈ পৰিছিল, আৰু এই বিষয়ে সম্যক ধাৰণা কৰাত তেওঁ-লোকৰ বহু দিন লাগিছিল। কিন্তু ঋগ্বেদৰ সময়তে তেওঁলোকে জানিছিল যে দেৱতাসকল এক ব্ৰহ্মৰেই বাহ্যিক অভিব্যক্তি। ঋগ্বেদত কোৱা হৈছে,

'একং সদ্ বিপ্ৰা বহুধা বদন্তি
অগ্নিং যমং মাতৰিশ্বানমাহুঃ।'

অৰ্থাৎ একে সদ্ বস্তুকেই তত্ত্বদৰ্শীসকলে ইন্দ্ৰ, মিত্ৰ, বৰুণ, অগ্নি, যম আৰু মাতৰিশ্বা (বায়ু) নামেৰে অভিহিত কৰে। আকৌ, ঋগ্বেদতেই কোৱা হৈছে, 'পুৰুষ এবেদম্ সৰ্বং যদ্ ভূতম্ যচ্চ ভব্যম্।' পুৰুষেই বৰ্তমানৰ, অতীতৰ আৰু ভৱিষ্যতৰ সকলো বস্তু। এই বেদৰেই অন্যত্ৰ কোৱা হৈছে যে 'দেৱতা-সকলৰ প্ৰকৃত আন্তৰসত্তা এটাই।' আকৌ এই পুৰুষেই সত্তাৰ তত্ত্বাৱধায়ক, বিশ্বৰ ঐক্যবিধায়ক আত্মা আৰু জাগতিক আৰু নৈতিক ব্যৱস্থাত বৈচিত্ৰ্যৰ মাজত ঐক্য। এইদৰে ঋষিসকলৰ চিন্তা-ধাৰাই যদিও অৱশেষত ব্ৰহ্ম-জিজ্ঞাসাত একেশ্বৰবাদ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল, তথাপি আদি অৱস্থাত তেওঁলোকৰ মনত যে খেলি-মেলি ঘটা নাছিল, এনে নহয়। ঋগ্বেদৰ এঠাইত আছে 'কস্মৈ দেৱায় হৱিষা বিধেম?' কোন দেৱতালৈ আমি আহুতি দিম? ইন্দ্ৰ, বৰুণ, অগ্নি, বায়ু, সূৰ্য আদি দেৱতাসকলৰ মাজত পৰি তেওঁলোকৰ আউল লাগিছিল। শেহত তেওঁলোকে বুজিলে একৰেই বহু ৰূপ মায়িক অভিব্যক্তি। "ইন্দ্ৰো মায়াভিঃ পুৰু-ৰূপ ঈয়তে' (ঋগ্বেদ), ইন্দ্ৰই মায়াৰ দ্বাৰা বহু ৰূপ ধাৰণ কৰে। তেতিয়া ইন্দ্ৰ আছিল পৰম দেৱতাৰ নাম।

ঋগ্বেদৰ সময়তে যে ব্ৰহ্মৰ অদ্বৈত স্বৰূপৰ বিশ্বাসে ঋষিসকলৰ মন অধিকাৰ কৰিছিল, তাক এই বেদৰ নানা সূক্তৰ পৰা বুজিব পাৰি। বেদান্তৰ 'সৰ্বং খল্বিদং ব্ৰহ্ম' এই ব্ৰহ্মভাৱ আৰু 'সোঽহং ব্ৰহ্ম' ভাৱে কেনেকৈ বিস্তাৰ লাভ কৰিছিল, তাক ঋগ্বেদৰ বাক্সূক্ত পাঠৰ পৰা জানিব পাৰি। অম্ভৃণ ঋষিৰ কন্যাই নিজৰ আত্মাত এইদৰে জ্ঞানৰ চকুৰে সোঽহং ভাৱ আৰু সৰ্বাত্মভাৱ প্ৰত্যক্ষ কৰিছিল: 'ময়েই ৰুদ্ৰ আৰু বসুসকলৰে সৈতে বিচৰণ কৰোঁ। ময়েই আদিত্যসকলৰ লগত, এনেকি নিখিল দেৱতাৰ লগত অৱস্থান কৰোঁ। মই মিত্ৰ, বৰুণ, ইন্দ্ৰ, অগ্নি আৰু অশ্বিনী কুমাৰ দুজনাক ধাৰণ কৰি আছোঁ। অখিল বিশ্বত সকলোতে ময়েই অধিষ্ঠিত। ময়েই জীৱাত্মা ৰূপত সকলো প্ৰাণীৰ ভিতৰত আৱিষ্ট হৈ আছোঁ। মই দ্যুলোক, ভূলোক আৰু অন্তৰীক্ষ-লোকৰ অন্তৰালত অধিষ্ঠিত হৈ আছোঁ।' ইত্যাদি··· (বাক্সূক্ত)। আকৌ, ঋগ্বেদৰ চতুৰ্থ মণ্ডলৰ বাম-দেৱীয় সূক্তত ঋষি বামদেৱে কৈছে, 'ময়েই মনু আৰু সূৰ্য হৈছোঁ'। কক্ষীবান্ নামক যি প্ৰসিদ্ধ

ঋষিৰ কথা শুনিবলৈ পোৱা, সেইজনো মইহে। মইহে কবি উশনা, মোক চোৱাঁ। মইহে ইন্দ্ৰ ৰূপত শম্বৰাসুৰৰ নিৰানব্বৈটা পুৰ বা নগৰ ধ্বংস কৰিছোঁ।" বামদেৱীয় সূক্তৰ অনুৰূপ সূক্ত চতুৰ্থ মণ্ডলৰ অইন ঠাইতো দেখিবলৈ পোৱা যায়। যেনে, চতুৰ্থ মণ্ডলৰ ৪২শ সূক্তত ঋষিয়ে কৈছে, "মইহে সমস্ত বিশ্বৰ অধিপতি। সকলো দেৱতা মোৰেই আশ্ৰিত। দেৱতাসকলে বৰুণৰ ক্ৰিয়াৰ অনুসৰণ কৰে, মইহে বৰুণ, এতেকে দেৱতাসকলে মোৰ ক্ৰিয়াৰেই অনুবৰ্তন কৰে। মানুহৰ মাজত মইহে ৰজা। মইহে ইন্দ্ৰ। মোৰ মহিমা সুগভীৰ আৰু অপৰিমেয়, মোৰ শক্তি অপ্ৰতিহত। মইহে জড়ত চৈতন্য সম্পাদন কৰি আছোঁ। মইহে সৰ্বত্ৰ ক্ৰিয়াশীল। দৃশ্য আৰু অদৃশ্য যি আছে সকলো মইহে।" ব্ৰহ্মৰ সৰ্ব-ব্যাপিতা আৰু আত্মা আৰু ব্ৰহ্ম যে একে, এই দুটা কথাকেই উল্লেখিত সূক্তসমূহে দেখুৱাবলৈ চেষ্টা কৰিছে।

বৈদিক যুগত ভাৰতবৰ্ষত আৰ্য ঋষিবিলাক যে ব্যাপক ব্ৰহ্ম জিজ্ঞাসাত ব্যাপৃত আছিল, সেই সম্পৰ্কে ঋগ্বেদত প্ৰচুৰ প্ৰমাণ পোৱা যায়। কিন্তু এই জিজ্ঞাসা আপেক্ষিকভাৱে উপকৰা আছিল, আৰু ঋগ্বেদত এই বিষয়ক চিন্তাৰাজিৰ বিভিন্ন স্তৰ আৰু ক্ৰমবিকাশ দেখা যায়। এনে হোৱাটোৱেই স্বাভাৱিক। কিয়নো ঋগ্বেদৰ মন্ত্ৰসমূহ বহু ঋষিৰ ৰচিত, আৰু ইয়াৰ মন্ত্ৰবিলাক একে সময়ত ৰচিত হোৱাও নাছিল। মন্ত্ৰবিলাকৰ ৰচনা-কালৰ ব্যৱধান বহুক্ষেত্ৰত শতাব্দী পাৰ হৈ গৈছিল আৰু ইতিমধ্যে ঋষিসকলৰ চিন্তাধাৰা ব্ৰহ্মজ্ঞান তথা আত্মজ্ঞানৰ পথত আগুৱাই গৈছিল। ঋগ্বেদ আৰু অথৰ্ববেদৰ বিশেষকৈ সংহিতা ভাগত আমি ঋষিসকলৰ ব্ৰহ্ম-জিজ্ঞাসাৰ পৰিচয় পাওঁ। কিন্তু তেতিয়াও ঋষিসকলে ব্ৰহ্মৰ স্বৰূপ সম্বন্ধে স্পষ্ট ধাৰণা ল'ব পৰা নাই, আৰু তেওঁলোকৰ ব্ৰহ্ম-জিজ্ঞাসাত যদিও উত্তৰ কাল[illegible] ব্ৰহ্ম মীমাংসাদৰ্শনৰ বীজ অন্তৰ্নিহিত আছে, তথাপি তেওঁলোকৰ চিন্তাধাৰাই স্পষ্ট দাৰ্শনিক ৰূপ লো[illegible] নাই।

বেদৰ সংহিতা ভাগত ব্ৰহ্মৰ ধাৰণাত একেশ্ব[illegible] আৰু অদ্বৈতবাদৰ ভাব থকাৰ কথা আমি আগ[illegible] উল্লেখ কৰিছোঁ। বেদত বিশ্বস্ৰষ্টা আৰু বিশ্ব[illegible] পৃথক বস্তু বুলি ধৰা নাই। এই সম্পৰ্কে ঋষিসকল[illegible] মনত কেনে সংশয় উপস্থিত হৈছিল, তাক ঋগ্[illegible] বিশ্বকৰ্ম সূক্তৰ পৰা বুজিব পাৰি। সৃষ্টিৰ প্ৰথ[illegible] মুহূৰ্তত এই ব্ৰহ্ম বা বিৰাট পুৰুষৰ আশ্ৰয় [illegible] আছিল? কোন ঠাইৰ পৰা কেনেকৈ তেওঁ এ[illegible] সৃষ্টি কাৰ্য আৰম্ভ কৰিলে? সেইখন কোন বন[illegible] কোন গছৰ কাঠেৰে, কিহেৰে বিশ্বস্ৰষ্টাই এই দ্যুলোক[illegible] ভূলোক প্ৰভৃতি গঠন কৰিছে? হে মনীষীসকল[illegible] তোমালোকে এবাৰ নিজ নিজ মনক সুধি চোৱা[illegible] বিশ্ব স্ৰষ্টাই কিহৰ ওপৰত থিয় দি এই নিখি[illegible] ব্ৰহ্মাণ্ড ধাৰণ কৰে? তৈত্তিৰীয় ব্ৰাহ্মণ[illegible] প্ৰশ্নৰ উত্তৰ এনেকৈ দিয়া হৈছে যে ব্ৰহ্মই [illegible] বন, তেৱেঁই সেই গছ, যিহৰ দ্বাৰা দ্যুলোক আৰু ভূলোকৰ সৃষ্টি হৈছে। গতিকে, বেদত অদ্বৈত[illegible] সেই এক আদি কাৰণেই নিজকে বৈচিত্ৰ্যময় বিশ্ব[illegible] পৰিণত কৰিছে বুলি ধৰা হ'ল। এই দি[illegible] এটা প্ৰশ্ন উঠে, এই অদ্বৈতবাদৰ ধাৰণা সৰ্বেশ্বৰবাদী (Pantheistic) নে? সৰ্বেশ্বৰবাদী যে নহয়, [illegible] তলৰ শ্লোকাংশৰ পৰাই বুজিব পাৰি। 'স ভূমিং বিশ্বতো বৃত্বা, অত্যাতিষ্ঠৎ দশাঙ্গুলম্।' [illegible] সকলো ফাল আবৃত কৰি ই বিশ্বৰ বাহিৰেও দহ আঙুলি পৰিমান বিয়পিছিল। ইয়াৰ দ্বাৰা ব্ৰহ্ম[illegible] সৰ্বব্যাপিতা আৰু অতীন্দ্ৰিয় স্বৰূপ দুয়োটাই সূচি[illegible] হৈছে। (ক্ৰমশঃ)

# আহাৰ্যাভিনয় আৰু অঙ্কীয়া ভাওনা

ড° নবীন কলিতা

(পূৰ্বানুবৰ্তী)

অসমত অঙ্কীয়া ভাওনা আৰু অঙ্কীয়া নাটৰ আহিত লেখা নাটকবোৰৰ ভাওনাত আহাৰ্যৰ এটা উল্লেখ-যোগ্য দিশ হৈছে অঙ্গৰচনা অৰ্থাৎ ৰং-বৰণ ঘঁহা কাম। 'লিখনী কৰা' কথাষাৰ বৰণ ঘঁহা অৰ্থতো ব্যৱহাৰ কৰা হয় যদিও, দৰাচলতে বৰণ ঘঁহাৰ পাছত বৰণেৰে ৰেখাই দিয়া কাৰ্যৰ লগতহে ই বেছি অৰ্থব্যঞ্জক হয়। অতি প্ৰাচীন কালত ভাৱৰীয়াৰ দেহত বৰণ আৰু লিখনীৰ কাম কৰা হৈছিল নে নাই জনা নাযায়, যদিও হেঙুল, হাইতাল, খৰীমাটি আদি চিত্ৰ অঙ্কন আৰু আন প্ৰসঙ্গত ব্যৱহাৰ কৰাৰ উল্লেখ পোৱা যায়। মুখাৰ ওপৰত চিত্ৰ কৰা অৰ্থাৎ বৰণ ঘঁহা হৈছিল আৰু লিখনীৰে মুখা চিত্ৰ-বিচিত্ৰ কৰা হৈছিল। ঠাকুৰ আতাই নিজেই নৃসিংহৰ মূৰ্ত্তিত চিত্ৰ কৰাৰ কথা নগাঁৱৰ উলুবাৰী সত্ৰত সংৰক্ষিত ৰামানন্দ দ্বিজ বিৰচিত চৰিত পুথিখনৰ অপ্ৰকাশিত খণ্ডিত উল্লেখ কৰা হৈছে।[৩৪]

প্ৰতিটো ভাওনাত বৰণৰ কাম কৰিব জনা একোজন বিশেষ ব্যক্তি আছিল। এওঁক খনিকৰ বোলে। ভাওনাত খনিকৰৰ ভূমিকা বিশেষভাৱে বিস্তীৰ্ণ। ভাৱৰীয়াৰ ৰং-বৰণৰ কাম কৰি দিয়াৰ উপৰিও তেওঁ ভাৱৰীয়াৰ কিৰীটি, জন্তুৰ নোমেৰে বিশেষ ধৰণে (ভয়ানক ৰূপ দি) কৰিব লগীয়া অসুৰৰ প্ৰতিশীৰ্ষ, চোঁ আৰু পাগ আদি সজা কামো কৰিব লাগে। ভাৱৰীয়াৰ চুলি-গোঁফ-ডাড়ি আদিও এওঁ প্ৰস্তুত কৰিব লাগে। তাৰ উপৰি পাগ মৰা কাম আৰু ভাৱৰীয়াৰ পোছাক-পৰিচ্ছদৰ তত্বাৱধানো কৰিব লাগে। পোছাক-পৰিচ্ছদ পিন্ধোৱাৰ ক্ষেত্ৰত সূত্ৰ-ধাৰৰ উপদেশ-পৰামৰ্শ লৈ তেওঁৰ নিৰ্দেশতো কাম কৰে। আমাৰ সমাজত খনিকৰ শব্দটোৰ অৰ্থ বিস্তীৰ্ণ। খনিকৰ বুলিলে সিংহাসনৰ কাম কৰা জনকো বুজায় আৰু ভাৱৰীয়াক বৰণ ঘঁহি দিয়া জনকো বুজায়। চোঁ-মুখা সাজোঁতাজনো খনিকৰ হ'ব পাৰে। সেইদৰে খনিকৰে পুথি আদি লেখা আৰু তাত চিত্ৰ অঙ্কন কৰা কামবোৰো কৰিছিল। এনে খনিকৰো আছিল, যি পুথিৰ আখৰ চিনি নাপালেও, পুথিৰ আখৰসমূহৰ ভাঁজ চাই চাই অবিকলভাৱে লেখিছিল।[৩৫] সাধাৰণতে এই সকলো কাম কৰোঁতাজনকে খনিকৰ বোলা হয় যদিও

৩৪ ঠাকুৰে আপুনি, অধিষ্ঠাতা হুয়া, কৰ্মসব কৰায়ন্ত ॥
বিৰলত বসি, নৃসিংহৰ মূৰ্তি, আপুনি চিত্ৰ কৰন্ত।

৩৫ গোলাঘাটৰ শ্ৰীপ্ৰফুল্লপ্ৰাণ মহন্তদেৱে এনেদৰে লেখা এখন পুথি তেখেতসকলৰ তাত থকাৰ কথা আমাক কৈছিল। পুথিখনক 'খনিকৰী পুথি' অৰ্থাৎ খনিকৰে আখৰৰ ভাঁজ চাই লেখা পুথি বুলি জনা যায় আৰু বাইজে পুথিখনক যৰ ভাৱভক্তিৰে মান সেৱা কৰে।

সিংহাসন সাজোঁতাজনক বাঢ়ৈ, চিত্র আকোঁতাজনক চিত্রকৰ বুলিও কোৱা হয়। আমাৰ খনিকৰৰ দৰে একেজন ব্যক্তিকে নাট্যশাস্ত্ৰই সকলো দায়িত্ব দিয়া নাই। নাট্যশাস্ত্ৰই বিশেষ পোছাক-পৰিচ্ছদ আৰু প্ৰতিশীৰ্ষকে ধৰি মুখা সাজোঁতাজনক মুকুটকাৰ, আভৰণ প্ৰস্তুত কৰোঁতাজনক আভৰণকৃৎ, পাঁচোবিধ মালা গুঁঠিব পৰাজনক মাল্যকৃৎ, পিন্ধন কাৰ্যৰ তত্ত্বাৱধান কৰোঁতাজনক বেশকাৰ, ৰৰণৰ কাম কৰা জনক চিত্ৰকৰ, পোছাক-পৰিচ্ছদ ৰং কৰোঁতাজনক ৰঞ্জক, জতু, শিল, ধাতু আৰু কাঠৰ পৰা বিভিন্ন গঢ়-পিতৰ বস্তু সাজোঁতাজনক কাৰু বুলিছে।৩৬ অসমীয়া সমাজত খনিকৰজন নানা কলা আৰু শিল্পবিদ্যাত পাৰ্গত লোক। সমাজত খনিকৰী বৃত্তিত জড়িত লোকৰ বংশগত উপাধি তল পৰি স্বয়ং 'খনিকৰেই' উপাধি হিচাপে পৰিগণিত হয় আৰু খনিকৰ থকা মানুহ থকা মানুহে খনিকৰৰ ঘৰ বুলিও অভিহিত কৰিবলৈ ধৰে। অসমত অসমীয়া হিন্দু খনিকৰৰ উপৰি মুছলমান খনিকৰো আছিল। দেশ গঢ়িবৰ কাৰণে স্বৰ্গদেউ ৰুদ্ৰসিংহই ভাটীৰ পৰা অনা আঠৰৰ মুছলমানৰ ভিতৰত এঘৰ খনিকৰো আছিল।৩৭ এওঁবিলাকে শিল-কাঠৰ মূৰ্তি সজাৰ উপৰি চিত্ৰ আঁকিব লাগিছিল। প্ৰসিদ্ধ 'হস্তী-বিদ্যাৰ্ণৱ'ৰ এজন মুছলমান খনিকৰ আছিল দিলবৰ। আহোম স্বৰ্গদেউসকলৰ দিনত কোনো কোনো খনিকৰ পৰিয়ালক ৰজাৰ ঘৰৰ পৰা বোকা-বান দি পোহ-পাল দিয়া হৈছিল। আগতে পাওঁ-ভূঁই-বিলাকত ৰং-ৰৰণৰ কাম কৰা ভালেমান খনিকৰ আছিল। যিখন গাঁৱত খনিকৰ নাছিল, সেই গাঁৱৰ ভাওনালৈ আন এখন গাঁৱৰ খনিক[ৰক] নিমন্ত্ৰণ কৰিছিল। প্ৰতিভাশালী খনিকৰক তেওঁলোক পাবলৈ প্ৰায়বোৰ খেলে বাঞ্ছা কৰিছিল আৰু দূৰ-দূৰণিৰ গাঁৱে এনে খনিকৰক মান-সন্মান দি[য়া] নিমন্ত্ৰণ কৰি নিছিল। ভাওনাৰ আগদিনা বা [...] আগতেই গুৱা-পান-বটা আগ বঢ়াই খনিকৰক [...] থৈ অহাৰ নিয়ম।

কোনো কোনো পৰিয়ালত খনিকৰী বিদ্যা পু[ৰুষানুক্ৰমে বা] পৌত্ৰাদিক্ৰমে চলি আছিল। এই বিদ্যা আয়ত্ত [কৰাৰ] কাৰণে কোনো স্থায়ী শিক্ষানুষ্ঠান নাছিল। [...] খনিকৰজনেই স্বয়ং শিক্ষানুষ্ঠান। গতিকে এই [...] আহৰণৰ ক্ষেত্ৰত গুৰুৱে তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰ[হণ] কৰিছিল। শিষ্যই গুৱা-শৰাই-উপঢৌকন দি [...] ভাৱে আগ বঢ়াই গুৰু ভক্তি এই বিদ্যা আহৰণ ক[ৰিব] লাগিছিল।

সাধাৰণতে দেখা গৈছিল, খনিকৰী বৃত্তিত জড়িত প্ৰতিজন ব্যক্তিয়েই সু-অভিনেতা। কোনো কোনো জনৰ ক্ষেত্ৰত অভিনয়-স্পৃহা ইমান বেছি বেছি[...] ভাও নাথাকিলেও ভাৱৰীয়াক ৰবদ [...] সমাপ্ত কৰি নিজে এবাৰ হ'লেও বহুৱা হৈ [...] আগত ওলাই সমাজক হাঁহিৰ যোগান ধৰিছিল। খনিকৰসকলৰ ক্ষেত্ৰত বিশেষ লক্ষ্য কৰিবলগীয়া কথা হৈছে এইটোহে যে তেওঁলোকে কোনো শি[ল্প] শাস্ত্ৰ অধ্যয়ন নকৰিলেও বাস্তৱ অভিজ্ঞ[তা...]

৩৬ না. শা./ ৩৫ তম্ / ১০২-৫। ভাওনাবোৰত ভাৱৰীয়াক পোছাক আদি পিন্ধাবলৈ কোনো সুকী[য়া] বেশকাৰ নাছিল যদিও, গুৰুজনাই বেশকাৰৰ কথা কীৰ্তন-দশমত উল্লেখ কৰিছে। যেনে:— 'বেশকাৰে আসি পিন্ধাই বস্ত্ৰক / কছালৈ বজ্ৰে ৰাম মাধৱক // কীৰ্তন / পদ ১১৩০। দ্ৰষ্টব্য, দশম / পদ [...] বেশকাৰৰ উপৰি মালাকাৰৰ কথাও গুৰুজনাই উল্লেখ কৰিছে। দ্ৰষ্টব্য, কীৰ্তন / পদ ১১৩২-৮/ দশম / [...] ১৮৯৬-১৯০৪।

৩৭ অসমীয়া সংস্কৃতি ( অসম সাহিত্য সভা ), পৃঃ ২২৪-৫।



তেওঁলোকক নিজৰ শিল্পত বিশেষ জ্ঞানৰ গৰাকী কৰি তুলিছিল। ৰং-ৰৰণ আদি দ্ৰব্য আৰু তাৰ প্ৰয়োগত ক'তো অ'ৰ নালাগিছিল। পৰম্পৰাগত ভাৱে পোৱা আৰু সঞ্চিত অভিজ্ঞতাই তেওঁলোকৰ কৰ্মৰ দক্ষতা বঢ়াইছিল। প্ৰতিমাৰ খনিকৰে এনে কৰাও দেখা গৈছিল যে দুৰ্গাৰ প্ৰতিমা সজাৰ বেলিকা পৰম্পৰাগতভাৱে লাভ কৰা দুৰ্গাৰ ধ্যান-মন্ত্ৰটো ভাল দৰে মনত ৰাখিছিল আৰু সেই মতে লিখনী বুলাইছিল।

অঙ্কীয়া ভাওনাত ভাৱৰীয়াৰ ৰং-ৰৰণ তুলিবলৈ ব্যৱহৃত উপাদান চাৰিবিধ আৰু ইহঁতে চাৰিটা স্বভাৱজ ৰৰণ প্ৰকাশ কৰিছিল।৩৮ উপাদান চাৰিটা হৈছে :

১। হাইতাল— প্ৰতিনিধিত্ব কৰা স্বভাৱজ ৰৰণ 'হালধীয়া'

২। নীল— প্ৰতিনিধিত্ব কৰা স্বভাৱজ ৰৰণ 'নীলা'

৩। সেন্দুৰ— প্ৰতিনিধিত্ব কৰা স্বভাৱজ ৰৰণ 'ৰঙা'

৪। খৰীমাটি বা ধল— প্ৰতিনিধিত্ব কৰা স্বভাৱজ ৰৰণ 'বগা'।

এসময়ত ৰক্ত বৰ্ণৰ কাৰণে হেঙুলো ব্যৱহাৰ কৰা হৈছিল। কিন্তু হেঙুল মৰা কামটো অতি অসুবিধাজনক; কিয়নো এই কাৰ্যত বহু সময় ব্যয় কৰিব লগা হয়। বিশেষতঃ খৰচি থাকিলে যিহেতু ৰৰণ নুঠে, গতিকে পাছলৈ সেন্দুৰকে ব্যৱহাৰ কৰা হৈছিল। আন ফালে হেঙুল ওঁঠত লগালে দাঁতৰ ক্ষতি কৰে বুলি মানুহে কয়। ঋষি-মুনি আদি ভাৱৰীয়াই ইচ্ছা কৰিলে ভস্মৰ কাৰণে গেৰুৱা মাটিও ব্যৱহাৰ কৰিছিল। কিন্তু এইবিধ উপকৰণ অপৰিহাৰ্য নহয় কাৰণে ইয়াক অনিবাৰ্য উপকৰণৰ ভিতৰত ধৰা নহৈছিল। গতিকে স্বভাৱজ ৰৰণ প্ৰকাশ কৰা উপকৰণ চাৰিবিধ। প্ৰাচীন কালত ভাৰতবৰ্ষৰ কোনো ঠাইত পিঠাগুৰি, নাগমাটি, হালধিগুৰি আৰু ঘিঁউ আদি অঙ্গ-ৰচনাত ব্যৱহাৰ কৰা হৈছিল। কিন্তু অসমত এইবোৰ বস্তু ব্যৱহৃত হৈছিল নে নাই জনা নাযায়।

স্বভাৱজ উপকৰণসমূহৰ পৰা যি কোনো দুবিধ উপকৰণ মিহলাই সংযোগ বৰ্ণ উলিওৱা হৈছিল। অসমত ব্যৱহাৰ কৰা যোগজ ৰৰণসমূহ তলত উল্লেখ কৰাৰ দৰে :—

১। নীল আৰু হাইতাল=হৰিত বৰ্ণ বা সেউজীয়া ৰৰণ

২। খৰীমাটি আৰু সেন্দুৰ=গোলাপী

৩৮ নাট্যশাস্ত্ৰ মতেও স্বভাৱজ ৰৰণ চাৰিটা— বগা, নীলা, হালধীয়া আৰু ৰঙা :

সিতো নীলশ্চ পীতশ্চ চতুৰ্থো ৰক্ত এব চ /
এতে স্বভাৱজা বৰ্ণা যৈঃ কাৰ্যন্তু অঙ্গবৰ্তনম্ // ত্ৰয়োবিংশ / ৭৩

সংযোগজ বৰ্ণ ছটা— কাৰণ্ডৱ ( কপোত বৰ্ণ বা ধোঁৱা ৰৰণ ), পাণ্ডুবৰ্ণ, পদ্মবৰ্ণ, হৰিত ( সেউজীয়া ), কাষায় (গভীৰ ৰঙা) আৰু গৌৰ। দুটা স্বভাৱজ বৰ্ণ লগা লগালে সংযোগজ বৰ্ণ পোৱা যায়;— যেনে—

সিত নীল সমাযোগাৎ কাৰণ্ডৱ ইতি স্মৃত: /
সিত পীত সমাযোগাৎ পাণ্ডুবৰ্ণঃ প্ৰকীৰ্তিত : //
সিত ৰক্ত সমাযোগাৎ পদ্মবৰ্ণ ইতি স্মৃত : /
পীত নীল সমাযোগাৎ হৰিতো নাম জায়তে //
নীল ৰক্ত সমাযোগাৎ কাষায়ো নাম জায়তে /
ৰক্ত পীত সমাযোগাৎ গৌৰ ইতি অভিধীয়তে // ত্ৰয়োবিংশ / ৭৫-৭.

তিনি বা ততোধিক স্বভাৱজ বৰ্ণ লগ লগালে উপবৰ্ণ পোৱা যায় / উপবৰ্ণ বহুত।

৩। হাইতাল আৰু সেন্দুৰ=গৌৰবৰ্ণ
৪। নীল আৰু খৰীমাটি=শ্যাম
৫। খৰীমাটি আৰু হাইতাল=পাণ্ডু

মিশ্ৰণ বিষয়ত উপাদানৰ পৰিমাণ খনিকৰৰ নিজা বিবেচনাৰ ওপৰত নিৰ্ভৰশীল। একে উপকৰণৰ তাৰতম্য ঘটাই খনিকৰসকলে দুবিধ গোলাপী বৰণ প্ৰস্তুত কৰিছিল। যেনে,—ডাঠ আৰু পাতল। নাট্যশাস্ত্ৰত উল্লেখ কৰা কাষায় বা ডাঠ ৰক্ত বৰ্ণটো (সেন্দুৰ আৰু নীলৰ মিশ্ৰণত) উলিয়া নহৈছিল। বঙা বৰণৰ কাৰণে কেৱল সেন্দুৰকে ব্যৱহাৰ কৰা হৈছিল। সেইদৰে ক'লা বৰণটো দেখুৱা হৈছিল নীল ডাঠকৈ গুলি। খৰীমাটিৰ লগত বেলৰ আঠা মিশ্ৰণ কৰি ধবল বৰ্ণ দেখুৱা হৈছিল। নীল ব্যৱহাৰ কৰোঁতে আন্দাজ মতে জুলীয়া মিঠৈ আৰু সামান্য বেলৰ আঠা ব্যৱহাৰ কৰা হৈছিল। মুখমণ্ডলত বৰণসমূহ লাগি ধৰিবলৈ খনিকৰসকলে হাঁহ-কণীৰ কুহুম কৰাল হিচাপে ব্যৱহাৰ কৰিছিল। বৰণ ঘঁহাৰ আগতে মুখত ঘঁহি দি নাইবা বৰণৰ লগত মিহলায়ো কণীৰ কুহুম ব্যৱহাৰ কৰা হৈছিল। অৱশ্যে নীলৰ লগত হাঁহ-কণীৰ কুহুম ব্যৱহাৰ কৰা নহৈছিল। কিয়নো কুহুম ব্যৱহাৰ কৰিলে নীলখিনি গোটা-গুটি হৈ পৰে। সেই কাৰণে নীলৰ লগত বেলৰ আঠাহে ব্যৱহাৰ কৰা হৈছিল। বৰণ ঘঁহাৰ আগতে কোনো ভাৱৰীয়াৰ মুখখন তেলেতীয়া হৈ থাকিলে, তাক গুচাবলৈ কুমাৰণী বাহৰ মাটি গুৰি কৰি ভাৱৰীয়াই মুখত ঘঁহি লৈছিল। মাটি ঘঁহিলে মুখত তেল-চিকটি নাথাকিছিল আৰু বৰণখিনিও পিছলি নগৈছিল। বৰণত বেলৰ আঠা ব্যৱহাৰ কৰিলে সামান্য পৰিমাণে মিঠৈ ব্যৱহাৰ কৰাটো বিশেষ প্ৰয়োজনীয় আছিল। কিয়নো আঠাই গাল-মুখ যিদৰে টানি ধৰে, মিঠৈয়ে সেইদৰে কোমল কৰি ৰাখে। কোনো কোনো খনিকৰে ক'ব খোজে যে কণীৰ কুহুম বা মিঠৈ কেৱল বৰণৰ উজ্জ্বলতা বৃদ্ধিৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল। মুখমণ্ডলত অধিক জেউতি ছটিয়াবলৈ বোন্দাকেচুৰ ৰস ব্যৱহৃত হৈছিল। জেউতিৰ কাৰণে বালিচন্দাও ব্যৱহৃত হৈছিল। বালিচন্দা পানীত তিয়াই থৈ কোমলাই পেলাই ধান কেইটামান লৈ মোহাৰি থাকিব লাগে। তেতিয়া বালিচন্দাখিনি পানীৰ দৰে হ'ব আৰু তাত ঔ-টেঙাৰ বীজ মিহলি কৰি ঘঁহি লাগে। কিন্তু এইখিনি মুখত ঘঁহাৰ আগতেই মুখৰ বৰ্ণ-প্ৰলেপ ভালকৈ শুকাবলৈ দিব লাগে। তিনিটা বা চাৰিটা বৰণৰ মিশ্ৰণেৰে খনিকৰসকলে নানা উপবৰ্ণ প্ৰস্তুত কৰিছিল। কোনো কোনো খনিকৰে ক'ব খোজে যে সাধাৰণতে জেউতি চৰাবলৈ হ'লে ২১ বিধ বৰণ প্ৰয়োগ কৰিব লাগে। ২১ বিধ বৰণ বোলোঁতে মূল বৰণ, যোগজ আৰু উপবৰ্ণসমূহ সোমাই পৰে। কোনো এবিধ স্বভাৱজ বা যোগজ বৰণেৰে অঙ্গৰচনা কৰি বাকীবোৰেৰে লতা বছা বা গা বনকাই দিয়া হৈছিল। উপবৰ্ণসমূহ মুখমণ্ডলৰ মূল বৰণ হিচাপে ব্যৱহাৰ কৰা নহৈছিল। লিখনী কৰোঁতে বা চিত্ৰ অঙ্কণ আদিত তাৰে কিছুমান বৰ্ণ ব্যৱহাৰ কৰা হৈছিল।

নীল উপকৰণ বিধ লৈ খনিকৰে নীলা আৰু ক'লা বৰণ হিচাপে ব্যৱহাৰ কৰিছিল। যিবোৰ চৰিত্ৰৰ বৰণ ক'লা, তেওঁলোকৰ চেলাউৰি বোলাবলৈ খনিকৰসকলে আন এবিধ ক'লা বৰণ প্ৰস্তুত কৰি লৈছিল। এইবিধ বৰণ লাউখোলাৰ পৰা কৰিছিল। শুকান লাউ জুইত ভালকৈ পুৰি জুই যেন অঙ্গাৰ কৰিছিল আৰু তাৰ পাছত পানীত ডুবাই থৈ এঙ্গাৰ কৰি লৈছিল। এই এঙ্গাৰ মিহিকৈ বাটি ক'লা বৰণ প্ৰস্তুত কৰি লৈছিল।

মিশ্ৰণৰ সময়ত নীল বৰ্ণ সাৱধানে ব্যৱহাৰ কৰিব লাগে।



কিয়নো বৰণবোৰৰ ভিতৰত এই বৰণটো সকলোতকৈ বলিষ্ঠ বা বলবান।[৩৯] বল অনুপাতে বৰ্ণবোৰক ক্ৰমত সজালে এনেদৰে পোৱা যাব— ১) নীল, ২) সেন্দুৰ, ৩) হাইতাল, ৪) খৰীমাটি বা ধল। আগতেই উল্লেখ কৰা হৈছে যে বৰ্ণ মিশ্ৰণৰ বেলিকা খনিকৰৰ বিচাৰ-বুদ্ধিয়েই প্ৰভাৱ বিস্তাৰ কৰি থাকে। চিত্ৰাদি অঙ্কন কাৰ্যত বৰ্ণিকা-ভঙ্গৰ বেলিকা চকুতকৈ যিদৰে মনৰ গুৰুত্ব আটাইতকৈ বেছি, সেইদৰে অঙ্গৰচনাৰ ক্ষেত্ৰতো খনিকৰৰ মনটোৰ ভূমিকা বেছি। ভৰত মুনিয়ে নাট্যশাস্ত্ৰত বৰ্ণবিধি লিপিবদ্ধ কৰিছে। অঙ্কীয়া ভাওনাত খনিকৰসকলে পৰম্পৰাগতভাৱে চলি অহা বৰ্ণবিধি ওজাৰ পৰা ভাল দৰে আয়ত্ত কৰি ল'ব লাগিছিল। নাট্যশাস্ত্ৰয়ো বৰ্ণবিধি আয়ত্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বৰ্ণবিধি মানে বৰ্ণৰ মিশ্ৰণ-বিধিয়েই নহয়; বৰ্ণৰ প্ৰকৃতি অৰ্থাৎ কোন বৰ্ণই কি ৰস, ভাৱ বা অৱস্থা বুজায়, তাৰো বিধি। বৰ্ণবিধি ভাল দৰে জানি লৈহে চৰিত্ৰৰ দেশ, জাতি আৰু বয়সলৈ লক্ষ্য ৰাখি অঙ্গৰচনাত প্ৰবৃত্ত হ'ব লাগে, এয়ে নাট্যশাস্ত্ৰৰ অভিমত।[৪০] বিভিন্ন প্ৰকাৰে ৰঙৰ সংযোগ ঘটাই অভিনেতাৰ দেহাৱয়ৱত বৰণ ঘঁহা কাৰ্যক বৰ্তনা বোলা হয়। এনেদৰে বৰ্তনাৰ পাছত ভাৱৰীয়াই নিজৰ আগৰ পোছাক-পৰিচ্ছদ এৰি চৰিত্ৰানুগ পোছাক পৰিচ্ছদ ধাৰণ কৰিলেই নাট্যধৰ্মী হৈ পৰে।[৪১] নাট্যধৰ্মী বুলি এই কাৰণেই কোৱা হৈছে যে ভাৱৰীয়াই ৰং-বৰণেৰে নিজৰ ছালৰ ৰং ঢাকি আৰু চৰিত্ৰানুগ পোছাক-পৰিচ্ছদ পিন্ধি অভিনেয় চৰিত্ৰৰ প্ৰকৃতি আৰু আচৰণ গ্ৰহণ কৰে। তাকে ভৰত মুনিয়ে গীতাৰ 'বাসাংসি জীৰ্ণানি'ৰ লেখিয়াকৈ দাৰ্শনিকভাৱে এই বুলি ক'ব খুজিছে যে আত্মাই এটা ভূতদেহ এৰি আন এটা ভূতদেহ পৰিগ্ৰহ কৰাৰ দৰে ভাৱৰীয়ায়ো ৰং-বৰণ আৰু পোছাকৰ পৰিবৰ্তনেৰে পৰভাৱ অৰ্থাৎ অভিনেয় চৰিত্ৰৰ স্বভাৱ গ্ৰহণ কৰে।[৪২]

নাট্যশাস্ত্ৰই চৰিত্ৰৰ দেশ (দেশজ স্বভাৱ— ৰূপ অনুযায়ী), জাতি (জন্মগত কাৰণত লাভ কৰা স্বীকৃতি, যেনে— দেৱতা নে গন্ধৰ্ব, ব্ৰাহ্মণ নে ক্ষত্ৰিয় আদি) আৰু বয়সলৈ (ডেকা নে বুঢ়া) লক্ষ্য কৰি বৰণ প্ৰয়োগ কৰিব লাগে বুলি কৈছে। অঙ্কীয়া ভাওনাত চৰিত্ৰৰ দেশ অনুপাতে বৰণ আৰু পোছাকৰ ওপৰত গুৰুত্ব দিয়া যেন নালাগে। আন ফালে জাতি বুলি কওঁতে নাট্য-চৰিত্ৰৰ পৰ্যায় অৰ্থাৎ

---

৩৯ নাট্যশাস্ত্ৰই নীলবৰ্ণক সকলো বৰ্ণৰ ভিতৰত বলবান বুলি উল্লেখ কৰিছে— 'বলবান্ সৰ্ববৰ্ণানাং নীল এৱ প্ৰকীৰ্তিতঃ' (ত্ৰয়োবিংশ / ৮০খ)। উপবৰ্ণ উদ্ঘাটনৰ বেলিকা নীলবৰ্ণৰ বাহিৰে আন স্বভাৱজ বৰ্ণবোৰৰ ভিতৰত বলিষ্ঠ বৰ্ণ এভাগ ল'লে বাকী দুৰ্বল বৰ্ণসমূহ ২ ভাগ ল'ব লাগে (অৰ্থাৎ ১ : ২)। কিন্তু নীলবৰ্ণৰ ক্ষেত্ৰত অনুপাত হ'ব ১ : ৪, অৰ্থাৎ নীলবৰ্ণ এভাগ, আন বৰ্ণ ৪ ভাগ (ত্ৰয়োবিংশ /৭৯-৮০)

৪০ বৰ্ণানাং তু বিধিং জ্ঞাত্বা তথা প্ৰকৃতিমেৱ চ /
কুৰ্যাদঙ্গস্য ৰচনাং দেশ জাতি বয়ঃশ্ৰিতাম্ // ত্ৰয়োবিংশ / ৮৯

৪১ না. শা. / ত্ৰয়োবিংশ / ৮২

৪২ না. শা. / ত্ৰয়োবিংশ / ৮৪-৫

দেৱতা নে গন্ধৰ্ব, মানৱ নে দানৱ, ব্ৰাহ্মণ নে ক্ষত্ৰিয় আদি কথালৈ লক্ষ্য ৰখা হৈছিল। কিন্তু চৰিত্ৰৰ জাত-পাতলৈ (যেনে,— ব্ৰহ্মা=ব্ৰাহ্মণ) দৃষ্টি ৰাখি ভাও বিতৰণ কৰা নহৈছিল। •৩ (ক্ৰমশঃ)

---

৪৩ এই ক্ষেত্ৰত গাঁওবোৰৰ গঠন-বৈশিষ্ট্য লক্ষ্য কৰিবলগীয়া। সাধাৰণতে গাঁৱৰ একোটা খেলত একেটা সম্প্ৰদায়ৰ লোকেই (ঠায়ে ঠায়ে দুই-এঘৰ ব্ৰাহ্মণ বা গোঁসাই-মহন্ত পৰিয়ালো থাকে) বসবাস কৰে আৰু ব্ৰাহ্মণৰ পৰা শূদ্ৰলৈকে আৰু দেৱতা-গন্ধৰ্ব আদি কৰি সকলো নাট্য-চৰিত্ৰ সেই সম্প্ৰদায়ৰ লোকে ৰূপায়ন কৰে। মিশ্ৰিত গাঁও বা বাবোৱাৰী সমাজতো কোনো ধৰণেৰে সম্প্ৰদায় বিচাৰ কৰা নহয়। অৱশ্যে এনে এটা পৰম্পৰা ঠাই বিশেষে নোহোৱা নহয় যে কৃষ্ণ বা ৰামৰ ভাও সেই গাঁৱত থকা ব্ৰাহ্মণ বা মহন্তৰ ঘৰৰ লোককহে দিব লাগে। কোনো কোনো ঠাইত মহন্তৰ ঘৰৰ ল'ৰাকেইজনমানক বাল্য কৃষ্ণৰ ভাও দিব পৰাকৈ শিকাই-বুজাই ৰাখিছিল আৰু ৰাসৰ দিনা তেওঁলোকক গাঁওবোৰে ভাগে ভাগে মান-সেৱাকৈ কৃষ্ণৰ ভাও দিবলৈ নিছিল। এনে কট্‌কটীয়া ৰীতি থকা সমাজত কৃষ্ণ বা ৰাম প্ৰৱেশৰ সময়ত সমবেত দৰ্শকে অভিনেতাজনকে কৃষ্ণ বা ৰামৰ প্ৰতীক বুলি ভাবি ভক্তিভৰা সেৱা জনাইছিল। এনেকুৱা গাঁৱো আছিল য'ত গোসাঁই-মহন্ত নাথাকিলে ৰাইজে যুক্তি কৰি নিজৰ গাঁৱলৈ আন এখন গাঁৱৰ গোঁসাই-মহন্ত এঘৰ তুলি আনি পাতিছিল। তেনেকুৱা গাঁৱৰ সমাজত এইঘৰ গোসাঁইৰ ভূমিকা মন কৰিব লগীয়া। গঞা ৰাইজে নিজৰ পাছিৰ আগৰ অলপ মাটি গোসাঁইক দিছিল আৰু গোসাঁইত নলগোৱাকৈ ন-চাউলমুঠি নলগাইছিল। আনকি নিজৰ পথাৰৰ ধান কাটি প্ৰথম ভাৰ ধান পোনে পোনে গোসাঁইৰ ঘৰত দি আহিছিলগৈ। আজি-কালি এই প্ৰথা অপ্ৰচলিত আৰু গাঁৱৰ একেটা খেলত গোসাঁই-মহন্ত বা ব্ৰাহ্মণ থাকিলেও ৰাম বা কৃষ্ণৰ ভাও শূদ্ৰক দিয়ে। গতিকে এতিয়া এই ভাওকেইটাৰ ক্ষেত্ৰত কোনো কট্‌কটীয়া নীতি নাই। অৱশ্যে ভাওনাৰ দিনা কোনো গোসাঁই-মহন্তক আচাৰ্য হিচাপে মতা আৰু নিৰ্মালি লোৱা ৰীতি এতিয়াও কোনো কোনো গাঁৱত আছে। আগতে অঙ্কীয়া ভাওনাত শৰণীয়া-অশৰণীয়াৰ জাত-বিচাৰ হৈছিল, আৰু এতিয়াও একেবাৰে নোহোৱা নহয়। এই নতুন জাত-বিচাৰ মতে অতীজত সকলো ভাৱৰীয়া শৰণীয়া হ'ব লাগিছিল। যিবিলাক গাঁৱত ভাৱৰীয়া শৰণীয়া হোৱাটো এতিয়া বাধ্যতামূলক নোহোৱা হৈছে, তাতো মূল ভাও লোৱাজন শৰণীয়া হ'ব লাগে আৰু সূত্ৰধাৰজন, মূলৰ বায়ন আৰু শিৰৰ গায়নজন নাম-কথা ভাগ গ্ৰহণ কৰা হ'ব লাগে। অৱশ্যে স্বীকাৰ কৰিব লাগিব যে যুগ পৰিবৰ্তনৰ লগে লগে ধৰ্মৰ ভেটিত সমাজ-বন্ধন নোহোৱা হ'বলৈ ধৰিছে।

---

# গ্ৰন্থ-পৰিচয়

## ৰত্নকান্ত বৰকাকতীৰ গদ্য-সম্ভাৰ

সম্পাদক : শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা

প্ৰকাশক : শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা,

লয়াৰ্ছ বুক ষ্টল।

পৃষ্ঠা : ৪৪১+১৩

মূল্য : ত্ৰিছ টকা

ৰত্নকান্ত বৰকাকতীক সকলোৱে কলংপৰীয়া কেৱলীয়া সেৱালি-কবি বুলিহে জানে। একেখন হাতেই যে মননশীল, বিতৰ্কমূলক, তথ্যমূলক, চিন্তাপ্ৰধান গদ্য প্ৰবন্ধও ৰচনা কৰিছিল, সেই কথা কোনেও মন কৰা নাই। জীৱিত অৱস্থাত কবিজনাও সেই সম্পৰ্কে উদাসীন আছিল। গতিকে তেওঁৰ লেখত আৰু জোখত গধুৰ এই বস্তুখিনি সামৰি-সুতৰি থোৱা নহ'ল। এই পাহৰি এৰি থৈ যোৱা সম্পত্তিখিনি তেওঁৰ পুত্ৰ শ্ৰীমান পঙ্কজ আৰু গুণগ্ৰাহী শিষ্যপুত্ৰ অধ্যাপক যোগেন ভূঞাই ৰাইজৰ আগলৈ উলিয়াই ৰাইজক তাৰ মোল বুজিবলৈ সুবিধা দিয়াত প্ৰকৃত পুত্ৰৰ কামকেই কৰিছে। শ্ৰীদত্তবৰুৱায়ো তেওঁলোকৰ ঘৰৰ ঐতিহ্য ৰক্ষা কৰি বৰকাকতীৰ মূল্যবান প্ৰবন্ধখিনি প্ৰকাশ কৰিবলৈ আগ বঢ়াত সকলোৰে শলাগৰ পাত্ৰ হৈছে।

বৰকাকতীৰ গদ্য প্ৰবন্ধসমূহ উষা, বাঁহী, চেতনা আদি আলোচনীত প্ৰকাশ হৈছিল। ভাষা সম্বন্ধীয়, সংস্কৃতি সম্বন্ধীয়, পুথি সমালোচনা বিষয়ক, সাহিত্যৰ প্ৰকৃতি বিচাৰ, বিতৰ্কমূলক সাময়িক সমস্যা, বৈজ্ঞানিক আলোচনা,— ঘাইকৈ এই কেইটা বিভাগত প্ৰবন্ধখিনি ভগাব পাৰি। কেৱল কবিতাৰ বাহিৰেও যে বিবিধ বিষয়ত কবিৰ ৰাপ আছিল আৰু সেই সম্পৰ্কে চিন্তা কৰি মনোৰম গদ্যত তাক প্ৰকাশ কৰিছিল, এই গদ্য প্ৰবন্ধখিনিয়ে তাৰে প্ৰমাণ দিয়ে। মহৎ সাহিত্যৰ সৃষ্টি হ'লেহে সমালোচনা সাহিত্যও তাৰ অনুগামী হয়। এতিয়াও আমাৰ সমালোচনাৰ সবল আৰু স্বাধীন প্ৰকাশ হোৱা নাই; কাৰণ বলৱন্ত সাহিত্যই আমাৰ ভাষাত দেখা দিয়া নাই। সাহিত্য সমালোচনা মানে আলোচনী কাকতত ওলোৱা পুথিৰ অতি সংক্ষেপ পৰিচয়, বৰ্ণাশুদ্ধিৰ কথা, ছপা আৰু কাকতৰ কথা। সাহিত্যৰ আদৰ্শ, মূল্যায়ন সম্পৰ্কে নতুন নতুন দুই-চাৰিটা কথা আজি-কালি শুনিবলৈ পোৱা গৈছে। কিন্তু সৰ্বসাধাৰণৰ আগ্ৰহ এই বিষয়ত সাৰ পাই উঠা নাই। যেই হওক, বৰকাকতীৰ প্ৰবন্ধ আধুনিক কালৰ সমালোচনাৰ

বাটকটীয়া বুলিলেও ভুল কৰা নহ'ব। তাহানি জোনাকীৰ দিনত লক্ষ্মীনাথ বেজবৰুৱাৰ সমালোচনাৰ পাছত বৰকাকতীৰ ভালিমী আৰু জ্ঞান-মালিনীৰ সমালোচনাই লেখত ল'বলগীয়া। সাহিত্যত জাত-বিচাৰ বোলা প্ৰবন্ধও উল্লেখযোগ্য। আধুনিক অসমীয়া সমালোচনাৰ ক্ষেত্ৰত বৰকাকতীয়ে নতুন দিশলৈ আঙুলিয়াইছে।

বুদ্ধি আৰু বিচাৰ-প্ৰধান গদ্য ৰচনাও সাহিত্যৰ পৰ্যায়লৈ উঠে প্ৰকাশ-ভঙ্গীৰ গুণত। পঢ়ি সুখ পাব লাগে পাঠকে। বৰকাকতীৰ গদ্য ৰচনা পঢ়ি কষ্ট নাপায়। উপযুক্ত মানসিক প্ৰস্তুতি নাথাকিলে পাঠকে অৰ্থ হৃদয়ঙ্গম কৰিবলৈ টান পাব পাৰে; কিন্তু পঢ়ি আনন্দ পালে এই সমৰ্থতা পাঠকে আৰ্জি লয়।

বড্লেয়াৰে ভাবিছিল, যে কবিয়েইহে প্ৰকৃত সমালোচক। কথাটো একেবাৰে মিছা বুলি ক'ব নোৱাৰি। আধুনিক ভাৰতীয় সাহিত্যত ৰবীন্দ্ৰনাথৰ দৰে সমালোচক এতিয়ালৈকে পোৱা নাই। বৰকাকতীও কাব্য আৰু সমালোচনা দুয়ো ক্ষেত্ৰতে ৰবীন্দ্ৰনাথৰ অনুগামী। ৰবীন্দ্ৰনাথৰ সাহিত্য আৰু সৌন্দৰ্য সম্পৰ্কীয় মতক ভাৰতীয় দৰ্শনে বিশেষ প্ৰভাৱ কৰিছে। ৰবীন্দ্ৰনাথে অনেক ঠাইতে উপনিষদৰ বচন উদ্ধৃত কৰি তেওঁৰ মত সমৰ্থন কৰিছে। ৰবীন্দ্ৰনাথে পাশ্চাত্য দাৰ্শনিকৰ মতো খণ্ডন কৰিছে। পশ্চিমীয়া মতৰ লগত ৰবীন্দ্ৰনাথৰ মত ঠায়ে ঠায়ে মিলেও। ৰবীন্দ্ৰনাথৰ ভাবনা ভাৰতীয় ঐতিহ্যৰ লগত জড়িত; সেই বুলি তেওঁক ভাৰতৰ বাহিৰৰ চিন্তাৰ পৰা একেবাৰে আঁতৰাই আনিব নোৱাৰি। মিষ্টিক আৰু ৰমাণ্টিক ৰবীন্দ্ৰনাথক পৃথিৱী-ত্যাগী তাত্ত্বিক বুলি কোনেও ক'ব নোৱাৰে। তেওঁ মানৱিকবাদী (humanist)। সৌন্দৰ্য, জীৱনৰ মহৎ আদৰ্শ,— এই দুয়োটাই ৰবীন্দ্ৰনাথৰ সাহিত্য-দৰ্শনত প্ৰকাশ পাইছে। সাহিত্য-বিচাৰত অৰ্থনীতি, ৰাজনীতি, মনোবিজ্ঞান প্ৰভৃতিৰ ওপৰত তেওঁ বেছি গুৰুত্ব দিয়া নাই। অত্যধিক সমাজ-সচেতনতাৰ দ্বাৰাই সাহিত্যৰ বিচাৰ হোৱাত সাহিত্যৰ আৰ্দ... সম্বন্ধেও বহুত বেমেজালি হৈছে।

বৰকাকতীৰ বৰ্তমান সাহিত্যৰ আধুনিকতাবাদ আৰু ৰবীন্দ্ৰনাথ, ভাৰতীয় ঐতিহ্য আৰু আধুনিক লিখক, সভাপতিৰ অভিভাষণ আদি প্ৰবন্ধসমূহত বৰকাকতীৰ ৰবীন্দ্ৰনাথৰ আদৰ্শৰ বাহক ৰূপে আমি পাইছোঁ। ভাৰতৰ বিভিন্ন অঞ্চলত ৰবীন্দ্ৰনাথৰ অনুগামী কি... কেইজন আছে, তাৰ ভিতৰত বৰকাকতীৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

ৰবীন্দ্ৰনাথে তেওঁৰ এটা কবিতাত 'ক্ৰন্দসী' শব্দ ব্যৱহাৰ কৰিছিল। বৰকাকতীয়েও এটা কবিতাত এই শব্দ ব্যৱহাৰ কৰে। এই শব্দ অৰ্থহীন বুলি কোনো এজন পাঠকে মন্তব্য কৰাত ৰবীন্দ্ৰনাথৰ 'শান্তিনিকেতন' প্ৰবন্ধৰ পৰা এই সম্পৰ্কে ৰবীন্দ্ৰনাথৰ ব্যাখ্যা উদ্ধৃত কৰি দিয়ে। ৰবীন্দ্ৰনাথ সম্পৰ্কে বৰকাকতীৰ বিস্তৃত জ্ঞানৰ প্ৰমাণ ইয়াৰ পৰা পোৱা যায়।

কেৱল ঐতিহ্যকে ধৰি থাকিলেও সমাজ আৰু সাহিত্য অচল হয়। আন হাতে ঐতিহ্যক পাহৰি গলেও সম্পূৰ্ণ বিলুপ্তিৰ ভয়। ভাৰতীয় তথা অসমৰ সাহিত্য-সমালোচনাৰ ক্ষেত্ৰতো এই সমস্যা উপস্থিত হৈছে। অলপীয়া হ'লেও বহুকাল বৰকাকতীৰ এই সম্পৰ্কে অৱদান আছে; এইখিনি চাই-চিতি ল'ব পাৰিলে আমাৰ লাভত বাজে লোকচান নহয়। আশা কৰিছোঁ,— অসমৰ সাহিত্যিক সমাজে এই গদ্য-সম্ভাৰ আদৰেৰে গ্ৰহণ কৰিব, আৰু



আৱশ্যক হ'লে নতুন পথত খোজ ল'ব।

আধুনিক সমালোচনাৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ এই গ্ৰন্থৰ সংগ্ৰাহক, সম্পাদক, প্ৰকাশক সকলোটি অসমীয়া সাহিত্যিক-সমাজৰ সম্বৰ্দ্ধনাৰ যোগ্য। দুই-চাৰিটা শব্দৰ ভুল, ছপাখানাৰ ভুল থাকি গ'ল। সমালোচকে এইখিনি কোৱা নিয়ম এটা আছে, গতিকে কোৱা হ'ল। মূঠৰ ওপৰতে কিন্তু কঠাল খানপুৰীয়া। পাছে কঠালৰ দামটোহে অলপ চৰা হ'ল যেন লাগিছে।

শ্ৰীযতীন্দ্ৰেশ্বৰ শৰ্মা

—×—

## সম্বাদ পত্ৰৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য

লেখক :— শ্ৰীনন্দ তালুকদাৰ

প্ৰকাশক :— শ্ৰীবদন চন্দ্ৰ বৰুৱা, বৰুৱা এজেঞ্চি, গুৱাহাটী।

পৃষ্ঠা :— ২২৪ + ১৭ + ১৮

মূল্য :— দহ টকা

শ্ৰীনন্দ তালুকদাৰৰ এই গ্ৰন্থখন, তেখেতে নিজে কোৱা মতেই, "কোনো গৱেষণা-গ্ৰন্থ নহয়, বা তত্ত্ব-গধুৰ আলোচনাৰ পুথিও নহয়;" মাথোন লেখকে "হাতে ঢুকি পোৱা উনবিংশ শতিকাৰ সাহিত্যৰাজিৰ চমু পৰিচয়"। সংবাদ-পত্ৰ আৰু আলোচনীৰ মাজেৰে যোৱা শতিকাটোত আধুনিক অসমীয়া সাহিত্য কেনেকৈ ক্ৰমবিবৰ্দ্ধিত হ'ল, গ্ৰন্থখনে তাৰ আভাস দাঙি ধৰিছে। উনবিংশ শতিকাৰ সাহিত্য, অসম-হিতৈষী বিদেশী চাহাব, মিছনেৰী আৰু অসমীয়া সাহিত্য, অসমীয়া ভাষা উন্নতি সাধিনী সভা, আলোচনী আৰু সম্বাদ পত্ৰ, অৰুণোদই, আসাম বন্ধু, মৌ, জোনাকী, বিজুলী, ভ্ৰমৰঙ্গ, উনবিংশ শতিকাৰ পঢ়াশালীয়া (-? পঢ়াশলীয়া) পুথি, উনবিংশ শতিকাত প্ৰকাশিত পুথি আৰু উনবিংশ শতিকাৰ অগ্ৰগতি আৰু শিক্ষানুষ্ঠান — এই চৈধ্যটা প্ৰসঙ্গ গ্ৰন্থখনত আলোচিত হৈছে আৰু কেইটা প্ৰসঙ্গকে লেখকে খৰচি মাৰি আলোচনা কৰিছে। লগতে 'অসমীয়া পুথিৰ তালিকা', 'অসমীয়া ল'ৰাৰ মিত্ৰ', 'অৰুণোদই সম্বাদ পত্ৰ' আৰু 'বিজুলী'ৰ পৰিচয়-পৃষ্ঠা আৰু ডঃ এম, ব্ৰন্সনৰ 'A Dictionary : Assamese and English' গ্ৰন্থৰ দুটা পৃষ্ঠা আৰু প্ৰথম বছৰৰ প্ৰথম সংখ্যা জোনাকীৰ এটা পৃষ্ঠাৰ 'ফটো প্ৰতিলিপি' গ্ৰন্থখনত সন্নিবিষ্ট হৈছে। গ্ৰন্থপঞ্জী, ৰচক-নিৰ্ঘণ্ট আৰু ৰচনা নিৰ্ঘণ্ট সংযোগ কৰিও গ্ৰন্থখনক নিটোল ৰূপ এটা দিবৰ কাৰণে শ্ৰীতালুকদাৰে চেষ্টা কৰিছে। আমি ভাবোঁ, লেখকৰ প্ৰচেষ্টা ফলৱতী হৈছে। উনবিংশ শতিকাৰ আলোচনীগত-প্ৰাণ অসমীয়া ভাষা-সাহিত্যৰ বহুতো প্ৰসঙ্গ সাম্প্ৰতিক যুগৰ অসমীয়া পঢ়ুৱৈৰ বাবে সহজলভ্য কৰি তোলাত লেখকৰ পৰিশ্ৰম সাৰ্থক হৈছে বুলি নিশ্চয় ক'ব লাগিব। বেটুপাতৰ পৰিকল্পনা আৰু গ্ৰন্থখনৰ আকৃতিও চকুত লগা বিধৰ। আৰ্থিক লাভ-লোকচানৰ প্ৰতি দৃষ্টি নাৰাখি সেৱাৰ মনোভাবেৰে এনে এখন গ্ৰন্থ প্ৰকাশ কৰা

বাবে প্ৰকাশক শ্ৰীবদনচন্দ্ৰ বৰুৱা নিশ্চয় ধন্যবাদাৰ্হ। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে পাঠ্যপুথি প্ৰকাশন ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ নিয়াৰ পাছৰ পৰা অসমীয়া গ্ৰন্থ-প্ৰকাশৰ ক্ষেত্ৰত এটা ডাঙৰ সঙ্কটে দেখা দিয়া সত্বেও যি কেইজন প্ৰকাশকে সংখ্যাত তাকৰ হ'লেও গধুৰ চিন্তামূলক গ্ৰন্থ প্ৰকাশ কৰিছে, সেইসকলৰ সাহসী প্ৰচেষ্টা প্ৰশংসা কৰিব লগীয়া।

কিন্তু গ্ৰন্থখনত আলোচ্য বিষয়ৰ একাধিক প্ৰসঙ্গৰ পুনৰুল্লেখ আৰু লেখকৰ বক্তব্যৰ দ্বিৰুক্তিয়ে সচেতন পঢ়ুৱৈক নিশ্চয় আমনি দিব। শ্ৰীতালুকদাৰৰ ৰচনা-ৰীতিৰ এইটো এটা দোষেই বুলি যাওঁতাৰ লগা নহয়, তাৰ বাবে লেখক সচেষ্ট হোৱাটো আমি কামনা কৰোঁ। গ্ৰন্থখনৰ কেইটামান আখৰ-জোঁটনিও (যেনে, ঐক্যান্তিকতা, সপেক্ষে, হিচাবে, বৈশিষ্ট, পঢ়াশালীয়া, চৰ্চ্চা) উজুটি খোৱা বিধৰ। সেয়ে হ'লেও, উনবিংশ শতিকাৰ অসম আৰু অসমীয়া ভাষা-সাহিত্যৰ যিমানখিনি সংবাদ হাত মেলিলেই পোৱাকৈ গ্ৰন্থখনত থ'পাই খোৱা হৈছে, সেই দৃষ্টিকোণৰ পৰা গ্ৰন্থখনৰ মূল্য আমাৰ বোধেৰে বহুত বেছি।

---

**শ্ৰীশ্ৰীগোপালদেৱ**

লেখক ? সম্পাদক ?

প্ৰকাশক : শ্ৰীশ্ৰীগোপালদেৱ প্ৰকাশন সমিতি, যোৰহাট।

পৃষ্ঠা : ৬৩

মূল্য : ছটকা

অসমৰ ৰাজনৈতিক তথা সাংস্কৃতিক দিশত অসমৰ বৈষ্ণৱ ধৰ্মৰ চাৰি সংহতিৰ অন্যতম কাল-সংহতিৰ যি বৈপ্লৱিক ভূমিকা, সেই সম্পৰ্কে আমাৰ অৱগতি যথেষ্ট বুলি নিশ্চয় ক'ব নোৱাৰি। এই দিশত প্ৰয়োজনীয় চৰ্চাৰ অভাৱেই তাৰ কাৰণ। কাল-সংহতিৰ প্ৰৱৰ্তক শ্ৰীশ্ৰীগোপালদেৱৰ নিৰ্ভৰযোগ্য জীৱনীগ্ৰন্থ এখনেই আজিলৈকে নোলোৱাটো আমাৰ বাবে বৰ দুখৰ কথা হৈ আছে। প্ৰবীণ লেখক শ্ৰীমোহন চন্দ্ৰ মহন্তৰ 'মাধৱ বৈকুণ্ঠে গৈলা, গোপাল উদয় ভৈলা' গ্ৰন্থখনেই আমি জনাত গোপালদেৱৰ জীৱন আৰু প্ৰতিভা-প্ৰকাশক একমাত্ৰ নিৰ্ভৰযোগ্য গ্ৰন্থ। কিন্তু শ্ৰীমহন্ত ডাঙৰীয়াই উক্ত গ্ৰন্থখনেৰে এই দিশত বাট-কটীয়াৰ ভূমিকাহে লৈছে। আধুনিক দৃষ্টিভঙ্গী আৰু বৈজ্ঞানিক ৰীতিত গোপালদেৱৰ পূৰ্ণাঙ্গ জীৱনী এখনৰ অভাৱ পূৰণ হোৱাটো নিশ্চয় একান্ত বাঞ্ছনীয়। শ্ৰীশ্ৰীগোপাদেৱ প্ৰকাশন সমিতিয়ে (যোৰহাট) গোপালদেৱৰ ১৯৭৭ চনৰ তিৰোভাৱ তিথি পালন উপলক্ষে স্মৃতিগ্ৰন্থৰ আকাৰত এই গ্ৰন্থখনি প্ৰকাশ কৰিছে। স্মৃতিগ্ৰন্থখনিত সন্নিবিষ্ট 'শ্ৰীশ্ৰীগোপালদেৱৰ চম্ু জীৱন-চৰিত' আৰু 'শ্ৰীশ্ৰীগোপালদেৱৰ শিষ্য প্ৰশিক্ষণ' শীৰ্ষক প্ৰবন্ধ দুটাইহে বৈষ্ণৱ ধৰ্ম-প্ৰচাৰকজনৰ জীৱন আৰু প্ৰতিভাৰ পৰিচয় জ্ঞাপন কৰিছে। প্ৰবন্ধ দুটাৰ লেখকৰ নাম স্মৃতিগ্ৰন্থখনিৰ ক'তো পাবলৈ নাই যদিও 'মাধৱ



বৈকুণ্ঠে গৈলা, গোপাল উদয় ভৈলা' গ্ৰন্থৰ লেখক শ্ৰীমোহন চন্দ্ৰ মহন্তই যে প্ৰথম প্ৰবন্ধটোৰ ৰচয়িতা, সেই কথা অনুমান কৰিব পাৰি। যি নহওক, উক্ত প্ৰবন্ধ দুটাত গোপালদেৱৰ জীৱন আৰু প্ৰতিভাৰ সম্যক পৰিচয় ফুটি উঠিছে। প্ৰবন্ধ দুটাৰ ক'তো পাণ্ডিত্য প্ৰকাশৰ প্ৰচেষ্টা নাই। আনহাতে, প্ৰবন্ধ দুটা ভক্তৰ দৃষ্টিৰে ভক্তসকলৰ বাবে ৰচিত বুলি কোৱাৰো থল নাই। গোপালদেৱ আৰু কাল-সংহতি সম্পৰ্কে জানিব খোজাসকলে এই অকণমানি স্মৃতিগ্ৰন্থখনিৰ পৰা প্ৰভূত সহায় লাভ কৰিব। পাছে, আধুনিক লেখকসকলে গোপালদেৱৰ আৱিৰ্ভাৱ-তিৰোভাৱ সম্পৰ্কে নিৰ্ণয় কৰা শকাব্দকেইটা সদায় বিতৰ্কমূলক হৈয়ে থকাটো নিশ্চয় কোনেও নিবিচাৰে। সেইবাবেই আধুনিক আৰু নিৰপেক্ষ দৃষ্টিভঙ্গীৰে আৰু বৈজ্ঞানিক ৰীতিৰে গোপালদেৱৰ জীৱনী এখন আৰু লগতে কাল-সংহতিৰ সম্পূৰ্ণ ইতিহাস এখন প্ৰণয়ন কৰাৰ গধুৰ দায়িত্ব শ্ৰীশ্ৰীগোপালদেৱ প্ৰকাশন সমিতিয়ে বহন কৰিব বুলি আমি আশা কৰিছোঁ।

ধ্যানেন্দ্ৰ ভৌমিক

---

## প্ৰাপ্তি-স্বীকাৰ :

১। জীৱন তৃষ্ণা :

লেখক : শ্ৰীপ্ৰভাত চন্দ্ৰ তালুকদাৰ
প্ৰকাশক : শ্ৰীপবিত্ৰ চৌধুৰী
মূল্য : ১·৭৫ টকা

২। এপাহ বগা ফুল :

লেখক : শ্ৰীপ্ৰভাত চন্দ্ৰ তালুকদাৰ
প্ৰকাশিকা : শ্ৰীবীণা তালুকদাৰ
মূল্য : ২·৫০ টকা

৩। স্মৃতি-গ্ৰন্থ :

অসম চাহ কৰ্মচাৰী সংঘ : ২৯ তম্ বাৰ্ষিক অধিৱেশন।
সম্পাদক আৰু প্ৰকাশক : শ্ৰীতিলেন্দ্ৰ নাথ মহন্ত
মূল্য : ৪·০০ টকা

৪। বিবাহ আৰু জীৱন :

লেখক : শ্ৰীশুকদত্ত ভাগৱতী
প্ৰকাশক : শ্ৰীবংশীধৰ শৰ্মা
গুৱাহাটী বুক ষ্টল।
মূল্য : ৫·০০ টকা

৫। চিৰ চেনেহী মোৰ ভাষা-জননী :

লেখক : শ্ৰীনন্দ তালুকদাৰ
প্ৰকাশক : শ্ৰীবদন চন্দ্ৰ বৰুৱা, বৰুৱা এজেন্সি, গুৱাহাটী
মূল্য : ১০·০০ টকা।

# অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

## ১। কাৰ্য-নিৰ্বাহক সমিতিৰ প্ৰথম অধিৱেশন

চন্দ্ৰকান্ত সন্দিকৈ ভৱন,

যোৰহাট — ১

তাৰিখ— ১০।৪।৭৭

১। উপস্থিত সদস্যসকল :— চৈয়দ আব্দুল মালিক, শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰা, শ্ৰীৰেনু প্ৰভা দাস, শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা, শ্ৰীমন্তিদেৱ শাস্ত্ৰী, শ্ৰীসত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, শ্ৰীকমল বাইলুং, শ্ৰীলংকাম তেৰণ, শ্ৰীৰাম চৰণ ঠাকুৰীয়া, শ্ৰীভৱানী প্ৰসাদ অধিকাৰী, মো: আব্দুল মালিক চৌধুৰী, শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী, শ্ৰীনাহেন্দ্ৰ পাদুন, শ্ৰীঅৰুণ খেৰিয়া, শ্ৰীবসন্তকুমাৰ গোস্বামী, আব্দুছ ছাত্তাৰ।

নিমন্ত্ৰিতসকল :— শ্ৰীআনন্দচন্দ্ৰ বৰুৱা, শ্ৰীনগেন শইকীয়া, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীডিম্বেশ্বৰ শৰ্মা, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীপোনাৰাম বৰুৱা, শ্ৰীকমলেশ্বৰ শইকীয়া, শ্ৰীদেবেশ্বৰ শইকীয়া, শ্ৰীমতী অৱলা গোঁহাই।

২। মাননীয় সভাপতি চৈয়দ আব্দুল মালিকক সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ প্ৰধান সম্পাদকে আহ্বান কৰে। সভাপতিয়ে আসন গ্ৰহণ কৰে।
৩। সভাপতিয়ে অধিৱেশনৰ প্ৰাৰম্ভতে তলত দিয়া শোক-প্ৰস্তাৱকেইটি উত্থাপন কৰে আৰু সমৱেত-সকলে দুই মিনিট সময় থিয় হৈ মৃতকসকলৰ চিৰশান্তি কামনা কৰি মৌন প্ৰাৰ্থনা জনায়।

ক) কালি ৯।৪।৭৭ তাৰিখে অসম সাহিত্য সভাৰ উনচত্বাৰিংশ অধিৱেশনৰ সভাপতি, বিশিষ্ট সাহিত্যিক, সমালোচক, খ্যাতনামা কবি, বিশিষ্ট ৰাজনীতিক শ্ৰীহেম বৰুৱাৰ আকস্মিক বিয়োগত আজিৰ কাৰ্য নিৰ্বাহক সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। সভাই শোকসন্তপ্ত শ্ৰীযুতা অনু বৰুৱা আৰু পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

খ) ভাৰতবৰ্ষৰ সৰ্বসন্মানিত ৰাষ্ট্ৰপতিৰ পদ অধিষ্ঠিত, অসম তথা ভাৰতৰ অন্যতম উজ্জ্বল ৰত্ন, ফখৰুদ্দিন আলি আহমদৰ আকস্মিক আৰু অকাল বিয়োগ অসম সাহিত্য সভাই সমগ্ৰ দেশ আৰু জাতিৰ বাবে অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি তথা অসমৰ জাতীয় ৰাজহুৱা জীৱনৰ লগত থকা আলি আহমদৰ আন্তৰিক গভীৰ সম্পৰ্কৰ কথা সভাই সশ্ৰদ্ধভাৱে সোঁৱৰণ কৰে আৰু প্ৰয়াত ৰাষ্ট্ৰপতি গৰাকীৰ চিৰশান্তি কামনা কৰি প্ৰাৰ্থনা জনায়।





গ) অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ আজিৰ অধিৱেশনে তলত দিয়া বিশিষ্ট ব্যক্তিসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। সভাই স্বৰ্গগত আত্মাৰ সদ্‌গতি কামনা কৰি এক মিনিট নীৰৱে থাকি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় :-
কালিদাস খাটনীয়াৰ, লক্ষ্মীৰাম বৰুৱা, এ-কে গোপালন, ইউ এন ধেবৰ, কৃষণ চন্দ, ৰছিদুজ জামান, সিদ্ধেশ্বৰী দেৱী, কলিয়াবৰৰ বাপাৰাম হাজৰিকা, বড়াইগাঁৱৰ কমলেশ্বৰ মজুমদাৰ, ধনদাকুমাৰী শইকীয়া, বীৰেন্দ্ৰ কুমাৰ ৰায়, খগেন শইকীয়া।
৪। প্ৰধান সম্পাদকে সভাপতি প্ৰমুখ্যে সদস্যসকলক আৰু নিমন্ত্ৰিতসকলৰ প্ৰতি স্বাগত সম্ভাষণ জ্ঞাপন কৰে আৰু সকলোৰে সহযোগিতা কামনা কৰে।
৫। সমৱেতসকলে আত্মপৰিচয় দান কৰে।
৬। বিদায়ী প্ৰধান সম্পাদক ড° হেমন্ত কুমাৰ শৰ্মাই সদস্যসকলৰ প্ৰতি স্বাগত সম্ভাষণ জ্ঞাপন কৰি সভাই যোৱা বছৰ কৰা অ'াঁচনিৰ কথা উল্লেখ কৰে আৰু সভাৰ সকলো প্ৰকাৰৰ অ'াঁচনৰ সফলতা কামনা কৰি শুভেচ্ছা আৰু সহযোগিতা দানৰ কথা উল্লেখ কৰে।
৭। প্ৰধান সম্পাদকৰ অনুৰোধক্ৰমে বিদায়ী প্ৰধান সম্পাদকে পূৰ্বৱৰ্তী কাৰ্য-নিৰ্বাহকৰ শেষ বৈঠকৰ কাৰ্য বিৱৰণি গ্ৰহণ কৰে।
৮। সভাই কাৰ্য্য-বিৱৰণি গ্ৰহণ কৰে।
৯। বিদায়ী প্ৰধান সম্পাদকে অভয়াপুৰীত অনুষ্ঠিত সভাৰ বিশেষ কাৰ্য-নিৰ্বাহক সমিতিৰ কাৰ্য-বিৱৰণি উত্থাপন কৰে।
১০। সভাই কাৰ্য্য-বিৱৰণি গ্ৰহণ কৰে।
১১। প্ৰাক্তন প্ৰধান সম্পাদকে ৪৪তম অধিৱেশনৰ বিষয়-বাছনী সভাৰ কাৰ্য-বিৱৰণি পাঠ কৰে।
১২। সভাই কাৰ্য-বিৱৰণি গ্ৰহণ কৰে।

১৩। উত্থিত বিষয় :
ক) অভয়াপুৰীত কাৰ্য-নিৰ্বাহকৰ বিশেষ অধিৱেশনৰ কাৰ্য-বিৱৰণীত বেংকৰ আদান-প্ৰদান সম্পৰ্কীয় প্ৰস্তাৱটি অন্তৰ্ভুক্ত কৰিবৰ কাৰণে অনুমোদন জনায়। অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ আজিৰ বৈঠকত সিদ্ধান্ত কৰা হয় যে নৱনিৰ্বাচিত প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰ আৰু ধনভঁড়ালী শ্ৰীঅৰুণ গোস্বামীৰ যুটীয়া স্বাক্ষৰত ১৯৭৭ চনৰ ১ এপ্ৰিলৰ পৰা তলত উল্লেখ কৰা বেংকৰ সাধাৰণ পুঁজিৰ টকা লেন-দেন কৰিব পাৰিব।
অসম কো-অপাৰেটিভ এপেক্স বেংক, যোৰহাট শাখা— হিচাপ নং—৭১৬৫।
অসম কো-অপাৰেটিভ এপেক্স বেংক, গুৱাহাটী শাখা— হিচাপ নং—৯৩৮৪।
আজিৰ বৈঠকে সিদ্ধান্ত কৰে যে অসম সাহিত্য সভাৰ নামত বিভিন্ন বেংক আৰু ডাকঘৰত জমা থকা সকলোবিলাক স্থায়ী-অস্থায়ী পুঁজিৰ পৰিচালনা বৰ্তমানৰ নৱ-নিৰ্বাচিত প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰৰ যোগেদি ১৯৭৭ চনৰ ১ এপ্ৰিলৰ পৰা লেন-দেন কৰিব পাৰিব।
খ) ককা নীলমণি ফুকনৰ 'বাতৰিৰ বিভূতি' গ্ৰন্থ পূৰ্বশ্ৰী প্ৰকাশনে ছপা কৰিবলৈ অসমৰ্থতা প্ৰকাশ কৰিছে বুলি প্ৰধান সম্পাদকে জানিবলৈ দিয়ে।
গ) হীৰক-জয়ন্তী উপলক্ষে সাহিত্য সভাৰ তথ্য-চিত্ৰ নিৰ্মাণৰ প্ৰতি অসম চৰকাৰৰ পৰা ইতিবাচক উত্তৰ পোৱা নগ'ল বুলি প্ৰধান সম্পাদকে জানিবলৈ দিয়ে।
ঘ) অভয়াপুৰী অধিৱেশনত সম্বৰ্দ্ধিত ব্যক্তিসকলৰ এগৰাকী ড° ভূপেন হাজৰিকাই সাহিত্য সভাৰ প্ৰতি কৰা লঘু মন্তব্যত মাননীয় সভাপতিয়ে দুখ প্ৰকাশ কৰে আৰু যথাৰীতি প্ৰস্তাৱৰ প্ৰতিলিপি পঠিয়াবলৈ প্ৰধান সম্পাদকক কতৃ'ত্ব দিয়ে।
"অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে

যোৰা চতুশ্চত্বাবিংশ সন্মিলনত সম্বৰ্দ্ধনা জ্ঞাপন কৰিবলৈ আহ্বান কৰি অনা ডঃ ভূপেন হাজৰিকাই সম্বৰ্দ্ধনা গ্ৰহণ কৰিও সাহিত্য সভাৰ দ্বাৰা আয়োজিত সংগীত অধিবেশনতে অসম সাহিত্য সভাক যুক্তিহীন আৰু অবাঞ্ছনীয়ভাৱে অসন্মানজনক ব্যৱহাৰ কৰাত সভাই গভীৰ দুখ প্ৰকাশ কৰে। ব্যক্তিত্বকৈ অনুষ্ঠানৰ মৰ্যাদাৰ প্ৰতি লক্ষ্য ৰাখি সমিতিয়ে অনুভৱ কৰে যে— যিসকল ব্যক্তিয়ে সভাক মৰ্যাদা দিব নোখোজে, তেনে লোকক সভাই ভৱিষ্যতে সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ পৰা বিৰত থাকিব।

ঙ) নগালেণ্ড চৰকাৰে সাহিত্য সভাৰ শুভেচ্ছামূলক দলৰ ভ্ৰমণৰ প্ৰতি আদৰণি জনায় আৰু আংশিকভাৱে ভ্ৰমণৰ খৰচ বহন কৰিব বুলি উপ-সভাপতি শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰাই জানিবলৈ দিয়ে।

চ) সভাই নিয়মাৱলীৰ উপবিধি (খ) ১৪ (ক) অনুযায়ী সমিতিৰ লগত নিয়মাৱলী অনুসৰি চিচাপ দাখিল নকৰা আদৰণী সমিতিৰ ওপৰত ব্যৱস্থা লবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

ছ) সভাৰ বাৰ্ষিক অধিৱেশনৰ কাৰ্য-ক্ৰমণিকাৰ এটা স্থায়ী আৰু সংহত নিয়ম বান্ধি দিব লাগে বুলি সভাই অনুভৱ কৰে আৰু এই সম্পৰ্কে আঁচনি প্ৰণয়ন কৰিবলৈ তলত দিয়া সদস্যসকলক দায়িত্ব দিয়ে :

শ্ৰীনগেন শইকীয়া, শ্ৰীবসন্তকুমাৰ গোস্বামী, আব্দুছ ছাত্তাৰ। এই সমিতিয়ে বিষয়-বৰীয়া নিৰ্বাচন পদ্ধতিৰ ওপৰতো কাৰ্য-নিৰ্বাহকক পৰামৰ্শ দিবলৈ কৰ্তৃত্ব দিয়া হয়।

জ) যোৱা বছৰ ছপাশালত দিয়া পুথিৰ ভিতৰত কাৰ্বি সাধু, চেক্সপীয়েৰ, তৰুণ ফুকন স্মৃতিমাল্য, ধ্বনি আৰু ৰসতত্ত্ব, টিছু লখিমী, শিখ ধৰ্মীয় সাধু, শতাব্দীৰ অৰ্ঘ্য, মিছিং সাধু, কামেং সীমান্তৰ সাধু, দেউৰী সাধু, ৰহিম ৰূপবানৰ সাধু, ৰাভা সাধু, নৃতত্ত্বৰ চমু আভাস, অসমীয়া সংগীতৰ ঐতিহ্য, চাহৰ কথা ছপা হৈ আছিল। নগাভূমি, চাহ বনুৱাৰ মাজত প্ৰচলিত সাধু, বৌদ্ধ জাতকৰ সাধু, বড়ো সাধু, কামৰূপী লোকগীত সংগ্ৰহ, গল্প গুচ্ছ, নেপালী সাধু, চিকিৎসা বিজ্ঞানৰ ইতিহাস ছপাশালত আছে বুলি প্ৰধান সম্পাদকে জানিবলৈ দিয়ে।

১৪। ১৯৭৭-৭৮ চনৰ আঁচনি উত্থাপন :

প্ৰকাশন আঁচনি (ক) পৰিচয় গ্ৰন্থমালা:— ফুলস্কেপ কাগজৰ ১০০ পৃষ্ঠাৰ ভিতৰত পাণ্ডুলিপি হ'ব লাগিব। (প্ৰতি পৃষ্ঠাত দুশকৈ শব্দ হ'ব পাৰে)। বিষয়-বস্তু একে ৰাখি নামৰ সাল-সলনি হ'ব পাৰে।

| | |
|---|---|
| ১) অসমৰ চৰাই | ২) কাজিৰঙা |
| ৩) অসমৰ খনিজ সম্পদ | ৪) অসমৰ উদ্ভিদ |
| ৫) অসমৰ ৰেচম শিল্প | ৬) অসমৰ জন্তু-পৰিচয় |
| ৭) অসমৰ ধানৰ কথা | ৮) অসমৰ মাছৰ কথা |
| ৯) অসমৰ মৰাপাট | ১০) অসমৰ নদী |
| ১১) অসমৰ ফল-মূল | ১২) অসমৰ নৃত্য |
| ১৩) টেলিফোন আৰু টেলিগ্ৰাফ | ১৪) টেলিভিজন |
| ১৫) ৰেডিঅ' | ১৬) জ্যোতিষ বিজ্ঞান |
| ১৭) ৰাসায়নিক আৱিষ্কাৰ | ১৮) অসমৰ খেল-ধেমালি |
| ১৯) কিতাপৰ কথা | ২০) উপন্যাস |

খ) জনজাতীয় জীৱনভিত্তিক সাধু

১) পোনোৱালৰ সাধু ২) খাচী সাধু ৩) আদি সাধু
৪) নগাভূমিৰ সাধু ৫) ভাংচা সাধু ৬) ডিমাচা সাধু
৭) তিৱা লালুং সাধু ৮) বড়ো জনগোষ্ঠী

গ) ধৰ্মীয় সাধু

১) বাইবেলৰ সাধু ২) গুলিস্তাৰ সাধু ৩) উপনিষদৰ সাধু

ঘ) শিশু সাহিত্য

১) ৰাহুল সাংকৃত্যায়ন ২) জাহাঙ্গীৰ ভাৱা ৩) টলষ্টয়
৪) হেমচন্দ্ৰ বৰুৱা ৫) ৰবীন্দ্ৰনাথ ঠাকুৰ ৬) ৰুজ্জক আলি আহমদ ৭) নবীনচন্দ্ৰ বৰদলৈৰ জীৱনী।

ঙ) নাগামিজত লিপান্তৰ গ্ৰন্থ দুখন

১) ক) হৰিপ্ৰসাদ ৰায় খ) গোবিন্দ চন্দ্ৰ পৈৰা
২) নেৰাচাতুৰ সোনাৰ— এই সকলৰ অন্ততঃ দুটাকৈ গল্পৰ এটি সংকলন।
৩) নগাকৌৱৰ নাটকখন সংক্ষিপ্ত ৰূপে যুগুত কৰিবলৈ সমিতিয়ে শ্ৰীগোবিন্দ পৈৰাক দায়িত্ব দিয়ে।

চ) প্ৰকাশন : সাধাৰণ

১) আধুনিক হাস্য ৰসাত্মক সাহিত্যৰ সংকলন ২) কবি অমূল্য বৰুৱা ৩) ৰাতিৰ বিভূতি ৪) তৰুণৰাম ফুকন সোঁৱৰণী বক্তৃতা ৫) লেখক শিবিৰ (১৯৭৬) ৬) অভয়াপুৰী বাৰ্ষিকী ৭) মাজুলিৰ ইতিবৃত্ত ৮) অসমীয়া সমাজ আৰু ইচলাম সংস্কৃতি ৯) হেমবৰুৱা সোঁৱৰণী গ্ৰন্থ ১০) আধুনিক অসমীয়া কবিতা ১১) অসমীয়া ভাষাত মধ্য এচিয়াৰ শব্দ-সম্ভাৰ ১২) আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰীসকলৰ জীৱনালেখ্য ১৩) পৰিব্ৰাজকৰ দৃষ্টিত অসম ১৪) ইন্দ্ৰকান্ত ব্যাকৰণ।

ছ) পুনৰ্মুদ্ৰণ

১) বিংশ শতাব্দীৰ অসমীয়া সাহিত্য ২) সাহিত্য সমীক্ষা
৩) অসমৰ জনজাতি ৪) পৱিত্ৰ অসম
৫) দিচ্ ইজ আছাম্ (This is Assam)

জ) হীৰক জয়ন্তী প্ৰকাশন

১) বাণী উদ্ধৃতি
২) অসম সাহিত্য সভাৰ ইতিবৃত্ত
৩) অসম সাহিত্য সভাৰ ইতিবৃত্ত (হিন্দী সংস্কৰণ)
৪) অসম সাহিত্য সভাৰ বিৱৰণমূলক পুথিৰ তালিকা
৫) স্মৃতিগ্ৰন্থ
৬) প্ৰবন্ধ সংকলন
৭) শাখা সভাৰ পৰিচয়।

ঝ) শতবাৰ্ষিকী প্ৰকাশন

১) কালিৰাম মেধি স্মৃতিমাল্য ২) কালিৰাম মেধি-ৰচনাৱলী



১৫) পৰামৰ্শ : ক) সভাই ইন্দ্ৰকান্ত ব্যাকৰণ এখন যুগুত কৰিব লাগে বুলি সভাৰ পূৰ্বৱৰ্তী কাৰ্যপালিকাত আলোচিত বিষয়টো প্ৰাক্তন প্ৰধান সম্পাদক নগেন শইকীয়াই উত্থাপন কৰে। সভাই নীতিগতভাৱে বিষয়টো মানি লয়।

খ) মাননীয় সভাপতিয়ে গৱেষণামূলক গ্ৰন্থ প্ৰকাশৰ আঁচনি সভাই ল'ব লাগে বুলি পৰামৰ্শ দিয়ে।

গ) হীৰক-জয়ন্তী উপলক্ষে শাখাসমূহে স্বকীয়া প্ৰকাশন নিজা খৰচত প্ৰকাশ কৰিবলৈ সভাই পৰামৰ্শ দিয়ে।

ঘ) অসম সাহিত্য সভাৰ পত্ৰিকাৰ উপৰিও এখন তিনি মহীয়া সাহিত্য-সংস্কৃতিৰ সংবাদমূলক পত্ৰিকা (বুলেটিন) প্ৰকাশ কৰা হওক বুলি সভাই অনুভৱ কৰে।

ঙ) প্ৰত্যেক শাখা সভাই ন্যূনতম পাঁচজন আজীৱন সভ্য কৰিবৰ কাৰণে যত্নপৰ হ'ব লাগে বুলি সমিতিয়ে উপলব্ধি কৰে।

১৬) উপসমিতি :— ১) প্ৰেমধৰ দত্ত বঁটা উপসমিতি : শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীদেৱপ্ৰসাদ বৰুৱা, শ্ৰীমতী অৰুণা গোঁহাই, ড° চন্দ্ৰ কটকী, শ্ৰীবীৰেন বৰুৱা, শ্ৰীৰামেশ্বৰ শইকীয়া, শ্ৰীদিলীপ শৰ্মা, অধ্যাপিকা কেশদা মহন্ত, প্ৰধান সম্পাদক। (সমিতি যোৰহাটত বহিব)।

২) হৰিহৰ চৌধুৰী বঁটা পুঁজি : শ্ৰীৰাপ চন্দ্ৰ মহন্ত, ডাঃ নবীন বৰদলৈ, অধ্যাপক ডিম্বেশ্বৰ শৰ্মা, শ্ৰীপ্ৰকাশ গোস্বামী, শ্ৰীমহেশ ভট্টাচাৰ্য, শ্ৰীবংশী শইকীয়া, প্ৰধান সম্পাদক। (সমিতি যোৰহাটত বহিব)।

৩) বনমালী শইকীয়া পুঁজি : শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীসুৰেন্দ্ৰনাথ বৰদলৈ, শ্ৰীকুতুবুদ্দিন আহমেদ, শ্ৰীৰমা বৰঠাকুৰ, শ্ৰীমিনতি হাজৰিকা, শ্ৰীললিত চন্দ্ৰ ৰবা,

শ্ৰীধৰ ভূঞা, প্ৰধান সম্পাদক আৰু মাকুম সাহিত্য সভাৰ সম্পাদক। (সমিতি যোৰহাটত বহিব)।

৪) অসমীয়া ভাষা-জ্ঞান পৰীক্ষা : সভাপতি— শিৱসাগৰ জিলা মণ্ডলৰ বিদ্যালয় পৰিদৰ্শক, উপ-সভাপতি— শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীঅবলা গোঁহাই, শ্ৰীমুকলী শইকীয়া, শ্ৰীকুতুবুদ্দিন আহমেদ, শ্ৰীআনন্দ গোস্বামী, শ্ৰীৰমেশ দাস, প্ৰধান সম্পাদক, শ্ৰীপ্ৰকাশ গোস্বামী (সচিব)।

৫) ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতি : ড° জীৱকান্ত শইকীয়া-সভাপতি, শ্ৰীদেৱপ্ৰসাদ বৰুৱা-সম্পাদক, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীদেবেশ্বৰ শইকীয়া-প্ৰধান সম্পাদক, যোৰহাট সাহিত্য সভা, যোৰহাটৰ অধীক্ষক অভিযন্তা, শ্ৰীনগেন শইকীয়া, শ্ৰীবদন বৰুৱা, শ্ৰীহৰেন বৰুৱা, প্ৰধান সম্পাদক, সহকাৰী সম্পাদক, যোৰহাট।

৬) মোহন চন্দ্ৰ শৰ্মা বঁটা : (সৰ্বশ্ৰী) ৰাম গোস্বামী, যোগেশ দাস, নন্দ তালুকদাৰ, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, যুনীন বৰকটকী, হেমন্তকুমাৰ শৰ্মা, যতীন গোস্বামী, গুচিব্ৰতা ৰায়চৌধুৰী, ড° নিশিপদ চৌধুৰী-আহ্বায়ক। (সমিতি গুৱাহাটীত বহিব।)

৭) মুদ্ৰণ আৰু অলংকৰণ বঁটা : সৰ্বশ্ৰী ড° সত্যেন্দ্ৰ নাথ শৰ্মা, চন্দ্ৰপ্ৰসাদ শইকীয়া, পৰেশ চন্দ্ৰ শৰ্মা, ত্ৰৈলোক্য দত্ত, বেণু মিশ্ৰ, যতীন গোস্বামী, তিলক হাজৰিকা, দুৰ্গেশ্বৰ শৰ্মা, নীলপৱন বৰুৱা, ড° নিশিপদ চৌধুৰী–আহ্বায়ক। (সমিতি গুৱাহাটীত বহিব)।

৮) শৰৎ চন্দ্ৰ গোস্বামী বঁটা : শ্ৰীগিৰিধৰ শৰ্মা, আশ্ৰফ আলি, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ গোস্বামী, ড° অতুল চন্দ্ৰ গোস্বামী, হিতেশ ডেকা, নন্দ তালুকদাৰ, ভগৱান মৰল, ৰমেশ চন্দ্ৰ কলিতা, কনক ডেকা, নিশিপদ চৌধুৰী-আহ্বায়ক। (সমিতি গুৱাহাটীত বহিব)।

৯) ডিগবৈ সাহিত্য সেৱা সমিতি ন্যাস পুঁজি— (সৰ্বশ্ৰী) কৃষ্ণ প্ৰসাদ বৰুৱা, প্ৰফুল্ল ৰাজগুৰু, ... ৰহমুদৈ, দুলাল বৰঠাকুৰ, কুতুবুদ্দিন আহমেদ, ... বৰদলৈ, লক্ষ্মীনন্দন বৰা, প্ৰধান সম্পাদক ... সহকাৰী সম্পাদক। (যোৰহাটত বহিব)।

১০) প্ৰকাশন সমিতি : চৈয়দ আব্দুল মালিক, শ্ৰীনগেন শইকীয়া, ড° হেমন্ত কুমাৰ শৰ্মা, শ্ৰীযোগেশ দাস, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, ড° কালীনাথ শৰ্মা, ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, গোবিন্দ ... আব্দুচ ছাত্তাৰ (প্ৰধান সম্পাদক)।

১১) পত্ৰিকা সম্পাদনা সমিতি : (সৰ্বশ্ৰী) ... শৰ্মা, অধ্যাপক মহিম বৰা, অধ্যাপক ড° নগেন্দ্ৰ চন্দ্ৰ কলিতা, সভাপতি, অসম সাহিত্য সভা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, মহেশ চন্দ্ৰ গো... গোস্বামী, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা-আহ্বায়ক।

উল্লেখ থাকে যে — প্ৰয়োজন বোধে এই উপসমিতি-সমূহৰ সদস্য সংখ্যা বৃদ্ধি কৰিব পাৰিব।

১৭) পত্ৰিকা— পত্ৰিকা ইউ-চি-পি কৰি পঠিয়াবলৈ পৰামৰ্শ দিয়া হয়। প্ৰতি সংখ্যা পত্ৰিকা ১৫০০ কপি ছপা কৰা হওক।

১৮) ভাষা-জ্ঞান পৰীক্ষা : যোৱা ২৪, ২৫ আৰু ২৬ ডিচেম্বৰ তাৰিখে অসমৰ বিভিন্ন স্থানৰ ৩০টা কেন্দ্ৰত অনুষ্ঠিত ভাষা-জ্ঞান পৰীক্ষাৰ ফলাফল সমিতিয়ে তলত দিয়া দৰে ঘোষণা কৰে।

ক) প্ৰাথমিক — মুঠ পৰীক্ষাৰ্থী ৮৯৮। পৰীক্ষাত অৱতীৰ্ণ হ'ল ৬৭৫। উত্তীৰ্ণ হ'ল ৩৮৪। প্ৰথম বিভাগ ৪ জন, ২য় বিভাগ ৬৯ জন আৰু ৩য় বিভাগ ৩১১ জন। উত্তীৰ্ণৰ শতকৰা হাৰ ৫৬...।

খ) মাধ্যমিক — মুঠ পৰীক্ষাৰ্থী ৪৯৯। পৰীক্ষাত অৱতীৰ্ণ হ'ল ৩৮৫। উত্তীৰ্ণ হ'ল ১৪০। প্ৰথম বিভাগ— নাই, ২য় বিভাগ—২২, ৩য় বিভাগ ১১৮ জন। উত্তীৰ্ণৰ শতকৰা হাৰ —৩৬৩।

গ) প্ৰাগ-ভাৰতী — মুঠ পৰীক্ষাৰ্থী— ১৩৮ জন।





পৰীক্ষাত অৱতীৰ্ণ হ'ল ১১৫। উত্তীৰ্ণ হ'ল— ৫১। প্ৰথম বিভাগ — ২, ২য় বিভাগ— ৪, ৩য় বিভাগ— ৪৫ জন। উত্তীৰ্ণৰ শতকৰা হাৰ — ৪৪'৩।

ঘ) ভাৰতী — মুঠ পৰীক্ষাৰ্থী — ২৫। পৰীক্ষাত অৱতীৰ্ণ হ'ল — ১৬। উত্তীৰ্ণ হ'ল — ৪। প্ৰথম বিভাগ— নাই, ২য় বিভাগ — নাই, ৩য় বিভাগ ৪ জন। উত্তীৰ্ণৰ শতকৰা হাৰ — ২৫।

ভাষাজ্ঞান পৰীক্ষাৰ পাঠ্যক্ৰম সম্পৰ্কে সংসদে দিয়া পৰামৰ্শসমূহ সভাপতিয়ে গ্ৰহণ কৰে আৰু শতাব্দীৰ উদ্যাপন সম্ভৱ হ'লে পাঠ্য পুথি কৰিবলৈ পৰামৰ্শ দিবৰ কাৰণে উপ-সমিতিক জনাবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১৯) লেখকৰ পাৰিতোষিক : সভাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰ লেখক, আহিঁ কাকত চাওঁতা, পুনৰীক্ষক, অনুবাদক, পত্ৰিকাৰ প্ৰবন্ধ লেখক, সংকলক আদিক তলত দিয়াৰ দৰে মানলি দিবলৈ সিদ্ধান্ত কৰা হয়।

১) লেখক : লেখকক প্ৰতিখন গ্ৰন্থৰ বাবে ৫০ খন গ্ৰন্থ বিনামূলীয়াকৈ দিয়া হওক। নাইবা কমিছন বাদ দি মূল্য দিয়া হওক। ইয়াৰ অতিৰিক্ত দহ-খন বিনামূলীয়াকৈ দিয়া হওক, কিন্তু এই দহখনৰ মানলি মূল্য দিয়া নহ'ব।

২) সংকলক : সংকলকক বিনামূলীয়াকৈ ১৫ খন গ্ৰন্থ দিয়া হওক।

৩) সম্পাদক : সম্পাদনা কৰোঁতাক ২০ খন কিতাপ আৰু অতিৰিক্ত ৫ খন কিতাপ বিনামূলীয়াকৈ আৰু দুগৰাকীয়ে যুটীয়াভাৱে সম্পাদনা কৰিলে অতিৰিক্ত ৫ খনৰ ঠাইত ৬ খন কিতাপ দিয়া হওক।

৪) অনুবাদক : অনুবাদকক লেখকক দিয়াৰ দৰেই মানলি দিয়া হওক।

৫) পুনৰীক্ষক : পুনৰীক্ষকক ৫ খন গ্ৰন্থ বিনামূলীয়াকৈ দিয়া হওক।

৬) আহিঁ কাকত চাওঁতা : আহিঁ কাকত চাওঁতাক ছপাশালক দিয়াৰ পৰিবৰ্তে ছপাশালৰ নিৰ্দ্ধাৰিত পাৰিশ্ৰমিক দিয়া হওক। ছপাত হৈ যোৱা ভুল-ত্ৰুটীৰ বাবে আহিঁ কাকত চাওঁতা দায়বদ্ধ হ'ব।

৭) পত্ৰিকা : পত্ৰিকা সম্পাদকে দহখন পত্ৰিকা আৰু প্ৰবন্ধ লেখকে দুখনকৈ পত্ৰিকা বিনামূলীয়াকৈ পাব।

৮) পত্ৰিকাৰ বেহাই মূল্য : শতকৰা ২৫ টকা বেহাই মূল্যত পত্ৰিকা বিক্ৰী কৰা হওক।

২০। লেখক শিবিৰ : অক্টোবৰ মাহৰ ২৩ তাৰিখৰ পৰা ২৬ তাৰিখৰ ভিতৰত লেখক শিবিৰ পাতিবলৈ সমিতিয়ে সিদ্ধান্ত কৰে। ৰংপুৰ সাহিত্য সভাই লেখক-শিবিৰ আমন্ত্ৰণ কৰি দিয়া প্ৰস্তাৱত সমিতিয়ে সন্তোষ প্ৰকাশ কৰে আৰু প্ৰস্তাৱত সন্মতি জনায়।

২১। সাংস্কৃতিক ভ্ৰমণ সম্পৰ্কে আলোচনা কৰি কাৰ্য-নিৰ্বাহকক পৰামৰ্শ দিবৰ বাবে প্ৰধান সম্পাদক, অৰুণ গোস্বামী আৰু নাহেন্দ্ৰ পাডুনক লৈ এখনি কমিটি গঠন কৰা হয়।

২২। অসম সাহিত্য সভাৰ শাখা সভাসমূহ সক্ৰিয় কৰি তোলা, আজীৱন সভ্য, পত্ৰিকাৰ গ্ৰাহকভুক্তি আদি সভাৰ সংগঠনত সহায় কৰিবৰ বাবে তলত দিয়া লোকসকলক সভাই সংগঠক ৰূপে নিযুক্তি দিয়ে। সংগঠক সকলে একোখন পত্ৰিকা বিনা-মূলীয়াকৈ পাব।

কাছাৰ জিলা : (সৰ্বশ্ৰী) নৃপেন্দ্ৰ ৰাজবংশী, শিলচৰ, চিদ্দিক আহমদ চৌধুৰী, কৰিমগঞ্জ, সবিৰ আহমেদ, হাইলাকান্দি, আব্দুল হক, ইদগাহ, আক্ৰম আলি, বাত্তাবাৰী, আব্দুল মন্নান তালুকদাৰ, পাথাৰকান্দি, শাহাদত হুছেইন, ঈদগাহ।

গোৱালপাৰা : (সৰ্বশ্ৰী) দীনেশ ৰঞ্জন চৰকাৰ, ধুবুৰী, হৰিমোহন সৰকাৰ, টিপলাই, কেশৱ ৰায়, দুধনৈ, ৰাজেন ৰাভা, দুধনৈ, ৰজনী সিংহ, লক্ষ্মীপুৰ, শৈলেন্দ্ৰ নাৰায়ণ দাস, অভয়াপুৰী, ৰজেন দাস, গোলোকগঞ্জ, পূৰ্ণানন্দ পাঠক, বঙাইগাঁও, দ্বিজেন নাথ, বৈটামাৰী,

ৰমেন্দ্ৰ মজুমদাৰ, কোকৰাঝাৰ নীলকমল ৰায়, গোসাঁই-গাঁও, অমল দাস. যোগীঘোপা।

গাৰোপাহাৰ : ( মেঘালয় ) : শ্ৰীপৰেশ চন্দ্ৰ হাজং, তুৰা, মণি ৰাভা এম এল এ, টিক্ৰিকিলা, সমৰ সিং ৰাভা, তুৰা।

খাচী পাহাৰ : শ্ৰীভূপেন দাস, চিলং, শ্ৰীঐশ্বৰ্য দাস, চিলং।

কামৰূপ : (সৰ্বশ্ৰী) খগেন বায়ন, বকো, প্ৰতাপ চন্দ্ৰ চৌধুৰী, ডিমৰীয়া, মঃ পিয়াৰ আলি, মুকালমুৱা, প্ৰেমময়ী দাস, হাজো, সুবোধ চন্দ্ৰ শৰ্মা, পিপলীবাৰী, অনিল কাকতী, আঠিয়াবাৰী, টিহু, ফণী দাস, সুন্দৰীদিয়া, আদ্য নাথ গোস্বামী, ছয়গাঁও, অনিল কুমাৰ, মালিগাওঁ, কৈলাসমল্ল বৰুৱা, টিহু, সত্য হুজুৰী, তামুলপুৰ, এম ইলিয়ুদ্দিন দেৱান, বৰপেটা, পুলিন বিহাৰী চৌধুৰী, পাটাচাৰকুছি, নগেন্দ্ৰ নাথ বয়, পাঠশালা।

নগাঁও জিলা : (সৰ্বশ্ৰী) উপেন্দ্ৰ বৰকটকী, লামডিং, যুগলদেৱ গোস্বামী, পুৰণিগুদাম, সাৰদানন্দ দেৱ গোস্বামী, হোজাই কলেজ, জীৱন সিং, দক্ষিণপাট, বুদ্ধিমান বৰদলৈ, নগাঁও, ৰমা দত্ত, ধিং, মনেশ্বৰ বৰা, কামপুৰ।

কাৰ্বি আংলং : (সৰ্বশ্ৰী) সাথো তেৰণপী, বৈঠালাংছ, বংবং তেৰাং, ডিফু, লুংচে টিমুং, ডিফু, কেশৱ শৰ্মা, ডিফু কলেজ, অনন্ত বৰা, বৈথালাংছ, যজ্ঞোৰাম গগৈ, সৰিয়হজান।

উত্তৰ কাছাৰ জিলা : শ্ৰীবীৰেন্দ্ৰ নাথ বৰপূজাৰী, হাফলং।

নগাভূমি : ( সৰ্বশ্ৰী ) হৰিপ্ৰসাদ ৰাই, কহিমা, প্ৰভাত বৰগোহাঁই, মোককচাং, কনক কলিতা, ডিমাপুৰ, দীনেশ্বৰ শৰ্মা, কহিমা, উষা বৰঠাকুৰ, উখা।

শিৱসাগৰ জিলা : (সৰ্বশ্ৰী) পোনাৰাম বৰুৱা, গোলাঘাট, ললিত বৰুৱা, বাতুলিপাৰা, তৰুণ চন্দ্ৰ পামেগাম, মাজুলি, ইন্দ্ৰেশ্বৰ পেগু, জেংৰাইমুখ, হেম গগৈ, সৰুপথাৰ, চিদানন্দ শইকীয়া, বোকাখাট, দীনেশ্বৰ তালুকদাৰ, যোৰহাট, পুষ্পধৰ লইং, কমাৰগাওঁ, প্ৰফুল্ল চন্দ্ৰ দত্ত, নাজিৰা, হেম বুঢ়াগোহাঁই, বকতা, কৃষ্ণ মিৰি, শিৱসাগৰ, বৃন্দীন্দ্ৰ কুমাৰ ৰাজখনিকৰ, নিতাইপুখুৰী, কমলা বৰগোহাঁই, মৰাণ।

ডিব্ৰুগড় জিলা : ( সৰ্বশ্ৰী ) তিলক চন্দ্ৰ বৰুৱা, বাজগড়, তিলেন্দ্ৰ মহন্ত, নাহৰকটীয়া, মেঘ গগৈ, নামৰূপ, বাম গোস্বামী, বৰহাপজান, ধৰ্মকান্ত গোহাঁই, দুমডুমা, নাৰায়ণ ঘাটোৱাৰ, হুগ্ৰীজান, হেৰম্ব বৰদলৈ, ডিব্ৰুগড়, চেনিৰাম কুৰ্মী, ডিব্ৰুগড়, সুৰেন্দ্ৰ নাথ ভট্টাচাৰ্য, তিনিচুকীয়া, সুশীল গগৈ, চাবুৱা, ভদ্ৰকৃষ্ণ গোস্বামী, ডিগবৈ, গগণ চন্দ্ৰ সোণোৱাল, কাকপথাৰ, যতীন শৰ্মা, চামদাং বাগিছা।

লক্ষীমপুৰ জিলা : শ্ৰীভূপেন পেগু, চিলাপথাৰ, গোবিন্দ চন্দ্ৰ ডেকা, উত্তৰ লক্ষীমপুৰ, শংখধৰ দলে, ধেমাজি।

শদিয়া : শ্ৰীনীলকান্ত গোহাঁই।

দৰং : ( সৰ্বশ্ৰী ) ৰমেশ চন্দ্ৰ বৰা, ঢেকীয়াজুলি, টীকাৰাম উপাধ্যায়, বুটীগাং, নবীন চন্দ্ৰ হাজৰিকা, তেজপুৰ, উপেন্দ্ৰ নাথ দাস, টংলা, ধন শইকীয়া, জামুগুৰিহাট, করুণাময় গোস্বামী, টংলা, জিতেন ভাগৱতী, মঙলদৈ, গজেন্দ্ৰ নাথ চহৰীয়া, ছিপাঝাৰ, লক্ষীৰাম নাথ, ছিপাঝাৰ।

২৩] প্ৰস্তাবিত উপবিধিৰ ভিত্তিত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক আগন্তুক হীৰক জয়ন্তী উৎসৱ লগত এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰি সদস্য-মহত্তম ৰূপে সন্মান জনাবলৈ সমিতিয়ে সিদ্ধান্ত কৰে। প্ৰস্তাবিত উপবিধিখন নিয়মাৱলীত সন্নিবিষ্ট কৰিবৰ কাৰণে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সমিতিয়ে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

উপবিধি : উপবিধি ( ঙ ) সংযোজিত হ'ব—

সদস্য-মহত্তম : (২২) অসম তথা ভাৰতৰ ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চা আৰু গৱেষণাত মৌলিক আৰু এৰব



...নি যোগোৱা, শীৰ্ষস্থানীয় প্ৰতিভা-সম্পন্ন ব্যক্তিক ...অসম সাহিত্য সভাই সভাৰ সদস্য-মহত্তম ( Honou-...ry fellow ) স্বৰূপে বৰণ কৰিব পাৰিব।

...) সভাই ন্যূনতম পাঁচ বছৰৰ ভিতৰত একেবাৰ ...জন-গৰাকী ব্যক্তিক সদস্য-মহত্তম স্বৰূপে বৰণ ...ৰিব পাৰিব।

...) সদস্য-মহত্তম স্বৰূপে যোগ্যজনৰ নাম বাছিবলৈ ...তিনিগৰাকী ব্যক্তিৰে এখন স্থায়ী বিশেষজ্ঞ সমিতি ...ঠিব। এই সমিতিৰ সদস্য হ'ব— (ক) গুৱাহাটী ...বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু অধ্যাপক, (খ) ...গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাৰতীয় ভাষা বিভাগৰ ...ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক আৰু (গ) ডিব্ৰুগড় ...বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ লক্ষ্মীনাথ বেজবৰুৱা ...অধ্যাপক। অসম সাহিত্য সভাৰ সংশ্লিষ্ট বছৰৰ ...সভাপতিয়েই সেই সমিতিৰ সভাপতি হ'ব আৰু ...অসম সাহিত্য সভাৰ সংশ্লিষ্ট বছৰৰ প্ৰধান সম্পাদক ...সেই সমিতিৰ আহ্বায়ক হ'ব।

২৫) সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে সদস্য-মহত্তম স্বৰূপে বৰণ কৰিব খোজা ব্যক্তিগৰাকীৰ নাম গোপনীয়ভাৱে প্ৰস্তাব কৰি উক্ত বিশেষজ্ঞ সমিতিলৈ পঠাব।

২৬) বিশেষজ্ঞ সমিতিৰ তিনিগৰাকী সদস্য, সভাৰ কাৰ্য নিৰ্বাহকে প্ৰস্তাব কৰা নামত এক মত হ'ব নোৱাৰিলে সিসকলে সেইবাৰলৈ বিষয়টো স্থগিত ৰাখি কাৰ্য-নিৰ্বাহকক জনাব, অথবা সিসকলে সৰ্বসন্মতিক্ৰমে যোগ্য বুলি ভবা কোনো এগৰাকী ব্যক্তিৰ নাম বাছি পঠাব পাৰিব।

২৭) বিশেষজ্ঞ সমিতিৰ মতামতেই সভাৰ কাৰ্য-নিৰ্বাহকৰ দ্বাৰা চূড়ান্ত বুলি বিবেচিত হ'ব।

২৮) বিশেষজ্ঞ সমিতিয়ে এগৰাকী যোগ্য ব্যক্তিৰ নাম বাছি দিয়াৰ পাছত কাৰ্য-নিৰ্বাহক সমিতিয়ে সদস্য—মহত্তম স্বৰূপে বৰণ কৰিব খোজা ব্যক্তিগৰাকীৰ সন্মতি গ্ৰহণ কৰি বিষয়টি ঘোষণা কৰিব পাৰিব।



২৯) সদস্য-মহত্তম স্বৰূপে বৰণ কৰি সভাই এখনি মান-পত্ৰ প্ৰদান কৰিব। এই মান-পত্ৰৰ বাওঁহাতে তলত সভাৰ প্ৰধান সম্পাদকৰ স্বাক্ষৰ আৰু মোহৰ থাকিব আৰু সোঁহাতে সভাৰ সভাপতিৰ স্বাক্ষৰ আৰু মোহৰ থাকিব।

৩০) সভাই এটি বিশেষ অনুষ্ঠানত প্ৰস্তাবিত ব্যক্তিগৰাকীক সদস্য-মহত্তম স্বৰূপে বৰণ কৰিব।

২৪) লেখক সমবায় :— প্ৰাক্তন প্ৰধান সম্পাদক নগেন শইকীয়াই লেখক সমবায়ৰ এটি খচৰা দাঙি ধৰে আৰু লেখক সমবায় গঠন কৰিবৰ বাবে সমিতিক অনুৰোধ কৰে। সমিতিয়ে নীতিগতভাৱে শইকীয়াৰ অনুৰোধত সন্মতি জনায় আৰু গোটেই বিষয়টোৰ সকলো দিশ সামৰি আলোচনা কৰি কাৰ্য-নিৰ্বাহকক পৰামৰ্শ দিবৰ বাবে শ্ৰীনগেন শইকীয়া, শ্ৰীঅৰুণ গোস্বামী, শ্ৰীগোবিন্দ পৈৰা আৰু প্ৰধান সম্পাদকক লৈ এখন সমিতি গঠন কৰি দিয়ে।

২৫) নীলমণি ফুকনৰ গ্ৰন্থাৱলী প্ৰকাশ :— কৰ্কা নীলমণি ফুকনৰ গ্ৰন্থাৱলী প্ৰকাশ কৰিবৰ কাৰণে সভাই চৰকাৰক অনুদান দিবলৈ অনুৰোধ কৰি আঁচনি দিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২৬) ১৯৭৮ চনত উদ্‌যাপিত হ'বলগীয়া কালিৰাম মেধি শতবাৰ্ষিকীৰ প্ৰাৰম্ভিক প্ৰস্তুতি হৈছে বুলি কাৰ্য-নিৰ্বাহকৰ সদস্য শ্ৰীৰামচৰণ ঠাকুৰীয়াই জানিবলৈ দিয়ে। শতবাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰিব খোজা 'কালিৰাম মেধি-ৰচনাৱলী' সম্পাদনাত ড° সত্যেন্দ্ৰ নাথ শৰ্মা আৰু মুৰাৰিচৰণ দাস কামত আগ বাঢ়িছে বুলি সমিতিক অৱগত কৰায়। সমিতিয়ে শতবাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰিব খোজা ৰচনাৱলীৰ সম্ভাব্য ব্যয়ৰ অনুদান বিচাৰি চৰকাৰৰ ওচৰত এখন আঁচনি দাখিল কৰিবলৈ প্ৰধান

সম্পাদকক দায়িত্ব দিয়ে।

২৭) বাভা গ্ৰন্থাৱলী :— বিষ্ণু প্ৰসাদ ৰাভাৰ গ্ৰন্থাৱলী প্ৰকাশ সম্পৰ্কে শ্ৰীযতীন গোস্বামীয়ে দিয়া চিঠি প্ৰধান সম্পাদকে উত্থাপন কৰে। সমিতিয়ে অসম প্ৰকাশন পৰিষদৰ লগত যোগাযোগ কৰি ইতিবাচক উত্তৰ পালে শ্ৰীমতী মোহিনী ৰাভাৰ লগত গ্ৰন্থাৱলী প্ৰকাশ সম্পৰ্কে যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে, যিহেতুকে বিষয়টো বৰ্তমান প্ৰকাশন পৰিষদৰ লগত জড়িত হৈ আছে বুলি সমিতিয়ে অনুভৱ কৰে।

২৮) কাৰ্যালয় কৰ্মচাৰীৰ দৰমহা :— সমিতিয়ে কাৰ্যালয় কৰ্মচাৰীসকলৰ বেতন বৃদ্ধিৰ আবেদন সম্পৰ্কে আলোচনা কৰি শ্ৰীঅৰুণ গোস্বামী, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীঅৱলা গোঁহাই, ড° হেমন্তকুমাৰ শৰ্মা, আৰু প্ৰধান সম্পাদকক লৈ কাৰ্য-নিৰ্বাহকক পৰামৰ্শ দিবলৈ এখন সমিতি গঠন কৰি দিয়ে।

২৯) চিকিৎসা সাহায্য :— গুৱাহাটী কাৰ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীহৰলাল ডেকা চিকিৎসাধীন হৈ থকাত সভাই আৰ্থিক সাহায্য স্বৰূপে ১০০'০০ (এশ) টকাৰ এটি এক কালীন সাহায্য দিবলৈ আগ বঢ়ায়।

৩০) কৰ্মচাৰীৰ অস্থায়ী নিযুক্তি— ১) গুৱাহাটী কাৰ্যালয়ৰ সহকাৰী শ্ৰীমনীন্দ্ৰ নাথ দাসৰ ৩১।৩।৭৭ তাৰিখলৈকে অস্থায়ী নিযুক্তিত অনুমোদন জনোৱা হয় আৰু কাৰ্যকাল ৩০।৪।৭৭ তাৰিখলৈকে বঢ়াই দিয়াৰ সিদ্ধান্ত কৰা হয়।

২) যোৰহাট কাৰ্যালয়ৰ পুথিভঁড়ালৰ কাম কৰিবৰ কাৰণে ২৪।২।৭৭ তাৰিখৰ পৰা ৯।৪।৭৭ তাৰিখলৈ অস্থায়ীভাৱে নিযুক্তি দিয়া শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামীৰ অস্থায়ী নিযুক্তিত সমিতিয়ে অনুমোদন জনায় আৰু ৩০।৪।৭৭ তাৰিখলৈকে কাৰ্যকাল বৃদ্ধি কৰিবৰ কাৰণে সমিতিয়ে সিদ্ধান্ত কৰে।

৩১) প্ৰকাশন অভিকৰ্তা : প্ৰকাশন অভিকৰ্তা স্বৰূপে সভাৰ প্ৰকাশনসমূহ বিক্ৰী কৰিবৰ কাৰণে শ্ৰীবুদ্ধীন্দ্ৰ কুমাৰ ৰাজখনিকৰ আৰু শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামীয়ে আবেদন কৰাৰ কথা প্ৰধান সম্পাদকে জনায়। সভাই সন্দহতে শ্ৰীৰাজখনিকৰৰ আবেদন গ্ৰহণ কৰে আৰু পূৰ্বৰ সৰ্তসাপেক্ষে নিযুক্তি দিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। শ্ৰীৰাজখনিকৰ যথাযথ ভাৱে কাম কৰিবলৈ অসমৰ্থ হ'লে শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামীৰ আবেদন বিবেচনা কৰা হ'ব।

৩২) কাৰ্যালয় সচিব :— কাৰ্যালয় সচিবৰ কাৰণে পূৰ্বৰ সৰ্তসাপেক্ষে বাতৰি কাকতত বিজ্ঞাপন দি অন্ততঃ তিনি মাহৰ কাৰণে প্ৰথম পৰ্যায়ত এজন ব্যক্তিক দিব লাগে বুলি সভাই অনুভৱ কৰে।

৩৩) চন্দ্ৰধৰ বৰুৱা স্মৃতিফলক :— সাহিত্যাচাৰ্য চন্দ্ৰধৰ বৰুৱাৰ পৰিয়ালে বৰেণ্য স্বৰ্গীয় বৰুৱাৰ স্মৃতিফলকৰ ব্যৱস্থা কৰাত সভাই সন্তোষ প্ৰকাশ কৰে আৰু অক্টোবৰ মাহতেই স্মৃতিফলক স্থাপন কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

৩৪) বঁটা প্ৰদান :— শ্ৰীৰাধানাথ হাজৰিকাই ১৯২০ চনৰ পৰা ১৯৪৭ চনলৈকে স্বাধীনতা আন্দোলনত লেখকসকলৰ ভূমিকা সম্পৰ্কীয় প্ৰবন্ধৰ কাৰণে ৫০০'০০ (পাঁচ শ) টকাৰ এটি পুৰস্কাৰ আগ বঢ়োৱাত সমিতিয়ে সন্তোষ প্ৰকাশ কৰে আৰু বিষয় সম্পৰ্কে আৰু যাবতীয় কৰণীয় সম্পৰ্কে শ্ৰীহাজৰিকাৰ লগত আলোচনা কৰিবলৈ সমিতিয়ে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

৩৫) প্ৰাক্তন সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই আগ বঢ়োৱা তলৰ প্ৰস্তাবটিৰ সম্পৰ্কত সমিতিয়ে ৰাজ্য চৰকাৰৰ ওচৰলৈ এটি সজাতি দল পঠিয়াবৰ কাৰণে সিদ্ধান্ত কৰে।

প্ৰস্তাব : "অসমত স্থাপিত কেন্দ্ৰীয় বিদ্যালয়বোৰত ইংৰাজী আৰু হিন্দীৰ উপৰিও তৃতীয় বাধ্যতামূলক ভাষা হিচাপে স্বীকৃত আঞ্চলিক ভাষা অসমীয়াৰো তলৰ শ্ৰেণীৰ পৰা পাঠ দানৰ ব্যৱস্থা কৰিব লাগে।"

৩৬) সাহিত্য সভা সপ্তাহ পালন কৰিবৰ কাৰণে





১৯৭৮ চনৰ ১৭ জানুৱাৰীৰ পৰা কাৰ্যসূচী যুগুত কৰিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

৩৭) প্ৰকাশন এজেন্ট :— প্ৰধান সম্পাদকৰ দ্বাৰা উপযুক্ত বুলি বিবেচিত ইচ্ছুক লোকক তলৰ সৰ্তসাপেক্ষে প্ৰকাশন এজেন্ট নিযুক্তি দিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। সভাৰ প্ৰকাশনসমূহ শতকৰা ৩০ টকা ৰেহাই মূল্যত লৈ বিক্ৰী কৰিবৰ কাৰণে ইচ্ছুক লোকক স্বীকৃত বিক্ৰেতা হিচাপে তলত দিয়া সৰ্তসাপেক্ষে নিয়োগৰ ব্যৱস্থা কৰিবলৈ সম্পাদকক দায়িত্ব দিয়া হওক :

১) উল্লেখিত ৰেহাই শতকৰা ৩০ টকাৰ পৰাইহে স্বীকৃত বিক্ৰেতাই ইচ্ছা কৰিলে ক্ৰেতাক ৰেহাই দিব পাৰিব।

২) ক্ৰেতাৰ পৰা শতকৰা ১০ টকা হিচাপে স্বীকৃত বিক্ৰেতাই আগধন লৈ প্ৰথম সুযোগতে সভাক দিব।

৩) পৰিবহন খৰচ সভাই বহন কৰিব।

৪) প্ৰতি তিনি মাহৰ অন্তত বিক্ৰী হোৱা পুথিৰ হিচাপ দাখিল কৰি পাব লগা বৰ্তন স্বীকৃত বিক্ৰেতাই আদায় কৰিব।

৩৮) সভাই গ্ৰন্থ প্ৰকাশ কৰোঁতে ভবিষ্যতে লেখকৰ কাৰণে অতিৰিক্ত কিতাপ লেখকৰ খৰচত ছপা নকৰিবৰ কাৰণে সিদ্ধান্ত কৰে।

৩৯) ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ কাৰণে ৰাজ্যিক চৰকাৰৰ পৰা দুই লাখ টকাৰ অনুদান পোৱাৰ কথা প্ৰধান সম্পাদকে সমিতিক জানিবলৈ দিয়ে। সমিতিয়ে ভৱন নিৰ্মাণৰ কাম সোনকালে আদায় কৰিবৰ কাৰণে প্ৰয়োজনীয় প্ৰস্তুতি সম্পৰ্কে সমিতিক অৱগত কৰিবলৈ ভৱন নিৰ্মাণ সমিতিক পৰামৰ্শ দিবলৈ অনুৰোধ জনায়। ভৱন নিৰ্মাণৰ কাৰণে অহা সকলো টকা-পইচা সুকীয়া হিচাপত ৰাখি প্ৰধান সম্পাদকৰ যোগেদি আদান-প্ৰদান হ'ব লাগে বুলি সমিতিয়ে অনুভৱ কৰে আৰু তলত দিয়া প্ৰস্তাবটি গ্ৰহণ কৰে।

"অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে প্ৰস্তাৱ কৰে যে অসম সাহিত্য সভাৰ ৰাধাকান্ত সন্দিকৈ ভৱন পুঁজিৰ ধনভঁড়ালী স্বৰূপে কাৰ্য নিৰ্বাহ কৰি অহা শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ ঠাইত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আৰু ধনভঁড়ালীৰ যুটীয়া স্বাক্ষৰত পুঁজি পৰিচালনা কৰা হওক।"

সমিতিয়ে অৱশেষ আজিৰ বৈঠকৰ সিদ্ধান্ত প্ৰয়োজন বোধে সাল-সলনি কৰা হ'ব বুলি অনুভৱ কৰে।

৪০। সভাৰ ১৯৭৭-৭৮ বছৰৰ বিভিন্ন আঁচনি ৰাজ্য চৰকাৰৰ ওচৰত দাখিল কৰি অৰ্থ-সাহায্যৰ কাৰণে অনুৰোধ কৰিবলৈ এটি সজাতী দল প্ৰেৰণ কৰিবলৈ সিদ্ধান্ত কৰি প্ৰধান সম্পাদকক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দায়িত্ব দিয়ে।

৪১। গোলাঘাটত হ'বলগীয়া সভাৰ পঞ্চচত্বাৰিংশ সন্মিলনৰ প্ৰাৰম্ভিক প্ৰস্তুতি সম্পৰ্কে গোলাঘাট সাহিত্য সভাৰ প্ৰতিনিধি শ্ৰীপোনাৰাম বৰুৱা আৰু শ্ৰীকমলেশ্বৰ শইকীয়াই সমিতিক অৱগত কৰায়। সমিতিয়ে উদ্যোগবাকী সদস্যলৈ শুভেচ্ছা জনায় আৰু পৰামৰ্শ আগ বঢ়ায়।

৪২। হীৰক জয়ন্তী স্মাৰক বক্তৃতা : হীৰক জয়ন্তী উপলক্ষে অসমীয়া লিপিৰ বিৱৰ্তনৰ ইতিহাস ( দ্বাদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ ) সম্পৰ্কে স্মাৰক বক্তৃতাৰ আয়োজন কৰিবলৈ সিদ্ধান্ত কৰে আৰু ড° টি পি বাৰ্মাক আমন্ত্ৰণ কৰিবলৈ সিদ্ধান্ত কৰে।

৪৪) প্ৰধান সম্পাদকে জানিবলৈ দিয়ে যে—হীৰক জয়ন্তীৰ প্ৰাৰম্ভিক প্ৰস্তুতি উছৱ সমিতিয়ে কৰিছে। সমিতিয়ে হীৰক জয়ন্তীৰ এটি অনুষ্ঠান শিৱসাগৰত পাতিবৰ কাৰণে আৰু স্থানীয় উছৱ সমিতিক হীৰক জয়ন্তীৰ কামৰ অগ্ৰগতি সম্পৰ্কে সভাক জনাবলৈ অনুৰোধ কৰে।

৪৫) আজীৱন সভ্য আৰু শাখা সভাৰ স্বীকৃতি :—
ক) তলত দিয়া লোকসকল সভাৰ আজীৱন সভ্য

ৰূপে স্বীকৃতি দিয়া হয় :—

১। শ্ৰীপতিৰাম বৈশ্য— গুৱালকুছি
২। শ্ৰীহেমচন্দ্ৰ মেধি— গুৱালকুছি
৩। শ্ৰীদীনেশ চন্দ্ৰ বৈশ্য— গুৱালকুছি
৪। শ্ৰীশশী মোহন গোহাঁইবৰুৱা— মৰাণছিগা, শিৱসাগৰ।
৫। শ্ৰীজিতেন্দ্ৰ নাথ দাস— ডিব্ৰুগড়।

খ) শাখা সভা :—

১। চৰগোলাভেলি শাখা সাহিত্য সভা— নগাঁও, কাছাৰ।

৪৬। সভাৰ পুথিভঁৰাল : সমিতিয়ে সাহিত্য সভাৰ পুথিভঁড়ালৰ দায়িত্ব যোৰহাটত শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী আৰু গুৱাহাটীত ডঃ হেমন্তকুমাৰ শৰ্মাক দিবৰ কাৰণে সিদ্ধান্ত কৰে।

৪৭) সভাপতিয়ে মাননীয় সদস্যসকলৰ সহায়-সহযোগিতাত সন্তোষ প্ৰকাশ কৰে আৰু সভাৰ সামৰণি ঘোষণা কৰে।

স্বাঃ চৈয়দ আব্দুল মালিক
সভাপতি, ১০।৪।৭৭

স্বাঃ আব্দুছ ছাত্তাৰ
প্ৰধান সম্পাদক,
১০।৪।৭৭


অসমীয়া সংবাদ-সাহিত্যত এটি নতুন সংযোজন

পযেকীয়া

**মাতৃভূমি**

পঢ়ক

নিৰ্ভীকতা আৰু স্পষ্টবাদিতা এই কাকতৰ বিশেষত্ব।

এজেন্সী আৰু বিজ্ঞাপন আদিৰ বাবে তলৰ ঠিকনাত যোগাযোগ কৰক—

সুছন্দা প্ৰেছ,
আমোলাপট্টি
নগাঁও।


# অসম সাহিত্য সভাৰ সাধাৰণ পুঁজি

## ১৯৭৭-৭৮ ঃ আয়-ব্যয়ক

| | প্ৰকৃত আয় ১৯৭৫-৭৬ | প্ৰত্যাশিত আয় ১৯৭৬-৭৭ | প্ৰকৃত আয় ১৯৭৬-৭৭ | প্ৰত্যাশিত আয় ১৯৭৭-৭৮ |
|---|---|---|---|---|
| আৰম্ভণী উদ্বৃত্ত : | | | | |
| নগদ : হাতে জমা : কেন্দ্ৰীয় কাৰ্যালয় | ৪৬৮'৬২ | ২০০'০০ | ২৪৮'৩৬ | ৩০০'০০ |
| গুৱাহাটী কাৰ্যালয় | ২৩৩'১১ | ১০০'০০ | ৯৯'১৭ | ১০০'০০ |
| চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত স্মাৰক পুঁজি | ০'৬১ | ০'০০ | ০'৬১ | ০'০০ |
| বেংক : অসম কো: অ: এপেক্স বেংক : যোৰহাট : | ১০,০৩১'৭৩ | ১০,০৩১'৭৩ | ১০,৪১০'৪৫ | ১০,৪১০'৪৫ |
| —ঐ— : গুৱাহাটী : | ১,২৭৩'৫৬ | ১,২৭৩'৫৬ | ৮৬'৮৮ | ৮৬'৮৮ |
| চৰকাৰী অনুদান : অসম চৰকাৰ ( বাৰ্ষিক ) | ৩৫,০০০'০০ | ৩৫,০০০'০০ | ৩৫,০০০'০০ | ৩৫,০০০'০০ |
| বিশ্ববিদ্যালয় অনুদান : ডিব্ৰুগড় বিশ্ববিদ্যালয় | ১,০০০'০০ | ১,০০০'০০ | ১,০০০'০০ | ১,০০০'০০ |
| গুৱাহাটী বিশ্ববিদ্যালয় | ১,০০০'০০ | ১,০০০'০০ | ১,০০০'০০ | ১,০০০'০০ |
| কৃষি বিশ্ববিদ্যালয় | | | | ১,০০০'০০ |
| বিবিধ : চৰকাৰী অনুদান | | | | |
| শতবাৰ্ষিকী উৎসৱ — কালিৰাম মেধি | | | | ১০,০০০'০০ |
| লেখক শিবিৰ | | | | ১০,০০০'০০ |
| প্ৰকাশন আঁচনিৰ বাবে | ৫০,০০০'০০ | ৭৫,০০০'০০ | ৫০,০০০'০০ | ৩,০৮,৫০০'০০ |
| বিশেষ প্ৰ: আঁচনি — নীলমণি ফুকন | | | | ৪০,০০০'০০ |
| চৰকাৰী অনুদান : সাংস্কৃতিক বিনিময় | | ২০,০০০'০০ | ১৫,০০০'০০ | ২০,০০০'০০ |
| পুথিভঁড়ালৰ বাবে | | ১০,০০০'০০ | | ১০,০০০'০০ |
| আন্তৰ্জাতিক শিশু-বৰ্ষ উৎসৱ | | | | ৫০,০০০'০০ |
| আন্তৰ্জাতিক শিশু-বৰ্ষৰ মুখপত্ৰ | | | | ৪০,০০০'০০ |
| হীৰক জয়ন্তী সোঁৱৰণী বক্তৃতা উৎসৱ | | | | ২৫,০০০'০০ |
| | ৯৯,০০৭'৬৪ | ১,৫৩,৫০৫'২৯ | ১,১২,৯২৫'৪৭ | ৫,৬২,৪৭৭'৩৩ |

| | প্ৰকৃত আয় ১৯৭৫-৭৬ | প্ৰত্যাশিত আয় ১৯৭৬-৭৭ | প্ৰকৃত আয় ১৯৭৬-৭৭ | প্ৰত্যাশিত আয় ১৯৭৭-৭৮ |
|---|---|---|---|---|
| | ৯৯,০০৭'৬৪ | ১,৫৩,৬০৫'২৯ | ১,১২,৯২৫'৪৭ | ৫,৬২,৬৭৭'৩৩ |
| ববঙনি : | | | | |
| শাখা সভা | ২৪,১৭৭'০০ | ২৫,০০০'০০ | ২৫,২৮৩'৫০ | ৩০,০০০'০০ |
| স্বীকৃত সভা | ৮০'০০ | ১০০'০০ | ৮০'০০ | ১০০'০০ |
| আজীৱন সভ্য ভৰ্তি | ৫৫'০০ | ১০০'০০ | ১৩৫'০০ | ২০০'০০ |
| প্ৰকাশন : সাধাৰণ | ৫১,০৪৩'৭৭ | ৬০,০০০'০০ | ১৯,৪১৫'৩৯ | ৬০,০০০'০০ |
| বাৰ্ষিকী | ... | ১০,০০০'০০ | ... | ১০,০০০'০০ |
| প্ৰকাশন : পত্ৰিকা | ১,৭৩৩'১২ | ১০,০০০'০০ | ৩,৯১৩'৪৫ | ১০,০০০'০০ |
| বিশেষ দান : ভাষাজ্ঞান প্ৰশিক্ষণ কেন্দ্ৰ | ... | ... | ... | ... |
| দান সংগ্ৰহ : | ৪ ৫২৭'০০ | ৫,০০০'০০ | ... | ... |
| আজীৱন সভাৰ অক্ষয় পুঁজি : | ৫,৫০০'০০ | ১০,০০০'০০ | ১৩,৫০০'০০ | ১৫,০০০'০০ |
| শতবাৰ্ষিকী প্ৰকাশন ( গ্ৰাহকৰ অগ্ৰিম ) | ... | ... | ... | ... |
| '৭৫-'৭৬ বছৰৰ পুঁজিৰ পৰা ছপাশালক পুথিৰ বাবে দি থোৱা অগ্ৰিম | ... | ১৭,০০০'০০ | ৯,৫০০'০০ | ... |
| '৭৬-'৭৭ বছৰৰ পুঁজিৰ পৰা ছপাশালক পুথিৰ বাবে দি থোৱা অগ্ৰিম | ... | ... | ... | ৯,৫০০'০০ |
| | ১,৮৬,১১৯'৫৩ | ২,৯০,৮০৫'২৯ | ১,৮৪,২৫২'৮১ | ৬,৯৭,২৭৭'৩৩ |



| | প্ৰকৃত আয় ১৯৭৫-৭৬ | প্ৰত্যাশিত আয় ১৯৭৬-৭৭ | প্ৰকৃত আয় ১৯৭৬-৭৭ | প্ৰত্যাশিত আয় ১৯৭৭-৭৮ |
|---|---|---|---|---|
| পূৰ্ব পৃষ্ঠাৰ : | ১,৮৬,১১৯'৫৩ | ২,৯০,৮০৫ ২৯ | ১,৮৪,২৫২'৮১ | ৬,৯৭,২৭৭'৩৩ |
| বিবিধ : বেঙ্কৰ সুদ | ... | ... | ১,২৪১'১০ | ১,৫০০'০০ |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ ভাড়া | ১১৫'০০ | ২০০'০০ | ১৯০'০০ | ৩০০'০০ |
| পতাকা বিক্ৰী আদি | ৮৮৫'৮৫ | ১,০০০'০০ | ৭৭৩'০০ | ১,০০০'০০ |
| ভাষাজ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা | ১০,৭৮৫'৭৫ | ১২,০০০'০০ | ৯,৯১৭'৭০ | ১২,০০০'০০ |
| ভাষাজ্ঞান প্ৰশিক্ষণ কেন্দ্ৰ | ৭০৮'৫০ | ১,০০০'০০ | ... | ... |
| সাময়িক দান | ৩০২'০০ | ... | ... | ... |
| কৰ্মচাৰীৰ ঋণ—পৰিশোধ | ... | ২৫'০০ | ... | ১০৬'০০ |
| পত্ৰিকা বিজ্ঞাপন | ১,৬৫০'০০ | ১,৫০০'০০ | ২,৬০১'৪৫ | ৩,০০০'০০ |
| বিশেষ পুঁজিৰ ঋণ আদায় | ... | ৮০০'০০ | ... | ... |
| টেলিফোন | ... | ... | ৫৮'০০ | ২০০'০০ |
| কৰ্মচাৰীৰ সাক্ষাৎ মাচুল | ... | ... | ২০'০০ | ... |
| চিত্ৰশালা : ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ বাবে | | | | |
| (১) প্ৰত্যাশিত চৰকাৰী মঞ্জুৰী | ... | ৫০,০০০'০০ | ... | ৩,০০,০০০'০০ |
| (১) প্ৰত্যাশিত দান ববঙনি | ... | ১০,০০০'০০ | ২৩৮'০০ | ১৫,০০০'০০ |
| | ২,৪১,৮৩১'৬৩ | ৩,৭৩,৩৩০'২৯ | ১,৯৯,২৯২'০৬ | ১০,৩০,৩৮৩'৩৩ |

## ব্যয়

| | প্ৰকৃত ব্যয় ১৯৭৫-৭৬ | প্ৰত্যাশিত ব্যয় ১৯৭৬-৭৭ | প্ৰকৃত ব্যয় ১৯৭৬-৭৭ | প্ৰত্যাশিত ব্যয় ১৯৭৭-৭৮ |
|---|---|---|---|---|
| দৰমহা : | | | | |
| কেন্দ্ৰীয় কাৰ্যালয় | ১৫,৯৫৪·৪১ | ১৬,৭৫৫·০০ | ১৫,৩৯৩·১৫ | ১৮,০০০·০০ |
| গুৱাহাটী কাৰ্যালয় | ৪,৯৫১·০৮ | ৭,০০০·০০ | ৭,৬০৬·৭৬ | ৫,৭৪৮·২৪ |
| প্ৰধান সম্পাদকৰ কাৰ্যালয় | ২৫০·০০ | … | … | … |
| ভ্ৰমণ বানচ আদি | ২১,৩২৩·৯৭ | ১৮,০০০·০০ | ১১,৯২৯·২০ | ১৫,০০০·০০ |
| ডাক আৰু তাঁৰ : ডাকটিকট, তাঁৰ, অৰ্থপ্ৰেৰণ | ৭,৭০৯·৫২ | ৭,০০০·০০ | ৬,৬১৬·৪৫ | ৭,০০০·০০ |
| টেলিফোন | ৪,০৬১·৭৫ | ৪,০০০·০০ | ৪,২৫১·২৫ | ৫০,০০০·০০ |
| খাজনা আৰু কৰ : মাটিৰ খাজনা | ১৫৩·৩০ | ১৫৩·৩০ | ১৩৬·৫০ | ১২৮·১০ |
| পৌৰ সভাৰ কৰ | ১০০·০০ | ১০০·০০ | ৮৮·২৪ | ১০০·০০ |
| বিজুলী শক্তি | ৬১১·৯২ | ৬০০·০০ | ৫৭০·৪৬ | ৬০০·০০ |
| আচবাব আৰু সঁজুলি : | ২,১৪০·৯৮ | ৫,০০০·০০ | ৬,১৪৮·৯৫ | ৫,০০০·০০ |
| গ্ৰন্থাগাৰ : কিতাপ, আলোচনী আদি | ২,০৫১·৯৫ | ১২,০০০·০০ | ৫৬৭·১৪ | ১২,০০০·০০ |
| মুদ্ৰণ আৰু প্ৰকাশন : ক্ষুদ্ৰ মুদ্ৰণ | ১৬,১৩৮·২০ | ৮,০০০·০০ | ১১,৪৭১·৫৬ | ১২,০০০·০০ |
| সাধাৰণ প্ৰচাৰ বিজ্ঞাপন আদি : | ২,৯৩৮·৪৫ | ৩,০০০·০০ | ১,৪৯৯·০০ | ৩,০০০·০০ |
| পুথি বিক্ৰী ব্যৱস্থা, প্ৰদৰ্শনী আদি : | ৬,৮৮০·৬৭ | ৫,০০০·০০ | ১,৫৬৯·৪৭ | ৫,০০০·০০ |
| পৰিবহন : সাধাৰণ : | ২,৫৮৩·৮২ | ২,০০০·০০ | ২,৭৯৩·৮৮ | ৩,০০০·০০ |
| দৰমহা : ভাষা শিক্ষা শ্ৰেণী শিলচৰ, হাইলাকান্দি | ৪,০৫০·০০ | ৫,০০০·০০ | … | … |
| | ৯১,৯৪০·০২ | ৯৩,৬০৮·৩০ | ৭০,৬৪২·৭১ | ৯১,৯১৫·০৬ |



| | প্ৰকৃত ব্যয় ১৯৭৫-৭৬ | প্ৰত্যাশিত ব্যয় ১৯৭৬-৭৭ | প্ৰকৃত ব্যয় ১৯৭৬-৭৭ | প্ৰত্যাশিত ব্যয় ১৯৭৭-৭৮ |
|---|---|---|---|---|
| পূৰ্ব-পৃষ্ঠাৰ : | ৯১,৯৪০·০২ | ৯৩,৬০৮·৩০ | ৭০,৬৪২·৭১ | ৯১,৯১৫·০৬ |
| লেখন সামগ্ৰী আদি : | ৬,৯০২·০৬ | ৬,০০০·০০ | ৫,০৩০·০৭ | ৬,০০০·০০ |
| বিশেষ দানৰ পুঁজি : গোস্বামী পুঁজি : | | | | |
| আজীৱন সভ্যৰ অক্ষয় পুঁজি : | ৫,৮০০·০০ | ১০,০০০·৩০ | ১৩,৫০০·০০ | ১৫,০০০·০০ |
| নৈমিত্তিক ব্যয় : | ৫,০৮৭·০৮ | ৫,০০০·০০ | ৫,৪৭৭·৩২ | ৭,০০০·০০ |
| প্ৰকাশন : সাধাৰণ | ২৩,৫০৩·০০ | … | … | … |
| (১) ১৯৭৪-৭৫ চনৰ প্ৰকাশনৰ বাকী ব্যয় | ৩০,৯১৭·০০ | ১৮,০০০·০০ | … | … |
| (২) ১৯৭৫-৭৬ ,, ,, প্ৰস্তাৱিত ব্যয় | ২৩,৪২৬·৮৫ | … | … | … |
| (৩) শতবাৰ্ষিকী প্ৰকাশনৰ প্ৰস্তাৱিত ব্যয় (তৰুণৰাম ফুকন) | ২৩,৪৮৭·৭০ | ৫,০০০·০০ | ৭,৪৬২·৫৬ | … |
| (৪) পূৰ্বৰ বিশেষ চৰকাৰী মঞ্জুৰীৰ প্ৰকাশন | … | ৭৫,০০০·০০ | ৪০,৮০৫·০০ | ৩,০৮,৫০০·০০ |
| (৫) ১৯৭৬-৭৭ চনৰ প্ৰকাশনৰ বাবে ব্যয় | | | | ৬৩,৩০৬·২০ |
| প্ৰকাশন : পত্ৰিকা | | | | |
| (১) ১৯৭৩-৭৪ চনৰ পত্ৰিকাৰ ব্যয় | | | | |
| (২) ১৯৭৪-৭৫ ,, ,, ,, | ৯,৫১০·০০ | … | … | … |
| (৩) ১৯৭৫-৭৬ ,, ,, ,, | ১৮,৮৮৬·০০ | ২০,০০০·০০ | ১৫,৬১৯·০১ | ২০,০০০·০০ |
| বাৰ্ষিকী : মঙ্গলদৈ আৰু ভিত্তাবৰ | ১৬,৪০১·৫৮ | … | … | … |
| টিহু | … | ১০,০০০·০০ | ৭,৩৯৯·৮০ | ১০,০০০·০০ |
| | ২,৫৫,৮৬১·২৯ | ২,৪২,৬০৮·৬০ | ১,৬৫,৯৩৬·৪৭ | ৫,২১,৭২১·২৬ |

| | প্ৰকৃত ব্যয় ১৯৭৫-৭৬ | প্ৰত্যাশিত ব্যয় ১৯৭৬-৭৭ | প্ৰকৃত ব্যয় ১৯৭৬-৭৭ | প্ৰত্যাশিত ব্যয় ১৯৭৭-৭৮ |
|---|---|---|---|---|
| পূৰ্ব পৃষ্ঠাৰ | ২,৭৫,৮৬১·২৯ | ২,৪২,৬০৮·৫০ | ১,৬৫,১৩৬·৪৭ | ৫,২১,৭২১·২৮ |
| বিবিধ :— হিচাপ পৰীক্ষকৰ বানচ | ২,০৫০·০০ | ২,০০০·০০ | ২,৫৫০·০০ | ৩,০০০·০০ |
| ৰাধাকান্ত সন্দিকৈ স্মৃতি ভৱন | ১৭৫·০০ | … | … | … |
| সমিতি আদি বৈঠক/বাৰ্ষিক অধিৱেশন | ১,২২৫·৬০ | ১,৫০০·০০ | ২,৪৬১·৫৬ | ৩,০০০·০০ |
| সম্পত্তি প্ৰতিপালন | ১,২২৮·৫০ | ৫০০·০০ | ৯৬৯·৪৩ | ১,০০০·০০ |
| বেংকৰ ভৰণি | ৩৫·৭৪ | ৫০·০০ | ৯০·৮৬ | ১০০·০০ |
| ঐচ্ছিক পুঁজি : সভাপতি | ১০০·০০ | ২০০·০০ | ২০০·০০ | ২০০·০০ |
| " : প্ৰধান সম্পাদক | ৭৫·০০ | ১০০·০০ | ১০০.০০ | ১০০·০০ |
| ভাষাজ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা | ১৪,২২৭·৮১ | ১২,০০০·০০ | ৩,২১৩·৯০ | ১২,০০০·০০ |
| সাংস্কৃতিক বিনিময় আঁচনি | … | ২০,০০০·০০ | ৭,৬৪৭·৪৭ | ২০,০০০·০০ |
| কৰ্মচাৰীৰ ভৱিষ্যনিধি | ৬১২·৬০ | ৭০০·০০ | … | … |
| সাময়িক দান | … | … | ৫০·০০ | ১০০·০০ |
| প্ৰকাশন : চৰকাৰী অনুদানৰ পৰা | … | ২৬,৩০৭·০০ | … | ৩০,৪৬৬·৯০ |
| লেখক শিবিৰ : | ৮,৯১৫·৫৬ | ১০,০০০·০০ | ৩,১৪৭·২২ | ১০,০০০·০০ |
| আনন্দৰাম বৰুৱা সোঁৱৰণী বক্তৃতা | ৫,৮০৫·০৫ | … | … | … |
| চিত্ৰশালা : ৰাধাকান্ত সন্দিকৈ ভৱন (চৰকাৰৰ পৰা প্ৰত্যাশিত) | … | ৬০,০০০·০০ | ১৯·০০ | ৩,০০,০০০·০০ |
| সাহিত্য সংগ্ৰহালয় (চৰকাৰৰ পৰা প্ৰত্যাশিত) | … | … | … | … |
| বিশেষ প্ৰকাশন আঁচনি—নীলমণি ফুকন গ্ৰন্থাৱলী | … | … | … | ৪০,০০০·০০ |
| আন্তৰ্জাতিক শিশু-বৰ্ষ উছৱ | … | … | … | ৫০,০০০·০০ |
| " " " মুখপত্ৰ | … | … | … | ৪০,০০০·০০ |
| হীৰক জয়ন্তী সোঁৱৰণী বক্তৃতা আৰু উছৱ : | … | … | … | ২৫,০০০·০০ |
| | ২,৯০,৩১৪·১৫ | ৩,৭৫,৯৬৫·৬০ | ১,৮৬,২৬৬·৯১ | ১০,৫৬,৬৮৮·১১ |



| | প্ৰকৃত ব্যয় ১৯৭৫-৭৬ | প্ৰস্তাৱিত ব্যয় ১৯৭৬-৭৭ | প্ৰকৃত ব্যয় ১৯৭৬-৭৭ | প্ৰস্তাৱিত ব্যয় ১৯৭৭-৭৮ |
|---|---|---|---|---|
| পূৰ্ব পৃষ্ঠাৰ : | ২,৯০,৩১৪·১৫ | ৩,৭৫,৯৬৫·৬ | ১,৮৬,২৬৬·৯১ | ১০,৫৬,৬৮৮·১১ |
| শতবাৰ্ষিকী উছৱ : | | | | |
| ৰাধাকান্ত ফুকন | ৫০০·০০ | … | … | … |
| নবীন চন্দ্ৰ বৰদলৈ | ২,২৮৩·৬০ | … | … | … |
| হিতেশ্বৰ বৰবৰুৱা | ৭,৯২৮·২১ | … | … | … |
| তৰুণৰাম ফুকন শতবাৰ্ষিকী উছৱ : | | ৩,০০০·০০ | ১,০০০·০০ | … |
| কালিৰাম মেধি | … | … | … | ১০,০০০·০০ |
| বিশেষ পৰিবহন | … | ২,০০০·০০ | … | ২,০০০·০০ |
| মুদ্ৰণ অলংকৰণ বঁটা | … | ২০০·০০ | … | ২০০·০০ |
| | ৩,০১,০২৬·৭২ | ৩,৮১,১৬৫·৬০ | ১,৮৭,২৬৬·৯১ | ১০,৬৮,৮৮৮·১১ |

আয়— ১০,৩০,৩৮৩·৩৩

ব্যয়— ১০,৬৮,৮৮৮·১১

ঘাটি— ৩৮,৫০৪·৭৮

গৃহীত—

স্বা: / আব্দুচ ছাত্তাৰ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।
২৭।৬।৭৭

স্বা: / চৈয়দ আব্দুল মালিক
সভাপতি,
অসম সাহিত্য সভা।
২৭।৬।৭৭

অনৱধানতাবশতঃ ৯৮, ৯৯ আৰু ১০০ সংখ্যক পৃষ্ঠাত 'প্ৰস্তাৱিত ব্যয়'ৰ পৰিবৰ্তে 'প্ৰত্যাশিত ব্যয়' বুলি ছপা হোৱা কাৰণে আমি অতিশয় দুঃখিত। —পত্ৰিকা সম্পাদক।